এনে ধৰণে সাধাৰণ পৰিয়ালৰ ল'ৰা নিতায়ে চুতীয়া ৰাজ্যৰ সিংহাসন লাভ কৰিলে। ই আছিল চুতীয়া ৰাজ্যৰ বাবে কাল সন্ধিক্ষণ। ইয়াৰ পাছত খুব কম সময়ৰ ভিতৰত সংঘটিত কেতবোৰ ঘটনা আৰু উপ-ঘটনাই চুতীয়া ৰাজ্যৰ বেলি মাৰ যোৱাত ইন্ধন যোগালে।

**ৰাণী সাধনী ঃ**

নীতিপাল ৰজা হোৱাত হীনমান্যতাত ভুগি থকা সাধনীৰ সামাজিক মৰ্যদাৰ উত্তৰণ ঘটিছিল; কাৰণ তাই মহিষী হ'ল। সাধনীৰ বিয়াখনে আৰু নীতিপালৰ সিংহাসনাৰোহণে চুতীয়া ৰাজ্যৰ ৰাজনীতিত যথেষ্ট প্ৰভাৱ পেলাইছিল। এই বিয়াখনে

চুতীয়া ৰাজ পৰম্পৰা ভংগ কৰিছিল। কাৰণ চুতীয়াসকলৰ মাজত ৰাজকন্যা সম্ভ্ৰান্ত বা ৰাজ পৰিয়াললৈ বিয়া দিয়াৰ পৰম্পৰা আছিল। তদুপৰি চুতীয়াসকলৰ মাজত ৰাজবংশৰ পৰা ৰজা হোৱাৰ নিয়ম আছিল। এতিয়া সেই পৰম্পৰা ভংগ হ'ল। কাৰণ ৰাজকন্যা বিয়া কৰাৰ সুবাদত সাধাৰণ ঘৰৰ নিতায়ে ৰাজসিংহাসন দখল কৰিলে। ইয়ে ৰাজতন্ত্ৰৰ পৰিকাঠামোত আঘাত সানিলে। এফালেদি ৰাজপৰিয়াল আৰু সম্ভ্ৰান্ত লোকৰ মাজত সাধাৰণ ঘৰৰ পৰিয়ালৰ লোকক ন্যাযতা দি ৰজা হিচাবে গ্ৰহণ নকৰাৰৰ প্ৰৱণতা; আন ফালেদি নতুন শাসক নীতিপালৰ কিছুমান নীতিয়ে ৰাজবংশৰ লোক আৰু প্ৰজাৰ মাজত অসন্তিৰ সৃষ্টি কৰিলে। ইয়ে চুতীয়া ৰাজ্যক অৰাজক অৱস্থালৈ লৈ গৈছিল। এনে সময়তে আহোমৰ আক্ৰমণে চুতীয়া ৰাজ্য লৈ বিপদ মাতি আনে। ৰজা হোৱাৰ পিছতো নীতিপালে পূৰ্বৰ কিছুমান স্বভাৱ পৰিত্যাগ কৰা নাছিল। যেনে- তেওঁ ৰাজ কাৰ্যলৈ পিঠি দি চিকাৰ কৰাত ব্যস্ত আছিল। তথাপি নীতিপালে শাসনৰ আৰম্ভণিতে প্ৰজাৰ হিতৰ বাবে পুখুৰী খন্দোৱা, আলিবাট নিৰ্মাণ আদি কিছু জনহিতকৰ কাম কৰিছিল। কিন্তু চুতীয়া ৰাজবংশৰ লোকসকলে নীতিপালৰ কৰ্তৃত্ব মানি ল'বলৈ টান পালে আৰু তেওঁক সিংহাসনচ্যুত কৰিবলৈ ষড়যন্ত্ৰত নামি পৰিল। কিন্তু নীতিপালে সেই ষড়যন্ত্ৰ ধৰা পেলাই তাক প্ৰতিহত কৰে। ৰাণী সাধনীৰ পৰামৰ্শ আওকাণ কৰি ষড়যন্ত্ৰকাৰীসকলক কঠোৰ শাস্তি বিহে।" সমান্তৰালভাৱে ৰজাই কাৰ্য নিৰ্বাহ কৰি থকা পাত্ৰ মন্ত্ৰী আৰু বিষয়াক আঁতৰাই পূৰ্ব সাধাৰণ ঘৰৰ লগৰীয়াক সেইবিলাক দায়িত্বশীল বিষয়-বাব দিলে। ইয়াৰ ফলত ৰাজবংশৰ লোসসকল বিতুষ্ট হ'ল আৰু ৰজাই তেওঁলোকৰ সমৰ্থনৰ পৰা বঞ্চিত হ'ল। অনভিজ্ঞ আৰু অপৰিপক্ক ৰজাৰ নীতিত ৰাজ্যৰ শাসন ব্যৱস্থা শিথিল হৈ পৰে। কুশাসন আৰু প্ৰজাৰ ওপৰত চলোৱা অত্যাচাৰৰ বাবে নীতিপাল ৰজা অনীতিপাল নামেৰে জনাজাত হৈ পৰে। 'দেওধাই অসম বুৰঞ্জী'ৰ ভাষাৰে-

পূৰ্ব্বৰ পাত্ৰ-মন্ত্ৰীক গুচাই সামান্যৰ পাত্ৰ-মন্ত্ৰী পাতি ললে। দেশৰ দোষ-গুণ বিচাৰ নকৰি প্ৰজালোকক দণ্ড-বন্ধ কৰিব ধৰিলে। পূৰ্ব্বৰ নীতিক এৰি প্ৰবৰ্ত্তে,



এতেকে সকলোৱে অনিত্যপাল বুলিব ধৰিলে। ৰাজচৰ্চা এৰি মাছ-পহু মাৰি ফুৰে, আলি বান্ধি পুখুৰী খানি ফুৰে।"

জাহ্নবী গগৈ নাথে লিখিছে- "নিতাই আছিল সাধাৰণ চুতীয়া পৰিয়ালৰ ল'ৰা। সিংহাসন লাভ কৰাৰ পূৰ্বে তেওঁৰ ৰাজ্য আৰু ৰাজনীতিৰ জ্ঞান আহৰণৰ কোনো সুবিধা নাছিল আৰু নাছিল প্ৰশাসনৰ অভিজ্ঞতা। স্বাভাৱিকতে পুৰুষানুক্ৰমে পৰিয়াল কেন্দ্ৰীকভাৱে সিংহাসন লাভ কৰা প্ৰথাত নিতাইৰ সিংহাসন অধিকাৰে কুঠাৰাঘাট হানিছিল আৰু এনে কাৰ্যই ৰাজ-পৰিয়ালৰ সদস্যসকলক অসন্তুষ্ট কৰিছিল। নিতাইৰ সিংহাসন লাভে সম্ভ্ৰান্ত পৰিয়ালৰ চুতীয়াসকলকো ক্ষুণ্ণ কৰিছিল আৰু তেওঁলোকেও সাধাৰণ পৰিয়ালৰ যুৱকৰ ওচৰত অৱনমিত হৈ ৰ'বলৈ ইতস্ততঃ কৰিছিল। বোধহয় আটাইতকৈ গুৰুত্বপূৰ্ণ ক্ষতি হৈছিল চুতীয়া ৰাজতন্ত্ৰৰ ন্যাযতা (legitimacy)। দৈৱবাদত বিশ্বাসী নব্য-ব্ৰাহ্মণ্যবাদী জনগোষ্ঠীসমূহৰ ৰাজতন্ত্ৰ প্ৰধান শক্তি নিহিত থাকে দৈৱবাদৰ বিশ্বাসত। দেৱ-দেৱতাৰ বংশধৰ বুলি পৰিচয় লাভ কৰাৰ পিছত একোজন অকৰ্মণ্য ৰাজসন্তানো লোকচক্ষুত পৰম পূজনীয় হৈ পৰে আৰু সক্ষম বীৰ পুৰুষ এজনো ৰাজবংশীয় নহ'লে দেৱতাৰ সন্তান হ'ব নোৱাৰাৰ অজুহাতত লোক সমাজত ন্যাযতা আৰু প্ৰতিষ্ঠা লাভ কৰিব নোৱাৰে। মধ্যযুগীয় এই ধাৰণাৰ বশৱৰ্তী চুতীয়া সম্ভ্ৰান্ত সমাজৰ বাবে সেয়ে নিতায়ে নীতিপাল বা চন্দ্ৰনাৰায়ণ নাম লাভ কৰিলেও দেৱতাৰ সন্তানৰ স্বত্ব দাবী কৰিব নোৱাৰিলে। ফলত ৰাজ্যখনৰ আভ্যন্তৰীণ উশৃংখলতা আৰম্ভ হৈছিল আৰু ৰাজ্যৰ আন্তঃগাঠনি দুৰ্বল হৈ পৰিছিল।"[১] চুতীয়া ৰাজ্যৰ এই পৰিবেশ সুযোগ সন্ধানী আৰু সাম্ৰাজ্যবাদী আহোমসকলৰ বাবে এক সোণালী সুযোগ। পূৰ্বৱতী ৰজা ধীৰনাৰায়ণৰ দিনত হোৱা চুতীয়া-আহোম যুদ্ধ নীতিপালৰ দিনত পুনৰাবৃত্তি ঘটিল।

**আহোম- চুতীয়াৰ যুদ্ধ ঃ**

ধীৰনাৰায়ণৰ দিনৰে পৰা চুতীয়া-আহোমৰ যুদ্ধ সূচনা হৈছিল। সেই সময়ত আহোম ৰজা আছিল চুহুংমুং দিহিঙীয়া ৰজা (১৪৯৭-১৫৩৯)। তেওঁ চুবুৰীয়া

শক্তিবিলাকক বশীভূত কৰি আহোম ৰাজ্য সম্প্ৰসাৰণত ভূমিকা লৈছিল। স্বাভাৱিকতে তেওঁৰ সাম্ৰাজ্যবাদী দৃষ্টি চুতীয়া ৰাজ্যৰ ওপৰত পৰে। ১৫১৩ চনত দিখৌ মুখত হোৱা যুদ্ধত আহোমে চুতীয়াসকলক পৰাস্ত কৰে। আনহাতে ১৫২০ চনত মুংখ্ৰামত হোৱা যুদ্ধত চুতীয়াসকলে আহোমক পৰাস্ত কৰে। উল্লেখ্য যে এই যুদ্ধৰ পিছতেই ধীৰনাৰায়ণে একমাত্ৰ কন্যা সাধনীক বিয়া দিবলৈ সয়ম্বৰ পাতিছিল।

১৫২০ চনৰ যুদ্ধৰ পিছত চুতীয়া ৰাজ্যৰ ৰাজনীতিৰ পট পৰিবৰ্তন হৈছিল। ধীৰনাৰায়ণে ৰাজ্যৰ শাসন ভাৰ জোৱায়েক নীতিপালৰ হাত অৰ্পণ কৰিছিল। নীতিপাল ৰজা হৈ আহোম আক্ৰমণৰ সন্মুখীন হয়। পূৰ্বৰ পৰাজয়ৰ পোটক তুলিবলৈ আহোম ৰজা চুহুংমুঙে চুতীয়াসকলৰ বিপক্ষে সৈন্য বাহিনী প্ৰেৰণ কৰে। ১৫২৩ চনৰ শেষৰ ফালে আহোমে চেঁচামুখত থকা চুতীয়াসকলৰ দুৰ্গ আক্ৰমণ কৰি দখল কৰে। পৰৱৰ্তী কালত ডিব্ৰুমুখত হোৱা যুদ্ধত পৰাস্ত হৈ চুতীয়া সৈন্য শদিয়ালৈকে পিছ হুহকি গ'ল। উপায়ন্তৰ হৈ ৰজা নীতিপালে আহোমৰ কৰতলীয়া হৈ থাকিব বুলি কিছু উপহাৰৰে সৈতে সন্ধিৰ প্ৰস্তাৱ আগবঢ়ালে। কিন্তু আহোম ৰজাই সন্ধিৰ চৰ্ত হিচাবে কুবেৰদত্ত সম্পত্তি, বৰকুঁৱৰী, এজনী মাখুন্দি, দহটা হাতী আৰু আন উপহাৰ বিচাৰে।[১০] এই খিনিতে এটা কথা উল্লেখ কৰিব পাৰি আহোম ৰজাসকলে বিভিন্ন সময়ত অন্য শক্তিৰ সৈতে কৰা সন্ধি বা মিত্ৰতাৰ চৰ্ত বা চিন হিচাবে কুঁৱৰী (ৰজাৰ জীয়েক বা ৰাজ পৰিয়ালৰ ছোৱালী) আদান-প্ৰদান কৰাৰ কথা বুৰঞ্জীত পোৱা যায়। কিন্তু সন্ধিৰ চৰ্ত হিচাবে অন্য ৰজাৰ বৰকুঁৱৰী (প্ৰধান মহিষী) বিচৰাটো প্ৰথম আৰু হয়তো একমাত্ৰ উদাহৰণ। ইয়াৰ কাৰণ দুটা হ'ব পাৰে। প্ৰথমতে, সাধনী অপূৰ্ব সুন্দৰী আছিল, যি কথা আহোম ৰজাৰ কাণত পৰিছিল। কোনো কোনো গৌণ সমল আৰু জনশ্ৰুতিয়েও সাধনী যে সুন্দৰী আছিল সেই কথা সমৰ্থন কৰে। দ্বিতীয়তে, চুতীয়া ৰাজদণ্ড কুবেৰদত্ত সম্পত্তিৰ মুখ্য বাহক-সংৰক্ষক ৰাণী সাধনী আছিল বুলি আহোম শক্তি পতিয়ন গৈছিল। এনে ক্ষেত্ৰত চুতীয়া ৰাজ্য ধ্বংস বা দখলৰ বাবে ৰজদণ্ডৰ প্ৰতীক কুবেৰদত্ত সম্পত্তি দখল কৰাটো অতি জৰুৰী আছিল। চুতীয়া ৰজাই কুবেৰদত্ত সম্পত্তিৰ



বাহিৰে প্ৰায়বিলাক চৰ্ত পূৰণ কৰাৰ প্ৰতিশ্ৰুতি দিলে। বুৰঞ্জীত আছে–" ভাল কুঁৱৰীকো, মাকুন্দী হাতী আৰু ১০ টা হাতী খুজিছে তাক দিম; সোণৰ দণ্ড খাট যি খুজিছে সি মোৰ বুপাৰ কালৰ সৰ্ব্বস, তাক মই দিব নোৱাৰো। যদি এক মাহলৈ দিন দিয়ে নকৈ গঢ়িহে দিব পাৰো।"[১১] এনে বাৰ্তাৰে সৈতে নীতিপালে কটকীৰ হাতত আহোম ৰজা আৰু পাত্ৰ মন্ত্ৰীলৈ বিবিধ উপহাৰ প্ৰেৰণ কৰে। কোনো বুৰঞ্জীৰ মতে স্বৰ্গদেৱলৈ এগৰাকী কুঁৱৰীও পঠায়। ইফালেদি স্বৰ্গদেৱলৈ পঠিওৱা কুঁৱৰী গৰাকীৰ লগত উপহাৰ স্বৰূপে নিয়া পাটী এখনৰ মাজত আহোম পক্ষই এখন চুৰী কটাৰী উদ্ধাৰ কৰে।[১২] তেতিয়া আহোমে সন্ধিৰ প্ৰস্তাৱ নাকচ কৰি শদিয়া আক্ৰমণৰ বাবে সৈন্য প্ৰেৰণ কৰে। আহোম সৈন্যৰ সঞ্চালনত নীতিপাল, ৰাণী সাধনী, সাধকনাৰায়ণ আদিয়ে শদিয়া এৰি চন্দনগিৰি পৰ্বতত আশ্ৰয় ল'লেগৈ। আহোম সৈন্য তাতো গৈ উঠিবলৈ চেষ্টা কৰাত চুতীয়া বাহিনীয়ে শিল বগৰাই বহুতো আহোম সৈন্য বধ কৰে। এনেদৰে সাময়িকভাৱে আহোমক প্ৰতিৰোধ কৰি থাকিল। পিছত আহোম সৈন্যই ঘিলা গছদি বগাই ৰজা থকা টিঙত উঠিলগৈ। বুৰঞ্জীত আছে–

চন্দ্ৰগিৰি পৰ্ব্বতৰ নিকট যুদ্ধ পাতিলে। কুবেৰৰ দণ্ড অস্ত্ৰ লৈ যুধত প্ৰৱেশ হ'ল। লুকিস্থিত ই পুনৰ দৃশ্য হৈ স্বৰ্গী ৰজাৰ সৈন্য মাৰে। সেই কাৰণে তাহাকো চন্দ্ৰনাৰায়ণ বোলে। সেই চুটিয়া ৰজা চন্দ্ৰগিৰি শিখৰত উঠিল, বাজু পাতি যুঝ দিলে। স্বৰ্গী ৰজাই খেদি ভৈয়ামত সৈন্য মাৰি পৰ্ব্বত তুলিলেগৈ, চুটিয়া ৰাজাৰ সৈন্য ভাগিল। ৰজাৰ ১২০ কুঁৱৰীয়েহে শিলা কোঁচাই ৰজাৰ হাতত দিয়ে, ৰজা অবিচ্ছেদে মাৰে। স্বৰ্গী ৰজাৰ সৈন্যত পৰি পৰি মৰে। ফাচেঙ্গমুন বৰগোহাঁই মন্ত্ৰণাকৈ ঘিলা গছত বগোৱাই পৰ্ব্বতৰ ওপৰত ঢুলীয়াক ঢোল বজাব দিলেগৈ। স্বৰ্গী ৰজাৰ আজ্ঞাৰে পৰ্ব্বতত উঠি ঢোল বজালেগৈ।[১৩]

এনেদৰে ঢোল বজোৱাৰ সন্দৰ্ভত ড° স্বৰ্ণলতা বৰুৱাই লিখিছে-"চুতীয়া জনশ্ৰুতি মতে সেইদিনা আছিল সাত বহাগৰ বিহুৰ দিন। ঢোলৰ মাত শুনি পাহাৰৰ ওপৰত থকা চুতীয়া সৈন্য চঞ্চল হৈ পৰিল। যুদ্ধ জয়ৰ ইঙ্গিত বুলি ভাবি তেওঁলোকে

আনন্দত মতলীয়া হৈ নাচিবলৈ ধৰিলে। আন কিছুমানে আকৌ বিহুৰ আনন্দতে মতলীয়া হল। এই পৰিবেশত আক্ৰমণকাৰীসকলে আগবাঢ়ি আহি যুদ্ধ আৰম্ভ কৰিলে। যুদ্ধত চুতীয়াসকল ঘাটিল।"[১৬]

**ৰাণী সাধনীৰ আত্মত্যাগ ঃ**

চন্দনগিৰি পৰ্বতৰ পৰা চুতীয়া সকলে আহোমৰ বিৰুদ্ধে যুদ্ধ চলাই থাকিল। অৱশেষত আহোমসকলে ৰজা-ৰাণী আশ্ৰয় লৈ থকা পৰ্বতত উঠিবলৈ সক্ষম হ'ল। আহোমৰ হাতত চুতীয়া শক্তি পতন অনিবাৰ্য হৈ পৰিল। চুতীয়া ৰজা-ৰাণী কেনেদৰে মৃত্যু হৈছিল এই বিষয়ে বুৰঞ্জী বিলাকত বেলেগ বেলেগ বৰ্ণনা পোৱা যায়। 'অসম বুৰঞ্জী' মতে আহোম সৈন্যই ৰজা, ৰাণী আৰু আৰু ৰাজকুমাৰক হত্যা কৰে।[১৫] 'দেওধাই অসম বুৰঞ্জী' আৰু জনশ্ৰুতি মতে সাধনীক আহোম সৈন্যৰ হাতত নিহত হোৱা নাছিল; শত্ৰুৰ হাতত পৰাতকৈ তাই স্বইচ্ছাই আত্মত্যাগ কৰে। 'দেওধাই অসম বুৰঞ্জী'ৰ 'চুটিয়াৰ কথা'ত মতে-

অদ্ভুদ শ্ৰুতিহত হৈ সাধনী মহিষীক হাতত ধৰি পৰ্ব্বতৰ শৃঙ্গৰ পৰা ডেও মাৰি জুৰিত পৰি মৰিল।[১৬]

পদ্মনাথ গোহাঞিবৰুৱাই 'অসমৰ বুৰঞ্জী'ত লিখিছে- "আহোম সেনাই চন্দনগিৰিলৈকে খেদি গৈ, তাতে তেওঁক (ৰজাক) আৰু নগৰত মন্ত্ৰীক বধ কৰি চুটিয়া ৰাজ্য দখল কৰে। সেই আপাহতে সাধনী ৰাণীয়ে, "কুবেৰদত্ত সম্পত্তি" বুকুত বান্ধি লৈ, চন্দনগিৰি টিঙ্গৰ পৰা তলৰ কুণ্ডলৈ জাঁপ দি তনুত্যাগ কৰে।"[১৭] এডোৱাৰ্ড গেইট মতে ৰাণী সাধনীয়ে শত্ৰুৰ হাতত পৰাতকৈ নিজকে ধাঠিৰে খুচি দেহত্যাগ কৰে। গোপীনাথ বৰদলৈয়ে 'চুতীয়া বুৰঞ্জী'ত উল্লেখ কৰিছে যে কনচেং সেনাপতিয়ে সাধনীক ধৰি আনিব খোজাত তেওঁ কুবেৰদত্ত সম্পত্তি বুকুত বান্ধি টিঙৰ পৰা জপিয়াই প্ৰাণ বিসৰ্জন দিলে। প্ৰচলিত জনশ্ৰুতিয়েও সাধনীয়ে কুবেৰদত্ত সম্পত্তি বুকুত বান্ধি পাহাৰৰ টিঙৰ পৰা জপিয়াই আত্মাহুতি দিয়া কথাটোত সমৰ্থন কৰে।

সাধনীয়ে শত্ৰু সৈন্যৰ হাতত মৃত্যু বা ধৰা দিয়াতকৈ আত্মত্যাগেই শ্ৰেষ্ঠ বুলি বিবেচনা কৰিলে। কুবেৰদত্ত সম্পত্তি বুকুত লৈ পাহাৰৰ টিঙৰ পৰা জুৰিত জাপ দি আত্মসন্মান ৰক্ষা কৰিলে। নিজৰ ৰাজ্যৰ মান-ৰক্ষা কৰিবলৈ এনেদৰে কৰা আত্মত্যাগেৰে অসমৰ ইতিহাসত বীৰাঙ্গণা নাৰী হিচাপে পৰিগণিত হ'ল। স্বদেশ আৰু স্বজাতিৰ বাবে কৰা এই আত্মবলিদানে ৰাণী সাধনীক যুগে যুগে মহীয়ান কৰি ৰাখিছে।

**প্ৰাসঙ্গিক টোকা ঃ**

১. লেফটেনেন্ট ই. টি. ডেলটনে ঊনবিংশ শতিকাত 'Notes on the Chutiyas of Upper Assam' শীৰ্ষক লেখনিত লিখিছিল— "The old man lived to see the hand of this fair princess sought by many suitors, so many, indreed, that he was embarrassed on whom to bestow the favour; till one day a flying squirrel was seen hoving over Sadiya, and the king offered his daughter's hand to any one who could bring it down with an arrow. A young Chutiya of ignoble birth was successful and claimed the prized. The proud princess shrank from the touch of the baseborn archer, but consented to the union on her father resigning in their favour his throne, his wealth, and the sacred gift of Kubir. Her husband commenced his reign." (চুতীয়া জাতিৰ বুৰঞ্জী, মুখ্য সম্পাদক- ড° স্বৰ্ণলতা বৰুৱা, প্ৰথম প্ৰকাশ, ২০০৭, পৃ. ৬২৯)

২. দেওধাই অসম বুৰঞ্জী, সম্পাদনা - সূৰ্য্য কুমাৰ ভূঞা, চতুৰ্থ সংস্কৰণ, গুৱাহাটী, ২০০১, পৃ. ১৪৮

৩. ঐ, পৃ. ১৪৫

৪. চুতীয়া জাতিৰ বুৰঞ্জী, পৃ. ১৩২

৫. দেওধাই অসম বুৰঞ্জী, পৃ. ১৪৮

৬. ঐ, পৃ. ১৪৫

৭. চুতীয়া জাতিৰ বুৰঞ্জী, পৃ. ১৩৩

৮. দেওধাই অসম বুৰঞ্জী, পৃ. ১৪৫-৪৬

৯. চুতীয়া জাতিৰ বুৰঞ্জী, পৃ. ২০১-০২

১০. সাতসৰী অসম বুৰঞ্জী, সম্পাদনা -সূৰ্য্য কুমাৰ ভূঞা, চতুৰ্থ সংস্কৰণ, গুৱাহাটী, ১৯৭৪, পৃ. ৫৮

১১. অসম বুৰঞ্জী (সুকুমাৰ মহন্তৰ ঘৰত পোৱা) , সম্পাদনা -সূৰ্য্য কুমাৰ ভূঞা, চতুৰ্থ সংস্কৰণ, গুৱাহাটী, ২০১০, পৃ. ৯

১২. ঐ, পৃ. ১০

১৩. দেওধাই অসম বুৰঞ্জী, পৃ. ১৪৬

১৪. চুতীয়া জাতিৰ বুৰঞ্জী, পৃ. ১৩৬

১৫. অসম বুৰঞ্জী, পৃ. ১০। এই বুৰঞ্জীখনৰ মতে, সেই সময়ত ৰাণী সাধনী স-গৰ্ভা আছিল। আনহাতে, 'সাতসৰী অসম বুৰঞ্জী'ৰ মতে ৰাণী সাধনীক আহোম সৈন্যই বন্দী কৰিছিল। বুৰঞ্জীখনৰ মতে –"তাৰ বৰকুঁৱৰীকো ধৰি আনিলে, আৰু সোণৰ দণ্ড, খাট, মেকুৰীকো, আৰু যি পালেমানে সকলোকো আনিলে। চুটিয়াৰ সৰ্ব্বস্ব লৈ আহিল।" (পৃ. ৬০)

১৬. দেওধাই অসম বুৰঞ্জী, পৃ. ১৪৬

১৭. অসমৰ বুৰঞ্জী, পদ্মনাথ গোহাঞিবৰুৱা, তৃতীয় প্ৰকাশ, গুৱাহাটী, ২০০৫, পৃ. ৪০।

◆◆◆


"পূৰ্বোত্তৰ হিমালয় ঃ এটি নৃবৈজ্ঞানিক অৱলোকন" গ্ৰন্থখন মূলতঃ আন্তৰ্জাতিক খ্যাতিসম্পন্ন নৃবিজ্ঞানী ড° অন্নদা চৰণ ভাগৱতীদেৱৰ স্মৃতিত উৎসৰ্গিত এটি প্ৰবন্ধ সংকলন। ড° ভাগৱতী যদিও এগৰাকী নৃতত্ত্ববিদ আছিল গ্ৰন্থখনত ইতিহাসবিদ, ভূগোলবিদ, লোকসংস্কৃতিবিদ, ভাষাতত্ত্ববিদ তথা অসমীয়া সাহিত্যৰ কেইবাগৰাকী পুৰোধা ব্যক্তিয়ে তেওঁলোকৰ লিখনিৰে নৰেণ্য নৃতত্ত্ববিদ গৰাকীৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰিছে। গ্ৰন্থখনত স্বৰ্গীয় ভাগৱতীদেৱৰ জীৱন বৃত্তান্ত আৰু তেওঁৰ উমাল সান্নিধ্যৰ সজীৱ বৰ্ণনাৰ লগতে নৃবিজ্ঞান আৰু সমাজ বিজ্ঞানৰ বিভিন্ন শাখাৰ একোটা দিশৰ ওপৰত আলোকপাত কৰা মৌলিক প্ৰবন্ধ বা গৱেষণা পত্ৰৰে সংকলনটি প্ৰস্তুত কৰা হৈছে। এই সংকলনটিত সন্নিৱিষ্ট প্ৰবন্ধৰাজিত উত্তৰ-পূৱ ভাৰতৰ বিশেষকৈ অসমৰ বিভিন্ন জনগোষ্ঠীৰ সমাজ জীৱনৰ এটি আভাস পাব।
পূৰ্বোত্তৰ হিমালয়
এটি নৃবৈজ্ঞানিক অৱলোকন
পূৰ্বাঞ্চল প্ৰকাশ
গু ৱা হা টী
Email: purbanchal_prakash@yahoo.com
Visit us: www.purbanchalprakash.in
Phone:0361 2222978/84860 22912
ISBN 978-93-91876-09-2
₹ 590.00 only
পূৰ্বোত্তৰ হিমালয়
এটি নৃবৈজ্ঞানিক অৱলোকন
সম্পাদনা
ড° কল্যাণ বৰুৱা
পূৰ্বোত্তৰ হিম
এটি নৃবৈজ্ঞানিক অৱ
সম্পাদনা
ড° কল্যাণ বৰু

— সম্পাদক |

**PURBUTTAR HIMALAYA : ETI NRIBOIGYANIK ABOLUKON**

a collection of essays in Assamese on varied socio-cultural issues from the North-East India, edited by **Dr. Kalyan Baruah.**

*Published by*

**purbanchal prakash**

H. No.- 2, Seujee Path, Dr. B. N. Saikia Road, Wireless, Dispur, Guwahati - 781006.

**₹. 590.00** only


## সম্পাদনা সমিতি

উপদেষ্টা ঃ ড° ইবশ্বাদ আলি
ড° বিৰিঞ্চি কুমাৰ মেধি
ড° আবু নাছাৰ ছাঈদ আহমদ
শ্ৰী আশিষ ৰাচ্ছানি, আই.এ.এচ

সভাপতি ঃ ড° বাপুকণ চৌধুৰী

সম্পাদক ঃ ড° কল্যাণ বৰুৱা

সম্পাদনা সহযোগী ঃ ড° উপলা বৰুৱা
ড° তিলোত্তমা বৰুৱা
ড° মৃণাল মেধি
ড° মোৰানা ভাগৱতী

প্ৰবন্ধকাৰ সকলে প্ৰদান কৰা মন্তব্য সমূহ তেওঁলোকৰ নিজা, তাৰ বাবে সম্পাদক, সম্পাদনা সমিতি অথবা গ্ৰন্থৰ প্ৰকাশক দায়বদ্ধ নহয়।

— সম্পাদক


॥ প্ৰকাশক ঃ পূৰ্বাঞ্চল প্ৰকাশ, ঘৰ নং-২, সেউজী পথ, ৱায়াৰলেছ, গুৱাহাটী-৭৮১০০৬ ॥
॥ মুদ্ৰণ ঃ ভৱানী অফছেট এণ্ড ইমেইজিং প্ৰাঃ লিঃ, গুৱাহাটী-৭৮১০০৭ ॥
॥ প্ৰথম প্ৰকাশ ঃ ২০২২ ॥
॥ অলংকৰণ ঃ মাধৱ বৰদলৈ ॥
॥ বেটুপাতৰ শিল্পী ঃ মনজিৎ ৰাজখোৱা ॥


॥ © সম্পাদকৰদ্বাৰা সৰ্বস্বত্ব সংৰক্ষিত ॥


ISBN : 978-93-91878-09-2

॥ মূল্য ঃ ৫৯০.০০ টকা ॥

১৫। অসমীয়া সমাজ সংৰচনা, নৃগোষ্ঠীয় পৰিচয় আৰু
প্ৰতীক চিহ্ন — ড° উপলা বৰুৱা — ২২৩
১৬। অসমৰ মৃৎশিল্প — ড° বন্দিতা মেধি — ২৩৫
১৭। লোক সংস্কৃতি অধ্যয়নত সাধুকথা — ড° মৃণাল মেধি — ২৪২
১৮। পৰম্পৰাগত জ্ঞান আৰু প্ৰাকৃতিক সম্পদ
ব্যৱস্থাপনা ঃ ভাৰতৰ উত্তৰ পূৰ্বাঞ্চলৰ পাহাৰীয়া
জনজীৱনত এভুমুকি — ড° জোনালী দেৱী — ২৫৯
১৯। নক্টেসকলৰ লোক-ধৰ্ম ঃ এটি চমু অৱলোকন
ড° স্মৃতিৰেখা গগৈ গায়ন — ২৭৫
২০। অসমৰ জনজাতীয় আন্দোলন ঃ এক চমু অৱলোকন
ড° লোহিত হাজৰিকা
নীহাৰিকা কোঁৱৰ হাজৰিকা — ২৮৮
২১। টিৰাপৰ নক্টেসকলৰ পম্পৰাগত খাদ্য উৎপাদন
আৰু ৰন্ধন প্ৰণালী — ড° মৰমী তালুকদাৰ — ২৯৪
২২। অসমীয়া বস্ত্ৰ শিল্প ঃ বিৱৰ্তনৰ এটি ৰূপৰেখা
ড° মন্দিৰা বৰঠাকুৰ শইকীয়া — ৩০৫
২৩। পৰম্পৰাগত শিক্ষানুষ্ঠানৰূপে বৌদ্ধ বিহাৰ ঃ
খামতি আৰু ফাকেসকলৰ উল্লেখেনৰে
এক চমু আলোচনা — ড° দীপাঙ্কৰ গগৈ — ৩১১
২৪। তিনিচুকীয়া জিলাত সাংস্কৃতিক পৰ্যটনৰ সম্ভাৱনীয়তা ঃ
এক আলোকপাত — ড° নিলোফাৰ জাচমিন — ৩১৯
২৫। সোণোৱাল কছাৰীসকলৰ ধৰ্মীয় ঐতিহ্য ঃ
অতীত আৰু বৰ্তমান — ৰুণুমী সোণোৱাল — ৩২৭
২৬। অসমৰ আৰ্থ-সামাজিক উন্নয়নত নেপালীসকলৰ ভূমিকা
ড° জ্যোতিৰেখা গগৈ — ৩৩৪
২৭। অসমৰ সোণোৱাল কছাৰীসকলৰ ধৰ্মীয় পৰম্পৰা ঃ
পৰিৱৰ্তন আৰু ধাৰাবাহিকতা — ড° নিতুমণি শইকীয়া — ৩৪৫
২৮। গৰ্ভাৱস্থাৰ পৰম্পৰাগত বিশ্বাস ঃ মিচিং সমাজৰ
উল্লেখনিৰে — ড° প্ৰমাণীতা বড়া — ৩৫৫

# পৰম্পৰাগত শিক্ষানুষ্ঠানৰূপে বৌদ্ধ বিহাৰ ঃ খামতি আৰু ফাকেসকলৰ উল্লেখনৰে এক চমু আলোচনা

ড° দীপাঙ্কৰ গগৈ

ভাৰতৰ ইতিহাসত বৌদ্ধ ধৰ্মৰ উত্থান এক অতি গুৰুত্বপূৰ্ণ ঘটনা। ভাৰতত বৌদ্ধ ধৰ্মটোক কেন্দ্ৰ কৰি ধৰ্মীয় দৰ্শনেই নহয়, সমাজ-সংস্কৃতিৰো বিকাশ হৈছিল। বিশেষকৈ স্থাপত্য-ভাস্কৰ্য, সুকুমাৰ কলা, সমাজ তথা শিক্ষা ব্যৱস্থাত ইয়াৰ প্ৰভাৱ আৰু ভূমিকা অনস্বীকাৰ্য। খ্ৰীষ্টপূৰ্ব পঞ্চম শতিকাত বুদ্ধদেৱৰ দ্বাৰা প্ৰৱৰ্তিত বৌদ্ধ ধৰ্মৰ মূল কথা হ'ল মানুহৰ জীৱনৰ দুখ, দুখৰ নিৰোধ আৰু দুখ নিৰোধৰ মাৰ্গ বা পথ। দুখ সম্পৰ্কীয় এই বিষয়কে চাৰি আৰ্য সত্য বোলে। দুখ নিৰোধৰ পথ হিচাবে বুদ্ধদেৱে অষ্টাঙ্গিক মাৰ্গ বা আঠটা পথৰ কথা কৈছে। এই পথ হ'ল সঠিক জ্ঞানেৰে নৈতিক আদৰ্শ অনুশীলনৰ উপায়। আঠটা মাৰ্গ হৈছে— সৎ দৃষ্টি, সৎ সংকল্প, সৎ বাক্য, সৎ কৰ্ম, সৎ জীৱিকা, সৎ ব্যায়াম, সৎ স্মৃতি আৰু সৎ সমাধি। কোনো এজন লোকে সংসাৰৰ জন্ম-মৃত্যু চক্ৰ অতিক্ৰমি নিৰ্বাণ লাভৰ বাবে বাহ্যিক ধৰ্মীয় ক্ৰিয়া-কাণ্ড বা পূজা-অৰ্চনা নহয়, বৰঞ্চ চিত্ত পৰিশুদ্ধিৰে শীলবান হোৱা প্ৰয়োজন। ইয়াৰ বাবে ধৰ্মটোৱে সদায়ে কুশল কৰ্ম কৰাৰ ওপৰত গুৰুত্ব দিয়ে। এই ধৰণৰ অনুশীলন নিশ্চয়কৈ নৈতিক প্ৰমূল্যৰ উৎকৰ্ষ সাধনত সহায়ক হয়। ইয়ে ব্যক্তি এজনক সৎভাৱে প্ৰতিষ্ঠা কৰাই নহয়, সমাজ এখন সুস্থ হোৱাতো অৰিহণা যোগায়। নক'লেও হ'ব যে এই শিকনিসমূহ বৌদ্ধ শিক্ষা ব্যৱস্থাৰ মূল ভিত্তি। নৈতিক চৰিত্ৰ গঠনৰ উপৰিও প্ৰজ্ঞাৰ উৎকৰ্ষ সাধনতো ধৰ্মটোৱে গুৰুত্ব আৰোপ কৰে। অংগুত্তৰ নিকায়ৰ কেশপুত্ৰ (কালাম) সুত্তৰ এটা উক্তিত ইয়াৰ সুন্দৰ প্ৰতিফলন ঘটিছে— "হে কালামসকল, আপোনালোকে জনশ্ৰুতিত বিশ্বাস কৰি কোনো মতবাদ গ্ৰহণ নকৰিব; পৰম্পৰাগতভাৱে চলি অহা বুলিও মানি নল'ব, এইটো এই ধৰণৰ হয় বুলি ভাবি অন্ধবিশ্বাসৰ বশৱৰ্তী হৈ বিভ্ৰান্তিত নপৰিব; শাস্ত্ৰৰ উক্তি বুলি ভাবিও মানি নল'ব; তৰ্কপ্ৰসূত স'তে আস্থা

স্থাপন নকৰিব; ধৰ্মগুৰুৰ প্ৰতি শ্ৰদ্ধাবান হৈ কোনো মতবাদ গ্ৰহণ নকৰিব। কিন্তু কালামসকল, যেতিয়া আপোনালোকে নিজেই, উপলব্ধি কৰিব যে এইবিলাক কথা কুশলজনক, নিৰ্দোষ, বিজ্ঞ ব্যক্তিবৰ্গৰ দ্বাৰা প্ৰশংসিত আৰু সেইবিলাক অনুসৰণ কৰিলে মংগল সাধন হ'ব আৰু সুখ উৎপন্ন হ'ব, তেতিয়া তাক আপোনালোকে সম্পাদন কৰিব।"

বৌদ্ধ ধৰ্মৰ মূল ধাৰক বাহক অনুষ্ঠান হ'ল বৌদ্ধ বিহাৰ আৰু সংঘ। ধৰ্মটোৰ এক অবিচ্ছেদ্য অনুষ্ঠান হৈছে বিহাৰ। ধৰ্মটো প্ৰচাৰ, প্ৰসাৰ আৰু শিকনিসমূহ ধাৰাবাহিকভাৱে ধৰি ৰখাৰ ক্ষেত্ৰত ইয়াৰ ভূমিকা অপৰিসীম। বিহাৰ হৈছে ভিক্ষুৰ আবাসস্থল আৰু ধৰ্মীয় কাৰ্য তথা আচাৰ-অনুষ্ঠান উদ্‌যাপন কৰা এক উমৈহতীয়া স্থান। বিহাৰৰ ইতিহাস বুদ্ধদেৱৰ দিনতেই আৰম্ভ হোৱা বুলি ধৰ্মীয় গ্ৰন্থবোৰে সাক্ষ্য দিয়ে। বৌদ্ধ ধৰ্মৰ একেবাৰে আৰম্ভণিৰ কালছোৱাত ভিক্ষু থাকিবৰ বাবে কোনো নিৰ্দিষ্ট বাসস্থান নাছিল। তেওঁলোকে অস্থায়ী ছালি, গছৰ তল, গুহা আদিত নিশা বা ব'দ-বৰষুণ আৰু জহৰ পৰা ৰক্ষা পাবলৈ আশ্ৰয় লৈছিল। বিনয় পিটকৰ মতে, মগধৰ ৰজা বিম্বিসাৰে বুদ্ধদেৱক ৰাজগৃহ নগৰৰ সমীপত বেলুবনাৰাম বা বেলুবান নামৰ প্ৰমোদ উদ্যানখন (আৰাম) দান দিছিল। বুদ্ধদেৱে নিজৰ আৰু শিষ্যসকলৰ ব্যৱস্থাৰ বাবে সেই আৰাম (বিহাৰ) গ্ৰহণ কৰিছিল। বৌদ্ধ ইতিহাসত এইখনেই প্ৰথম বিহাৰ বুলি জনা যায়। সময়ৰ লগে লগে বৌদ্ধ বিহাৰসমূহত কিছুমান নিৰ্দিষ্ট বৈশিষ্ট্য সংযোজিত হৈ স্থায়ী ৰূপ পালে আৰু ই ধৰ্মটোৰ মূল অনুষ্ঠানত পৰিণত হ'ল। বিহাৰসমূহে ধৰ্মটোৰ ঐতিহ্য বহন কৰাৰ উপৰিও বৌদ্ধ শিক্ষা ব্যৱস্থাত কেন্দ্ৰ হিচাপে দায়িত্ব পালন কৰি আহিছে।

বৌদ্ধ শিক্ষা ব্যৱস্থা হ'ল মঠ বা বিহাৰ কেন্দ্ৰিক। মঠত থাকি লোকসকলে আবাসী হিচাপে ভিক্ষুসকলৰ পৰা শিক্ষাগ্ৰহণ কৰাৰ পৰম্পৰা প্ৰচলিত। ধৰ্ম কেন্দ্ৰিক শিক্ষা ব্যৱস্থা হ'লেও কেতবোৰ সাৰ্বজনীন বিষয় যেনে— নৈতিকতাপূৰ্ণ (শীলজন) শিক্ষা, ধ্যান-সাধনা ইত্যাদি বিষয়ত শিক্ষাৰ প্ৰচলন আছে। এইবিলাকৰ উপৰিও কিছুমান ব্যৱহাৰিক বিষয়ৰ শিক্ষাকো আওকাণ কৰা হোৱা নাছিল। সুত্ত নিপাতৰ মংগল সুত্তত উল্লেখ আছে—

বাহুসচ্চুং চ সিপ্‌পং চ,
তিনয়ো ত সুমিক্‌খিতো
সুতাসিতো চ য়া ৱাচা,
এতং মংগলল্‌ন সুত্তম।



(নানা বিধ শাস্ত্ৰৰ জ্ঞান, বিবিধ শিল্প শিক্ষা, বিনয়ী আৰু
সুশিক্ষিত হোৱা আৰু সু-বচন কোৱা এয়াই মংগল উত্তম।)

সামাজিক ক্ষেত্ৰলৈ লক্ষ্য কৰিলে দেখা যায় যে বুদ্ধ আৰু বুদ্ধোত্তৰ যুগত বৌদ্ধ শিক্ষা ব্যৱস্থাৰ ভূমিকা উল্লেখনীয় আছিল। কাৰণ সমকালীন হিন্দু সমাজ ব্যৱস্থাৰ গুৰুকুল শিক্ষা ব্যৱস্থাত উচ্চ বৰ্ণৰ লোকেহে শিক্ষা গ্ৰহণৰ সুবিধা পাইছিল। শূদ্ৰকে ধৰি নিম্ন জাতিৰ লোকসকল তাৰপৰা বঞ্চিত হৈছিল। তদুপৰি এনে শিক্ষা ব্যৱস্থাত শিক্ষাগুৰুসকল আছিল ব্ৰাহ্মণ। আনহাতে, বৌদ্ধ ধৰ্মই জাতি ব্যৱস্থা অস্বীকাৰ কৰাত নিম্ন জাতিৰ লোকেও বিহাৰত গৈ শিক্ষা গ্ৰহণ বা যোগ্যতা অনুসৰি ভিক্ষু হোৱাত বাধা নাথাকিল। এনে ক্ষেত্ৰত বিহাৰৰ ভিক্ষু তথা শিক্ষা-দীক্ষা প্ৰদান কৰা গুৰু যি কোনো জাতি-বৰ্ণৰ লোক হোৱাৰ পথ প্ৰশস্ত হ'ল। এইখিনিতে উল্লেখ কৰিব পাৰি যে বৌদ্ধ বিহাৰৰ ভিক্ষু হোৱাৰ লগে লগে লোক এজনে নিজৰ জাতি-সম্প্ৰদায়ৰ পৰিচয় হেৰুৱাই কেৱল ভিক্ষু হিচাপে পৰিচিত হয়।

গ্ৰন্থ সংৰক্ষণ, গ্ৰন্থ অনুবাদ আদিও মঠ শিক্ষাৰ অবিচ্ছেদ্য অংগ। কালক্ৰমত বৌদ্ধ-ধৰ্ম সম্প্ৰসাৰণৰ লগে লগে বিহাৰকেন্দ্ৰিক শিক্ষা ব্যৱস্থা ভাৰতীয় সীমা অতিক্ৰমি অন্য দেশ কিছুমানলৈ ভাৰতীয় ধৰ্ম-সংস্কৃতিৰ উপাদানসমূহ বিয়পি পৰে।

বৌদ্ধ ধৰ্মীয় দৰ্শনৰ উপৰিও কেতবোৰ প্ৰায়োগিক বিষয় অন্য দেশলৈ বিয়পি পৰে। এই কথা অনস্বীকাৰ্য যে ভাৰতীয় ধ্যান-সাধনৰ পৰম্পৰা বৌদ্ধ ধৰ্মৰ যোগেদি হাজাৰ বছৰ আগতেই অন্য দেশলৈ বিয়পি গৈছিল। ভাৰততো বৌদ্ধ শিক্ষা ব্যৱস্থাই বিশ্বজনীন ৰূপ এটা পাইছিল। বিহাৰকেন্দ্ৰিক শিক্ষানুষ্ঠানৰ উত্তৰণ ঘটি বিখ্যাত শিক্ষানুষ্ঠান হৈছিলগৈ। নালন্দা, বিক্ৰমশীলা আদি বিশ্ববিদ্যালয়ত কেৱল ভাৰতৰে নহয় পৃথিৱীৰ কেইবাখনো দেশৰ শিক্ষাৰ্থীৰ সমাৱেশ ঘটিছিল। বৌদ্ধ ধৰ্ম কেন্দ্ৰিক শিক্ষা-ধৰ্ম-দৰ্শনে হিউৱেনচাঙৰ দৰে ব্যক্তিক চীনৰ পৰা আহি ভাৰতত জ্ঞানাৰ্জনৰ বাবে উদ্বুদ্ধ কৰিছিল।

কালক্ৰমত বৌদ্ধ ধৰ্মত বিভাজন হয় আৰু ইয়াৰ দুটা প্ৰধান ভাগ হ'ল— হীনযান (থেৰবাদী) আৰু মহাযান। খ্ৰীষ্টপূৰ্ব তৃতীয় শতিকাত মৌৰ্য সম্ৰাট অশোকৰ পৃষ্ঠপোষকতাত হীনযান পন্থাই শ্ৰীলংকাত বিয়পি পৰে। পৰৱৰ্তী কালত এই পন্থা দক্ষিণ-পূব এছিয়াৰ থাইলেণ্ড, লাওচ, ম্যানমাৰ আদি দেশলৈয়ো সম্প্ৰসাৰণ হয়। ম্যানমাৰৰ হুকং উপত্যকাত বসবাস কৰি থাকোঁতেই খামতি আৰু ফাকেসকলৰ

ওপৰত থেৰবাদী বৌদ্ধ ধৰ্মৰ প্ৰভাৱ পৰে।

**খামতি আৰু ফাকেসকলৰ মাজত বৌদ্ধ বিহাৰকেন্দ্ৰিক শিক্ষা ব্যৱস্থা ঃ**

প্ৰাচীন আৰু মধ্যযুগৰ অসমত বৌদ্ধ ধৰ্মৰ প্ৰচলন আৰু প্ৰভাৱৰ বিষয়ে ইতিহাসৰ বিভিন্ন সমলে সাক্ষ্য দিয়ে। কিন্তু মধ্য যুগতেই সক্ৰিয় ধৰ্ম হিচাপে অসমৰ সমাজ জীৱনৰ পৰা ই আঁতৰি গ'ল। পৰৱৰ্তী কালত ভিন্ন অঞ্চলৰ পৰা ভিন্ন জনগোষ্ঠীৰ বৌদ্ধ ধৰ্মাৱলম্বী লোকৰ আগমনত অসমত বৌদ্ধ ধৰ্মই পুনৰ সক্ৰিয় ৰূপত আত্মপ্ৰকাশ কৰে। অষ্টাদশ শতিকাৰ দ্বিতীয়াৰ্ধত পূব ফালেদি তেনে এটা ধাৰা অসম আৰু ইয়াৰ দাঁতি কাষৰীয়া অঞ্চলত প্ৰৱেশ ঘটিছিল। ম্যানমাৰৰ শাসক আলমফ্ৰাৰ সাম্ৰাজ্যবাদী নীতিত অতিষ্ঠ হৈ হুকং উপত্যকাত বসবাস কৰা খামতি, ফাকে, চিংফৌ আদি জনগোষ্ঠীসমূহে পাটকাই পাৰ হৈ ভাৰতৰ উত্তৰ পূব অঞ্চলত প্ৰৱেশ কৰে। এই জনগোষ্ঠীসমূহৰ প্ৰায়ভাগেই বৌদ্ধ ধৰ্মাৱলম্বী আছিল। লোকসকলৰ এই প্ৰব্ৰজনে ভাৰতীয় ধৰ্ম-সংস্কৃতি বিদেশত সম্প্ৰসাৰণ আৰু সেই ধাৰা সজীৱ ৰূপত পুনৰ ভাৰতত প্ৰৱেশৰ এক জীৱন্ত উদাহৰণ বহন কৰিছে। নানা ঘাত-প্ৰতিঘাতৰ মাজত এই জনগোষ্ঠীসমূহে বৰ্তমানৰ অসম আৰু অৰুণাচল প্ৰদেশৰ বিভিন্ন ঠাইত বসতি স্থাপন কৰে। বৰ্তমানে খামতিসকলে অৰুণাচল প্ৰদেশৰ নামচাই আৰু চাংলাং জিলা আৰু অসমৰ লক্ষিমপুৰ, ধেমাজি আৰু তিনিচুকীয়া জিলাত বসবাস কৰে। আনহাতে ফাকেসকলৰ বসতি স্থল হ'ল তিনিচুকীয়া আৰু ডিব্ৰুগড় জিলা।

নৃতাত্ত্বিক দৃষ্টিভংগীৰে চাবলৈ গ'লে দুয়োটা জনগোষ্ঠী মংগোলীয় নৃগোষ্ঠীৰ অন্তৰ্গত আৰু বৃহৎ টাই শ্বান জাতিৰ দুটা ঠাল। দুয়োটা জনগোষ্ঠীয়েই বৌদ্ধ ধৰ্মাৱলম্বী আৰু ম্যানমাৰৰ থেৰবাদী পন্থাৰ প্ৰভাৱ তেওঁলোকৰ ওপৰত সুস্পষ্ট। ধৰ্মীয় লগতে সামাজিক-সাংস্কৃতিক-ভাষিক ক্ষেত্ৰত দুয়োটা জনগোষ্ঠীৰ মাজত ঘনিষ্ঠ সাদৃশ্য পৰিলক্ষিত হয়। প্ৰত্যেক খামতি আৰু ফাকে গাঁৱত একোটা বৌদ্ধ বিহাৰ থকা দেখা যায় আৰু ভিক্ষুসকলক কেন্দ্ৰ কৰি বিহাৰ পৰিচালিত হয়। প্ৰত্যেক বিহাৰত একোজন ভিক্ষু বিহাৰাধ্যক্ষ হিচাপে থাকে। দুয়োটা জনগোষ্ঠীৰ ধৰ্মীয়, সামাজিক আৰু সাংস্কৃতিক জীৱনত গাঁৱৰ বিহাৰসমূহে গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলাই আহিছে। একে কথাত ক'বলৈ গ'লে বিহাৰক কেন্দ্ৰ কৰিয়েই লোকসকলৰ সমাজ জীৱন পৰিচালিত হয়। বিহাৰত ভিক্ষুৱে বাস কৰাৰ উপৰিও ভিক্ষু আৰু উপাসক-উপাসিকা অৰ্থাৎ গাঁৱৰ গৃহস্থীসকলৰ সন্মিলিত প্ৰচেষ্টাত বিভিন্ন ধৰণৰ ধৰ্মীয় অনুষ্ঠান উদ্‌যাপনৰ স্থলী হিচাপে ই পৰিগণিত হৈ আহিছে। বিহাৰক এসময়ত



'বাপুচাং' বুলি কোৱা হৈছিল। বৰ্তমান সেই শব্দ প্ৰায় অপ্ৰচলিত। খামতি আৰু ফাকেসকলে বিহাৰক ক্যং বোলে। ক্যং শব্দই পঢ়াশালি (school) অৰ্থ বহন কৰে। গাঁৱৰ বিহাৰসমূহত তিনি ধৰণৰ লোকে অৱস্থান কৰে— (১) চাংকাপি বা লোক-অন-ক্যং (বিহাৰত থকা ল'ৰা) (২) শ্ৰমণ্ আৰু (৩) ভিক্ষু। প্ৰথমবিধ হ'ল বিহাৰত থকা সৰু ল'ৰা সাধাৰণতে ৫-৬ বছৰ বয়সত ল'ৰাই বিহাৰত অৱস্থান কৰি ধৰ্ম-সম্পৰ্কীয় কথাৰ লগতে পালি আৰু নিজ মাতৃভাষাৰ জ্ঞান অৰ্জন কৰে। এনেদৰে থকাৰ উদ্দেশ্য হ'ল পিছলৈ শ্ৰমণ্ হ'বৰ বাবে প্ৰয়োজনীয় নীতি-নিয়মৰ বিষয়ে অৱগত হোৱা। আজিকালি বিহাৰসমূহত এনে ল'ৰাৰ সংখ্যা কমি গৈছে। খামতি বিহাৰ কিছুমানত এনে ল'ৰা থাকে যদিও ফাকে বিহাৰসমূহত থকা দেখা নাযায়। ইয়াৰ মূলতে হ'ল অভিভাৱকসকলে ল'ৰাক বিহাৰলৈ পঠিওৱাৰ পৰিবৰ্তে আধুনিক স্কুললৈ পঠায়। দ্বিতীয়তে, শ্ৰমণ্‌সকলে বিহাৰত বসবাস কৰে। শ্ৰমণ্ হ'বলৈ হ'লে ল'ৰা এজনৰ বয়স অতি কমেও ১০ বছৰ হ'ব লাগিব। শ্ৰমণলৈ দীক্ষা লোৱা অনুষ্ঠানৰ নাম হ'ল প্ৰবজ্যা বা খাম চাং। কিমান দিন শ্ৰমণ্ হৈ থাকিব সেইটো নিজৰ বা পৰিয়ালৰ ওপৰত নিৰ্ভৰ কৰে। শ্ৰমণ্ অৱস্থাত ল'ৰা এজনে প্ৰয়োজনীয় ধৰ্মীয় শিক্ষা, ভাষা শিক্ষা আৰু অন্য প্ৰয়োজনীয় জ্ঞান আহৰণ কৰে। বহু খামতি আৰু ফাকে এসময়ত শ্ৰমণ্ হিচাপে কিছুদিন বা বছৰ থাকি প্ৰয়োজনীয় শিক্ষা আহৰণ কৰি পুনৰ সাংসাৰিক জীৱনলৈ ঘূৰি গৈছিল। তৃতীয়তে বিহাৰত অৱস্থান কৰা মূল ব্যক্তিয়েই হ'ল ভিক্ষুসকল। শ্ৰমণ্ এজন ২০ বছৰ হ'লে উপসম্পদ অনুষ্ঠানৰ যোগেদি ভিক্ষু হয়। নতুনকৈ ভিক্ষু হোৱা লোক এজনে দীক্ষা গুৰু আৰু অন্য ভিক্ষুৰ পৰা প্ৰয়োজনীয় শিক্ষা আহৰণ কৰে।

খামতি আৰু ফাকেসকলৰ মাজত পৰম্পৰাগত শিক্ষা প্ৰদানত বিহাৰসমূহে অতি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। বিহাৰৰ ভিক্ষুসকলৰ আনুষ্ঠানিক ভাষা হ'ল পালি। ভিক্ষুসকলে বিভিন্ন উৎসৱ-অনুষ্ঠানত প্ৰয়োজনীয় সুত্ত, বন্দনা, গাথা, শীল আদি পালি ভাষাত আওৰায়। গতিকে শ্ৰমণ্ ভিক্ষুৱে পালি ভাষাৰ জ্ঞান আয়ত্ত কৰাটো অতি প্ৰয়োজনীয়। পালি ভাষাত ৰচিত বিভিন্ন ধৰ্মীয় গ্ৰন্থ যেনে ত্ৰিপিটক, জাতক আদি তেওঁলোকে অধ্যয়ন কৰিব লাগে। কোনো কোনো বিহাৰত পালি টোল থকাও দেখা যায়। পালিৰ উপৰিও টাই খামতি বা টাই ভাষা চৰ্চাও বিহাৰবিলাকত হয়। এটা সময়ত ভিক্ষুসকলৰ মাজত বাৰ্মিজ ভাষাৰ চৰ্চাও আছিল।[৫] ইয়ে লোকসকলক নিজৰ মাতৃভাষা চৰ্চাত অৰিহণা যোগাই আহিছে। গতিকে কেৱল ভিক্ষু শ্ৰমণেই নহয়, জনগোষ্ঠী দুটাৰ বহুলোকৰ বিহাৰৰ এনে

—সম্পাদক।

শিক্ষা ব্যৱস্থাই সাঙুৰি লোৱাত তেওঁলোকৰ মাজত পঢ়িব-লিখিব জনা লোকৰ সংখ্যা যথেষ্ট আছিল।[৩] এই কথাখিনি অসমত আধুনিক শিক্ষা সূচনাৰ কাল সন্ধিক্ষণৰ।

খামতি আৰু ফাকে বিহাৰসমূহে সাহিত্য, সুকুমাৰ কলা, হস্ত শিল্প আদি বিকাশত ভূমিকা লৈ আহিছে। অনুবাদ কৰ্মতো বিহাৰৰ ভিক্ষুসকলে সক্ৰিয় ভূমিকা লৈ আহিছে। ভিক্ষু বা অন্য অধ্যয়নশীল ব্যক্তিৰ প্ৰচেষ্টাত ত্ৰিপিটককে ধৰি বিভিন্ন বৌদ্ধ ধৰ্ম গ্ৰন্থ খামতি আৰু ফাকে ভাষালৈ অনূদিত হৈছে। মূল পালি ভাষাৰ গ্ৰন্থবিলাক সৰ্বসাধাৰণ লোকৰ বাবে দুৰ্বোধ্য হোৱাৰ কাৰণে সেইবিলাক অনুবাদ কৰি সহজবোধ্য কৰা হৈছে। বৌদ্ধ ধৰ্মীয় গ্ৰন্থৰ উপৰিও বুৰঞ্জীমূলক আৰু সমাজৰ ব্যৱহাৰিক বিষয়ৰ গ্ৰন্থও তেওঁলোকৰ মাজত ৰচিত হৈছিল। বুৰঞ্জীমূলক গ্ৰন্থৰ ভিতৰত— "লিক-খী-খুন (ৰাজবংশাৱলী) আৰু 'লিক-খী-মৌং (জাতীয় বুৰঞ্জী) উল্লেখযোগ্য। হিন্দুসকলৰ পবিত্ৰ গ্ৰন্থ ৰামায়ণ (লামামাং) আৰু মহাভাৰত 'থাম্মা পুতলাম অনূদিত গ্ৰন্থ খামতি আৰু ফাকেসকলৰ মাজত সংৰক্ষিত হৈ আছে। বিভিন্ন ৰচনা আৰু অনুবাদৰ উপৰিও সেইবিলাক সংৰক্ষণৰ ক্ষেত্ৰতো ভিক্ষু সকলে যথাযথভাৱে ব্যৱস্থা লৈ আহিছে। তদুপৰি বৌদ্ধ বিহাৰলৈ পুথি দান (লিক বয়) দিয়াটো খামতি আৰু ফাকেসকলে অতি পবিত্ৰ কৰ্ম বুলি গণ্য কৰে। কোনো লোকৰ মৃত্যু হ'লে মৃতকৰ নামত বিহাৰলৈ পুথি দান দিয়াটো এটা প্ৰচলিত পৰম্পৰা।

গ্ৰন্থসমূহ লিখিবৰ বাবে প্ৰয়োজনীয় সঁজুলি যেনে কাগজ, চিয়াঁহী, কাপ, সচিত্ৰ পুথিৰ বাবে ৰং প্ৰস্তুত কৰাৰ পৰম্পৰা এসময়ত ভিক্ষুসকলৰ মাজত আছিল। বৰ্তমানে এনে কৌশল তেওঁলোকৰ মাজৰ পৰা লুপ্ত হৈ গৈছে। এনে হস্তনিৰ্মিত কাগজ লিখিত অলেখ পুথি এতিয়াও পুৰণি বিহাৰবিলাকত সংৰক্ষিত হৈ আছে। তদুপৰি ভিক্ষুসকলৰ মাজত বিভিন্ন সামগ্ৰী নিৰ্মাণ কৰা পৰম্পৰাও প্ৰচলিত আছিল বা আছে।[৪]

বৌদ্ধ ধৰ্মৰ নৈতিক শিকনিসমূহে খামতি আৰু ফাকে লোকসকলৰ ব্যক্তিগত আৰু সামূহিক জীৱনত গভীৰভাৱে প্ৰভাৱ বিস্তাৰ কৰি আহিছে। হয়তো সেই কাৰণেই জনগোষ্ঠী দুটাৰ লোকসকলৰ মাজত অপৰাধ প্ৰৱণতা বা অসামাজিক কাৰ্যকলাপৰ সংখ্যা খুবেই কম। ১৮৪৮ চনত এছ.এফ. হান্নয়ে ফাকেসকলৰ সন্দৰ্ভত লিখিছিল— The Phakes are an exceedingly good tempered and tractable people and like all good Buddhists, living under the influence of religion and the moral example of their priests, they have fewer vices than the Native Assamese and posses higher qualities for making good subjects."

দেখা গৈছে জনগোষ্ঠী দুটাৰ মাজত বৌদ্ধ শিক্ষা ব্যৱস্থাৰ প্ৰভাৱ যথেষ্ট পৰিমাণে পৰিলক্ষিত হয়। অৱশ্যে এনে শিক্ষা ব্যৱস্থাৰ সীমাবদ্ধতাও নথকা নহয়। প্ৰথমতে, ই হ'ল ধৰ্ম কেন্দ্ৰিক শিক্ষা ব্যৱস্থা। দ্বিতীয়তে, মহিলাসকল এই শিক্ষা ব্যৱস্থাৰ বাহিৰত। সি যি কি নহওক আধুনিক শিক্ষা ব্যৱস্থা বিকাশৰ আগলৈকে খামতি আৰু ফাকেসকলৰ মাজত বিহাৰবিলাকে আছিল একমাত্ৰ শিক্ষানুষ্ঠান আৰু ভিক্ষুসকল আছিল শিক্ষক। আজিও এই ব্যৱস্থা অব্যাহত আছে যদিও আধুনিক শিক্ষা ব্যৱস্থাই ইয়াৰ গুৰুত্ব হ্ৰাস কৰিছে। তথাপিতো নৈতিকতা সম্পন্ন ব্যক্তি গঢ়াত আৰু সুস্থ সমাজ গঢ়াত এই ব্যৱস্থাটোৱে এতিয়াও তেওঁলোকৰ মাজত ভূমিকা লৈ আহিছে।

**প্ৰসঙ্গটোকা ঃ**

১. Bhikkhu A. Pragnasara, Daily Buddhist Prayer, Ghaziabad (U.P.)

২. খামতি সমাজত ভিক্ষুৰ ভূমিকা আৰু নৱ প্ৰজন্মই বিহাৰত শিক্ষা গ্ৰহণৰ সন্দৰ্ভত ১৮৭৩ চনত টি. টি. কুপাৰে লিখিছিল— 'Their priests are men of great importance, and their influence is greater even than that of the Chiefs, no undertaking is commenced without first consulting them, and by pretended divinations they select and announce an auspicious day. They are also the schoolmasters every free-born Khamtee youth being compelled to attend in the temples, where he learns to read and write his own language, and often Burmese, using the Burmese written characters for both languagues."

৩. খামতি সমাজত ভিক্ষুৰ ভূমিকা আৰু নৱপ্ৰজন্মই বিহাৰত শিক্ষা গ্ৰহণৰ সন্দৰ্ভত ১৮৭৯ চনত উইলিয়াম হাণ্টাৰে লিখিছিল— "The Khamtis are very for in advance of all the knowledge, arts and civilization. They are Buddhists, and have regular establishments or priests well versed in the recondite mysteries of their religion, and a large proportion of the laity can read and write in their own language."

৪. খামতি বিহাৰৰ ভিক্ষুসকলে বিভিন্ন হস্ত শিল্পৰ কাম কৰাৰ সন্দৰ্ভত হাণ্টাৰে লিখিছিল— The priests in their hours of relaxation amuse themselves by carving in wood, bones or ivory handles of weapons they evince great skill, taste and fecundity of invention carving in high relief, twisted snakes, dragons and other monsters, with a creditabler unity and gracefullnese of design.

সহায়ক গ্রন্থপঞ্জী :

১. Anguttara, Nikaya, 2012 : The Numerical Discourses of the Buddha, translated by Bhikkhu Bodhi, Boston, Wisdom Publication.
২. A Pragnasara : *Daily Buddhist Prayer*, Ghaziabad (U.P.).
৩. Lila Gogoi, 1971 : *The Tai Khamtis*, Chowkham
৪. W.W. Hunter, 1879 : *A Statistical Accounts of Assam*, London.

— সম্পাদক ।

22-23

# উদ্দীপ্তা

উত্তৰ-পূৰ্বাঞ্চলৰ বিশিষ্ট মহিলাৰ জীৱন গাঁথা



সম্পাদনা

ড° জ্যোতিৰেখা গগৈ

**Uddeepta :** A collection of research articles on prominent Women of North East India. An initiative by Women Studies Cell, Naharkatiya College edited by Dr. Jyotirekha Gogoi, Published by- Baangmoi Publication & Printing, Demow Madhupur, Dist- Sivasagar (Assam), Pin-785662.

সম্পাদনা সমিতি ঃ

সভাপতি ঃ ড°জ্যোতিপ্ৰসাদ কোঁৱৰ (অধ্যক্ষ)

কাৰ্য্যকৰী সভাপতি ঃ মামণি দেৱী

উপদেষ্টা ঃ ড° অনিতা মহন্ত, চন্দ্ৰমল্লিকা সন্দিকৈ,

ড° স্মৃতিৰেখা গগৈ গায়ন, কৱবী হাজৰিকা, ৰুণুমী সোণোৱাল

সম্পাদিকা ঃ ড°জ্যোতিৰেখা গগৈ

সদস্যা ঃ ড°স্বপ্নালী বৰা, পত্ৰিকা সন্দিকৈ

প্ৰকাশক ঃ বাঙ্ময় প্ৰকাশন

প্ৰথম প্ৰকাশ ঃ ছেপ্তেম্বৰ, ২০২২

ISBN : 978-81-957811-0-2

মূল্য ঃ ২৫০/- টকা

মুদ্ৰণ ঃ বাঙ্ময় প্ৰকাশন আৰু মুদ্ৰণ, ডিমৌ, শিৱসাগৰ

(গ্ৰন্থখনিত প্ৰকাশিত প্ৰবন্ধসমূহৰ ভাবধাৰা আৰু বক্তব্য লেখকসকলৰ নিজস্ব)

- ইন্দিৰা মিৰি ঃ জীৱন আৰু কৃতি

  ✍ ড° অনিতা মহন্ত ◆ ৮৬ ◆
- শুচিব্ৰতা ৰায়চৌধুৰীৰ জীৱন আৰু সাহিত্য-কৰ্ম

  ✍ অসীমা গায়ন ◆ ১০৪ ◆
- বীৰুবালা ৰাভা ঃ এক সংগ্ৰামী সত্তা

  ✍ ড° জ্যোতিৰেখা গগৈ ◆ ১১২ ◆
- হাড়গিলা বাইদেউ পূৰ্ণিমা দেৱী বৰ্মণ (এক ব্যতিক্ৰমী ব্যক্তিত্ব)

  ✍ মামণি দেৱী ◆ ১২৬ ◆

বিশিষ্ট গায়িকা ঃ

- লোকগীতৰ সম্ৰাজ্ঞী প্ৰতিমা বৰুৱা পাণ্ডে

  ✍ ড° স্মৃতিৰেখা গগৈ গায়ন ◆ ১৩০ ◆
- অসমৰ নাইটিংগেল দিপালী বৰঠাকুৰ

  ✍ ড° পাপৰি বৰা ◆ ১৩৫ ◆

বিশিষ্ট লেখিকা ঃ

- অসমৰ প্ৰথম মহিলা গীতিকবি আই পদ্মপ্ৰিয়া ঃ জীৱন আৰু সাহিত্য-সাধনা

  ✍ ড° সৰলা দাস ◆ ১৪৭ ◆
- নলিনীবালা দেৱীৰ জীৱন আৰু সাহিত্য-কৃতি

  ✍ ৰুণুমী সোণোৱাল ◆ ১৫৫ ◆
- গীতিকাৰ নিৰ্মলপ্ৰভা বৰদলৈ

  ✍ বিনীতা বড়া ◆ ১৬৫ ◆

# লোকগীতৰ সম্ৰাজ্ঞী প্ৰতিমা বৰুৱা পাণ্ডে

ড° স্মৃতিৰেখা গগৈ গায়ন


সংক্ষিপ্তসাৰ ঃ

*গোৱালপৰীয়া লোকগীত ৰাষ্ট্ৰীয় প্ৰেক্ষাপটত প্ৰচাৰ আৰু প্ৰসাৰৰ ক্ষেত্ৰত প্ৰতিমা বৰুৱা পাণ্ডেৰ অৱদান অতি উল্লেখযোগ্য। গৌৰীপুৰ ৰাজপৰিয়ালৰ কন্যা প্ৰতিমা বৰুৱাই ৰাজপৰিয়ালত ডাঙৰ দীঘল হ'লেও চহা জীৱনধাৰাৰ প্ৰতিহে আকৃষ্ট আছিল। সেয়েহে হয়তো লোকজীৱনৰ গীতৰ প্ৰতি তেখেতৰ অতুল অনুৰাগ। ঘৰতেই সংগীতৰ শিক্ষা লাভ কৰা প্ৰতিমা বৰুৱাই বোলছবিৰ লগতে উত্তৰ-পূৰ্বৰ বিভিন্ন আকাশবাণীত গীত পৰিৱেশন কৰি লোকশিল্পীৰূপে প্ৰতিষ্ঠা লাভ কৰে। সংগীতৰ বাবেই তেখেতে বহুতো সন্মানীয় বঁটা লাভ কৰিবলৈ সক্ষম হয়। এইগৰাকী মহান শিল্পীৰ সাংগীতিক জীৱন এই লেখাৰ জৰিয়তে পোহৰলৈ আনিবৰ প্ৰয়াস কৰা হৈছে।*


বীজ শব্দ ঃ লোকগীত, চহা, লোকশিল্পী, বোলছবি, আকাশবাণী, যুগজয়ী, হস্তীৰ কন্যা, পদ্মশ্ৰী

অৱতৰণিকা ঃ

সুৰেৰে নিজকে পৰিচয় দিবলৈ সক্ষম হোৱা গোৱালপৰীয়া লোকগীতৰ সম্ৰাজ্ঞী প্ৰতিমা বৰুৱা পাণ্ডে অসম তথা ভাৰতৰ এটি চিৰপৰিচিত নাম। যুগজয়ী গোৱালপৰীয়া লোকগীতক ভাৰতীয় লোকগীতৰ ক্ষেত্ৰত জনপ্ৰিয় কৰি তোলা এই গৰাকী বিশিষ্ট শিল্পী অনন্য। প্ৰতিমা বৰুৱাৰ জন্ম হৈছিল ১৯৩৪ চনৰ ৩ অক্টোবৰত কলিকতাৰ বালিগঞ্জৰ চাৰ্কুলাৰ ৰ'ডত। তেওঁ আছিল গৌৰীপুৰ ৰাজপৰিয়ালৰ প্ৰখ্যাত হাতী বিশেষজ্ঞ প্ৰকৃতীশ চন্দ্ৰ বৰুৱাৰ জীয়াৰী। তেওঁৰ মাতৃৰ নাম আছিল মালতীবালা



বৰুৱা। প্ৰতিমা বৰুৱাৰ পিতৃ প্ৰকৃতীশ চন্দ্ৰ বৰুৱাও এগৰাকী প্ৰখ্যাত লোকগীতৰ শিল্পী আছিল। দেউতাকৰ পৰাই তেওঁ লোকগীতৰ প্ৰতি আকৰ্ষিত হৈছিল। ৰাজপৰিয়ালৰ কন্যা হৈয়ো প্ৰতিমা বৰুৱা অতি সৰল মনা আছিল আৰু চহা মানুহৰ দৰে জীৱন যাপন কৰিবলৈ ভাল পাইছিল। সাধাৰণ সাজপাৰ পৰিহিতা, অসাধাৰণ ব্যক্তিত্বৰ অধিকাৰিণী এই গৰাকী সুৰ সম্ৰাজ্ঞী 'হস্তীৰ কন্যা' নামেৰেও জনা যায়।

প্ৰতিমা বৰুৱাই তেওঁৰ জন্মস্থান কলিকতাতেই গোখ্লে মেমৰিয়েল গাৰ্লছ স্কুলত প্ৰথম স্কুলীয়া শিক্ষা আৰম্ভ কৰিছিল আৰু মাধ্যমিক শিক্ষা গ্ৰহণ কৰিছিল গৌৰীপুৰ বালিকা বিদ্যালয়ত। তাৰ পৰাই তেওঁ ১৯৫৩ চনত প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। ইয়াৰ পিছত প্ৰতিমা বৰুৱাই কলকতাৰ টাউন গাৰ্লছ কলেজত এফ. এ. শ্ৰেণীত নামভৰ্তি কৰে। কিন্তু দুবছৰ পঢ়ি পৰীক্ষাত নবহাকৈ ঘৰলৈ উভতি আহে। তাতেই তেওঁৰ শিক্ষা জীৱনৰ সামৰণি পৰে।

১৯৬৯ চনৰ ১৬ ছেপ্তেম্বৰত গংগা শংকৰ পাণ্ডেৰ লগত প্ৰতিমা বৰুৱাৰ বিবাহ হয়। পাণ্ডে গৌৰীপুৰৰ প্ৰমথেশ বৰুৱা কলেজৰ ইংৰাজী বিভাগৰ প্ৰৱক্তা আছিল। তেতিয়াৰ পৰাই তেওঁ প্ৰতিমা বৰুৱা পাণ্ডে নামে পৰিচিত হয়। তেওঁ অলকা আৰু অমৃতা নামৰ দুগৰাকী কন্যা সন্তানৰ মাতৃ।

সাংগীতিক জীৱন ঃ

এটি সংস্কৃতিবান পৰিয়ালত জন্ম গ্ৰহণ কৰা প্ৰতিমা বৰুৱাই কলিকতাৰ বালিগঞ্জৰ চাৰ্কুলাৰ ৰ'ডৰ বাসগৃহতে সংগীতৰ চৰ্চা আৰম্ভ কৰিছিল। এইক্ষেত্ৰত তেওঁক ঘৰুৱা পৰিৱেশে বিশেষভাৱে অনুপ্ৰাণিত কৰিছিল। তেওঁ ৰবীন্দ্ৰ সংগীতও শিকিছিল। ৰবীন্দ্ৰ সংগীতৰ বাহিৰে তেখেতৰ সংগীতত কোনো আনুষ্ঠানিক শিক্ষা নাছিল। গোৱালপৰীয়া লোকগীতৰ সম্ৰাজ্ঞী খ্যাত প্ৰতিমা বৰুৱা পাণ্ডেই গোৱালপৰীয়া ভাষাৰে গোৱালপৰীয়া লোকগীতক মানুহৰ মাজলৈ লৈ যাবলৈ অহোপুৰুষাৰ্থ চেষ্টা কৰিছিলে। তেওঁ মাটিৰ মোহ আৰু সুৰেৰে মন প্ৰাণ আকৰ্ষণ কৰিব পৰা শক্তিৰ অধিকাৰিণী আছিল। প্ৰতিমা বৰুৱাই প্ৰথম লোকগীত গাবলৈ প্ৰেৰণা পাইছিল

শৰতবালা ৰায়, ভৰতবালা ৰায় আৰু সোণাইবালা ৰায়ৰ পৰা। তেওঁৰ প্ৰধান শিক্ষক আছিল ভবেন ৰায়। ১৯৪৯ চনত তেওঁ কলিকতাৰ নিউ এম্পেয়াৰ থিয়েটাৰ হলত প্ৰথম লোকগীত পৰিৱেশন কৰিছিল। এইয়ে তেওঁৰ সংগীত জীৱনৰ আৰম্ভণি। ইয়াৰ পিছত ১৯৫৬ চনত ভূপেন হাজৰিকাৰ 'এৰা বাটৰ সুৰ' বোলছবিত লোকগীত পৰিৱেশন কৰি সংগীত জগতত এগৰাকী লোকশিল্পীৰূপে প্ৰতিষ্ঠা হোৱাৰ লগতে 'মাহুত বন্ধুৰে' চলচ্চিত্ৰত ১৯৫৭ চনত গীত গাই জনপ্ৰিয়তা অৰ্জন কৰে। ইয়াৰ উপৰিও তেওঁ বিভিন্ন তথ্যচিত্ৰ পলাশৰ ৰং, গজমুক্তা, হস্তীৰ কন্যা, বগলাৰ ৰঙ্গ দৰ্শন আদিত গীত পৰিৱেশন কৰি সংগীত জগতৰ লগত ওতপ্ৰোতভাৱে জড়িত হৈ পৰিল। ১৯৬০ চনত গোৱালপৰীয়া লোকগীত পৰিৱেশনৰ বাবে আকাশবাণী গুৱাহাটী অনাতাঁৰ কেন্দ্ৰত অডিশ্যন দি উত্তীৰ্ণ হয়। ১৯৬২ চনত আকাশবাণী গুৱাহাটী অনাতাঁৰ কেন্দ্ৰত 'একবাৰ হৰি বলো মন ৰসনা', 'হস্তীৰ কন্যা' আৰু 'কেনেহে বান্ধিব তোৰ বিৰহ মন' গীতকেইটি পৰিৱেশন কৰি সকলোকে মোহিত কৰিছিল। তদুপৰি অনাতাঁৰ কেন্দ্ৰৰ সঞ্চালক পুৰুষোত্তম দাসৰ সহযোগত 'একবাৰ হৰি বলো মন ৰসনা' গীতটি ১৯৬২ চনত প্ৰথম ৰেকৰ্ডিং হয়। তেওঁৰ মুঠ ৰেকৰ্ডিং হোৱা গীতৰ সংখ্যা ৩২০ টা। ১৯৭৫ চনত প্ৰতিমা বৰুৱা পাণ্ডে আকাশবাণী কলিকতা কেন্দ্ৰলৈও গীত পৰিৱেশনৰ বাবে আমন্ত্ৰিত হৈছিল। তদুপৰি প্ৰতিবছৰে অসমৰ সাংস্কৃতিক সঞ্চালকালয়ে ভাৰতৰ আন ৰাজ্যলৈ পঠোৱা শিল্পীদলৰ অন্যতম সদস্য আছিল প্ৰতিমা বৰুৱা পাণ্ডে। পৰৱৰ্তী সময়ত তেওঁ আকাশবাণী গুৱাহাটী, তেজপুৰ, ডিব্ৰুগড়, দিল্লী, শিলচৰ, চিমলা, আগৰতলা আদি কেন্দ্ৰত নিয়মীয়াকৈ গোৱালপৰীয়া লোকগীত পৰিৱেশন কৰিছিলে। গোৱালপৰীয়া লোকগীতলৈ আগবঢ়োৱা অৱদানৰ বাবে বিভিন্ন সময়ত তেওঁ বিভিন্ন বঁটা লাভ কৰিবলৈ সক্ষম হৈছিল।

প্ৰতিমা বৰুৱা পাণ্ডে লাভ কৰা সন্মানীয় বঁটাসমূহ হ'ল ঃ -

- ⇨ পদ্মশ্ৰী বঁটা (১৯৯১ চন)
- ⇨ সংগীত নাটক একাডেমী বঁটা (১৯৮৮ চন)



- ⇨ ডি. লিট্, উত্তৰ বংগ বিশ্ববিদ্যালয়ৰ পৰা (২০০০ চন)
- ⇨ অসম শিল্পী দিৱস বঁটা
- ⇨ জয়মতী বঁটা
- ⇨ বিষ্ণু ৰাভা বঁটা
- ⇨ অসম নাট্য সমিতি বঁটা
- ⇨ ৰবীন্দ্ৰ ভাৰতী বিশ্ববিদ্যালয়ৰ প্ৰশস্তি পত্ৰ
- ⇨ আব্বাছুদ্দিন মেম'ৰিয়েল বঁটা (কলকাতা)

ইয়াৰ উপৰিও সদৌ অসম ছাত্ৰ সন্থাই ২০০৭ চনৰ পৰা ২০২০ চনলৈ প্ৰতি বছৰে অসমৰ লোককৃষ্টি সংৰক্ষণ আৰু প্ৰসাৰত যিসকল ব্যক্তিয়ে বৰঙণি আগবঢ়াই আহিছে সেইসকল বিশিষ্ট শিল্পীক প্ৰতিমা বৰুৱা পাণ্ডে স্মাৰক বঁটা প্ৰদান কৰি আহিছে। এই বঁটা লাভ কৰা শিল্পীসকল হ'ল ক্ৰমে-বিমল মালী, সীতানাথ ৰায়, তুলসী নেওগ ওজা, ফুলকুমাৰী কলিতা, শুক্ৰাচাৰ্য ৰাভা, ড° অনিল শইকীয়া, মুহিবৰ ৰহমান, জয়াচৰণ ৰাথাৰী, দীপক কুমাৰ পাম, স্নেহলতা দাস, চন্দ্ৰ ছিং ৰু', শম্ভু ৰাভা, বিনোদ সনাল আৰু পবিত্ৰ ৰাভা। ২০২১ চনত এই স্মাৰক বঁটা প্ৰদান কৰা হয় লোককৃষ্টিৰ সাধক খগেন গগৈদেৱক।

সাধাৰণতে যিকোনো অঞ্চলৰ লোকগীতত সেই অঞ্চলৰ ভৌগোলিক অৱস্থা, সাধাৰণ মানুহৰ জীৱন, জীৱিকা আৰু চাৰিত্ৰিক গঠনৰ প্ৰতিফলন ঘটে। সেয়ে পূৰ্বৰে পৰা গোৱালপাৰা অঞ্চলত প্ৰচলিত হৈ অহা এই লোকগীতসমূহৰো নিজা এক বৈশিষ্ট্য আছে। গোৱালপাৰা অঞ্চলত প্ৰচলিত কথিত ভাষাই গোৱালপৰীয়া লোকগীতৰ ভাষা। ১৯৬০ চনৰ আগত এই গীতসমূহক 'দেশী গীত' বুলি জনা যায়। পিছতহে গোৱালপৰীয়া লোকগীত হিচাপে পৰিচিত হয়। কৃষিজীৱী গোৱালপৰীয়া কৃষকৰ শ্ৰমৰ গীত, দুঃখৰ গীত, প্ৰেম ভালপোৱাৰ গীত হৈছে গোৱালপৰীয়া লোকগীতৰ প্ৰধান বিশেষত্ব। এই গীতসমূহত বিশেষভাৱে হাতী, বন্য ম'হ আৰু নৈৰ প্ৰভাৱ মনকৰিবলগীয়া। যাৰ বাবে গোৱালপৰীয়া লোকগীতসমূহত

মাহুত, মাইযাল, বাইসাল, গাড়ীয়াল, যাদু আদি শব্দৰ ব্যৱহাৰ সঘনে পোৱা যায়। প্ৰতিমা বৰুৱা পাণ্ডেই গীতৰ মাজেৰে এই চৰিত্ৰসমূহ জনমানসত মচিব নোৱাৰাকৈ তুলি ধৰিলে। বিশেষকৈ মাহুত আৰু মাইযাল চৰিত্ৰ দুটা প্ৰতিমা বৰুৱা পাণ্ডেৰ গীতত অধিক প্ৰাণৱন্ত হৈ উঠিছে। গোৱালপৰীয়া লোকগীতৰ সম্ৰাজ্ঞী প্ৰতিমা বৰুৱা পাণ্ডেই গোটেই জীৱন সংগীত সাধনাত উৎসৰ্গিত কৰিছিল। তেওঁৰ প্ৰচেষ্টাত এই গীতে ৰাষ্ট্ৰীয় পৰ্য্যায়ত চিনাকি লাভ কৰিবলৈ সক্ষম হয়। তেওঁ সদায় কৈ গৈছিল 'মাটিৰ মানুহ মই, মানুহৰ লগতে মোৰ সম্পৰ্ক'। তেওঁ গীতৰ মাজেৰেও সেই কথাই প্ৰকাশ কৰি গৈছে- 'মানৱ দেহা মাটিৰ ভাণ্ড, ভাঙিলে হৈ খণ্ডবে খণ্ড'। এই গৰাকী মহান শিল্পীৰ মৃত্যু হয় ২০০২ চনৰ ২৭ ডিচেম্বৰত। বিশ্বৰ দৰবাৰত গোৱালপৰীয়া লোকগীতক তুলি ধৰিবলৈ সক্ষম হোৱা আজন্ম সাধক প্ৰতিমা বৰুৱা পাণ্ডে লোকসংস্কৃতিৰ ইতিহাসত সদায় অমৰ হৈ ৰ'ব।

তথ্যসূত্ৰ ঃ


⇨ অসমীয়া লোকগীত সমীক্ষা

⇨ অসমীয়া ৱিকিপিডিয়া

⇨ অসমীয়া বিকাশপিডিয়া

⇨ মহিয়সী নাৰীৰ জীৱন চৰ্যা আৰু নাৰীবাদী চিন্তা চেতনা- সম্পাঃ কল্পনা বড়া, ননীৰূপা চেতিয়া, অসম কলেজ শিক্ষক সংস্থা, ডিব্ৰুগড় মণ্ডল।


♦♦♦

# উদ্দীপ্তা

উত্তৰ-পূৰ্বাঞ্চলৰ বিশিষ্ট মহিলাৰ জীৱন গাঁথা



সম্পাদনা

ড° জ্যোতিৰেখা গগৈ

**Uddeepta :** A collection of research articles on prominent Women of North East India. An initiative by Women Studies Cell, Naharkatiya College edited by Dr. Jyotirekha Gogoi, Published by- Baangmoi Publication & Printing, Demow Madhupur, Dist- Sivasagar (Assam), Pin-785662.

সম্পাদনা সমিতি ঃ

সভাপতি ঃ ড° জ্যোতিপ্ৰসাদ কোঁৱৰ (অধ্যক্ষ)

কাৰ্য্যকৰী সভাপতি ঃ মামণি দেৱী

উপদেষ্টা ঃ ড° অনিতা মহন্ত, চন্দ্ৰমল্লিকা সন্দিকৈ,

ড° স্মৃতিৰেখা গগৈ গায়ন, কৰবী হাজৰিকা, ৰুণুমী সোণোৱাল

সম্পাদিকা ঃ ড° জ্যোতিৰেখা গগৈ

সদস্যা ঃ ড° স্বপ্নালী বৰা, পত্ৰিকা সন্দিকৈ

প্ৰকাশক ঃ বাঙ্ময় প্ৰকাশন

প্ৰথম প্ৰকাশ ঃ ছেপ্তেম্বৰ, ২০২২

ISBN : 978-81-957811-0-2

মূল্য ঃ ২৫০/- টকা

মুদ্ৰণ ঃ বাঙ্ময় প্ৰকাশন আৰু মুদ্ৰণ, ডিমৌ, শিৱসাগৰ

(গ্ৰন্থখনিত প্ৰকাশিত প্ৰবন্ধসমূহৰ ভাবধাৰা আৰু বক্তব্য লেখকসকলৰ নিজস্ব)

- ইন্দিৰা মিৰি : জীৱন আৰু কৃতি
  ✍ ড° অনিতা মহন্ত ◆ ৮৬ ◆
- উচ্চিতা ৰায়চৌধুৰীৰ জীৱন আৰু সাহিত্য-কৰ্ম
  ✍ অসীমা গায়ন ◆ ১০৪ ◆
- দীক্ষবালা ৰাভা : এক সংগ্ৰামী সত্তা
  ✍ ড° জ্যোতিৰেখা গগৈ ◆ ১১২ ◆
- হাড়গিলা বাইদেউ পূৰ্ণিমা দেৱী বৰ্মণ (এক ব্যতিক্ৰমী ব্যক্তিত্ব)
  ✍ মামণি দেৱী ◆ ১২৬ ◆

বিশিষ্ট গায়িকা :

- লোকগীতৰ সম্ৰাজ্ঞী প্ৰতিমা বৰুৱা পাণ্ডে
  ✍ ড° স্মৃতিৰেখা গগৈ গায়ন ◆ ১৩০ ◆
- অসমৰ নাইটিংগেল দিপালী বৰঠাকুৰ
  ✍ ড° পাপৰি বৰা ◆ ১৩৫ ◆

বিশিষ্ট লেখিকা :

- অসমৰ প্ৰথম মহিলা গীতিকবি আই পদ্মপ্ৰিয়া : জীৱন আৰু সাহিত্য-সাধনা
  ✍ ড° সৰলা দাস ◆ ১৪৭ ◆
- নলিনীবালা দেৱীৰ জীৱন আৰু সাহিত্য-কৃতি
  ✍ ৰুণুমী সোণোৱাল ◆ ১৫৫ ◆
- গীতিকাৰ নিৰ্মলপ্ৰভা বৰদলৈ
  ✍ বিনীতা বড়া ◆ ১৬৫ ◆

# নলিনীবালা দেৱীৰ জীৱন আৰু সাহিত্যকৃতি

ৰুণুমী সোণোৱাল


**সংক্ষিপ্তসাৰ ঃ**

*অসমীয়া সাহিত্যৰ ৰোমাণ্টিক যুগৰ লেখকসকলৰ ভিতৰত নলিনীবালা দেৱীৰ এক উল্লেখযোগ্য স্থান আছে। বিশেষকৈ ভাৰতীয় আধ্যাত্মিক দৰ্শনৰ ৰহস্যবাদী চিন্তাধাৰাৰে ৰচনা কৰা তেওঁৰ কবিতাসমূহ অসমীয়া কাব্য সাহিত্যত এক স্বকীয় দৃষ্টিভংগীৰ পৰিচায়ক। সেইবাবে তেওঁ অসমীয়া কাব্য সাহিত্যৰ জগতত ৰহস্যবাদী বা অতিন্দ্ৰিয়বাদী কবি হিচাপে পৰিচিত। আনহাতে সমকালীন মহিলা লেখকসকলৰ ভিতৰতো তেখেতৰ কৃতি লেখত ল'বলগীয়া। ইয়াৰ বাহিৰেও অসম সাহিত্য সভাৰ প্ৰথমগৰাকী মহিলা সভাপতিৰ দায়িত্বও তেওঁ পালন কৰিছিল। ব্যক্তিগত জীৱনৰ দুখ বিপৰ্যয়ৰ মাজতো তেখেতে ৰচনা কৰি থৈ যোৱা সাহিত্যিক সমলসমূহ অসমীয়া সাহিত্যৰ আপুৰুগীয়া সম্পদ। এনেধৰণৰ দৃষ্টিভংগীৰ আধাৰত "নলিনীবালা দেৱীৰ জীৱন আৰু সাহিত্যকৃতি" শীৰ্ষক বিষয়টো অধ্যয়ন কৰাৰ নিশ্চয় গুৰুত্ব আছে।*


**বীজ শব্দ ঃ** নলিনীবালা দেৱী, জীৱন, সাহিত্য, ৰহস্যবাদ

**বিষয়ৰ পৰিচয় ঃ**

অসমীয়া সাহিত্যৰ ৰোমাণ্টিক যুগৰ এগৰাকী প্ৰথিতযশা সাহিত্যিক নলিনীবালা দেৱী। একেধাৰে কবি, প্ৰবন্ধকাৰ, জীৱনীকাৰ, আত্মজীৱনী ৰচোঁতা নলিনীবালা দেৱীৰ জন্ম হৈছিল ১৮৯৮ চনৰ ২৩ মাৰ্চ তাৰিখে অসমৰ বৰপেটা জিলাত। অসম সাহিত্য সভাৰ প্ৰথমগৰাকী মহিলা সভাপতিৰ আসনো তেখেতে অলংকৃত কৰিছিল। কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈৰ দুহিতা নলিনীবালা দেৱীয়ে কোনো

[illegible]

[illegible]

[illegible]

[illegible]

[illegible]



[illegible]

[illegible]

[illegible]

[illegible]

[illegible]

[illegible]

(১৯৫৭), জাগৃতি (১৯৬২), অলকানন্দা (১৯৬৮) আৰু অন্তিম সুৰ (১৯৭৭)। তেওঁৰ অপ্ৰকাশিত কবিতা পুথিকেইখন হ'ল- জোনাকী স্বপ্ন, সুৰভি, মন্দাকিনী আৰু সন্ধিয়াৰ সপোন পৰশ। মেঘদূত নামৰ এখন অনুদিত কবিতা পুথিও অপ্ৰকাশিত অৱস্থাত ৰৈ গৈছে। ৰোমান্টিক ভাৱধাৰাৰে কবিতা ৰচনা কৰিলেও নলিনীবালা দেৱীৰ কবিতাসমূহ এক স্বকীয় ধাৰাৰ পৰিচায়ক। অসমীয়া কবিতাৰ জগতত তেখেতৰ কবিতাসমূহ ৰহস্যবাদী কবিতাৰূপে জনাজাত। জীৱন আৰু জগতক জনাৰ তীব্ৰ অনুসন্ধিৎসাই ৰহস্যবাদৰ মূল উৎস। জীৱন আৰু জগতৰ অসীম ৰহস্যৰ ওৰ বিচাৰি মানৱে এক পৰম সত্তাৰ অস্তিত্ব অনুভৱ কৰি আহিছে। সেই পৰম ৰহস্যময় সত্তাৰ অস্তিত্ব উপলব্ধি আৰু তেওঁতেই বিলীন হৈ যোৱাৰ একান্ত বাসনাই ভাৰতীয় দৰ্শনৰ ৰহস্যবাদ। যুগে যুগে জ্ঞানযোগী, তপস্বী, ঋষি-মুনি সকলে চিৰ ৰহস্যময় পৰমজনৰ ৰহস্য ভেদ কৰিবৰ বাবে তথা তেওঁৰ সান্নিধ্য লাভৰ সাধনা কৰি আহিছে। এনে দৃষ্টিভংগীৰে ৰহস্যবাদ আধ্যাত্মিকতাৰ লগত সম্পৰ্কিত। কবি নলিনীবালা দেৱীয়েও তেওঁৰ কবিতাৰ মাজেদি প্ৰকাশ কৰিছে ভাৰতীয় আধ্যাত্মিক দৰ্শনৰ ৰহস্যবাদী চিন্তাধাৰা। তেওঁৰ কবিতাসমূহতো বিচাৰি পোৱা যায় পৰম ৰহস্যময় শক্তিৰ সন্ধানত কবিৰ যাত্ৰা। এই কবিতাসমূহত সংসাৰ সংঘাতত জুৰুলা কবি প্ৰাণে শান্তি বিচাৰি পৰমজনৰ সান্নিধ্য লাভৰ আকুলতা প্ৰকাশ কৰি তেওঁতেই একান্তভাৱে আত্মসমৰ্পণ কৰাৰ আকাংক্ষা ব্যক্ত কৰিছে। জীৱনত এটাৰ পাছত এটাকৈ লাভ কৰা মৃত্যুৰ শোকে কবিৰ জীৱন বাৰকৈয়ে ব্যথিত কৰি তুলিছিল। ব্যথাভৰা জীৱনত কবিয়ে পৰম সত্তাক অন্বেষণ কৰি হাবাথুৰি খাইছে। প্ৰিয়তম ভগৱানৰ পৰমপদত লীন হোৱাৰ অভিলাষ প্ৰকাশ কৰি কবিয়ে ব্যক্তিগত দুখ বেদনাক তেওঁৰে দান বুলি গ্ৰহণ কৰি লৈ জীৱনৰ পৰম সত্য আৰু পৰম ৰহস্যৰ স্বৰূপ উপলব্ধি কৰি অনাবিল তৃপ্তি লাভ কৰিব পাৰিছে। কবিৰ ভাষাৰে-

*"মানুহৰ দুচকুৰ অসীম সৌন্দৰ্য-তৃষ্ণা*
*সুখ আশা হেঁপাহ বুকুৰ,*
*নহয় ই মৰতৰ খন্তেকীয়া জীৱনৰ*
*সুখ আশা পৰম পদৰ*
*ৰূপ-তৃষ্ণা চিৰ সুন্দৰৰ"।* (পৰম তৃষ্ণা)



পৰমসত্তাত বিলীন হোৱাৰ ৰহস্যবাদী ধাৰণাৰ বাহিৰেও নলিনীবালা দেৱীৰ কবিতাত আছে ভাৰতীয় দৰ্শনৰ জন্মান্তৰবাদ। তেওঁৰ কৰ্মফলবাদৰ মুক্তি লাভ নকৰালৈকে সংসাৰ চক্ৰৰ আৱৰ্তনৰপৰা মুক্ত হ'ব নোৱাৰে। আত্মাৰ অবিনশ্বৰতাত বিশ্বাসী কবিয়ে সেয়েহে কৈছে পূৰ্বজন্মত যি কেৱা আকাংক্ষা পূৰ্ণ নহ'ল আকৌ পুনৰ আহি জীৱত থিতাপি লয়হি -

*"কতবাৰ জনমিলোঁ তোমাৰ কোলাত*
*গইছিলোঁ আকৌ উভতি,*
*অপূৰণ অন্তৰৰ ভাৱ বান্ধি লৈ*
*ঘূৰি ঘূৰি আহিছোঁ উভতি।"* (পৰম তৃষ্ণা)

কবিৰ অন্তৰাত্মাত অপূৰণ কৰই জন্ম দিয়া অতৃপ্ত বাসনা কোনো জাগতিক বাসনা নহয়। পাৰ্থিৱ কামনা-বাসনাৰ উৰ্দ্ধত পৰমপদত মিলনৰ তৃষ্ণাই কবিৰ বাসনা।

দুখ আৰু বেদনাৰে ভাৰাক্ৰান্ত কবি নলিনীবালা দেৱীৰ জীৱন পৰিক্ৰমা। ব্যক্তিগত জীৱনৰ দুঃখানুভূতিৰে সিক্ত হৈ থাকিলেও তেওঁৰ কবিতাসমূহে সাৰ্বজনীন ৰূপ লাভ কৰিছে। পৰমসত্তাত আত্মসমৰ্পণৰ বাসনাই কবিৰ মনত উদয় হোৱা দুখ বেদনাক নিলগাই ৰাখি এক উপলব্ধি প্ৰদান কৰিছে। এনেদৰে কবি নলিনীবালা দেৱীয়ে অসমীয়া কবিতাত ভাৰতীয় আধ্যাত্মিক দৰ্শনৰ ৰহস্যবাদী ধাৰণাৰ সাৰ্থক প্ৰকাশ কৰিছে।

অসমীয়া ৰমন্যাসিক কবিতাৰ এটি অন্যতম ধাৰা হ'ল দেশপ্ৰেমৰ উজ্জ্বল প্ৰকাশ। নলিনীবালা দেৱীয়ে ৰহস্যবাদী কবিতাৰাজিৰ সমান্তৰালভাৱে এনেকি স্বদেশপ্ৰেমমূলক কবিতাও ৰচনা কৰিছিল। 'জন্মভূমি' কবিৰ স্বদেশপ্ৰেমমূলক কবিতাৰ এটি সাৰ্থক নিদৰ্শন। দেশৰ প্ৰতি অকৃত্ৰিম ভালপোৱা প্ৰকাশ পোৱা এই শ্ৰেণীৰ কবিতাত কবিয়ে মৃত্যুৰ পিছতো এই দেশতে পুনৰবাৰ জন্ম লোৱাৰ হেঁপাহ প্ৰকাশ কৰিছে। সেয়েহে 'জনমভূমি' কবিতাত কবিয়ে কৈছে-

*মৰাৰ পিছতো যেন পাওঁহি আকৌ ঠাই*
*চেনেহৰ শীতলী কোলাত,*

ভাগ্যৱন্ত আছোঁ শেষৰ জিৰণি লৈ
জিৰাবহি তোমাৰ ঠাঁয়াতে। (জন্মভূমি)

কবিৰ বাবে মাতৃভূমি একোখনি তীৰ্থক্ষেত্ৰ, পুণ্যৰ আশ্ৰম। সত্যেন্দ্ৰনাথ শৰ্মাৰ মতে, "'যুগদেৱতা' আৰু 'জাগৃতি'ৰ কবিতা কেইটিমানেই আৰু আন কেইখনমানৰো এটি দুটা সংখ্যক কবিতা স্বদেশানুৰাগেৰে ৰঞ্জিত।" (সত্যেন্দ্ৰনাথ শৰ্মা, অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, পৃ.৩১৩,৩১৪)

প্ৰকৃতিৰ মনোমোহা ৰূপৰ একোখনি মনপৰশা চিত্ৰও কবিৰ কবিতাত বিচাৰি পোৱা যায়। পৰম ৰহস্যৰ সন্ধানত আকুল কবিগৰাকীয়ে প্ৰকৃতিৰ মনোৰম শোভাৰ মাজতেই পৰমজনৰ অস্তিত্বও উপলব্ধি কৰিছে-

"নিয়ৰ মুকুতা পিন্ধি, সেউজী আঁচল মেলি
ঊষা আহে সোণালী ৰথত,
নিশাৰ ওৰণি টেলি অৰুণে মিচিকি হাঁহে
প্ৰকৃতিৰ ৰূপহী বাটত।" (পৰম তৃষ্ণা)

মুঠতে স্বকীয় কাব্যধাৰাৰে নলিনীবালা দেৱীয়ে অসমীয়া কাব্যসাহিত্যত এক সুকীয়া পৰিচিতি লাভ কৰিবলৈ সক্ষম হৈছে।

**জীৱনী :**

অসমীয়া জীৱনী সাহিত্যৰ ইতিহাসতো নলিনীবালা দেৱীৰ এক বিশেষ স্থান আছে। পিতৃ কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈৰ জীৱনক লৈ নলিনীবালা দেৱী ৰচিত জীৱনী গ্ৰন্থখনৰ নাম 'স্মৃতিতীৰ্থ'। অসমৰ এগৰাকী বিশিষ্ট সমাজকৰ্মী তথা স্বাধীনতা সংগ্ৰামী নবীন চন্দ্ৰ বৰদলৈৰ জীৱন আৰু কাৰ্য্যাৱলী গ্ৰন্থখনিত অন্তৰ্ভুক্ত কৰা হৈছে। মুঠ পাঁচটা অধ্যায়ত বিভক্ত জীৱনী গ্ৰন্থখনিত নবীন চন্দ্ৰ বৰদলৈৰ প্ৰায় সমগ্ৰ জীৱন পৰিক্ৰমা সাঙুৰি লোৱা হৈছে। জীৱনী গ্ৰন্থখনত ভাৰতবৰ্ষ তথা অসমৰ এগৰাকী অগ্ৰণী স্বাধীনতা সংগ্ৰামী নবীন চন্দ্ৰ বৰদলৈৰ ঘৰুৱা তথা পাৰিবাৰিক জীৱনৰ লগতে ৰাজনৈতিক জীৱন প্ৰৱাহকো অন্তৰ্ভুক্ত কৰা হৈছে। নবীন চন্দ্ৰ বৰদলৈয়ে ভাৰতীয় জাতীয় কংগ্ৰেছত যোগদান কৰাৰপৰা আৰম্ভ কৰি কেনেকৈ তেওঁ অসমত



স্বাধীনতা আন্দোলন তীব্ৰতৰ কৰি তুলিছিল তাৰ বিস্তৃত বৰ্ণনাই গ্ৰন্থখনত ঠাই পাইছে। বৰদলৈৰ ৰাজনৈতিক জীৱনগাথাৰ প্ৰসংগত গ্ৰন্থখনত প্ৰতিফলিত সমকালীন অসম তথা ভাৰতবৰ্ষৰ ৰাজনৈতিক চিত্ৰও 'স্মৃতিতীৰ্থ'ৰ উল্লেখনীয় দিশ। জীৱনীকাৰ নলিনীবালা দেৱীয়ে নবীন চন্দ্ৰ বৰদলৈৰ ব্যক্তিত্ব জীৱনী গ্ৰন্থখনত সফলতাৰে অংকন কৰিবলৈ সমৰ্থ হৈছে। পিতৃ হিচাপে সন্তানৰ প্ৰতি থকা গভীৰ দায়িত্ববোধৰ প্ৰকাশ নলিনীবালা দেৱীৰ প্ৰথম সন্তান পুত্ৰটিৰ মৃত্যুত তেওঁ কাৰাগাৰৰ পৰা জীয়ৰীলৈ লিখি প্ৰেৰণ কৰা চিঠিসমূহতেই পোৱা যায়। যদিও বিভিন্ন ক্ষেত্ৰত লেখকৰ ব্যক্তিত্বৰ ছাপ প্ৰবল আছিল। আনহাতে দুখীয়া তথা অসহায়জনক সহায় কৰাৰ আৰ্তৰ বৰ্ণনাৰে লেখিকাই তেওঁৰ মানৱদৰদী হৃদয়ৰো পৰিচয় দাঙি ধৰিছে। এগৰাকী লেখক তথা সাহিত্যিক হিচাপে নবীনচন্দ্ৰ বৰদলৈৰ অৱিহণাও গ্ৰন্থখনিত লেখিকাই অন্তৰ্ভুক্ত কৰিছে। মুঠতে নলিনীবালা দেৱীয়ে 'স্মৃতিতীৰ্থ'ত কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈৰ জীৱন আৰু কৰ্মৰাজিৰ বিভিন্ন দিশৰ যথাযথ বিশ্লেষণ দাঙি ধৰিছে।

'স্মৃতিতীৰ্থ'ৰ বাহিৰেও তেওঁ 'চৰ্দাৰ বল্লভ ভাই পেটেল' (১৯৬৬) আৰু 'বিশ্বদীপ' (১৯৬১) নামৰ আন দুখনি জীৱনী গ্ৰন্থও ৰচনা কৰিছে।

**আত্মজীৱনী :**

অসমীয়া আত্মজীৱনী সাহিত্যৰ ইতিহাসত নলিনীবালা দেৱী ৰচিত আত্মজীৱনী 'এৰি অহা দিনবোৰ'ৰ (১৯৭৬) বিশেষ গুৰুত্ব আছে। 'এৰি অহা দিনবোৰ' অসমীয়া সাহিত্যত মহিলা ৰচিত দ্বিতীয়খন আত্মজীৱনী। আগছোৱা, মাজছোৱা আৰু শেষছোৱা এই তিনিটা খণ্ডত ৰচনা কৰা আত্মজীৱনীখনত লেখিকাই তেওঁৰ ব্যক্তিগত আৰু ৰাজহুৱা দুয়োটা জীৱনৰে স্মৃতিকথা ৰোমন্থন কৰিছে। লেখিকাই নিজৰ জন্ম আৰু পূৰ্বপুৰুষৰ পৰিচয়ৰ পৰা আৰম্ভ কৰি তেওঁৰ পাৰিবাৰিক জীৱনলৈ নামি অহা সংঘাতৰ কাহিনী 'এৰি অহা দিনবোৰ'ত বৰ্ণনা কৰিছে। সাংসাৰিক জীৱন ধুমুহাত বিপৰ্যস্ত নহৈ আধ্যাত্মিকতাত আশ্ৰয় গ্ৰহণ কৰি সেৱাৰ মনোভাৱেৰে লেখিকাই কেনেকৈ এগৰাকী সফল কবি তথা সাহিত্যিক হিচাপে আত্মপ্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হৈছিল, সেই আত্মপ্ৰত্যয়ভৰা কাহিনীয়েই আত্মজীৱনীখনৰ মূল আকৰ্ষণ।

জীৱনৰ বিভিন্ন সংঘাতত ভুকলা হৈ পৰা নাৰীসকলেও আত্মজীৱনীখনৰপৰা প্ৰেৰণা লাভ কৰিব পাৰে। আত্মজীৱনীকাৰৰ সামাজিক দায়বদ্ধতাৰ ছবিখনো আত্মজীৱনীখনত স্পষ্ট। ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনৰ প্ৰসংগও আত্মজীৱনীখনত ঠাই পাইছে আৰু লেখিকাই নিজে এই আন্দোলনত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰাৰ কথাও বৰ্ণনা কৰিছে। অসমৰ জাতীয় সমস্যাসমূহৰ প্ৰতিও লেখিকাৰ সচেতন মনোভাৱ আত্মজীৱনীখনত প্ৰকাশ পাইছে। মহিলা ৰচিত আত্মজীৱনী হিচাপে গ্ৰন্থখনিৰ জৰিয়তে সমকালীন অসমীয়া সমাজত নাৰীৰ স্থান, নাৰীৰ গাত আৰোপিত সমাজৰ বিভিন্ন বিধি-নিষেধ, স্ত্ৰী-শিক্ষা ইত্যাদিৰ একখনি ছবিও পোহৰলৈ আহিছে। মুঠতে বিনম্ৰভাৱে বৰ্ণনা কৰি যোৱা জীৱন স্মৃতিৰ সমাহাৰৰূপে গ্ৰন্থখনি অসমৰ সমাজ ইতিহাসৰো এক উল্লেখযোগ্য সমল।

**অন্যান্য ৰচনা ঃ**

নলিনীবালা দেৱীৰ অন্যান্য ৰচনাৰাজিৰ ভিতৰত কেইখনমান শিশু নাটকৰ নাম উল্লেখ কৰিব পাৰি। সেই কেইখন হ'ল- 'শেষপূজা' (১৯৫৮), 'প্ৰহ্লাদ' (১৯৫৮), 'পাৰিজাত অভিষেক' (১৯৬৮) আৰু 'মীৰাবাঈ' (১৯৬৮)। তদুপৰি 'শান্তিপথ' নামৰ এখন প্ৰবন্ধ সংকলনো তেখেতে ৰচনা কৰিছিল। তেওঁৰ প্ৰকাশিত ৰচনাৰাজিৰ উপৰিও বহুখিনি ৰচনা অপ্ৰকাশিত অৱস্থাতো ৰৈ যায়।

**স্বীকৃতি আৰু সন্মান ঃ**

অসমীয়া সাহিত্য আৰু অসমৰ সমাজ জীৱনলৈ আগবঢ়োৱা বিশিষ্ট বৰঙণিৰ বাবে নলিনীবালা দেৱীক বিভিন্ন বঁটা-বাহনেৰেও সন্মানিত কৰা হৈছে। এনে সন্মানৰ ভিতৰত তেওঁক ১৯৪৮ চনত অসম চৰকাৰে সাহিত্যিক পেঞ্চন প্ৰদান কৰে। ১৯৫৪ চনত যোৰহাটত অনুষ্ঠিত অসম সাহিত্য সভাৰ অধিৱেশনত সভাপতিৰ আসনত অধিষ্ঠিত হৈছিল। একেটা বছৰতেই তেখেতে কেন্দ্ৰীয় চৰকাৰৰ সাহিত্য বৃত্তিও লাভ কৰিছিল। ১৯৫৬ চনত 'সদৌ ভাৰত সংস্কৃত সঞ্জীৱনী সভা'ৰ অসম শাখাৰ নলবাৰী অধিৱেশনত তেওঁক 'কাব্যভাৰতী' উপাধিও প্ৰদান কৰা হয়। ১৯৫৮ চনত ভাৰত চৰকাৰৰ 'পদ্মশ্ৰী' সন্মানেৰেও তেখেতক সন্মানিত কৰা হয়। 'অলকানন্দা' কাব্যগ্ৰন্থৰ



বাবে ১৯৬৮ চনত সাহিত্য অকাডেমী বঁটা লাভ কৰে।

**মৃত্যু ঃ**

১৯৭৭চনৰ ২৪ ডিচেম্বৰত নলিনীবালা দেৱী স্বৰ্গগামী হয়।

**সামৰণি ঃ**

অসমীয়া সাহিত্যৰ ৰোমান্টিক যুগৰ এগৰাকী বিশিষ্ট কবি তথা সাহিত্যিক হিচাপে নলিনীবালা দেৱীৰ এক বিশেষ স্থান আছে। কোনো ধৰণৰ অনুষ্ঠানিক শিক্ষা গ্ৰহণ নকৰাকৈয়ে তেখেতে অসমীয়া সাহিত্য আৰু অসমৰ সমাজ জীৱনলৈ গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াই থৈ গৈছে। সমকালীন সমাজৰ নিয়ম অনুসৰি বাল্য বিবাহত বহা লেখিকাই খুউব কম বয়সতেই বৈধব্য জীৱন অঁকোৱালি ল'বলগীয়া হৈছিল। স্বামীৰ হেৰুৱাৰ বেদনাৰ উপৰিও পুত্ৰ শোকৰ জুইলাও তেখেত দগ্ধ হ'বলগীয়া হৈছিল। কিন্তু পাৰিবাৰিক জীৱনৰ দুখ-যন্ত্ৰণাক একাষৰীয়াকৈ থৈ পিতৃদেৱৰ অনুপ্ৰেৰণাত ৰহস্যবাদত আশ্ৰয় গ্ৰহণ কৰি তেওঁ এগৰাকী সফল ব্যক্তি হিচাপে নিজকে প্ৰতিষ্ঠিত কৰিব পাৰিছিল। এই ৰহস্যবাদী ধাৰণাৰে উদ্বুদ্ধ হৈ পৰমব্ৰহ্মৰ ওচৰত আত্মসমৰ্পণেৰে নলিনীবালা দেৱীয়ে অতিন্দ্ৰিয়বাদী ভাৱধাৰাৰ কবিতা ৰচনা কৰি অসমীয়া কাব্য সাহিত্যক চহকী কৰি থৈ গৈছে। অন্যহাতে তেওঁ ৰচনা কৰা জীৱনী 'স্মৃতিতীৰ্থ' আৰু আত্মজীৱনী 'এৰি অহা দিনবোৰ' অসমৰ সমাজ ইতিহাসৰ দুখন মূল্যবান গ্ৰন্থ। জীৱন কাহিনীৰ সমাহাৰৰূপে গ্ৰন্থদুখনত সমকালীন অসমৰ সমাজ জীৱনৰ বহু গুৰুত্বপূৰ্ণ প্ৰসংগই ঠাই পাইছে। 'অসম সাহিত্য সভা'ৰ সভাপতিৰ পদ অলংকৃত কৰা তেওঁ আছিল প্ৰথমগৰাকী মহিলা। সভাপতিৰ কাৰ্যকালত তেওঁ নিজৰ সম্ভ্ৰমশীল ব্যক্তিত্বৰ পৰিচয় দি গৈছে। দেশসেৱাৰ আদৰ্শৰে উদ্বুদ্ধ এটা পৰিয়ালত জন্মগ্ৰহণ কৰা নলিনীবালা দেৱীয়ে ভাৰতৰ স্বাধীনতা সংগ্ৰাম একেবাৰে ওচৰৰপৰা চোৱাৰ সুযোগ পাইছিল আৰু নিজেও এই আন্দোলনত সক্ৰিয়ভাৱে অংশ লৈছিল। পিতৃ নবীন চন্দ্ৰ বৰদলৈৰ আদেশ শিৰোধাৰ্য কৰি দেশৰ সেৱা কৰিবলৈ আগবঢ়া নিঃস্বাৰ্থ দেশপ্ৰেমে লেখিকাৰ ব্যক্তিত্ব নিৰ্মাণতো সহায় কৰিছিল। এই সেৱাৰ মনোভাৱ, একান্ত ভগৱৎ প্ৰেম আৰু নিৰলস সাহিত্য সাধনাৰ মাধ্যমেৰে নলিনীবালা

দেৱীয়ে তেওঁৰ সবল ব্যক্তিত্ব নিৰ্মাণ কৰিবলৈ সক্ষম হৈছিল।

প্ৰাসংগিক গ্ৰন্থপঞ্জী ঃ

(ক) দাস, অমল চন্দ্ৰ ঃ *অসমীয়া জীৱনী আৰু আত্মজীৱনী অধ্যয়ন*
প্ৰকাশক ঃ পূৰ্বাঞ্চল প্ৰকাশ, গুৱাহাটী-৬
প্ৰথম প্ৰকাশ ঃ মাৰ্চ, ২০০১৮

(খ) ৰাজখোৱা, অৰবিন্দ ঃ *সমীয়া কাব্য পৰিক্ৰমা*
দত্ত প্ৰকাশন, লখিমপুৰ,অসম
তৃতীয় পৰিৱৰ্ধিত প্ৰকাশ ঃ ২০১৩

(গ) হাজৰিকা, জ্যোতিৰেখা ঃ *অসমীয়া কবিতা ঐতিহ্য আৰু ৰূপান্তৰ*
প্ৰকাশক ঃ বনলতা, ডিব্ৰুগড়-১
প্ৰথম প্ৰকাশ ঃ আগষ্ট, ২০১৪

(ঘ) শৰ্মা, সত্যেন্দ্ৰনাথ ঃ *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*
প্ৰকাশক ঃ সৌমাৰ প্ৰকাশ
বিহাবাৰী, গুৱাহাটী-৮
দশম সংস্কৰণ, পুনৰ মুদ্ৰণ-২০১১

◆◆◆

# পূৰ্বোত্তৰ হিমালয়

## এটি নৃবৈজ্ঞানিক অৱলোকন



সম্পাদনা

ড° কল্যাণ বৰুৱা

**PURBUTTAR HIMALAYA : ETI NRIBOIGYANIK ABOLUKON**
a collection of essays in Assamese on varied socio-cultural issues from the North-East India, edited by **Dr. Kalyan Baruah.**
*Published by*
**purbanchal prakash**
H. No.- 2, Seujee Path, Dr. B. N. Saikia Road, Wireless,
Dispur, Guwahati - 781006.

**₹. 590.00** only

<u>সম্পাদনা সমিতি</u>

উপদেষ্টা ঃ ড° ইবশ্বাদ আলি
ড° বিৰিঞ্চি কুমাৰ মেধি
ড° আবু নাছাৰ ছাঈদ আহমদ
শ্ৰী আশিষ ৰাচ্ছানি, আই.এ.এচ
সভাপতি ঃ ড° ৰাপুকণ চৌধুৰী
সম্পাদক ঃ ড° কল্যাণ বৰুৱা
সম্পাদনা সহযোগী ঃ ড° উপলা বৰুৱা
ড° তিলোত্তমা বৰুৱা
ড° মৃণাল মেধি
ড° মোৰানা ভাগৱতী

প্ৰবন্ধকাৰ সকলে প্ৰদান কৰা মন্তব্য সমূহ তেওঁলোকৰ নিজা, তাৰ বাবে সম্পাদক, সম্পাদনা সমিতি অথবা গ্ৰন্থৰ প্ৰকাশক দায়বদ্ধ নহয়।
— সম্পাদক

॥ প্ৰকাশক ঃ পূৰ্বাঞ্চল প্ৰকাশ, ঘৰ নং-২, সেউজী পথ, বায়াৰলেছ, গুৱাহাটী-৭৮১০০৬ ॥
॥ মুদ্ৰণ ঃ ভবানী অফছেট এণ্ড ইমেইজিং প্ৰাঃ লিঃ, গুৱাহাটী-৭৮১০০৭ ॥
॥ প্ৰথম প্ৰকাশ ঃ ২০২২ ॥
॥ অলংকৰণ ঃ মাধৱ বৰদলৈ ॥
॥ বেটুপাতৰ শিল্পী ঃ মনজিৎ ৰাজখোৱা ॥
॥ © সম্পাদকৰদ্বাৰা সৰ্বস্বত্ব সংৰক্ষিত ॥
ISBN : 978-93-91878-09-2
॥ মূল্য ঃ ৫৯০.০০ টকা ॥

১৫। অসমীয়া সমাজ সংৰচনা, নৃগোষ্ঠীয় পৰিচয় আৰু
প্ৰতীক চিহ্ন ড° উপলা বৰুৱা ২২৩
ড° বন্দিতা মেধি ২৩৫
১৬। অসমৰ মৃৎশিল্প ড° মৃণাল মেধি ২৪২
১৭। লোক সংস্কৃতি অধ্যয়নত সাধুকথা
১৮। পৰম্পৰাগত জ্ঞান আৰু প্ৰাকৃতিক সম্পদ
ব্যৱস্থাপনা ঃ ভাৰতৰ উত্তৰ পূৰ্বাঞ্চলৰ পাহাৰীয়া
জনজীৱনত এভুমুকি ড° জোনালী দেৱী ২৫৯
১৯। নক্টেসকলৰ লোক-ধৰ্ম ঃ এটি চমু অৱলোকন
ড° স্মৃতিৰেখা গগৈ গায়ন ২৭৫
২০। অসমৰ জনজাতীয় আন্দোলন ঃ এক চমু অৱলোকন
ড° লোহিত হাজৰিকা
নীহাৰিকা কোঁৱৰ হাজৰিকা ২৮৮
২১। টিৰাপৰ নক্টেসকলৰ পম্পৰাগত খাদ্য উৎপাদন
আৰু ৰন্ধন প্ৰণালী ড° মৰমী তালুকদাৰ ২৯৪
২২। অসমীয়া বস্ত্ৰ শিল্প ঃ বিৱৰ্তনৰ এটি ৰূপৰেখা
ড° মন্দিৰা বৰঠাকুৰ শইকীয়া ৩০৫
২৩। পৰম্পৰাগত শিক্ষানুষ্ঠানৰূপে বৌদ্ধ বিহাৰ ঃ
খামতি আৰু ফাকেসকলৰ উল্লেখেনৰে
এক চমু আলোচনা ড° দীপাঙ্কৰ গগৈ ৩১১
২৪। তিনিচুকীয়া জিলাত সাংস্কৃতিক পৰ্য্যটনৰ সম্ভাৱনীয়তা ঃ
এক আলোকপাত ড° নিলোফাৰ জাচমিন ৩১৯
২৫। সোণোৱাল কছাৰীসকলৰ ধৰ্ম্মীয় ঐতিহ্য ঃ
অতীত আৰু বৰ্তমান ৰুণুমী সোণোৱাল ৩২৭
২৬। অসমৰ আৰ্থ-সামাজিক উন্নয়নত নেপালীসকলৰ ভূমিকা
ড° জ্যোতিৰেখা গগৈ ৩৩৪
২৭। অসমৰ সোণোৱাল কছাৰীসকলৰ ধৰ্মীয় পৰম্পৰা ঃ
পৰিৱৰ্তন আৰু ধাৰাবাহিকতা ড° নিতুমণি শইকীয়া ৩৪৫
২৮। গৰ্ভাৱস্থাৰ পৰম্পৰাগত বিশ্বাস ঃ মিচিং সমাজৰ
উল্লেখনিৰে ড° প্ৰমাণীতা বড়া ৩৫৫

# সোণোৱাল কছাৰীসকলৰ ধৰ্মীয় ঐতিহ্য ঃ অতীত আৰু বৰ্তমান

ৰুণুমী সোণোৱাল

মানৱ সভ্যতাৰ ক্ৰমবিকাশৰ দীঘলীয়া পৰিক্ৰমাত ধৰ্মীয় চেতনাৰ অংকুৰণ কেনেদৰে হৈছিল, সেই সম্পৰ্কে বিচাৰ কৰিবলৈ হ'লে আমি মানৱ ইতিহাসৰ আৰম্ভণিৰ সময়লৈ ওভতি যাব লাগিব। আদিম চিকাৰজীৱী মানৱ সমাজে বন্য জীৱন এৰি লাহে লাহে সভ্য সমাজলৈ গতি কৰাৰ লগে লগে কিছুমান বিশ্বাসেও গা কৰি উঠিছিল। সেই সময়ৰ মানৱ সমাজখনে তেওঁলোকৰ জীৱন যাত্ৰাত বিভিন্ন ধৰণৰ প্ৰাকৃতিক দুৰ্যোগ, যেনে— অতিবৃষ্টি, অনাবৃষ্টি, বানপানী, ভূমিকম্প, ভূমিস্খলন, বিজুলী-ঢেৰেকণি, শিলবৃষ্টি আদিৰ সন্মুখীন হৈছিল। এনেধৰণৰ প্ৰাকৃতিক দুৰ্যোগত বহুজনৰ প্ৰাণহানিও হৈছিল। গতিকে প্ৰাকৃতিক দুৰ্যোগে কঢ়িয়াই অনা বিপদৰপৰা হাত সাৰিবলৈ তেওঁলোকে ডাঙৰ বৃক্ষ, শিল, নদী, নিজৰা আদিৰে প্ৰকৃতিৰ বিভিন্ন উপদানসমূহক পূজা-অৰ্চনা কৰিবলৈ আৰম্ভ কৰিলে। প্ৰকৃতিক সন্তুষ্ট কৰাই আছিল এনেধৰণৰ কাৰ্য্যৰ অন্তৰালত নিহিত থকা বিশ্বাস। অৰ্থাৎ প্ৰকৃতিয়ে যাতে সন্তুষ্ট হৈ সকলোকে ৰক্ষা কৰে এই বিশ্বাসৰ আধাৰতেই তেওঁলোকে প্ৰকৃতিৰ বিভিন্ন উপাদানসমূহক পূজা-অৰ্চনা কৰিছিল। একবিংশ শতিকাৰ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ যুগতো পৃথিৱীৰ বিভিন্ন জাতি-জনজাতিৰ মাজত প্ৰকৃতি-পূজাৰ বিভিন্ন উদাহৰণ দেখা পোৱা যায়। মানৱ সভ্যতাৰ অগ্ৰগতিৰ লগে লগে মানৱ সমাজে প্ৰকৃতিৰ বিভিন্ন উপাদানসমূহৰ আঁৰত শুভ আৰু অশুভ দুয়োবিধ শক্তিৰ অস্তিত্বৰ স্থিতি বিশ্বাস কৰি সেই শক্তিৰ আঁৰত একো-একোজন দেৱতাৰ অৱস্থিতিও স্বীকাৰ কৰিলে। তেওঁলোকৰ বিশ্বাসত ঐশ্বৰিক শক্তিসম্পন্ন এইসকল দেৱ-দেৱতাৰ নিয়ন্ত্ৰণতেই সম্পাদিত হয় বিশ্বব্ৰহ্মাণ্ডৰ সকলো কৰ্ম। এনে ধৰণৰ চিন্তা-চেতনাৰ ফলশ্ৰুতিতেই মানৱ ইতিহাসত ধৰ্মীয় চেতনাৰ বীজ অংকুৰিত হয় আৰু সৰ্বশক্তিমান শক্তিটোক সন্তুষ্ট কৰাৰ স্বাৰ্থত মানৱ জাতিয়ে তেওঁলোকৰ সামাজিক জীৱনত বিভিন্ন ধৰ্মীয় আচাৰ-আচৰণৰ আশ্ৰয় ল'বলৈ আৰম্ভ কৰে।

এই ধৰ্মীয় ধাৰণা পৰম্পৰাগতভাৱে মানৱ ইতিহাসত প্ৰত্যেকটো প্ৰজন্মই কঢ়িয়াই আনে।

সামাজিক জীৱনত পৰম্পৰাগত ধৰ্মীয় বিশ্বাস বৰ্তাই ৰখা অসমৰ এটা প্ৰধান ভিলজীয়া জনগোষ্ঠী হৈছে সোণোৱাল কছাৰীসকল। জনসংখ্যাৰ ফালৰপৰা তৃতীয় বৃহত্তম জনগোষ্ঠী সোণোৱাল কছাৰীসকলে প্ৰধানকৈ উজনি অসমৰ বিভিন্ন জিলাত গাঁও পাতি বসবাস কৰি আছে। অসমৰ চুবুৰীয়া অৰুণাচল প্ৰদেশ আৰু নাগালেণ্ডতো জনগোষ্ঠীটোৰ কিছুসংখ্যক লোকৰ বসতি বিচাৰি পোৱা যায়। সংস্কৃতিৰ ক্ষেত্ৰখনত জনগোষ্ঠীটোৰ স্বতন্ত্ৰ পৰিচয় বিদ্যমান। সোণোৱালসকলে লোক-ধৰ্ম, লোক-গীত-মাত, উৎসৱ-পাৰ্বণ, পৰম্পৰাগত আচাৰ-নীতি, সাজ-পাৰ, খাদ্যাভ্যাস আদি সকলোতে ধৰ্মীয় পৰিচয়েৰে অসমৰ এটা নিজস্ব বৈশিষ্ট্যসম্পন্ন জনগোষ্ঠী হিচাপে সাম্প্ৰতিক সময়তো নিজৰ পৰিচয় অক্ষুণ্ণ ৰাখিবলৈ সক্ষম হৈছে। সোণোৱালসকলৰ ধৰ্মীয় জীৱনলৈ লক্ষ্য কৰিলে দেখা যায় যে সম্প্ৰতি তেওঁলোক মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ প্ৰৱৰ্তিত নৱবৈষ্ণৱ ধৰ্ম অথবা মহাপুৰুষীয়া ধৰ্মত দীক্ষিত যদিও সামাজিক জীৱনত নিজস্ব পৰম্পৰাগত ধৰ্মীয় বিশ্বাসো বৰ্তাই ৰাখিছে। নৃতাত্ত্বিক দৃষ্টিভংগীৰ ফালৰপৰা সোণোৱালসকল মংগোলীয় প্ৰজাতিৰ আৰু অসমত বসবাস কৰি থকা মংগোলীয়সকলক ৰামায়ণ-মহাভাৰতকে ধৰি পৌৰাণিক সাহিত্যত 'কিৰাত' নামেৰে জনা যায়। শিৱৰ জনজাতীয় ৰূপটোৱেই কিৰাত নামেৰে পৰিচিত। শিৱ অৰ্থাৎ 'কিৰাত'ক উপাসনা কৰাৰ বাবেই এই লোকসকলক 'কিৰাত' আৰু তেওঁলোকে আচৰণ কৰা ধৰ্মটোক 'কৈৰাতজ ধৰ্ম' নামেৰে জনা যায়। কেৱল সোণোৱালসকলেই নহয়, অসমত বসবাস কৰা মংগোলীয় জনজাতিৰ অন্যান্য লোকসকলেও তেওঁলোকৰ পৰম্পৰাগত প্ৰথাৰে শৈৱধৰ্ম আচৰণ কৰি আহিছে। এই শৈৱধৰ্ম ব্ৰাহ্মণ্য পদ্ধতিৰে কৰা শিৱ পূজাতকৈ পৃথক ৰূপত পৰিলক্ষিত হয়।

সোণোৱাল কছাৰীসকলৰ ধৰ্মীয় জীৱন লোকবিশ্বাস আধাৰিত। তেওঁলোকৰ ধৰ্মীয় জীৱনত পূৰ্বাপৰ প্ৰচলিত শৈৱ ধৰ্ম আৰু পৰৱৰ্তী সময়ত দীক্ষিত নৱ-বৈষ্ণৱ ধৰ্মৰ অপূৰ্ব সংমিশ্ৰণ লক্ষ্য কৰা যায়। বৈষ্ণৱ ধৰ্মত শৰণ ল'লেও সোণোৱালসকলে পূৰ্বৰ শৈৱ পৰম্পৰাও সমানে ৰক্ষা কৰি আহিছে। তেওঁলোকৰ সামাজিক জীৱনত শৈৱ আৰু বৈষ্ণৱ দুয়োটা আদৰ্শৰ মাজত বিভেদো পৰিলক্ষিত নহয়। অৱশ্যে এই দুয়োটা আদৰ্শৰ ভিত্তিতেই সোণোৱাল সমাজত হেন্দুৰীয়া আৰু বেহাৰী নামৰ দুটা অস্পষ্ট ধৰ্মীয় বিভাজনো লক্ষ্য কৰা যায় যদিও তেওঁলোকৰ মাজত কোনো ধৰণৰ ধৰ্মীয় দ্বন্দ্ব নাই। প্ৰাচীন ধৰ্মীয় বিশ্বাস অনুসৰি



সোণোৱালসকলৰ মূল আৰাধ্য দেৱতা শিৱ আৰু তেওঁৰ পত্নী পাৰ্বতী মূল দেৱী। সম্পূৰ্ণ শাক্ত ৰীতি-নীতিৰে সোণোৱালসকলে শিৱক পূজা-সেৱা কৰি আহিছে। সোণোৱালসকলে শিৱক 'বাইথ' অথবা 'ছীং ৰজা' আৰু পাৰ্বতীক বুঢ়ী-আই [illegible] ৰূপত সেৱা জনায়। শিৱৰূপী বাইথৰ [illegible] কছাৰীসকলৰ পালিত ধৰ্মক 'বাইথ' ধৰ্ম বুলিও কোৱা হয়। [illegible] সকলো দেৱ-দেৱীৰ ভিতৰত শিৱ-পাৰ্বতীয়েই শ্ৰেষ্ঠ। [illegible] অমূল্য সম্পদ তেওঁলোকৰ ধৰ্মীয় [illegible] দেৱতাক শ্ৰেষ্ঠত্বৰ আসন দিয়া হৈছে। হুঁচৰি গীতত কোৱা হৈছে—

কেৱল ডাঙৰ কোন ডাঙৰ
কোন ডাঙৰ
কেৱল ডাঙৰ হিৰি ৰজা
হিৰি ৰজা

নাৰায়ণৰূপী ব্ৰহ্মাকো সোণোৱালসকলে শিৱৰেই [illegible] তেওঁলোকৰ বিশ্বাসত ব্ৰহ্মৰূপী শিৱ [illegible] সোণোৱাল কছাৰীসকলে [illegible] বাইথৰূপী শিৱক আৰাধনা কৰি আহিছে।

'বাইথ' পূজা পালনৰ পৰম্পৰা [illegible] প্ৰচলিত যদিও ইতিহাসত এই বিষয়ে [illegible] উৎপত্তি সম্পৰ্কত তেওঁলোকৰ মাজত জনশ্ৰুতি [illegible] অনুসৰি শিৱই [illegible] এটা বাহৰ সাজি বসবাস কৰি আছিল। [illegible] গছৰ গুৰিত বহি [illegible] উপদেশ দিছিল। ওজা [illegible] নিতৌ [illegible] পথ-পাইচৰে নিৰাপদে [illegible] গছৰ গুৰিত [illegible] গুৰিত বহি থকা [illegible] ৰূপ পালে যে এদিন এজন [illegible]

নিজকেই বলি হিচাপে আগবঢ়াই দিলে। আচৰিত কথা এয়ে যে উলুখেৰ পাতেৰেই গৰখীয়াজনৰ ভিতিত ৰেপ দিয়াত তেওঁৰ ভিডি ছিডি থাকিল। ঘটনাৰ আকস্মিকতাত গৰখীয়া ল'ৰাবোৰ ভয়ত বিতত হৈ পৰাত মাথ পুৰুষৰূপী শিৱই তেওঁক তেনেদৰে পূজা-অৰ্চনা কৰি থাকিবলৈ নিৰ্দেশ দিলে। এই ঘটনাৰ মাহাত্ম্য সোণোৱাল সমাজত বিয়পি পৰাত তেতিয়াৰ পৰাই তেওঁলোকে শিৱৰ ঐশ্বৰিকত্ব অনুভৱ কৰি তেওঁক বাইথ' অথবা গ্ৰীং বজা ৰূপত নিয়মীয়াকৈ বলি-বিধানেৰে পূজা অৰ্চনা কৰি আহিছে।

সম্প্ৰতি বৈষ্ণৱ ধৰ্মত দীক্ষিত হ'লেও পৰম্পৰাগত বিশ্বাস অনুসৰি সোণোৱাল কছাৰীসকলে সমূহীয়াকৈ শিৱৰাত্ৰিৰ পিছত দৌল পূৰ্ণিমাৰ শুক্ল পক্ষৰ দ্বিতীয়টো সোমবাৰে ঐতিহ্যমণ্ডিত গ্ৰীং গ্ৰীং বাইথ' পূজা পালন কৰি আহিছে। ইতিপূৰ্বে উল্লেখ কৰা হৈছে যে শিৱক আৰাধনা কৰা হয় যদিও এই পূজা বৈদিক পৰম্পৰাৰ পৰা পৃথক। সম্পূৰ্ণ লৌকিক আচাৰ-ৰীতিৰে কৰা এই পূজা পদ্ধতিত শিৱৰ মূৰ্তি অথবা লিংগ একোৰে স্থান নাই। ইয়াৰ সলনি তেওঁলোকৰ ইষ্ট দেৱতাজনক প্ৰতীকৰ সহায়তহে তেওঁলোকে আৰাধনা কৰে। পূজা অনুষ্ঠিত কৰিবলৈ বাইথ' মন্দিৰৰ মূল খুঁটাটো গজসৰৈ গছৰ কাঠেৰে মুখচৰ বাহিৰ ওলাই থকাকৈ কলডিলৰ আকৃতিৰে সাজি উলিয়ায়। বাইথ' ধৰ্মত প্ৰতীকি ৰূপত খুঁটাটোকেই 'গ্ৰীং বজা' জ্ঞান কৰে। পুৰোহিতৰ ক্ষেত্ৰতো সোণোৱাল জনজাতিৰ নিজা পুৰোহিতেহে পূজাৰ কাম সম্পাদন কৰে। সেইদৰে পূজাৰ আচাৰ-ৰীতিত বলি-বিধান, পৰম্পৰাগত পানীয় (মদ) অপৰিহাৰ্য্য অংগ। সোণোৱাল সংস্কৃতিৰ স্বকীয় পৰিচয় জ্ঞাপক হাইদাং গীত-নৃত্যও বাইথ' পূজাতেই পৰিৱেশন কৰা হয়। মূল দেৱতা বাইথ'ৰ বাহিৰেও সোণোৱাল কছাৰী পৰম্পৰাগত বিশ্বাসৰ বিভিন্ন দেৱ-দেৱতাবো পূজা লগতে সমাপন কৰা হয়।

বাইথ' পূজাৰ এটা অন্যতম দিশ প্ৰকৃতি শালৰ পূজা। মূল মন্দিৰৰ পূজা আৰম্ভ কৰাৰ পাছত পাৰ্বতীক ভুৰুলী-হাবুৰী ৰূপত পূজা কৰে। এই পূজাত জনগোষ্ঠীটোৰ লোক-বিশ্বাসৰ তেত্ৰিশ কোটি দেৱতায়ো ভাগ পায়। এনেদৰে সোণোৱালসকলে লৌকিক জীৱনত বাইথ' পূজাৰ জৰিয়তে শৈৱ আদৰ্শ ৰক্ষা কৰি নিজা ধৰ্মীয় ঐতিহ্য অক্ষুন্ন ৰাখিছে।

বাইথ' পূজাৰ উপৰিও সোণোৱালসকলে লৌকিক ধৰ্মীয় বিশ্বাস অনুসৰি বিভিন্ন দেৱ-দেৱতাৰ পূজা-পাতল, সকাম-নিকাম আদিও অনুষ্ঠিত কৰি আহিছে। সেইবিলাকৰ ভিতৰত বাঘদেও পূজা, গজাই পূজা, সৰগদেউ পূজা, ক্ষত্ৰিয় পূজা, খিনভঙা পূজা, জলথাই পূজা, চামন দেৱতাৰ পূজা, বুঢ়া পোহা, মৰাক দিয়া, পিন



দিয়া আদি অন্যতম।

**বৈষ্ণৱ ধৰ্মীয় পৰম্পৰা**

অনাদি কালৰেপৰা মূলতঃ শৈৱ আদৰ্শত বিশ্বাসী সোণোৱাল কছাৰীসকলে খ্ৰীষ্টীয় সপ্তদশ শতিকাত নৱবৈষ্ণৱ ধৰ্মৰ সংস্পৰ্শলৈ আহে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে অসমৰ ধৰ্মীয় ইতিহাসত খ্ৰীষ্টীয় পঞ্চদশ-ষষ্ঠদশ শতিকাতে নৱবৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰিছিল যদিও সোণোৱাল কছাৰীসকলে যথেষ্ট পলমকৈহে সেই ধৰ্মৰ আওতালৈ আহে। গ্ৰীং গ্ৰীং বাইথ'ৰ বাহিৰেও বিভিন্ন লৌকিক দেৱ-দেৱতাক বলি-বিধানেৰে পূজা-অৰ্চনা কৰি অহা সোণোৱালসকলক বৈষ্ণৱ আদৰ্শত দীক্ষিত কৰায় আউনী-আটী সত্ৰৰ সত্ৰাধিকাৰ কেশৱদেৱ গোসাঁইয়ে। সোণোৱালসকল বৈষ্ণৱ ধৰ্মত দীক্ষিত হোৱাৰ অন্তৰালতো জনশ্ৰুতিৰ প্ৰচলন আছে। সেই জনশ্ৰুতি অসম বুৰঞ্জীৰ লগত সংপৃক্ত। অসম বুৰঞ্জীত উল্লেখ আছে যে শিৱ ভকত স্বৰ্গদেউ গদাধৰ সিংহ অসমৰ সত্ৰসমূহৰ ওপৰত অসন্তুষ্ট হৈ পৰিছিল। সেই সময়তেই আউনীআটি সত্ৰৰ কেশৱদেউ গোসাঁই শিষ্যসহ মাজুলীৰ পৰা আহি শদিয়াত আত্মগোপন কৰি ৰয়হি। সোণোৱাল সমাজত প্ৰচলিত বিশ্বাস অনুসৰি কেশৱদেৱ গোসাঁই শদিয়াত থিতাপি লৈ থকাৰ সময়তেই তেওঁৰ মাহাত্ম্যত সোণোৱাল কছাৰী সম্প্ৰদায়ৰ এজন দৃষ্টিহীন ল'ৰাই দৃষ্টি শক্তি ঘূৰাই পাইছিল। কোনোবা এজন পংগু ল'ৰাও সম্পূৰ্ণ আৰোগ্য হৈ উঠিছিল। তেওঁৰ মাহাত্ম্য সোণোৱাল সমাজত বিয়পি পৰাত এহেজাৰ কছাৰীয়ে গোসাঁইৰ শৰণ লয়। এনেদৰে সোণোৱালসকল ভক্তি ধৰ্মৰ সংস্পৰ্শলৈ আহি একশৰণ নামধৰ্মৰ জৰিয়তে কৃষ্ণ বা নাৰায়ণকো বৈষ্ণৱ পন্থাৰে সেৱা আগবঢ়াই আহিছে। কিন্তু ইতিমধ্যে উল্লেখ কৰা হৈছে যে, ভক্তি ধৰ্মেৰে ভগৱানক আৰাধনা কৰিলেও পূৰ্বৰ বলি-বিধানৰ পৰম্পৰাৰে বাইথ' ধৰ্মও তেওঁলোকে সমানে ৰক্ষা কৰি আহিছে।

অন্য এক জনশ্ৰুতি অনুসৰি সোণোৱালসকলৰ কিছুসংখ্যকে সোণ ভক্তি আউনী-আটী সত্ৰৰ শিষ্যত্ব গ্ৰহণ কৰিলেও এই মানুহখিনিক আগেয়ে স্বৰ্গদেউ লক্ষ্মীসিংহই আউনী-আটী সত্ৰক সন্তুষ্ট কৰাৰ মানসেৰে যৌতুক হিচাপেহে দিছিল। এনে কাৰ্য্যৰ অন্তৰালত সোণোৱাল কছাৰী কোনো কোনো পণ্ডিতৰ মতে বজাঘৰৰ ৰাজনৈতিক অভিসন্ধিও হয়তো জড়িত হৈ আছিল। কাৰণ বজা লক্ষ্মীসিংহৰ ৰাজত্বকালত সংঘটিত মোৱামৰীয়া বিদ্ৰোহ শাম কটাবলৈ আউনী-আটী সত্ৰক সন্তুষ্ট কৰাৰ উদ্দেশ্য নিহিত হৈ আছিল।

সম্প্ৰতি সোণোৱাল কছাৰী জনগোষ্ঠীৰ প্ৰত্যেকজন পুৰুষ-মহিলাই আউনী-

আটী সত্ৰৰ গোসাঁই বা সন্ত-মহন্তৰ ওচৰত বৈষ্ণৱ ধৰ্মত শৰণ লয়। আনহাতে সামাজিক জীৱনত লৌকিক ধৰ্মীয় আচৰণো সমানে বৰ্তাই ৰাখে। কোনো ধৰণৰ ধৰ্মীয় ক্লেশৰ সৃষ্টি নোহোৱাকৈ দুটা সম্পূৰ্ণ বিপৰীতধৰ্মী ধৰ্মীয় আদৰ্শ বজাই ৰখা কাৰ্য ধৰ্মীয় ইতিহাসত ব্যতিক্ৰমী উদাহৰণ।

**সোণোৱালসকলৰ ধৰ্মীয় জীৱনত নামঘৰ :**

নৱবৈষ্ণৱ ধৰ্মত শৰণ লোৱাৰ পাছত হৰিৰ নাম-কীৰ্তন কৰিবলৈ উপাসনা গৃহ হিচাপে সম্পূৰ্ণ বৈষ্ণৱ আদৰ্শতেই তেওঁলোকেও নামঘৰ নিৰ্মাণ কৰে। এটা সময়ত সোণোৱাল সমাজত মণিকূট নথকা নামঘৰৰ হে প্ৰাদুৰ্ভাৱ আছিল যদিও বৰ্তমান নামঘৰসমূহত মণিকূট, বাটচ'ৰা, তোৰণ আদি অসমৰ অন্যান্য নামঘৰৰ দৰেই দেখিবলৈ পোৱা যায়। সোণোৱাল সমাজত নামঘৰৰ আগমন ঘটাৰ পাছত তেওঁলোকৰ সমাজ জীৱনত নামঘৰৰ ভূমিকাও অপৰিহাৰ্য হৈ পৰিল। ব'হাগ বিহুৰ গৰু বিহুৰ দিনাই নামঘৰত ৰাইজ একত্ৰিত হৈ নামঘৰ পৰিচালনাৰ বাবে তেওঁলোকে বিষয়ববীয়া নিৰ্বাচন কৰে। বাইথ' মন্দিৰ নথকা গাঁৱত নামঘৰৰ পৰাই থঁচৰি নমাই থঁচৰি আৰম্ভ কৰে। কেতিয়াবা মেল-মোকৰ্দমাৰ বিচাৰো হয়। ব'হাগ বিহু শেষ হোৱাৰ পাছত নামঘৰতে ভোজ-ভাতৰো আয়োজন কৰা হয়। ইয়াৰ বাবে এটা সুকীয়া ৰান্ধনিঘৰৰ ব্যৱস্থাও সোণোৱাল কছাৰী সমাজৰ নামঘৰসমূহত দেখা যায়। সোণোৱালসকলৰ পৰম্পৰাগত লোক উৎসৱ 'লখিমী সবাহো' নামঘৰতে অনুষ্ঠিত কৰে। তদুপৰি আউনী-আটী সত্ৰৰ গোসাঁই, ৰাজমেধি আদিয়ে সোণোৱাল লোকক শৰণ দিবলৈ বাহৰ পাতিলে তেওঁলোক থাকিবৰ বাবেও বৰ্তমান নামঘৰৰ কাষতে গৃহ নিৰ্মাণ কৰা কাৰ্যও সোণোৱাল সমাজৰ নামঘৰৰ অন্যতম বৈশিষ্ট্য। সত্ৰাধিকাৰৰ পৰা আৰম্ভ কৰি সত্ৰৰ পৰা অহা প্ৰত্যেকগৰাকী সদস্যকে সোণোৱাল-সকলে শ্ৰদ্ধা-ভক্তি সহকাৰে আপ্যায়ন কৰা উপৰিও সোণোৱাল সমাজৰ প্ৰত্যেকঘৰ গৃহস্থীয়ে সত্ৰলৈ বুলি সাধ্যমতে কৰ-কাটলো আগবঢ়ায়।

সপ্তদশ শতিকাতে সোণোৱাল কছাৰীসকল নৱবৈষ্ণৱ ধৰ্মৰ সংস্পৰ্শলৈ আহিছিল যদিও সত্ৰীয়া সংস্কৃতিৰ প্ৰতি তেওঁলোক আগ্ৰহী নহয়। সেইবাবে সোণোৱাল নামঘৰত নাট-ভাওনা সাধাৰণতে অনুষ্ঠিত কৰা দেখা নাযায়। আনকি ভাদমহীয়া নাম প্ৰসঙ্গও সোণোৱাল নামঘৰত আজি কেইবছৰমান আগলৈকে দেখিবলৈ পোৱা নগৈছিল। ইয়াৰ পৰিৱৰ্তে আইসকলে আইনাম, লখিমী নাম আদিহে নামঘৰত লৈছিল। অৱশ্যে সাম্প্ৰতিক সময়ত কম সংখ্যক হ'লেও সোণোৱাল নৱপ্ৰজন্ম সত্ৰীয়া নৃত্য-গীত-বাদ্যৰ প্ৰতি আকৃষ্ট হোৱা পৰিলক্ষিত হয়।



**সামৰণি :**

বৰ্তমান সময়তো সোণোৱাল কছাৰীসকলে তেওঁলোকৰ ধৰ্মীয় জীৱনত শৈৱ আৰু বৈষ্ণৱ দুয়োটা ধৰ্মীয় আদৰ্শই অক্ষুণ্ণ ৰাখিছে। সম্পূৰ্ণ শৈৱ-আদৰ্শৰে তেওঁলোকে প্ৰতি বছৰে 'খ্ৰীং খ্ৰীং বাইথ' পূজা' ৰাজহুৱাকৈ অনুষ্ঠিত কৰে। আনহাতে বৈষ্ণৱ পৰম্পৰাৰে ঘৰত বিভিন্ন কাম-কৰ্ম অনুষ্ঠিত কৰিলেও তেওঁলোকে সকালেউ পূজা, চামন ডাঙৰীয়াৰ পূজা, খ্ৰীন্ জুগু আদি বিভিন্ন অনুষ্ঠানত ঘৰত বলি-বিধানৰ পৰম্পৰাও এৰি দিয়া নাই। আনহাতে বিহু, খেতি চপোৱা, ন-খোৱা, ঘৰত ৰোগ-ব্যাধি, অপায়-অমংগলে দেখা দিলে মৃতকক নিৰ্দিষ্ট বিধি অনুসৰি সেৱা আগবঢ়োৱা সোণোৱালসকলৰ এটা অন্যতম পৰম্পৰা। বৈষ্ণৱ ধৰ্মত শৰণ লোৱাৰ পাছত শৈৱ আৰু বৈষ্ণৱ ৰীতি-নীতি কোনে কেনেধৰণে পালন কৰিছে তাক লৈ সেন্দুৰীয়া আৰু বেহাৰী নামৰ দুটা ধৰ্মীয় বিভাজন আছে যদিও এই লৈ তেওঁলোকৰ মাজত কোনো বিভেদতা দেখা পোৱা নাযায়। সাম্প্ৰতিক সময়ত ধৰ্মৰ নামত বিশ্বৰ বিভিন্ন প্ৰান্তত বিৰোধ লক্ষ্য কৰাৰ বিপৰীতে সোণোৱালসকলৰ ধৰ্মীয় সহনশীলতা তেওঁলোকৰ ধৰ্মীয় জীৱনৰ অন্যতম বৈশিষ্ট্য।

**প্ৰাসংগিক গ্ৰন্থপঞ্জী :**


ক) কছাৰী, নন্দেশ্বৰ, ২০১৯ : সোণোৱাল কছাৰী সমাজ-সংস্কৃতি আৰু ভাষাৰ পৰিচয় ডিব্ৰুগড় : সোণোৱাল কছাৰী স্বায়ত্ত-শাসিত পৰিষদ, জনজাতি গৱেষণা বিভাগ

খ) চলিহা, হেমন্ত কুমাৰ, ২০১৭ : সোণোৱাল কছাৰীৰ সংস্কৃতি, গুৱাহাটী : মাধৱদেৱ মহাবিদ্যালয় প্ৰকাশনৰ হৈ সতীৰ্থ প্ৰকাশন

গ) বড়া, সন্দিকৈ, নিবেদিতা : সোণোৱাল কছাৰী লোকসংস্কৃতি, ধেমাজি : কিৰণ প্ৰকাশন

ঘ) হাজৰিকা, জিন্তু, ২০১৩ : সোণোৱাল কছাৰীৰ লোকজীৱন, যোৰহাট : শব্দ প্ৰকাশ

সাংস্কৃতিক পৰিক্ৰমা মন্ত্ৰালয়
অসম চৰকাৰ
Ministry of Cultural Affairs
Government of Assam

# বসন্ত উৎসৱ ৰঙালী

২০২৩

NORTH-EAST
a cultural melting pot



সম্পাদক
ড° লক্ষ্যজিৎ বুঢ়াগোহাঁই

**Basanta Utsav Rongali-2023 :** A multilingual Book of Research-Based articles on Language, Literature, Culture, Tourism, Bio-Diversity etc. of North-East India, Edited by Dr. Lakhyajit Buragohain and published by Department of Cultural Affairs, Government of Assam on the occasion of North-east cultural meet "Rongali-2023" from 4th, 5th and 6th May, 2023 under the aegis of Tingkhang Sanskritik Mancha and Lengeri Kendriya Rongali Bihu Sanmilan, Lengeri, Dibrugarh, Assam.

First Published : May, 2023

Price : 700/- (Seven Hundred) Only.

**ISBN : 978-93-92610-20-2**

**প্ৰকাশক ঃ** সাংস্কৃতিক পৰিক্ৰমা মন্ত্ৰালয়, অসম চৰকাৰ

**গ্ৰন্থস্বত্ব ঃ** সম্পাদক

মূল্য ঃ ৭০০/- টকা

সম্পাদনা সমিতি

**মুখ্য উপদেষ্টা ঃ** ড° হিমন্ত বিশ্ব শৰ্মা

**বিশেষ উপদেষ্টা ঃ** বিমল বড়া, ড° বি. কল্যাণ চক্ৰৱৰ্ত্তী

**উপদেষ্টা ঃ** ড° অৰ্পণা কোঁৱৰ, ড° পৰমানন্দ সোনোৱাল, [illegible]
ড° সত্যকাম বৰঠাকুৰ, ড° যতীন্দ্ৰনাথ কোঁৱৰ

**সভাপতি ঃ** ৰাজেন বৰুৱা

**সম্পাদক ঃ** ড° লক্ষ্যজিৎ বুঢ়াগোহাঁই

**সম্পাদনা সহযোগী ঃ**

নব কুমাৰ গগৈ, মুকুট গগৈ, ড° স্মৃতিৰেখা চেতিয়া সন্দিকৈ, ড° কৌস্তুভমণি নাথ,
ড° দৰ্পণজিৎ কোঁৱৰ, ড° অংকুৰ দত্ত, অসীম শইকীয়া, ড° পৰেশ খনিকৰ,
পূৰ্বজ্যোতি চুতীয়া, শচীন শৰ্মা, পদ্মলোচন বৰুৱা

সদস্য ঃ

ড° বিনীতা মৰাং, ড° স্বপন কুমাৰ চুতীয়া, ড° চিত্ৰজিৎ শইকীয়া,
নিজুমণি বনিয়া চেলেং, ড° পল্লৱী সন্দিকৈ, ভদ্ৰেশ্বৰ গগৈ,
গীতামণি দত্ত, সোণমাই বৰুৱা, জাহ্নু চাংমাই,
সোণেশ্বৰ বুঢ়াগোহাঁই, নবীন চাংমাই

**প্ৰচ্ছদ ঃ** ড° সঞ্জীৱ বৰা

**অক্ষৰ বিন্যাস আৰু অংগ-সজ্জা ঃ**

বিতু বৰগোঁহাই, কামধেনু প্ৰিণ্টাৰ্চ, দুমদুমা, ডিব্ৰুগড়
ভ্ৰাম্যভাষ ঃ ৯৯৫৭৩১৩৯০৭, ৭০০২৯০৮২৬২

**মুদ্ৰক ঃ**

**Aurora Fine Arts Packaging Unit**
38 Industrial Estate, 5th Bye Lane
Bamunimaidam, Guwahati-21

**A note of sorry and gratitude:**
Despite all our efforts to make this book error free, there are every possibilities of printing mistake/ mistakes due to overlap/lack of time. We look forward to overcome all the shortfalls of the book, if any. Therefore, we request and expect from all our readers to inform us/bring the shortfalls to our notice, which will help us to make the next edition of this book better and error free. We also expect valuable suggestions to make the next edition of this book far better.

অসমৰ কাৰ্বি জনগোষ্ঠীৰ পৰম্পৰাগত লোকখাদ্য
ছয়নিকা বৰা ▸ ৪৯৮-৫০৩
নেপালীসকলৰ পৰম্পৰাগত খাদ্যসম্ভাৰ ঃ প্ৰত্যাহ্বান আৰু সম্ভাৱনা
ড° জ্যোতিৰেখা গগৈ ▸ ৫০৪-৫১০
ডাকৰ বচনত নাৰী
ড° সঙ্গীতা গগৈ ▸ ৫১১-৫২১
সোনোৱাল কছাৰীসকলৰ পৰম্পৰাগত পানীয় ঃ 'মদ' আৰু ইয়াৰ বাণিজ্যিক সম্ভাৱনা
ৰূপমী সোণোৱাল ▸ ৫২২-৫২৮
লোকজীৱনৰ স্বাস্থ্যৰক্ষাত মন্ত্ৰৰ প্ৰয়োগ
ড° সীমা ভূঞা ▸ ৫২৯-৫৩৬
মিচিংসকলৰ লোক-বিশ্বাসজনিত লোক-চিকিৎসা পদ্ধতি
প্ৰশান্ত মিলি ▸ ৫৩৭-৫৪৫
মিচিংসকলৰ সাজ-পাৰ আৰু অয়-অলংকাৰ ঃ অতীত আৰু বৰ্তমান
তুলিকা তামুলী ▸ ৫৪৬-৫৫১
মিচিং জনগোষ্ঠীৰ লোকগীত (নিঃতম) ঃ এক অধ্যয়ন
বিতু বড়া ▸ ৫৫২-৫৬০
*BURHI AAIR SADHUI*: A BOOK OF ASSAMESE FOLKTALES AND CHILDREN'S LITERATURE AND ITS CULTURAL IMPLICATIONS
Manash Protim Khanikor[1] & Arpita Das[2] ▸ ৫৬১-৫৬৫
লোক-সাহিত্যত অসম আৰু অৰুণাচল প্ৰদেশৰ জনগোষ্ঠীয় সমন্বয়ৰ প্ৰসংগ
ড° চম্পক শইকীয়া ▸ ৫৬৬-৫৭৮
জনজাতীয় জীৱন আধাৰিত অসমীয়া উপন্যাসৰ পৰম্পৰা আৰু লুম্মেৰ দাইৰ উপন্যাসৰ গুৰুত্ব
ড° চিত্ৰজিৎ শইকীয়া ▸ ৫৭৯-৫৮১
বুৰঞ্জী পঠন ঃ গুৰুত্ব, প্ৰয়োজনীয়তাৰ পৰা উপেক্ষালৈ
প্ৰাঞ্জল মহন বৰুৱা ▸ ৫৮২-৫৮৭
অসমীয়া নাটকত জনজাতীয় জীৱনৰ প্ৰতিফলনৰ ধাৰা আৰু ইয়াৰ ক্ৰমবিকাশ
ড° মালবিকা ভূঞা ফুকন ▸ ৫৮৮-৬০৪
নক্টেসকলৰ পৰম্পৰাগত খাদ্যাভ্যাস আৰু প্ৰস্তুতকৰণ প্ৰণালী
ড° স্মৃতিৰেখা গগৈ গায়ন ▸ ৬০৫-৬০৯
ভূপেন হাজৰিকাৰ গীতত প্ৰতিফলিত উত্তৰ-পূব ভাৰতৰ ঐক্য আৰু সম্প্ৰীতি
ড° অংকুৰ দত্ত ▸ ৬১০-৬১৮
অসমৰ জনগোষ্ঠীগত দ্বন্দ্ব সন্দৰ্ভত হীৰেন গোহাঁইৰ মতাদৰ্শ
ড° চন্দনজ্যোতি চুতীয়া ▸ ৬১৯-৬২২

# সোনোৱাল কছাৰীসকলৰ পৰম্পৰাগত পানীয় : 'মদ' আৰু ইয়াৰ বাণিজ্যিক সম্ভাৱনা

[illegible]

[illegible]

[illegible]

[illegible]





[illegible]

[illegible]

[illegible]

[illegible]

**সামৰণি ঃ**

স্বকীয় বৈশিষ্ট্যসম্পন্ন জনগোষ্ঠী সোনোৱাল কছাৰীসকলে সম্পূৰ্ণ প্ৰাকৃতিক উপাদানেৰে থলুৱা পদ্ধতিৰে পৰম্পৰাগত পানীয় প্ৰস্তুত কৰে। 'বহী মদ' আৰু পানী দি প্ৰস্তুত কৰা মদ দুয়োবিধেই তেওঁলোকৰ খাদ্য তালিকাৰ অন্তৰ্ভুক্ত। সোণোৱাল কছাৰীসকলৰ সমাজ-ব্যৱস্থাত, উৎসৱ-অনুষ্ঠান, দৈনন্দিন বিভিন্ন কাম-কাজ সকলোতে মদৰ ব্যাপক ব্যৱহাৰ পৰিলক্ষিত হয়। মদৰ অত্যধিক ব্যৱহাৰে জনগোষ্ঠীটোৰ শিক্ষা, জনস্বাস্থ্য, অৰ্থনীতি, সামাজিক পৰিবেশ ইত্যাদি সকলো দিশকে প্ৰভাৱিত কৰিছে। সোনোৱাল কছাৰীসকলৰ থলুৱা মদ ব্যৱসায়িকভাৱে উৎপাদন কৰি উপযুক্ত পেকেজিঙৰদ্বাৰা আৰ্থিক দিশতো লাভবান হোৱাৰ যথেষ্ট থল আছে। ইয়াৰ বাহিৰেও জনগোষ্ঠীটোৰ পৰম্পাৰগত পানীয়ৰ বিজ্ঞানসন্মত গৱেষণাৰ দ্বাৰা ইয়াৰ স্বাস্থ্যসন্মত দিশৰ অধ্যয়ন কৰাৰো প্ৰচুৰ সম্ভাৱনা আছে।

সোনোৱাল কছাৰীসকলৰ পৰম্পৰাগত পানীয়ই জনগোষ্ঠীটোৰ সাংস্কৃতিক বিশিষ্টতা বজাই ৰখাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে যদিও ইয়াৰ কুফলো লক্ষ্য কৰিবলগীয়া। বহুসময়ত থলুৱা মদৰ মাত্ৰাধিক্যই জনগোষ্ঠীটোৰ সৰ্বাঙ্গীন উন্নতিৰ এটি প্ৰধান অন্তৰায় হিচাপেও ধৰা দিছে। সেয়েহে মদৰ পৰিমিত ব্যৱহাৰৰ প্ৰতি সকলোৱে দায়বদ্ধ প্ৰচেষ্টাৰে কাম কৰি যোৱা উচিত। তেতিয়াহে দেশৰ লগতে জনগোষ্ঠীটোও বিকাশৰ পথত আগবাঢ়ি যাব পাৰিব।

**গ্ৰন্থপঞ্জী ঃ**

ক) কছাৰী, নন্দেশ্বৰ ঃ **সোণোৱাল কছাৰী সমাজ-সংস্কৃতি আৰু ভাষাৰ পৰিচয়**, প্ৰকাশক ঃ সোণোৱাল কছাৰী স্বায়ত্ব শাসিত পৰিষদ, ডিব্ৰুগড়, জনজাতি গৱেষণা বিভাগ, প্ৰথম প্ৰকাশ, ২০১১ চন

খ) চলিহা, হেমন্ত কুমাৰ ঃ **সোণোৱাল কছাৰীৰ সংস্কৃতি**, প্ৰকাশক ঃ মাধৱদেৱ মহাবিদ্যালয় প্ৰকাশনৰ হৈ সতীৰ্থ জ্ঞানযাত্ৰা, গুৱাহাটী-৫, প্ৰথম প্ৰকাশ, জুন ২০১৭

গ) দাস, অংশুমান (সম্পা.) ঃ **অসমৰ জনগোষ্ঠীয় লোকখাদ্য**, প্ৰকাশক ঃ আঁক-বাক, গুৱাহাটী-৩, প্ৰথম প্ৰকাশ, ছেপ্টেম্বৰ, ২০১২

ঘ) মহন্ত চৌধুৰী, সুবাসনা ঃ **অসমৰ জনগোষ্ঠীয় লোক সাহিত্য**

ঙ) শৰ্মা, নবীনচন্দ্ৰ ঃ **অসমীয়া লোকসংস্কৃতিৰ আভাস**, বাণী প্ৰকাশ প্ৰাইভেট লিমিটেড, গুৱাহাটী, প্ৰদীপ ভূঞা, ২০০৯

ছ) হাজৰিকা, জিনতু ঃ **সোণোৱাল কছাৰীসকলৰ লোকজীৱন**, প্ৰকাশক ঃ শব্দ প্ৰকাশ, যোৰহাট, প্ৰথম প্ৰকাশ, মাৰ্চ, ২০১৩

# ভিন্ন ক্ষেত্ৰত নাৰী

সম্পাদনা

ড° বিনীতা মৰাং

নিজুমনি বনিয়া

নৱাব অৰহুম ৰাচিমিন

নাৰী অধ্যয়ন কোষ

টিংখাং মহাবিদ্যালয়

**BHINNA KHETRAT NARI:** A Collection of articles on various aspects related to women and their issues. Edited by Dr. Binita Morang, Nijumoni Bonia, Nawab Tabssum Yasmin and published by Publication Committee, Golden Jubilee Celebration Committee, Tingkhong College.

**Price : 300.00**

**Edition : September, 2022**

ISBN : 978-93-5701-526-4

প্ৰথম প্ৰকাশ ঃ
ছেপ্টেম্বৰ, ২০২২

বেটুপাত ঃ
চিন্ময়জ্যোতি হাজৰিকা

গ্ৰন্থস্বত্ব ঃ
সম্পাদকত্ৰয়

ডি.টি.পি. ঃ
ধীৰেশ্বৰ, [illegible]

মূল্য ঃ
৩০০.০০ টকা

প্ৰকাশক ঃ
প্ৰকাশন সমিতি
সোণালী জয়ন্তী সমাৰোহ
টিংখাং মহাবিদ্যালয়

ছপা-বন্ধা ঃ
**হাঁচিপাত প্ৰিণ্টাৰ্ছ**
ৰাজগড় গাঁও পঞ্চায়ত কাৰ্যালয়ৰ কাষত
ৰাজগড় - ৭৮৬ ৬১১
জিলা ঃ ডিব্ৰুগড় (অসম)
ফোনং নং - ০৩৭৫৪-২৯১০৬৬
e-mail :
hanchipatprinters5@rediffmail.com

**- সম্পাদনা সমিতি -**

উপদেষ্টা মণ্ডলী ঃ
ড° মৌচুমী গগৈ, মিনতি হাজৰিকা,
দীপাঞ্জলি বৰা, ৰশ্মিৰেখা সন্দিকৈ,
ৰীতা সন্দিকৈ

সম্পাদক ঃ ড° বিনীতা মৰাং
নিজুমণি বনিয়া
নৱাব তবচ্ছুম য়াচমিন

ঃ প্ৰকাশন সমিতি ঃ
সোণালী জয়ন্তী সমাৰোহ

উপদেষ্টা ঃ
[illegible]/শ্ৰীমতী উৰ্মিলা গন্ধীয়াফুকন, উষা মহন,
[illegible] কুমাৰ কাকতী, মামণি দত্ত বাজখোৱা,
ৰূপম কাকতি, মৃদুল দত্ত,
চিন্ময়জ্যোতি হাজৰিকা

সভাপতি ঃ ড° যতীন্দ্ৰনাথ কোঁৱৰ
উপ-সভাপতি ঃ শ্ৰীপ্ৰদীপ গগৈ
যুটীয়া সম্পাদক ঃ ড° দিগন্ত কুমাৰ গগৈ,
নৱাব তবচ্ছুম য়াচমিন
সহঃ সম্পাদক ঃ ড° বিনীতা মৰাং, শ্ৰীমতী
নিজুমণি বনিয়া, শ্ৰীবিস্পু গগৈ,
শ্ৰীসৌৰিশ ভট্টাচাৰ্য

সদস্য/সদস্যা ঃ
সৰ্বশ্ৰী/শ্ৰীমতী ৰীতা সন্দিকৈ, ৰশ্মিৰেখা সন্দিকৈ, গীতামণি দত্ত, ফাটিমা বেগম, বাস্তৱ বড়া, মানৱ গগৈ, ৰ'দালি মহন, কিৰান চাহু, বিচিত্ৰ কোঁৱৰ, দিবাকৰ কটকী।

# সূচীপত্ৰ


অসমত স্ত্ৰীশিক্ষাৰ বাটকটীয়া বিধুপ্ৰিয়া দেৱী • ড° পদ্মশ্ৰী ডেকা বুজৰবৰুৱা • ৮
লক্ষ্মীনাথ বেজবৰুৱাৰ 'পাতমুগী' : এটি ৰেডিকেল কাহিনী • ড° অনুৰাধা শৰ্মা • ১৫
মহিলা ৰচিত অসমীয়া আত্মজীৱনীত বিংশ শতিকাৰ প্ৰথম পাঁচটা দশকৰ
অসমীয়া নাৰীৰ সামাজিক স্থিতিৰ প্ৰতিফলন • ড° স্বাতী কিৰণ • ২৩
'স্বৰ্ণলতা' উপন্যাসত অসমৰ নাৰী শিক্ষাৰ স্বৰূপ • ড° অজন্তা ৰাজখোৱা • ৪৫
স্নেহ দেৱীৰ গল্পত নাৰীকেন্দ্ৰিক চেতনা • ড° প্ৰাপ্তি ঠাকুৰ • ৫৪
'প্ৰথম প্ৰতিশ্ৰুতি'ৰ সত্যৱতী আৰু 'অয়নান্ত'ৰ বীণাপাণি :
দুটি আলোকসন্ধানী চৰিত্ৰ • ড° হীৰা মায়া দাস • ৬৬
অসমৰ গ্ৰাম্য অৰ্থনীতি আৰু মহিলা সবলীকৰণ :
এটি আলোচনা • ড° কৰবী বৰুৱা গগৈ • ৭৪
বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ উপন্যাসত নাৰী মুক্তিৰ চেতনা • ড° জ্যোতিৰেখা গগৈ • ৮১
বাঘশাল, বাঘজাল আৰু মানুহ : নাৰীমুক্তিৰ প্ৰসংগ • ৰুপুমী সোণোৱাল • ৯২
ইন্দিৰা মিৰি আৰু তেওঁৰ ব্যক্তিত্ব :
'মই আৰু নেফা' আত্মজীৱনৰ আধাৰত • ড° বিনীতা নৰাং • ১০৪
অসমীয়া উপন্যাসত নাৰীৰ অপৰাধজনিত ঘটনাৰ প্ৰতিফলন :
এটি অধ্যয়ন • নিজুমণি বণিয়া • ১১১
বিষ্ণুপ্ৰসাদ ৰাভাৰ 'ৰাজনৈতিক বিচিত্ৰা'ত নাৰী চিন্তাৰ
মুকলি প্ৰকাশ • ড° নিবেদিতা শইকীয়া • ১২৩
অসমৰ নাৰী চিত্ৰশিল্পী : এক ঐতিহাসিক বিশ্লেষণ • ড° সুজিত ভৰালী • ১২৯
কু-সংস্কাৰ আৰু অন্ধবিশ্বাসত অসমীয়া নাৰী :
গোবিন্দ কুমাৰ খাউণ্ডৰ উপন্যাস 'বগী'ৰ উল্লেখেৰে • বাস্তৱ বড়া • ১৩৯
মামণি ৰয়ছম গোস্বামীৰ উপন্যাসত প্ৰতিফলিত নাৰীবাদী সত্তা • চন্দ্ৰমা গগৈ • ১৪৫

# বাঘশাল, বাঘজাল আৰু মানুহ ঃ নাৰীমুক্তিৰ প্ৰসংগ

ৰুণুমী সোণোৱাল

**০.০ প্ৰস্তাৱনা ঃ**

আধুনিক অসমীয়া সাহিত্যৰ জগতখনত প্ৰধানকৈ ঔপন্যাসিক আৰু গল্পকাৰৰূপে পৰিচিত পূৰবী বৰমুদৈ এটি চিনাকী নাম। শাৰীৰিক অসুস্থতাৰ মাজতো সাহিত্য সাধনাকে জীৱনৰ সাধনা হিচাপে গ্ৰহণ কৰা পূৰবী বৰমুদৈয়ে তেওঁৰ বহুখিনি সাহিত্য ৰচনাৰে অসমীয়া সাহিত্যৰ ভঁৰাল সমৃদ্ধ কৰি গৈছে। তেওঁৰ ৰচিত উপন্যাসৰাজিৰ ভিতৰত 'গজৰাজ, প্ৰেম আৰু বন্দীত্ব' (১৯৯৯), 'বাঘশাল, বাঘজাল আৰু মানুহ' (২০০০), 'পৰম পূজনীয় আৰু দুখন উপন্যাসিকা' (২০০৩), 'শান্তনুকুলনন্দন' (২০০৩), 'ৰূপোৱালী নৈৰ সোণোৱালী ঘাট' (২০০১), 'পূৰবী বৰমুদৈৰ নিৰ্বাচিত উপন্যাসিকা' (২০০৫), 'এটা আলিবাটৰ ইতিকথা' (২০১০) অন্যতম। 'শীতৰ কুঁৱলী' (১৯৭৬), 'পূৰবী বৰমুদৈৰ নিৰ্বাচিত গল্প' (২০০২), 'পূৰবী বৰমুদৈৰ নিৰ্বাচিত গল্প' (২০০৮) লেখিকাৰ গল্প সংকলন। সাহিত্যৰ ক্ষেত্ৰখনিলৈ আগবঢ়োৱা বিশিষ্ট বৰঙণিৰ বাবে লেখিকাগৰাকীক বৰ্তমানলৈকে কেইবাটাও বঁটা বাহনেৰে সন্মানিত কৰা হৈছে। ইয়াৰ ভিতৰত ব্ৰহ্মপুত্ৰক কেন্দ্ৰ কৰি ৰচনা কৰা 'শান্তনুকুলনন্দন' উপন্যাসৰ বাবে ২০০৭ চনত সাহিত্য অকাডেমি বঁটা লাভ কৰে। ইয়াৰ বাহিৰেও ২০০৬ চনত সদৌ অসম লেখিকা সন্থাৰ লেখিকা বঁটা, ২০০৭ চনত প্ৰবীণা শইকীয়া সাহিত্য বঁটা, ২০১১ চনত অসম উপত্যকা বঁটা লাভ কৰে। আনহাতে তেওঁক 'ৰূপোৱালী নৈৰ সোণোৱালী ঘাট' উপন্যাসৰ বাবে ছগন লাল জৈন বঁটা প্ৰদান কৰা হয়। তদুপৰি 'গজৰাজ, প্ৰেম আৰু বন্দীত্ব' উপন্যাসৰ বাবে অসম সাহিত্য সভাই মহিলা লেখকৰ বাবে প্ৰদান কৰা বাসন্তী বৰদলৈ বঁটাও তেওঁ লাভ কৰে।

পূৰবী বৰমুদৈয়ে নিজস্ব শৈলী আৰু চিন্তাধাৰাৰে তেওঁৰ ৰচনাৰ মাজেদি



এক ভিন্ন স্বাদ দিবলৈ সক্ষম হৈছে। জীৱন আৰু জগত সম্পৰ্কীয় চিন্তাধাৰা অসাধাৰণ সূক্ষ্ম অনুভূতিৰে অনুধাৱন কৰি লেখিকাই তেওঁৰ ৰচনাত উপস্থাপন কৰিছে। নাৰীৰ মানৱীয় সত্বাৰ প্ৰতি গভীৰ মানৱীয় উপলব্ধিৰ সহায়েৰে ঔপন্যাসিকাই 'বাঘশাল, বাঘজাল আৰু মানুহ' উপন্যাসত অংকণ কৰিছে নাৰীয়ে নিজক বিচাৰি ফুৰাৰ, নিজৰ স্থিতি বিচৰাৰ ইতিহাস। এই ইতিহাসতেই উপন্যাসখনিৰ পাতত প্ৰতিফলিত হৈছে নাৰী মুক্তিৰ প্ৰসংগ। " বাঘশাল, বাঘজাল আৰু মানুহ ঃ নাৰীমুক্তিৰ প্ৰসংগ" শীৰ্ষক আলোচনাত উপন্যাসখনিত প্ৰকাশ পোৱা নাৰীমুক্তিৰ প্ৰসংগ সম্পৰ্কে আলোচনা কৰিবলৈ যত্ন কৰা হৈছে।

**০.১ অধ্যয়নৰ গুৰুত্ব আৰু প্ৰয়োজনীয়তা ঃ**

নাৰীৰ সামাজিক সমস্যাৰ গুৰুত্ব সঠিকভাৱে উপলব্ধি কৰাৰ আঁৰতেই নিহিত আছে নাৰী মুক্তিৰ ধাৰণা। আদিম সমাজ ব্যৱস্থাত নাৰীৰ সামাজিক স্থিতি নিম্নগামী নাছিল যদিও সময়ৰ অগ্ৰগতিৰ লগে লগে নাৰী পুৰুষৰ অধীন হৈ পৰে আৰু তেওঁলোকৰ সামাজিক স্থিতিও অধোগামী হৈ পৰে। কেৱল যে সামাজিক স্থিতিৰেই অৱনতি ঘটিছিল তেনে নহয়; আনকি নাৰীয়ে নিজৰ বাক্ স্বাধীনতাও হেৰুৱাবলগীয়া হয়। পৰৱৰ্তী সময়ত নাৰীয়ে নিজৰ হেৰুওৱা অধিকাৰ বিচাৰি সংগ্ৰাম গঢ়ি তোলে। পাশ্চাত্যত আৰম্ভ হোৱা নাৰী মুক্তি আন্দোলন ব্ৰিটিছৰ ঔপনিবেশিক শাসন ব্যৱস্থাৰ পৰিণতিস্বৰূপে ভাৰতবৰ্ষতো আৰম্ভ হয়। ঊনবিংশ শতিকাৰ নৱ জাগৰণৰ ফলস্বৰূপে গা কৰি উঠা এই আন্দোলন আমাৰ অসমলৈও প্ৰসাৰিত হয়। নাৰী-পুৰুষৰ সমতা তথা নাৰীয়ে স্বতন্ত্ৰ অধিকাৰ লাভ কৰা সাম্প্ৰতিক সমাজ ব্যৱস্থাতো সম্পূৰ্ণভাৱে পৰিলক্ষিত নহয়। সেইবাবেই আমাৰ অসমীয়া সাহিত্যতো 'নাৰীৰ স্বতন্ত্ৰ অধিকাৰ প্ৰতিষ্ঠা' বিষয়ক বহুখিনি সাহিত্য কৰ্ম পৰিলক্ষিত হয়। পূৰবী বৰমুদৈয়েও তেওঁৰ সাহিত্যকৰ্ম 'বাঘশাল, বাঘজাল আৰু মানুহ' উপন্যাসত ঊনবিংশ শতিকাৰ অসমৰ নাৰী সমাজখনৰ এটি নিজস্ব স্থিতি প্ৰদান কৰিবলৈ যত্ন কৰিছে। এইছোৱা সময়তেই অসমীয় নাৰীয়ে মুক্তিৰ সপোন দেখিছিল। অসমীয়া নাৰীয়ে বন্দীত্বৰ অৱসান ঘটাই মুক্তি দিশে অগ্ৰসৰ হোৱা নাৰী সমাজখনৰ প্ৰতিনিধিত্বকাৰী উপন্যাস হিচাপে অসমীয় সাহিত্যত উপন্যাসখনৰ যথেষ্ট গুৰুত্ব আছে। সেইবাবেই 'বাঘশাল, বাঘজা আৰু মানুহ ঃ নাৰীমুক্তিৰ প্ৰসংগ' শীৰ্ষক বিষয়টিৰ গুৰুত্ব উপলব্ধি কৰা হৈছে

**০.২ অধ্যয়নৰ উদ্দেশ্য :**

নাৰীৰ স্বতন্ত্ৰ অধিকাৰ তথা নাৰী মুক্তি সম্পৰ্কীয় আলোচনা সাম্প্ৰতিক সময়ত কেৱল শৈক্ষিক ক্ষেত্ৰখনিৰেই নহয়, সমগ্ৰ বিশ্বৰে সমাজ-ব্যৱস্থাত বহুলভাৱে চৰ্চিত এটা বিষয়। আধুনিক অসমীয়া সাহিত্যত প্ৰধানকৈ ঔপন্যাসিক আৰু গল্পকাৰৰূপে পৰিচিত পূৰবী বৰমুদৈৰ 'বাঘশাল, বাঘজাল আৰু মানুহ' উপন্যাসতো প্ৰতিফলিত হৈছে নাৰী মুক্তিৰ প্ৰসংগ। নাৰীৰ নিজস্ব অধিকাৰৰ কথাটো বাদেই তিৰোতাৰ কোনো কথাই নথকা সমাজখনত ঔপন্যাসিকাই বাঘজালত বন্দিনী বাঘিনীৰ লগত প্ৰতীকধৰ্মীতাৰে প্ৰতিষ্ঠা কৰিব বিচাৰিছে নাৰীৰ স্বতন্ত্ৰ অধিকাৰ। নাৰীক শিক্ষিত কৰি ঔপন্যাসিকাই পৰম্পৰাৰ মাজত আচ্ছন্ন নাৰীসকলক মুক্তিৰ সোৱাদ দিব বিচাৰিছে। আমাৰ আলোচনাৰ বিষয় 'বাঘশাল, বাঘজাল আৰু মানুহ : নাৰীমুক্তিৰ প্ৰসংগ' ত নাৰীমুক্তিৰ বিভিন্ন দিশ সম্পৰ্কে আলোচনা কৰাই প্ৰধান উদ্দেশ্য।

**১.০ মূল বিষয়ৰ আলোচনা :**

ঔপন্যাসিকা পূৰবী বৰমুদৈৰ দ্বিতীয়খন উপন্যাস 'বাঘশাল, বাঘজাল আৰু মানুহ'। ২০০০ চনত প্ৰথম প্ৰকাশিত উপন্যাসখনৰ পটভূমি বিংশ শতিকাৰ প্ৰথমাৰ্ধৰ অসমীয়া গ্ৰাম্য সমাজ-জীৱন। উপন্যাসখনৰ প্ৰধান চৰিত্ৰ নীলাম্বৰ দেৱগোস্বামী অথবা নীল গোসাঁই সত্ৰৰ অধিকাৰ। অৱশ্যে নীল গোসাঁইৰ দিনত সত্ৰখন নাথাকিলগৈ। ব্ৰহ্মপুত্ৰৰ খহনীয়াত সত্ৰখন জাহ যোৱাত তেওঁলোকৰ পূৰ্বৰ খিতাপো নাথাকিলগৈ। নীলগোসাঁয়ে শিচ্ ভজাই কোনোমতেহে পৰিয়াল পোহ-পাল দিছিল। নীল গোসাঁইৰ মাক ডাঙৰজনা গোসানী, তেওঁৰ পৰিবাৰ সৰু গোসানী, চাৰিজনী ছোৱালী ক্ৰমে- অমলা, কমলা, বিমলা আৰু প্ৰমীলা আৰু ল'ৰা কানুক লৈয়েই গোসাঁইৰ সংসাৰ। নীল গোসাঁইৰ পাৰিবাৰিক কাহিনীৰ মাজেদিয়েই উপন্যাসখনত উপস্থাপন কৰা হৈছে নাৰী মুক্তিৰ প্ৰসংগ। ঔপন্যাসিকাই বাঘজালত বন্দিনী বাঘিনীৰ লগত প্ৰতীকধৰ্মীতাৰে উত্থাপন কৰিছে নাৰী মুক্তিৰ চেতনা। যুক্তিবাদী মনৰ সহানুভূতিশীল চৰিত্ৰ নীল গোসাঁয়ে উপন্যাসখনিত নাৰীৰ নিজা অস্তিত্ব উপলব্ধি কৰোৱাত তথা নাৰীৰ অধিকাৰ সম্পৰ্কে সচেতন দৃষ্টিভংগী প্ৰদান কৰাত পথপ্ৰদৰ্শকৰ ভূমিকা পালন কৰিছে।

বাহিৰৰ জগতখনৰ অলপ হ'লেও আওভাও পোৱা নীল গোসাঁইৰ চকু



মুকলি হৈছে গাঁৱৰে উচ্চ শিক্ষিত ডেকা চন্দ্ৰনাথক লগ পাই। উপন্যাসখনত বৰ্ণিত সমকালীন অসমীয়া সমাজখনত উচ্চ বংশৰ হিন্দু পৰিয়ালসমূহত ছোৱালী সন্তানক শান্তি হোৱাৰ আগতেই আগ বিয়া দিয়া হৈছিল। নীল গোসাঁয়েও সমাজৰ পৰম্পৰা ৰক্ষা কৰি তেওঁৰ ডাঙৰ দুজনী ছোৱালী অমলা আৰু কমলাক আগবিয়া দিছিল। কিন্তু ইমানদিনে মানি অহা পৰম্পৰাৰ বিপৰীতে গৈ নীল গোসাঁয়ে সৰু দুজনী ছোৱালী বিমলা আৰু প্ৰমীলাক পাঠশালাত নাম লগাই দিয়াৰ সিদ্ধান্ত ল'লে। এই ক্ষেত্ৰত নীল গোসাঁয়ে মাক ডাঙৰজনা গোসানীৰ লগতেই তীব্ৰ প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব লগাত পৰিল। সেই সময়ৰ অসমীয়া সমাজত 'গোসাঁই-বামুণৰ ঘৰৰ ছোৱালী নেলাগেই, ল'ৰাই শূদিৰৰ ল'ৰাৰ লগতে একেলগে বহি পাঠশালাত পাঠ পঢ়াটো নিন্দনীয় কথা'। সেইবাবে ডাঙৰজনা গোসানীয়ে কৈছে-

*"সেই বোৰ কথা বাদ দে, ডাঙৰ হ'লে ল'ৰাটোকে টোলত নামটো লগাই দিবি, তাতে সি কাব্য, ব্যাকৰণ,*

*তৰ্ক পঢ়ক, প্ৰমীলাক ঘৰতে আখৰকেইটা চিনাই দে, বিমলাৰে দৰা চাবৰ হ'লেই। সাত বছৰ পাৰ হওঁ হওঁ।"*

*— (পূৰবী বৰমুদৈ, বাশাল, বাঘজাল আৰু মানুহ, পৃ.১২)*

নীল গোসাঁয়ে বিচাৰে আমি নজনা কথাবোৰ পঢ়ি-শুনি আমাৰ ল'ৰা-ছোৱালীয়ে শিকক। ছোৱালী দুজনীক নামভৰ্তি কৰাবলৈ গোসাঁই পাঠশালালৈ যাওঁতে সমকালীন সমাজখনৰ কথা চিন্তা কৰিয়েই পাঠশালাৰ পণ্ডিতজনে কৈছে-

*"পাছে বামুণ-গোসাঁইকুলৰ ছোৱালী আমাৰ পাঠশালাত নাই। আপোনালোকৰ অসুবিধা নহ'বনে।"*

*— (প্ৰাগুক্ত গ্ৰন্থ, পৃ.২২)*

পণ্ডিতজনৰ কথাত গোসাঁইয়ে কৈছে-

*"বিদ্যাৰ মন্দিৰত বিদ্যাৰ বাহিৰে অইন কথা থাকিব নেলাগে। ইয়াত বিদ্যাই জাত-কুল নহয় জানো।"*

*— (প্ৰাগুক্ত গ্ৰন্থ, পৃ.২২)*

গোসাঁইৰ কথাতেই লুকাই আছে সমকাল চেতনাৰ বিপৰীতে তেওঁৰ প্ৰগতিবাদী দৃষ্টিভংগী। সেইবাবেই তেওঁ ভাবিব পাৰিছে কিতাপ পঢ়াৰ অনুপম আনন্দৰ পৰা বঞ্চিত হৈ অহা তিৰোতা মানুহেও লাভ কৰক সেই আনন্দ। বিমলা

আৰু প্ৰমীলাক পাঠশালাত নাম ভৰ্তি কৰি নীল গোসাঁয়ে সপোন দেখিছে নাৰীক শিক্ষিত কৰি তোলাৰ। এনেদৰেই 'বাঘশাল, বাঘজাল আৰু মানুহ'ত ঔপন্যাসিকাই নাৰী মুক্তিৰ বাবে 'নাৰীৰ শিক্ষা' যে অতি প্ৰয়োজনীয় সেয়া প্ৰতিষ্ঠা কৰিব বিচাৰিছে।

বিমলা-প্ৰমীলাক এখন নতুন জগতৰ সন্ধান দিবলৈ যাওঁতে নীল গোসাঁইক প্ৰথমে নিজৰ মাকেই বাধা দিলে। তেওঁ জীয়াই থকা কালত এই ঘৰখনত এনে অনাচাৰ হ'ব নোৱাৰে। সমাজৰ ৰীতি-নীতি, পৰম্পৰা ৰক্ষাত সদায় আগভাগ লৈ অহা নাৰী সমাজৰ প্ৰতিভূ ভাগ্যৱতী গোসাঁনীয়ে সেইবাবে বিমলা-প্ৰমীলাই আখৰ শিকি বৰা কলপাত ফেইখিলা ফালি পেলাইছে। এই ক্ষেত্ৰত তেওঁৰ সহধৰ্মিণী সৰুজনী গোসাঁনীয়েও নীৰৱ ভূমিকাহে পালন কৰিছে। মাকৰ তীব্ৰ বিৰোধিতা স্বত্বেও নীল গোসাঁই নিজৰ স্থিতিৰ পৰা বিচলিত নহ'ল। তেওঁৰ অটল স্থিতিৰ কথা চন্দ্ৰনাথলৈ লিখা চিঠিত প্ৰকাশ পাইছে এনেদৰে-

> *"কোনো ধৰণৰ প্ৰতিৰোধে তেওঁক তেওঁৰ পথৰপৰা আঁতৰাই আনিব নোৱাৰে, যদিহে বিমলা প্ৰমীলাইও নিজে আঁতৰি নাহে।" — (প্ৰাগুক্ত গ্ৰন্থ, পৃ.৪৯)*

জিলাৰ ভিতৰতে নাম কৰি বৃত্তি পাই বিমলাই প্ৰাইমাৰী পৰীক্ষা পাছ কৰিলে। তেজপুৰ সদৰত নীল গোসাঁইৰ মাহীয়েকৰ নাতিনীয়েক শীতলা বাইদেউৰ ঘৰত থাকিয়েই বিমলাই পৰীক্ষা দিছিল। পাঠশালাৰ পণ্ডিতজনে নিজে আহি বিমলাই বৃত্তি পোৱাৰ সুখবৰটো দিছেহি। খবৰটো শুনি নীল গোসাঁইৰ মন আনন্দত অধীৰ হৈ পৰিল যদিও সেইদিনাই তেওঁৰ চকুত পৰিল বিমলায়ো গাত কাপোৰ ল'বলৈ আৰম্ভ কৰিছে। কিন্তু তেতিয়াও নীল গোসাঁয়ে নিজৰ স্থিতিৰ পৰা লৰচৰ নকৰি সিদ্ধান্ত লৈছে- ছোৱালীজনীৰ জীৱনলৈ অহা কোনো পৰিৱৰ্তনে তাইক শিক্ষা গ্ৰহণৰপৰা বঞ্চিত কৰিব নোৱাৰে-

> *"কোনো গামোচাই তাইৰ পঢ়াৰ ইচ্ছাটো ঢাকি ধ'ব নোৱাৰে। একেবাৰেই নোৱাৰে। তাই চন্দ্ৰনাথৰ সমান পঢ়িব।"*
>
> *— (প্ৰাগুক্ত গ্ৰন্থ, পৃ.৯১)*

চন্দ্ৰনাথৰ কথামতে তেজপুৰ সদৰৰ ছোৱালী মজলীয়া স্কুলখনতে নীল গোসাঁয়ে বিমলাক নাম লগাই দিয়ে। এইবাৰো শীতলাৰ ঘৰত থাকিয়েই বিমলাই



স্কুললৈ অহা-যোৱা কৰিলে। মজলীয়া বৃত্তিও লাভ কৰি বিমলাই পুনৰ কৃতিত্বৰ পৰিচয় দিলে। ইতিমধ্যে আগবিয়া নিদিয়াকৈ বিমলাই কন্যাকাল পোৱাৰ বাবে আত্মীয়-স্বজন, নিতিৰ কুটুম্ব সকলোৰে দৃষ্টিত গোসাঁই হৈ পৰিল পৰিহাসৰ পাত্ৰ। আনকি সমাজত 'বাপেকে জীয়েকহঁতক নিজলৈ ৰাখিছে' (প্ৰাগুক্ত গ্ৰন্থ পৃ.১০২)ৰ ধৰণৰ কথাও নোলোৱাকৈ নাথাকিল। কিন্তু তিৰোতা মানুহৰ কোনো কথাই নথকা সমাজখনত বিমলাই তাইৰ ভৱিষ্যতে পঢ়াৰ সিদ্ধান্ত পিতৃক মুখ ফাটি কৰি ক'ব পৰা হ'ল। হাজাৰ সমালোচনাৰ মাজতো নীল গোসাঁইক বিমলাৰ স্পষ্টবাদিতাই পৰিতৃপ্ত কৰিছে। উপন্যাসখনিত বৰ্ণিত সমকালীন সমাজখনত বিমলাৰ দৰে এজনী ছোৱালীক নিজস্ব চিন্তাৰে এটা সিদ্ধান্ত ল'বপৰাকৈ উপযুক্ত কৰি তুলিব পৰাতেই পিতৃ নীল গোসাঁইৰ কৃতিত্ব। এনেদৰে 'বাঘশাল, বাঘজাল আৰু মানুহ' উপন্যাসখনিত বিমলাৰ জৰিয়তে উপস্থাপন কৰা হৈছে সমকালীন নাৰীৰ অন্তৰত জাগ্ৰত হোৱা নাৰী মুক্তিৰ চেতনা। অৱশ্যে এই ক্ষেত্ৰত নীল গোসাঁই নামৰ চৰিত্ৰটোৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ।

বিমলাই হাইস্কুলত পঢ়াৰ কথাটোক লৈ নীল গোসাঁই আৰু মাকৰ মাজত মাত-বোল পৰ্যন্ত বন্ধ হোৱাৰ উপক্ৰম হ'ল। গাভৰু কালত ভৰি দিয়া বিমলাৰ বিয়াৰ চিন্তাত থকা ভাগ্যৱতী গোসাঁনীয়ে তাইৰ ভিনিহীয়েকৰ লগতেই বিয়াৰ কথা-বতৰা আগবঢ়াইছিল। কাৰণ বায়েক কমলাৰ তেতিয়ালৈকে সন্তানৰ মুখ দেখাৰ সৌভাগ্য হোৱা নাছিল। বিমলাৰ জীৱনৰ বিষয়ে মাকে লোৱা সিদ্ধান্ত যে ভুল সেয়া গোসাঁইয়ে মাকক বুজাইয়ো দিছে। গোসাঁয়ে মাকক কৈছে-

> *"তাইৰ জীৱনৰ ওপৰত লোৱা এটা সিদ্ধান্তত তাইৰ মতামত থাকিবই লাগিব।" — (প্ৰাগুক্ত গ্ৰন্থ, পৃ.১১২)*

নাৰীৰ নিজৰ জীৱনৰ ওপৰত কোনো হক নথকা সমাজখনত এজন পুৰুষৰ মুখত এনে ধৰণৰ বিষয় উত্থাপন কৰি ঔপন্যাসিকাই দৰাচলতে নাৰী-পুৰুষৰ বিভেদহীন এখন সমাজ গঠনবেই কামনা কৰিছে। কাৰণ এনে এখন সমাজতহে প্ৰকৃততে নাৰী মুক্তি সম্ভৱ।

হাইস্কুলত বিমলাই এখন নতুন জগতৰ সন্ধান পালে। শংকৰ প্ৰেমত পৰা বিমলাই নিজা ভাব-অনুভূতিক কবিতাৰ মাজেৰে ৰূপ দিবলৈও শিকিলে। প্ৰথম বিভাগত বৃত্তি পাই বিমলাই দশম শ্ৰেণীৰ পৰীক্ষাত কৃতিত্বৰে উত্তীৰ্ণও হ'ল।

বিমলাক শিক্ষিত কৰি তুলিব পৰাতেই নীল গোসাঁইৰ জীৱনৰ বাবে পৰম আনন্দ। নীল গোসাঁয়েও আশা কৰিছে—

*"কিজানি বিমলাৰ লগে লগে এটা নতুন যুগ আহিব। প্ৰতিবাদৰ যুগ। অপমান বঞ্চনা শেষ কৰি তিৰোতা মানুহে মুখটো থিয় কৰি কথাৰ এটা বেলেগ যুগ।"* — (প্ৰাগুক্ত গ্ৰন্থ, পৃ.২৭৪)

এইদৰেই 'বাঘশাল, বাঘজাল আৰু মানুহ' উপন্যাসত নীল গোসাঁয়ে বিমলাক শিক্ষিত কৰি সমকালীন নাৰী সমাজখনক মুক্তিৰ দিশে অগ্ৰসৰ হোৱাৰ পথ ৰচনা কৰিছে।

উপন্যাসখনিত বিমলাক শিক্ষিত কৰি এটা নিজা স্থিতি প্ৰদান কৰাৰ উপৰিও তেওঁ পত্নী সৰু গোসাঁনী আৰু মাক ডাঙৰ গোসাঁনীকো নিজা অস্তিত্ব সম্পৰ্কে সচেতন কৰি তুলিছে। সমাজৰ পৰম্পৰা ৰক্ষাকাৰীৰ ভূমিকাত অৱতীৰ্ণ হোৱা চৰিত্ৰ দুটাই সদাই 'লাউ পাতৰ তল' আপ্তবাক্যাবাৰকে মানি লৈ জীৱন নিৰ্বাহ কৰিছিল। সেইবাবেই ডাঙৰজনা গোসাঁনীয়ে কৈছে—

*"তিৰোতা জনম লৈছে, কথা ক'লে নচলে। বহুত কথা বুকুত লৈ তিৰোতা মানুহ চিতাত উঠেগৈ। গোটেই জীৱন জুৰি কাৰোবাক ক'ম ক'ম বুলি ভাবি থকা সাঁচতীয়া কথাবোৰ তিৰোতা মানুহৰ বুকুত গোটেই জীৱনেই থাকি যায়।"*

— (প্ৰাগুক্ত গ্ৰন্থ, পৃ.৭৭)

এনেধৰণৰ চিন্তাধাৰাৰে আচ্ছন্ন নিজৰ নাম দুটা পৰ্যন্ত পাহৰি যোৱা দুয়োগৰাকী নাৰীকে নীল গোসাঁয়ে নতুন পথৰ সন্ধান দিব পাৰিছে। বিমলাক পাঠশালাত নাম ভৰ্তি কৰোঁতে দুৰ্ঘোৰ বিৰোধিতা কৰা ডাঙৰ গোসাঁনীয়ে জীৱনৰ অন্তিম মুহূৰ্তত বিমলাৰ পঢ়া-শুনাৰ খবৰ লৈছে। আনকি বিমলাৰ পঢ়াৰ খৰচ যোগাবলৈ তেওঁৰ পেৰাত থকা সাঁচতীয়া ৰূপো দি গৈছে। তেওঁ কৈছে—

*"তাই যিমান পাৰে পঢ়ক, গুৱাহাটীলৈ যাওক। আমিবোৰ সোমায়েই থাকিলোঁ। তাই ওলাওক।"* — (প্ৰাগুক্ত গ্ৰন্থ, পৃ.২৭৩)

আগৰিয়া নিনিয়াকৈ ঘৰতে উঠি থকা ছোৱালী বাবে বিমলাক চুলেও ভাত এসাজৰ লঘোন দিয়া ডাঙৰজনা গোসাঁনীয়ে বিমলাৰ গাত ধৰিয়েই শোৱাপাটীলৈ গৈছে। গোটেই জীৱনটোৰেই সংস্কাৰাচ্ছন্ন হৈ জীৱন কটোৱা ডাঙৰ



গোসাঁনীয়ে জীৱনৰ অন্তিম বেলাত সংস্কাৰ ত্যাগ কৰা কাৰ্যৰ জৰিয়তে ঔপন্যাসিকে ক'ব বিচাৰিছে এটা যুগৰ অৱসানৰ কথা। সংস্কাৰ ত্যাগ কৰি বিমলাৰ শিক্ষা জীৱনক আগবঢ়াই নিবলৈ সহায় আগবঢ়োৱা ডাঙৰ গোসাঁনীৰ কাৰ্যৰ মাজতেই অন্তৰ্নিহিত আছে নাৰীৰ বন্দীত্বৰ অৱসানৰ ইংগিত বাঘজালত আবদ্ধ হৈ থকা বাঘিনীজনীৰ দৰে নাৰীয়েও সমাজ-পৰম্পৰা নামৰ জাল ফালি মুক্ত হওঁক। সেইবাবেই তেখেঁ ক'ব পাৰিছে—

*"বিমলাক মই আশীৰ্বাদ কৰিছোঁ। আমি যি নেপালোঁ বিমলাই পাওক। আমি বাট নেদেখিলোঁ। বিমলাই দেখিছে। তাই আগবাঢ়ি যাওঁক। চিৰদিনৰ বাবে সমাজত মুখ তুলি থিয় হওক।"* — (প্ৰাগুক্ত গ্ৰন্থ, পৃ.২৭৩)

উপন্যাসখনিত নাৰীৰ বন্দীত্ব অৱস্থাৰ বাবে প্ৰধানকৈ সামন্তবাদী পুৰুষতান্ত্ৰিক সমাজ-ব্যৱস্থাকে দায়ী কৰা হৈছে। মানুহ সভ্য হোৱাৰ প্ৰসংগ উত্থাপন কৰি ঔপন্যাসিকাই ক'ব খুজিছে আমাৰ সমাজখনে তিৰোতা মানুহবোৰক জালৰ বাহিৰত থকা উৰুলিকৃত মানুহখিনিয়ে বন্দী হৈ থকা বাঘিনীজনীক চোৱাৰ দৰেই চাই আহিছে। পুৰুষ সমাজে নাৰীক ভোগৰ বস্তু জ্ঞান কৰি অহা বাবেই চন্দ্ৰনাথে কৈছে—

*"সন্তান হৈ, ভাতৃ হৈ, স্বামী হৈ, পিতৃ হৈ, তিৰোতা মানুহখিনিক আমি আমাৰ ভোগ্য বস্তু কৰি লোৱা নাইনে? পুত্ৰই মাকক ভোগ কৰে, ভাতৃয়ে ভগ্নীক, স্বামীয়ে ভোগ কৰে স্ত্ৰীক আৰু পিতৃয়ে কন্যাক। ভোগ কৰাৰ ধৰণটো বেলেগ হ'ব পাৰে, কিন্তু উদ্দেশ্য একে নহয়নে? পুত্ৰস্নেহত আকুল মাতৃ আপুনি ঘৰে ঘৰে পাব, কিন্তু মাতৃ স্নেহত আকুল পুত্ৰ? স্বামীৰ চিতাত স্ত্ৰীক সহমৰণ যোৱাৰ এসময়ত উৎসাহিত কৰা হৈছিল। কিন্তু অনুৰূপ ধৰণে স্ত্ৰীৰ চিতাত কোনোবা স্বামী মৰিছিলনে?* — (প্ৰাগুক্ত গ্ৰন্থ, পৃ.২৬১)

চাদৰখন খহি নপৰিবলৈ একোচা অচল চাবিৰ বাদে একোৰে প্ৰয়োজন নোহোৱা উপন্যাসখনিত বৰ্ণিত নাৰী সমাজখনক সদায়েই বঞ্চিত কৰি ৰখা হৈছে। সমকালীন নাৰী সমাজখনত তিৰোতাবিলাকে চাদৰ পৰিধান কৰোঁতে চাদৰখন

যদি নপৰিবলৈ একোখন অচল চাবি বান্ধি থৈছিল, সিকোখন চাবিৰে কোনোদিন তলা খোলা সম্ভৱ নহয়। পুৰুষ প্ৰধান সমাজখনেও তাৰি থৈছিল অচল চাবিকোখন বাদে নাৰীক একেবাৰেই প্ৰয়োজন নহয়। সেইবাবেই হয়তো তিৰোতা মানুহ সকলো অধিকাৰৰপৰা বঞ্চিত হৈ আহিছে। অৱশ্যে লেখিকাই পুৰুষ শ্ৰেণীটোৰে নাৰীক শোষণ কৰাৰ আঁৰত যুগ, সমাজ, নিয়ম আৰু পৰম্পৰাৰ কথাও উল্লেখ নকৰাকৈ থকা নাই। আমাৰ সমাজখনেই পুৰুষসকলৰ মগজুত সোমোৱাই দিছিল-

> *"একোখন তলা খুলিব নোৱাৰা অচল চাবিৰ দৰেই তিৰোতা মানুহ একেবাৰেই অধিকাৰী নহয়। তিৰোতা মানুহক বঞ্চিত কৰিব পৰাতহে মতা মানুহৰ শক্তি।" — (প্ৰাগুক্ত গ্ৰন্থ, পৃ.২৬১)*

পুৰুষসকলৰ সহযোগিতা অবিহনে নাৰী মুক্তি সম্ভৱ নহয়, সেই উপলব্ধি ঔপন্যাসিকাৰো আছিল। সেয়েহে উপন্যাসখনিত সমাজ পৰিৱৰ্তনৰ মানসিকতাৰে চন্দ্ৰনাথে কৈছে-

> *"তিৰোতা মানুহবো মুক্তিৰ হাবিয়াস আছে। চিৰদিনৰ বন্ধনাৰে কোনো সম্পৰ্কই সুস্থ হৈ থাকিব নোৱাৰে। এতিয়া একমাত্ৰ উপায় আমি মতা মানুহবোৰে সমাজ, যুগ, নিয়ম-নীতি আৰু পৰম্পৰাই শিকোৱা অৰ্থহীন, অবৈজ্ঞানিক চিন্তাৰ পৰা নিজকে মুক্ত কৰি ল'ব লাগিব। তেনেতে আমি মুক্ত হ'ব লাগিব গোসাঁইদেউ।" — (প্ৰাগুক্ত গ্ৰন্থ, পৃ.২৬২)*

অৰ্থাৎ পুৰুষে পতা বাঘজালত বন্দিনী নাৰীক মুক্ত কৰিবলৈ জালখনো পুৰুষেই আঁতৰ কৰিব লাগিব।

**২.০ সিদ্ধান্ত ঃ**

"বাঘশাল, বাঘজাল আৰু মানুহ ঃ নাৰীমুক্তিৰ প্ৰসংগ"- শীৰ্ষক বিষয় অধ্যয়নৰ জৰিয়তে তলত দিয়া সিদ্ধান্ত কেইটাত উপনীত হ'ব পাৰি -

* নাৰীৰ বন্দীত্বৰ অৱসান ঘটাই এখন নতুন সমাজ গঢ়াৰ কামনা কৰিছে।
* নাৰী মুক্তিৰ আঁৰত শিক্ষাই যে অন্যতম কাৰক সেয়া প্ৰতিষ্ঠা কৰা হৈছে।
* নাৰীৰ সৰ্বতো প্ৰকাৰ মংগলৰ বাবে পুৰুষ আৰু নাৰী উভয়ে সহযোগিতাৰ আৱশ্যক - সেয়াও উপন্যাসখনত প্ৰকাশ কৰা হৈছে।
* নাৰী সমাজে যুগে যুগে বঞ্চিত হৈ অহাৰ প্ৰধান কাৰক হিচাপে আমাৰ



সমাজ ব্যৱস্থাৰ পৰম্পৰাগত সংস্কাৰকেই জগৰীয়া কৰা হৈছে।

**৩.০ উপসংহাৰ ঃ**

অসমীয়া গ্ৰাম্য মানসৰ পটভূমিত ৰচিত 'বাঘশাল, বাঘজাল আৰু মানুহ' উপন্যাসত সমকালীন অসমীয়া নাৰী সমাজখনৰ এখনি প্ৰতিচ্ছবি বিচাৰি পোৱা যায়। নাৰীৰ কোনো সামাজিক স্থিতি নথকা সেই সময়ৰ সমাজখনত নাৰী শিক্ষাৰ কোনো ব্যৱস্থাই নাছিল। বিশেষকৈ উচ্চ বৰ্ণৰ ব্ৰাহ্মণ কন্যাসকলে শিক্ষাৰ পোহৰ পোৱাটো দূৰৰ কথা, ছোৱালীক কন্যাকাল প্ৰাপ্তিৰ আগতেই বিয়া দিয়া হৈছিল। তেনে এখন সমাজত তথাকথিত পৰম্পৰাক অস্বীকাৰ কৰি ঔপন্যাসিকাই নাৰী মুক্তিৰ সপোন ৰচনা কৰিছে। সেইবাবেই উপন্যাসখনৰ কেন্দ্ৰীয় চৰিত্ৰ নীল গোসাঁয়ে তেওঁৰ সৰু দুজনী বিনপা আৰু প্ৰমীলাক পাঠশালাত নাম ভৰ্তি কৰি দি শিক্ষাৰ পোহৰ নোপোৱা সমকালীন নাৰী সমাজখনক শিক্ষিত কৰিবলৈ যত্ন কৰিছে। সমাজ তথা ঘৰখনৰ তীব্ৰ সমালোচনা সত্বেও নীল গোসাঁই তেওঁৰ উদ্দেশ্যৰ পৰা আঁতৰি অহা নাছিল। শিক্ষাৰ পোহৰ লাভ কৰি বিনপাই নিজ অস্তিত্ব সম্পৰ্কে সচেতন হৈ উঠিছে। অন্ততঃ তাই অন্য চিন্তা নকৰি ভৱিষ্যতে পঢ়াৰ সিদ্ধান্ত স্পষ্টভাৱে পিতৃক জনাব পাৰিছে। নিজৰ অস্তিত্ব সম্পৰ্কে জাগ্ৰত চেতনাৰ অন্তৰালতেই মানুহৰ মুক্তিৰ হাবিয়াস বিচাৰি পোৱা যায়। উপন্যাসখনিত বিনপাই শিক্ষাৰ জৰিয়তে নতুন এখন জগতৰ সন্ধান লাভ কৰি মুক্তিৰ সোৱাদ লাভ কৰিবলৈ সক্ষম হৈছে।

আমাৰ সমাজ ব্যৱস্থাত সমাজৰ পৰম্পৰা ৰক্ষাত সদায় আগভাগ লৈ অহা নাৰী সমাজখনো উপন্যাসখনত মুক্তিৰ দিশে অগ্ৰসৰ হৈছে। উপন্যাসখনিত ডাঙৰ গোসাঁনীৰ সংস্কাৰ ত্যাগ কৰা কাৰ্যই প্ৰতিনিধিত্ব কৰিছে শিক্ষা আৰু জ্ঞানৰ যোগেদি নতুনত্বৰ পথত বাট বোলাৰ ইংগিত।

* * *

# অসমৰ জনগোষ্ঠীসমূহৰ পৰম্পৰাগত সাজপাৰ

সম্পাদনা
ড° মীন্তি গগৈ



*"ASSAMAR JANGUSTHI SAMUHAR PARAMPARAGATA HAZPAR": A collection of Traditions Assamese Costumes edited by - Dr. Minti Gogoi & published by Rangpur Offset, Amguri-785680, Sivasagar(Assam) on the occasion of 29th biennial assembly of A.A.L.S.S. Dt. 15 Oct'2022.*

প্ৰকাশন উপ-সমিতি ঃ

| | | |
|---|---|---|
| উপদেষ্টা | ঃ | শ্ৰীযুতা মনিকা শইকীয়া |
| | | ড° অৰুন্ধতী মহন্ত |
| | | ড° অনিল শইকীয়া |
| সভানেত্ৰী | ঃ | ড° মায়াশ্ৰী গোস্বামী |
| উপ-সভাপতি | ঃ | জীৱমণি নাথ |
| সম্পাদিকা | ঃ | নৱনীতা গগৈ |
| পদেন সদস্য | ঃ | অপৰাজিতা ভূঞা |
| | | তৰুলতা গগৈ |
| | | সুভদ্ৰা বৰা |
| সদস্য/সদস্যা | ঃ | সন্তোষ দত্ত |
| | | প্ৰশান্ত চুতীয়া |
| | | দিপালী শইকীয়া গগৈ |
| গ্ৰন্থ সম্পাদনা | ঃ | ড° মীন্তি গগৈ |

প্ৰকাশক ঃ

ৰংপুৰ অফ্‌চেট, আমগুৰি-শিৱসাগৰ

ISBN ঃ 978-81-958903-1-6

প্ৰথম সংস্কৰণ ঃ ২০২২

মূল্য ঃ ২০০ (দুশ টকা)

© ঃ শিৱসাগৰ জিলা লেখিকা সমাৰোহ সমিতি

বেটু পাত ঃ ঋতুৰাজ বৰুৱা

প্ৰচ্ছদ ঃ মাধুৰ্য-প্ৰাঞ্জল-দীপক

মুদ্ৰণ ঃ ৰংপুৰ অফ্‌চেট, আমগুৰি

# সূচীপত্ৰ


➢ ঠেঙ্গাল কছাৰীসকলৰ পৰম্পৰাগত সাজ পাৰ

— ৰূপজ্যোতি বৰুৱা নাথ/১১৮

➢ চিংফৌ জনগোষ্ঠীৰ সাজপাৰ আৰু অলংকাৰ ঃ এক আলোকপাত

— গীতিমা দত্ত/১২৩

➢ 'অসমীয়া মুছলমান সকলৰ পৰম্পৰাগত সাজপাৰ ও আ-অলংকাৰ' - এটি চমু অবলোকন

— ড° লুটফুন নাহাৰ/১২৯

➢ পৰম্পৰাগত চাহ জনগোষ্ঠীয় সাজপাৰ আৰু আ-অলংকাৰ

— বেণু গোৱালা/১৩৭

➢ কোচ ৰাজবংশীসকলৰ সাজপাৰ — বকুল ৰয়/১৪২

➢ অসমৰ নক্টে জনগোষ্ঠীৰ পৰম্পৰাগত সাজপাৰ আৰু শৈল্পিক নৈপুনতা

— অনুমণি গগৈ/১৪৬

➢ হাজংসকলৰ সাজপাৰ আৰু অলংকাৰঃ পৰম্পৰা আৰু পৰিবৰ্তন

— পৰী গগৈ/১৫০

➢ ডিমাছা জনগাষ্ঠীৰ সাজপাৰ

— ড° বন্যাজ্যোতি দাস/১৫৭

➢ শিৱসাগৰ জিলাত বসবাস কৰা গাৰোসকলৰ সাজপাৰ ঃ এক চমু পৰিচয়

— দুৰ্লভ শেনছোৱা/১৬২

➢ মেচসকলৰ পৰম্পৰাগতভাৱে ব্যৱহৃত কিছু সাজপাৰৰ চমু বিৱৰণ

— কৃষ্ণ কান্ত মেচ/১৬৭

➢ নেপালী জনগোষ্ঠীৰ সাজপাৰ

— ড° জ্যোতিৰেখা গগৈ/১৭১

➢ টাংচা জনগোষ্ঠীৰ সাজপাৰ (হাখুন টাংচা জনগোষ্ঠীৰ বিশেষ উল্লেখেৰে)

— ৰুণুমী সোণোৱাল/১৮১

# টাংচা জনগোষ্ঠীৰ সাজপাৰ
## (হাখুন টাংচা জনগোষ্ঠীৰ বিশেষ উল্লেখেৰে)



কণুমী সোণোৱাল

সাজপাৰ মানৱৰ সভ্যতা-সংস্কৃতিৰ পৰিচায়ক এক উল্লেখযোগ্য উপাদান। লজ্জা নিবাৰণ আৰু জাৰ জহৰপৰা ৰক্ষা পাবলৈ বল্কল পৰিহিত মানুহে সভ্যতাৰ অগ্ৰগতিৰ লগে লগে সূতা কাটি কাপোৰ ব'বলৈ শিকিলে। লাহে লাহে মানৱ সমাজত তাঁতশিল্প বা বস্ত্ৰশিল্পৰ বিকাশ ঘটিল। সৌন্দৰ্য্যপ্ৰয়াসী মানুহে কালক্ৰমত প্ৰাকৃতিক উপাদানৰ সহায়ত বিভিন্ন ৰঙেৰে বোলাই, ফুল-বাছি অথবা কেৱল ৰঙৰ সংমিশ্ৰণতেই আটকধুনীয়াকৈ সাজপাৰ প্ৰস্তুতৰ কৌশল আহৰণ কৰিলে। প্ৰকৃততে ক'বলৈ গ'লে পৃথিৱীৰ প্ৰত্যেক জাতি-জনগোষ্ঠীৰ সমাজ-সংস্কৃতিত এক অমূল্য সম্পদস্বৰূপে বয়নশিল্প সমৃদ্ধিশালী। কোনো এক জাতি-জনগোষ্ঠীৰ সভ্যতা-সংস্কৃতিক প্ৰতিনিধিত্ব কৰাৰ উপৰিও সাজপাৰে ব্যক্তিৰ ব্যক্তিত্ব, সামাজিক মৰ্য্যাদা, ৰুচি-অভিৰুচি, সৌন্দৰ্য-চেতনা, সুকুমাৰ প্ৰতিভা আদিৰো পৰিচয় দাঙি ধৰে। সেয়েহে জাতি-জনগোষ্ঠীভেদে সাজপাৰৰ সৈতে সাঙোৰ খাই থকা সাংস্কৃতিক বৈশিষ্ট্য ভিন্ন। উত্তৰ-পূৰ্বাঞ্চলত বসবাস কৰা প্ৰতিটো জনগোষ্ঠীৰে সাজপাৰৰ বৈচিত্ৰ্যই এই অঞ্চলৰ সাংস্কৃতিক ক্ষেত্ৰখনত এক অনন্য মাত্ৰা প্ৰদান কৰিছে। উত্তৰ-পূৰ ভাৰতৰ এটা প্ৰধান জনগোষ্ঠী টাংচাসকলৰো সাজপাৰৰ নিজা বৈশিষ্ট্যই এক সুকীয়া পৰিচিতি প্ৰদান কৰিছে।

নৃতাত্ত্বিক দৃষ্টিকোণেৰে মংগোলীয় প্ৰজাতিৰ টাংচাসকলে প্ৰধানকৈ অৰুণাচল প্ৰদেশৰ চাংলাং জিলাৰ চাংলাং, নামটক, খিময়াং, মিয়াও, নামপং, মনমাও, জয়ৰামপুৰ, বৰডুমচা আদি ঠাইত বসবাস কৰি আছে। ইয়াৰ বাহিৰেও

অসমৰ তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটা মহকুমাৰ মালোগাঁও, মুলং, লেখাপানী, খাৰাংকঙ্, জাগুন, টিকক পাহাৰ আদি পাটকাইৰ পাহাৰীয়া অঞ্চলত টাংচাসকলে গাঁও পাতি বসবাস কৰি আছে। ইয়াৰ বাহিৰেও ভাৰতবৰ্ষৰ চুবুৰীয়া ৰাষ্ট্ৰ ম্যানমাৰতো টাংচা লোকে বসবাস কৰে। ম্যানমাৰত টাংচাসকল ৰংপাঙ্, পাংমি আৰু হেইমি অথবা হাইমি নামেৰে পৰিচিত। টাংচাসকলক উত্তৰ-পূবৰ এটা প্ৰধান নৃগোষ্ঠী নগাসকলৰ অন্যতম শাখা হিচাপে ধৰা হয়। প্ৰথম অৱস্থাত তেওঁলোক নগা নামেৰেই পৰিচিত আছিল। ভাৰতীয় সংবিধানতো তেওঁলোকক অন্যান্য নগা জনজাতিৰ লগতে অনুসূচীত জনজাতিৰ অন্তৰ্ভুক্ত কৰা হৈছে। '[১] বিভিন্ন সৰু সৰু জনগোটত বিভক্ত টাংচাসকলৰ সৰু বৰ প্ৰায় ৫০ টা মান ফৈদ বা উপজাতি আছে। টিখাক, হাভি, লুঙচাঙ্, য়ুঙকুক, মʼছাং, লুংৰি, কʼলিম, মʼকলুম, চাংকে, জুগ্‌লি, হাখুন, হাচাং, বনৰাং, কিমচিং, মʼৰাং, লুংফি, টংলিম, ঙাইমং, পʼনথাই আদি টাংচাসকলৰ বিভিন্ন ফৈদ। প্ৰত্যেকটো ফৈদৰে আকৌ বংশগত শ্ৰেণীবিভাজন তেওঁলোকৰ সমাজ ব্যৱস্থাৰ উল্লেখযোগ্য বৈশিষ্ট্য। বিভিন্ন সৰু সৰু জনগোটত বিভক্ত টাংচাসকল স্বাধীনতাৰ পৰৱৰ্তী সময়তহে 'টাংচা' নামৰ বৃহত্তৰ জনগোটৰ অংগীভূত হৈ 'টাংচা' নামেৰে পৰিচিতি লাভ কৰে। অবিভক্ত টিৰাপ জিলাৰ ৰাজনৈতিক বিষয়া বিপিন বৰগোহাঁইয়ে ১৯৫০ চনত পোনপ্ৰথম উক্ত জনগোষ্ঠীৰ লোকসকলক বুজাবলৈ 'টাংচা' শব্দটো ব্যৱহাৰ কৰিছিল। '[২] তেতিয়াৰপৰা তেওঁলোকৰ আটাইবোৰ ফৈদ বা উপজাতি বৃহত্তৰ টাংচা জনগোষ্ঠীৰ অন্তৰ্ভুক্ত হয়।

হাখুন টাংচাসকল টাংচা ফৈদসমূহৰ ভিতৰত এটা প্ৰধান ফৈদ বা উপজাতি। টাংচা অন্যান্য ফৈদ বা উপজাতিসমূহৰ দৰে হাখুন টাংচাসকলৰো সমাজ-সংস্কৃতিৰ নিজস্ব বৈশিষ্ট্য আছে। সংস্কৃতিৰ বিভিন্ন দিশৰ লগতে হাখুন টাংচাসকলে পৰিধান কৰা সাজপাৰ আৰু ইয়াৰ প্ৰস্তুত প্ৰণালীটো স্বকীয়তা বিদ্যমান। জনগোষ্ঠীটোৰ সৌন্দৰ্য্যবোধ, ৰুচি-অভিৰুচি, কলা-নিপুণতা, সাংস্কৃতিক চিন্তা-চেতনা আদিৰ প্ৰতিফলন তেওঁলোকৰ পৰিধেয় সাজ-পোচাকতো পৰিলক্ষিত হয়। হাখুন টাংচা নাৰীসকলে ঘৰতে তেওঁলোকৰ পৰম্পৰাগত কঁকালত বান্ধি লোৱা তাঁতশালত প্ৰয়োজনীয় পোচাক-পৰিচ্ছদ বৈ কাটি লয়। এই ক্ষেত্ৰত হাখুন মহিলাসকল নিপুণ শিপিনী। তেওঁলোকৰ পৰম্পৰাগত সাজপাৰলৈ লক্ষ্য কৰিলে দেখা যায় যে পুৰুষ-



নাৰী উভয়ে বেলেগ বেলেগ সাজপাৰ পৰিধান কৰে।

পুৰুষৰ সাজপাৰ ঃ

হাখুন টাংচা সমাজত পুৰুষসকলে পৰিধান কৰা পৰম্পৰাগত সাজপাৰৰ বৈশিষ্ট্য আছে। হাখুন পুৰুষে পৰিধান কৰা পৰম্পৰাগত সাজপাৰৰ ভিতৰত লুঙী, গাত চোলাৰ ওপৰত পিন্ধা জেকেট, অতীজতে পৰিধান কৰা বৰ্তমান কেৱল উৎসৱ-অনুষ্ঠানত পিন্ধা লেংটি, মূৰৰ পাগুৰি অন্যতম। হাখুন টাংচা পুৰুষৰ পৰম্পৰাগত সাজপাৰ সমূহ এনেধৰণৰ -

খাহিক (Khahiq) ঃ

হাখুন টাংচা পুৰুষে কঁকালত পিন্ধা কাছুটিসদৃশ বস্ত্ৰখনৰ নাম খাহিক। এই কটি বস্ত্ৰখনক 'ৰুহাত' বুলিও কয় যদিও বেছিভাগ মানুহে খাহিক বুলিয়ে কয়। খাহিকখন পিন্ধোতে সোঁ ফালৰপৰা ভৰি দুটাৰ মাজেদি সৰকাই কঁকালত মেৰিয়াই পিন্ধে আৰু আগ এটা আগফালে ওলিয়াই লয়। মৃত্যু হোৱা লোকক খাহিক পৰিধান কৰোৱাৰ ক্ষেত্ৰত হাখুন সমাজত সুকীয়া নিয়ম পৰিলক্ষিত হয়। তেওঁলোকক বাওঁফালৰপৰাহে খাহিক পিন্ধোৱা হয়। গাঁৱৰ মুখিয়াল আৰু অন্য সাধাৰণ লোকে পৰিধান কৰা খাহিকৰ মাজত কোনো পাৰ্থক্য নাই। খাহিকত কোনো ধৰণৰ ফুল নাথাকে। উৎসৱ-অনুষ্ঠান আৰু সমাজৰ অন্য কামত প্ৰয়োজন হʼলেহে খাহিক পৰিধান কৰা হয়।

খাট্‌হোং (Khathung)ঃ

খাট্‌হোং হাখুন পুৰুষে কঁকালত পিন্ধা লুঙীখনৰ নাম। কঁকালৰপৰা ভৰিৰ পানী গাঁঠিৰ ওচৰলৈকে দীঘলকৈ হাখুন টাংচা পুৰুষে এখন দীঘল লুঙীৰ নিচিনা বস্ত্ৰ পৰিধান কৰে। দুখন বা তিনিখন তেওঁলোকৰ পৰম্পৰাগত তাঁতশালত বোৱা কম প্ৰস্থৰ কাপোৰ খাট্‌হোঙৰ বাবে প্ৰথমতে চিলাই কৰি বহল কৰি লোৱা হয়। কাপোৰখন বহল হোৱাৰ পিছত আকৌ চুঙাৰ দৰে চিলাই খাটহোঙ্ পৰিধানৰ উপযোগী কৰি লোৱা হয়। চিলোৱাৰ পিছত ইয়াৰ দৈৰ্ঘ্য প্ৰায় তিনিফুট আৰু প্ৰস্থ দুইৰপৰা আঢ়ৈ ফুট হয়। খাট্‌হোং ৰঙা, বগা, কʼলা, সেউজীয়া আদি বিভিন্ন ৰঙৰ সংমিশ্ৰণত দীঘে-পথালিয়ে বৰ্গ বা আয়ত ক্ষেত্ৰাকাৰ ৰূপত ঘৰ ঘৰ কৰি বৈ ওলিয়ায়। এই ঘৰবোৰৰ মাজত কেতিয়াবা জ্যামিতিক আৰ্হিৰ সৰু সৰু ফুল বাছি দিয়া হয়।

চুংন্যো (Chungnyu) ঃ

চুংন্যো হাখুন টাংচা পুৰুষৰ জাতীয় পৰিচয় বহন কৰা পুৰুষৰ সাজ।

হাখুন পুৰুষে গাত জেকেটসদৃশ চুংন্যো পৰিধান কৰে। সাধাৰণতে এই চোলাটোৰ হাত চুটি আৰু মাজত ফলা থাকে। প্ৰথমতে তাঁতশালত চুংন্যোৰ বাবে কাপোৰ বৈ উলিওৱাৰ পিছত সকলোৱে কঁকালত পৰাকৈ নিজৰ উচ্চতা অনুযায়ী চোলাটো চিলাই লয়। চোলাটোৰ দুফালে দুটা জেপো থাকে। ক'লা, ৰঙা, বগা সূতাৰে বোৱা চোলাটোৰ গাত অন্য ৰঙৰ সূতাৰে দীঘল দীঘলকৈ গাৰি দিয়া থাকে। গাৰিবোৰৰ গাত আৰু চোলাটোৰ পাছফালে পূৰণ চিহ্নৰ আকাৰত যাঠি আৰু দা ৰ আৰ্হিৰ ফুল বাছি দিয়া হয়। এই নক্সা বোৰক হাখুন টাংচা ভাষাত 'পাচক' (Pasuq) বোলে।

খ'লি বা খাফুক (Kholi or Khaphuk) ঃ

খ'লি বা খাফুক হৈছে হাখুন টাংচা পুৰুষে মূৰত পিন্ধা টুপী বা পাগুৰি। এই পাগুৰিটোক খ'লি নামেৰেও জনা যায় যদিও খাফুক নামটোহে বেছিকৈ প্ৰচলিত। খাফুক ঘৰতে বেত আৰু ভালুকৰ নোমাল ছালৰপৰা পৰা নিৰ্মাণ কৰে। গাঁৱৰ মুখিয়াল আৰু সাধাৰণ মানুহে পিন্ধা টুপীৰ মাজত পাৰ্থক্য আছে। গাঁৱৰ মুখিয়াল বা গাঁওবুঢ়াই পিন্ধা খ'লিত ধনেশ চৰাইৰ পাখি আৰু বন গাহৰিৰ দাঁতেৰে অলংকৃত কৰি তোলা হয়। আনহাতে সামাজিক শ্ৰেণী অনুসৰি অন্য মানুহে মিনথোট (Minthoot), চিপহাপ (Chiphap), ঙাম্খৈ (Ngamkhoi) টুপী পিন্ধে। এই টুপীবোৰ সাধাৰণতে কাৰুকাৰ্য্য কৰা নাথাকে।

খাখ'ক ঃ

হাখুন পুৰুষে কান্ধত ওলোমাই লোৱা মোনাটোৰ নাম খাখ'ক। হাখুনসকলৰ পৰম্পৰাগত সাজপাৰৰ লগত তেওঁলোকৰ মোনাটোও অপৰিহাৰ্য্যভাৱে জড়িত হৈ আছে। খাখ'ক দৈনন্দিন জীৱনৰ বিভিন্ন ক্ষেত্ৰত ব্যৱহাৰ কৰাৰ উপৰিও উৎসৱত নৃত্য-গীত কৰোঁতেও ব্যৱহাৰ কৰে। সূতাৰে বোৱা খাখ'ক সাধাৰণতে কলা, বগা, ৰঙা ৰঙৰ থাকে। মোনাটোৰ ওপৰত ভিন্নবৰ্ণী সূতাৰে সুন্দৰকৈ ফুল তোলা হয়। কান্ধত ওলোমাই ল'ব পৰাকৈ এডাল ফিটা মোনাটোত সী দিয়া হয়। কাপোৰে তৈয়াৰী মোনাৰ উপৰিও বাঁহ আৰু বেতেৰেও সুন্দৰ মোনা তৈয়াৰ কৰি লয়। হাখুন টাংচা সকলে বাঁহ আৰু বেতেৰে নিৰ্মিত মোনাক খ' বুলি কয়। উৎসৱত নৃত্য-গীত গোৱাৰ সময়ত খাখ'কৰ উপৰি খ'ও তেওঁলোকে ব্যৱহাৰ কৰে। নৃত্য কৰোঁতে তেওঁলোকে খ'টো সুন্দৰকৈ সজাই টিলিঙা বান্ধি গাত আঁৰি লয়।



খাট ঃ

খাট হাখুন পুৰুষে ঠাণ্ডাত ব্যৱহাৰ কৰা অসমীয়া এড়ী চাদৰৰ দৰে ব্যৱহাৰ কৰা গৰম কাপোৰ। এই কাপোৰখনক পুংফুন আৰু খুপ বুলিও কোৱা হয়। কপাহৰপৰা কটা সূতা আৰু এবিধ বিশেষ গছৰ আঁহৰপৰা এই খল তাঁতশালত বৈ উলিওৱা হয়। ৰঙা, বগা আৰু ক'লা যিকোনো ৰঙৰ সূতাৰে খাটত ফুল বাছে।

চাঙ্চাক্ ঃ

চাঙ্চাক্ হাখুন টাংচা পুৰুষে ওপৰৰ অংশত পিন্ধা চোলাটোৰ নাম। চাঙ্চাক্ যিকোনো ৰঙৰ হয়। পৰম্পৰাগত তাঁতশালত কাপোৰ বৈ পুৰুষৰ বাবে চাঙ্চাক্ প্ৰস্তুত কৰাৰ উপৰিও বজাৰৰপৰা ক্ৰয় কৰি আনিও চাঙ্চাক্ পৰিধান কৰে।

হাখুন টাংচা মহিলাৰ সাজপাৰ ঃ

হাখুন টাংচা মহিলাৰ পৰম্পৰাগত সাজপাৰে তেওঁলোকৰ জাতীয় ঐতিহ্য আৰু সাংস্কৃতিক চেতনাৰ পৰিচয় দিবলৈ সক্ষম হৈছে। হাখুন মহিলাৰ পৰম্পৰাগত সাজপাৰ সৰল যদিও বৈশিষ্ট্যপূৰ্ণ। হাখুন টাংচা মহিলাসকলৰ ঘৰত সাধাৰণতে পিন্ধা সাজপাৰ আৰু উৎসৱ-পাৰ্বণত পিন্ধা সাজপাৰৰ মাজত পাৰ্থক্য আছে। তেওঁলোকৰ পৰম্পৰাগত সাজপাৰবোৰ তলত দিয়া ধৰণৰ -

খাট্হোঙ্ ঃ

হাখুন টাংচা মহিলাই কঁকালত পিন্ধা বস্ত্ৰখনৰ নাম খাট্হোঙ্। খাট্হোঙ্ অসমীয়া নাৰীয়ে পৰিধান কৰা মেখেলাৰ দৰে যদিও চিলাই কৰি চুঙাকৃতিৰ কৰি নলয়। প্ৰকৃততে খাট্হোঙ্ এখন গামোচাসদৃশ বস্ত্ৰহে। হাখুন টাংচা মহিলাসকলে ঘৰত পিন্ধিবলৈ ব্যৱহাৰ কৰা আৰু উৎসৱ-অনুষ্ঠানত পৰিধানত কৰা খাট্হোঙৰ মাজত পাৰ্থক্য আছে। ঘৰত তেওঁলোকে ক'লা, সেউজীয়া, নীলা, হালধীয়া, বগা আদি বিভিন্ন ৰঙৰ সংমিশ্ৰণত বৈ উলিওৱা খাট্হোঙ্ পৰিধান কৰে যদিও তেওঁলোকৰ পৰম্পৰাগত খাট্হোঙ্খন বগা ৰঙৰ হয়। বগাৰ মাজত ৰঙা, ক'লা, সেউজীয়া ৰঙৰ সূতাৰে গাৰিয়নী দি বয়। কাপোৰখন বহলে প্ৰায় তিনি হাত আৰু দীঘলে চাৰি হাতৰপৰা পাঁচ হাত জোখৰ। বগা ৰঙৰ খাট্হোঙৰ সোঁমাজত পাঁচ আঙুলমান জোখৰ এডোখৰ ৰঙা ৰঙেৰে বয়। ইয়াৰ তলৰ অংশত ৰঙা, ক'লা, সেউজীয়া আদি ৰঙৰ জ্যামিতিক আৰ্হিৰ ফুল থাকে। আতীজতে হাখুন টাংচা মহিলাসকলে হাতৰ

নাম, মুখ আদিত টেটু আঁকিছিল। এই টেটুৰ আহিত তেওঁলোকে পিন্ধা খাটছোঙৰ তলত ঘূনাৰেৰে বাছিলয়। খাটছোঙ্ পৰিধান কৰোঁতে কঁকালত মেৰিয়াই পিন্ধে। বস্ত্ৰখন খুলি নপৰিবৰ কাৰণে কঁকালত এডাল ৰছীও বান্ধি লয়।

খাট্‌ছো ঃ

হাখুন টাংচা মহিলাৰ কঁকালত পৰিধেয় আন এপদ বস্ত্ৰৰ নাম খাট্‌ছো। খাট্‌ছোখন কেৱল উৎসৱ-অনুষ্ঠানত নাচোঁতেহে পিন্ধে। তেওঁলোকৰ খাট্‌ছোখনৰো মূল ৰঙ বগা। বগাৰ মাজত ক'লা, ৰঙা ৰঙৰ সূতাৰে গাথিয়লী দিয়া থাকে। খাট্‌ছোখনৰ জোখ বহলে প্ৰায় দুই হাত আৰু দীঘলে চাৰি-পাঁচফুট। খাট্‌ছোখন পৰিধান কৰোঁতে কঁকালৰপৰা আঁঠুৰ ওচৰ পায়হি অৰ্থাৎ আঁঠুত পৰাকৈ পৰিধান কৰে। এই বস্ত্ৰখনো কঁকালত মেৰিয়াই পিন্ধে।

খাটিছ' ঃ

খাটিছ' হাখুন টাংচা মহিলাই কঁকালত পৰিধান কৰা অন্য এবিধ বস্ত্ৰ। এই কাপোৰখনো তেওঁলোকে কেৱল নাচোঁতেহে পিন্ধে। খাটিছ'খন দীঘলে প্ৰায় ছয় হাত আৰু বহলে তিনি হাত। খাটিছ'ৰ ৰঙ ৰঙা। উৎসৱ-অনুষ্ঠানত নৃত্য কৰোঁতে খাটিছ'খন ঠেকৈকে আনি লৈ ইতিমধ্যে পিন্ধি থকা খাট্‌ছোখনৰ ওপৰত কঁকালত মেৰিয়াই পিন্ধিব লাগে। মেৰিয়াওঁতে এনেদৰে মেৰিয়াব লাগে যাতে খাটিছ'ৰ আগডো গাৰ বাওঁফালেদি প্ৰায় এহাতমান ওলমি থাকে।

সুপফ'বা ঃ

হাখুন টাংচা মহিলাৰ পৰম্পৰাগত সাজত এখন মূৰত বন্ধা কাপোৰো আছে। খেতি পথাৰত অথবা ঘৰ-গৃহস্থালিৰ বিভিন্ন কাম কৰোঁতে হাখুন মহিলাসকলে মূৰত এখন কাপোৰ মেৰিয়াই বান্ধি লয়। এই কাপোৰখনৰ নাম সুপফ'বা। সুপফ'বাৰ নিৰ্দিষ্ট ৰং নাই। সুপফ'বা বগা, ক'লা, ৰঙা, নীলা আদি বিভিন্ন ৰঙৰ থাকে।

মুছাম ঃ

হাখুন টাংচা মহিলাই কঁকালৰ ওপৰৰ অংশত পিন্ধা চোলাটোৰ নাম মুছাম। উৎসৱ-অনুষ্ঠানত নাচোঁতে খাটিছ'ৰ লগত মিলাই সাধাৰণতে ক'লা ৰঙৰ হাতপৰা মুছাম ব্যৱহাৰ কৰে। অতীজতে তাঁতশালত কাপোৰ বৈ মুছাম চিলাই লৈছিল যদিও বৰ্তমান বজাৰত উপলব্ধ বিভিন্ন ৰঙৰ মুছাম তেওঁলোকে পৰিধান কৰে।

হাখুন টাংচাসকলৰ সাজপাৰৰ পৰিবৰ্তন ঃ



সমাজ আৰু সংস্কৃতি সদায় একেদৰে বৈ নাথাকে। গতিশীল সময়ৰ সৈতে খোজ মিলাই সংস্কৃতিৰ বুকুত পৰিবৰ্তনৰ বা লাগে। পৰিবৰ্তনৰ বতাহত সংস্কৃতিৰ কিছুমান উপাদান হেৰাই যায় আৰু কেতিয়াবা নতুন উপাদান সংযোগ হয়। পৰিবৰ্তনশীলতাৰ চিৰন্তন ৰীতি মানি হাখুন টাংচাসকলৰ সমাজ-সংস্কৃতিতো নতুনত্বৰ সংযোজন হৈছে। কিন্তু কিছু ক্ষেত্ৰত পৰিবৰ্তনৰ গবাহত কিছুমান উপাদান কালৰ বুকুত জাহ যোৱাৰ উপক্ৰম হৈছে। যুগৰ এই পৰিবৰ্তনৰ বতাহে হাখুন টাংচাসকলৰ সাজপাৰকো চুই গৈছে। শিক্ষাৰ প্ৰসাৰ, বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ দ্ৰুত সম্প্ৰসাৰণ, বিশ্বায়নৰ প্ৰভাৱ, ৰুচিবোধৰ পৰিবৰ্তন, যোগাযোগ ব্যৱস্থাৰ উন্নতি, আধুনিকতাৰ প্ৰভাৱ, ওচৰ-চুবুৰীয়া অন্যান্য জনগোষ্ঠীৰ লগত সঘন সংশ্ৰৱ ইত্যাদি বিভিন্ন কাৰকে হাখুন টাংচা জনগোষ্ঠীৰ পৰম্পৰাগত সাজপাৰ তথা বয়ন শিল্পলৈ দ্ৰুত পৰিবৰ্তন কঢ়িয়াই আনিছে। অতীজতে হাখুন টাংচা শিপিনীসকলে কপাহ আৰু এবিধ বিশেষ গছৰ আঁহৰপৰা সূতা কাটি কাপোৰ বৈছিল। কিন্তু বৰ্তমান বিশ্বায়নৰ ফলস্বৰূপে গঢ় লৈ উঠা মুক্ত বজাৰ অৰ্থনীতিত সকলো বস্তু সহজলভ্য হোৱাৰ বাবে হাখুন শিপিনীয়ে কষ্ট কৰি নিজে সূতা কাটি কাপোৰ বোৱাতকৈ বজাৰত উপলব্ধ যন্ত্ৰত কটা সূতাহে কাপোৰ ব'বৰ কাৰণে ব্যৱহাৰ কৰে। এতিয়া বজাৰত সহজতে পোৱা ভিন্নবৰ্ণী কপাহী আৰু মিহি উলসূতা তেওঁলোকৰ কাপোৰ বোৱাৰ প্ৰধান উপাদান। বয়নশিল্পৰ বাহিৰেও তেওঁলোকে পৰিধান কৰা সাজপাৰতো যথেষ্ট পৰিবৰ্তন আহিছে। হাখুন টাংচা পুৰুষ-মহিলা উভয়ে দৈনন্দিন জীৱনত পৰম্পৰাগত সাজপাৰৰ সলনি বজাৰৰপৰা ক্ৰয় কৰা সাজপাৰহে পৰিধান কৰা দেখা যায়। সম্প্ৰতি হাফপেণ্ট, জিন্সপেণ্ট, চাৰ্ট, জেকেট, থ্ৰি কোৱাৰ্টাৰ আদি হাখুন পুৰুষৰ দৈনিক জীৱন যাত্ৰাৰ সাধাৰণ সাজ। সেইদৰে যুৱতীসকলে চুৰিদাৰ, স্কাৰ্ট, টপ, ফ্ৰক, জিন্স, লেগিংচ আদি আধুনিক সাজ পিন্ধে। বিবাহিত মহিলাসকলেও বেপাৰ, টপ, চুৰিদাৰ আদি পিন্ধিবলৈ লৈছে। এই পৰিবৰ্তনশীলতাৰ মাজতে দুই এক পুৰুষ-মহিলাই ঘৰুৱা জীৱনতো পৰম্পৰাগত সাজ পৰিধান কৰা দেখা যায়।

সাম্প্ৰতিক সময়ত বিশ্বৰ অন্যান্য জনগোষ্ঠীৰ দৰে হাখুন টাংচা সকলেও জাতীয় চেতনাৰে উদ্বুদ্ধ হৈ স্বকীয় পৰম্পৰা তথা ঐতিহ্য সংৰক্ষণৰ হেতু প্ৰচেষ্টা চলাইছে। এনে প্ৰচেষ্টাৰ অংশ হিচাপে তেওঁলোকে

নিজস্ব জাতীয় সাজপাৰ আৰু আ-অলংকাৰ পৰিধান কৰি উৎসৱ-অনুষ্ঠান আদিত উৎসাহেৰে অংশগ্ৰহণ কৰা পৰিলক্ষিত হয়। মুঠতে তেওঁলোকৰ সমাজ-সংস্কৃতিৰ এবিধ অন্যতম সম্পদ হিচাপে সাজপাৰৰ এক স্বকীয় ৰূপ আছে।

প্ৰসংগ সূত্ৰ ঃ

১। Hugo C. Cardoso (Ed.) : Language Documentation & Conservation No.7 (January 2014) Language Endangerment in South Asia, Page-62

২। Surendra Nath Barua : Tribes of Indo-Burma Border, Page-3

লেখিকা ঃ সহকাৰী অধ্যাপিকা, নাহৰকটীয়া কলেজ।

# গৰিমা



সম্পাদক

নীলিমা শেনচোৱা

দীপাঞ্জলী গগৈ

**Garima :**
A collection of Assamese articles edited by Nilima Sensua & Dipanjali Gogoi and published by Purbayon P2ublication, Panbazar, Guwahati-1, Assam, India.

**First Edition :** October, 2022 **Price :** Rs. 190/-

**ISBN :** 978-93-95103-53-4

# গৰিমা

প্ৰথম প্ৰকাশ ঃ অক্টোবৰ, ২০২২

মূল্য ঃ ১৯০ টকা

বেটুপাত ঃ চিত্ৰলেখা

গ্ৰন্থস্বত্ব ঃ সম্পাদক

প্ৰকাশক ঃ
পূৰ্বায়ণ প্ৰকাশন
যশোৱন্ত ৰোড, পাণবজাৰ আদৰ্শ প্ৰাথমিক বিদ্যালয়ৰ সমীপত
পাণবজাৰ, গুৱাহাটী-১, অসম
Email- purbayonindia21@gmail.com
website: purbayonpublication.com
✆ ৯৮৬৪৪২২১৫৭

**Printed at :** Purbayon Publication Pvt. Ltd.
Panbazar, Guwahati- 1, Assam, India

■ নীলকণ্ঠী ব্ৰজ উপন্যাসত নাৰীৰ কাৰুণ্য

নীলিমা শেনচোৱা/৭৬

■ অসমৰ ভাষা চৰ্চাৰ ইতিহাসত মহিলা ঃ এক চমু অৱলোকন

দীপাঞ্জলী গগৈ /৮৫

■ ভূপেন হাজৰিকাৰ গীতত জনজাতীয় ঐক্যবোধ

দীপামণি শৰ্মা/৯৬

■ য়েছে দৰজে ঠংচিৰ মৌন ওঁঠ মুখৰ হৃদয় উপন্যাসত প্ৰতিফলিত সমাজ জীৱন

বিজুমণি দত্ত/১০২

■ সমৃদ্ধ জাতীয় জীৱন, শক্তিশালী আত্মপৰিচয় আৰু শিক্ষা

সুকন্য ফুকন/১০৯

■ নিৰ্মলপ্ৰভা বৰদলৈৰ গীতৰ বিষয় বৈচিত্ৰ্য

ড° ৰুবা বুঢ়াগোহাঁই/১১২

■ জয়শ্ৰী গোস্বামী মহন্তৰ 'চাণক্য'

লাৱণ্য ৰবা/১২৩

■ মহিলা উদ্যমিতা আৰু ক'ভিড-১৯ পৰিস্থিতি

ড° বিনীতা গগৈ/১৩২

■ মহীয়সী নাৰীসত্তাৰ অনন্য প্ৰতিফলন 'মন্দোদৰী'

কণুমী সোণোৱাল/১৪৫

■ ঊনবিংশ শতিকাত অসমৰ অভিধান চৰ্চা

ড° কৰবী গগৈ/১৫২

■ नारी तु शक्ति स्वरुपा, दुर्गा

पुर्णिमा तामुली/১৫৮

# মহীয়সী নাৰীসত্তাৰ অনন্য প্ৰতিফলন 'মন্দোদৰী'

*কস্তুৰী সোণোৱাল*

*সহকাৰী অধ্যাপিকা, নাহৰকটীয়া মহাবিদ্যালয়*

ৰামায়ণক আধাৰ হিচাপে লৈ সাহিত্য ৰচনা কৰাৰ পৰম্পৰা অসমীয়া সাহিত্যত বহু প্ৰাচীন। অসমীয়া সাহিত্যৰ প্ৰাক্‌-শংকৰী যুগতেই (চতুৰ্দশ শতিকা) মাধৱ কন্দলিয়ে বাল্মীকি ৰচিত ৰামায়ণ অসমীয়া ভাষালৈ অনুবাদ কৰিছিল। তেওঁৰ পাছত বিভিন্নজনে ৰামায়ণক আধাৰ হিচাপে লৈ গ্ৰন্থ ৰচনা কৰি প্ৰাচীন অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰিছে। এই পৰম্পৰা আধুনিক অসমীয়া সাহিত্যতো অব্যাহত আছে। ৰামায়ণৰ বিভিন্ন ঘটনা, আখ্যান, চৰিত্ৰ আদিক আধাৰ হিচাপে লৈ অসমীয়া সাহিত্যৰ কেইবাজনো সাহিত্যিকে গল্প, কবিতা, উপন্যাস আদি ৰচনা কৰি আধুনিক অসমীয়া সাহিত্যকো সমৃদ্ধ কৰিছে। এই সাহিত্যিকসকলৰ ভিতৰত অসমীয়া সাহিত্যৰ এগৰাকী প্ৰথিতযশা সাহিত্যিক ড° মালিনী অন্যতম। তেওঁ মহাকাব্য ৰামায়ণৰ আলম লৈ কেইবাখনো উপন্যাস ৰচনা কৰি পাঠকৰ সমাদৰ বুটলিবলৈ সক্ষম হৈছে।

ড° মালিনীৰ ৰামায়ণকেন্দ্ৰিক এখন অন্যতম উপন্যাস 'মন্দোদৰী'। মহাকাব্য ৰামায়ণৰ প্ৰতিনায়ক ৰাৱণৰ পত্নী মন্দোদৰীৰ চৰিত্ৰ আধাৰিত এই উপন্যাস। ৰাৱণৰ প্ৰধান ৰাজমহীষী মন্দোদৰীৰ অন্তৰৰ হৰ্ষ-বিষাদ, দুখ-যন্ত্ৰণা, অসহায়তা সকলোখিনি ঔপন্যাসিকে চৰিত্ৰটিৰ মাজেৰে মৰ্মস্পৰ্শীভাৱে উপস্থাপন কৰিবলৈ সক্ষম হৈছে।

দানৱ বংশৰ মহান শিল্পী ময়দানৱৰ ৰূপে-গুণে অদ্বিতীয়া কন্যা মন্দোদৰী।

[illegible]

[illegible] (মালিনী, মালঞ্চ, পৃষ্ঠা - ১০)

[illegible]

"[illegible]" (উল্লিখিত গ্রন্থ, পৃষ্ঠা - ১১)

[illegible]



[illegible]

"[illegible]" (উল্লিখিত গ্রন্থ, পৃষ্ঠা - ৪২)

[illegible]

"[illegible]" (পৃ. ৪২)

[illegible]

[illegible]

[illegible]

[illegible]

[illegible]

[illegible]

"[illegible]"

[illegible]



[illegible]

"[illegible]"

[illegible]

[illegible]

[illegible]

[illegible]

[illegible]

"[illegible]" [illegible]

[illegible]

উৎপন্ন হোৱা শাপাৰে জীৱন ধাৰণ কৰিছে, সেই দেশ আৰু তাৰ নাৰী শত্ৰুপক্ষক যোগাযোগ কৰাটো মন্দোদৰীয়ে ক্ষমা নকৰে।" (উল্লিখিত গ্ৰন্থ, পৃষ্ঠা - ১৫২) বিভীষণে শত্ৰুপক্ষত যোগদান নকৰা হ'লে হয়তো ৰামশিবিৰে ৰাক্ষস কুলৰ বহু গোপনীয় কথাৰ সন্ধান নাপালেহেঁতেন।

নাৰীৰ স্বাভাৱিক প্ৰবৃত্তি অনুসৰি মন্দোদৰীয়ে সীতাৰ প্ৰতি ঈৰ্ষান্বিত হৈছে। ৰাম-ৰাৱণৰ যুদ্ধত যেতিয়াই ৰাম অনুগামী সৰ্বনাশ সাধি অচেতন কৰি পেলাইছিল। ৰাক্ষস বাহিনীৰ বিজয়ৰ বাৰ্তা সমগ্ৰ লংকা নগৰীত তৎমুহূৰ্তত বিয়পি পৰিছিল। সেই মুহূৰ্তত মন্দোদৰীয়ে অসহায় সীতাৰ কথা ভাবিছে। সীতাই যদি উপায়বিহীন হৈ ৰাৱণৰ ওচৰত আত্মসমৰ্পণ কৰে, তেন্তে মন্দোদৰীৰ ঠাইত সীতাই প্ৰধান ৰাজমহিষীৰ আসন গ্ৰহণ কৰিব। সেই কথা চিন্তা কৰি মন্দোদৰীৰ মন অশান্ত হৈ পৰিছে।

উপন্যাসখনৰ শেষত স্বামীৰ মৃত্যুটো বিচলিত নহৈ স্থিতপ্ৰজ্ঞা মন্দোদৰীয়ে লংকাৰ নতুন ৰজা বিভীষণৰ পৰামৰ্শমতে ৰাজকাৰ্যত মনোনিৱেশ কৰিবলৈ সিদ্ধান্ত লৈছে। পৌলস্ত্য বংশোদ্ভৱ ৰাক্ষসসকলৰ উচিত অতি প্ৰজাপালক কৰ্ম আৰু অপকাৰ্যৰ বিষয়ে জ্ঞান দি আগবঢ়াই নিয়াৰ সিদ্ধান্তত তেওঁ নিজেও সুখী অনুভৱ কৰিছে।

মন্দোদৰী চৰিত্ৰৰ মাজেৰে একাকী মহীয়সী নাৰীসত্তাৰ প্ৰতিফলন 'মন্দোদৰী' উপন্যাসখনত লক্ষ্য কৰা যায়। লংকাৰ ৰজা মহাপ্ৰতাপী ৰাৱণৰ হাতত বাৰে বাৰে অপমানিতা হৈও কোনোদিন পত্নীধৰ্মৰ পৰা বিচলিত নোহোৱা মন্দোদৰীৰ মাজত একাৰ্থী পতিব্ৰতা নাৰীৰ পূৰ্ণ প্ৰতিফলন ঘটিছে। সুশিক্ষিতা মন্দোদৰীয়ে সীতাৰ বাবেই জীৱনত সকলোকে হেৰুৱাই নিঃস্ব হৈ পৰিল যদিও স্বামীৰ হৈ সীতাৰ ওচৰত ক্ষমাও খুজিছে। ৰাক্ষসকুলৰ হৈও নিজ স্বভাৱৰ দ্বাৰা মন্দোদৰীয়ে সেই সমাজৰ সকলোকে আপোন কৰি লৈছে। ৰজাৰ অৱৰ্তমানত ৰাজ্যৰ শাসনভাৰ সুকলমে চলাব পৰা মহাৰাণী হিচাপেও তেওঁ কৃতিত্বৰ পৰিচয় দিছে। আনহাতে নাৰীসুলভ মাতৃত্বৰে সন্তানৰ মৃত্যুত তেওঁ পৰম শোকাকুলিত। সীতাৰ প্ৰতি ঈৰ্ষান্বিত মন্দোদৰীৰ মাজত নাৰীৰ স্বাভাৱিক দোষ-গুণৰ সমাহাৰ ঘটিছে। উপন্যাসখনৰ শেষত ৰাক্ষস বংশৰ নৱপ্ৰজন্মক সুশিক্ষা প্ৰদান কৰিবলৈ আগবঢ়া মন্দোদৰীয়ে আশা কৰিছে এখনি নতুন লংকাৰ।



মূল গ্ৰন্থ :

ড° মালিনী : মন্দোদৰী, পূৰ্বাঞ্চল প্ৰকাশ, গুৱাহাটী, প্ৰথম প্ৰকাশ, ২০১২

প্ৰাসংগিক গ্ৰন্থপঞ্জী :

দত্ত, [illegible] : অসমীয়া উপন্যাস পৰিক্ৰমা, বনলতা, গুৱাহাটী প্ৰথম প্ৰকাশ, ২০১৬

ঠাকুৰ, নগেন (সম্পাদনা) : এশ বছৰৰ অসমীয়া উপন্যাস, জ্যোতি প্ৰকাশন পানবজাৰ, গুৱাহাটী-১, প্ৰথম প্ৰকাশ, ২০০০

০০০

22-23

# উদ্দীপ্তা

## উত্তৰ-পূৰ্বাঞ্চলৰ বিশিষ্ট মহিলাৰ জীৱন গাঁথা



সম্পাদনা
ড° জ্যোতিৰেখা গগৈ

**Uddeepta :** A collection of research articles on prominent Women of North East India. An initiative by Women Studies Cell, Naharkatiya College edited by Dr. Jyotirekha Gogoi, Published by- Baangmoi Publication & Printing, Demow Madhupur, Dist- Sivasagar (Assam), Pin-785662.

সম্পাদনা সমিতি ঃ

সভাপতি ঃ ড° জ্যোতিপ্ৰসাদ কোঁৱৰ (অধ্যক্ষ)

কাৰ্য্যকৰী সভাপতি ঃ মামণি দেৱী

উপদেষ্টা ঃ ড° অনিতা মহন্ত, চন্দ্ৰমল্লিকা সন্দিকৈ,
ড° স্মৃতিৰেখা গগৈ গায়ন, কৰবী হাজৰিকা, ৰুণুমী সোণোৱাল

সম্পাদিকা ঃ ড° জ্যোতিৰেখা গগৈ

সদস্যা ঃ ড° স্বপ্নালী বৰা, পত্ৰিকা সন্দিকৈ

প্ৰকাশক ঃ বাঙ্ময় প্ৰকাশন

প্ৰথম প্ৰকাশ ঃ ছেপ্তেম্বৰ, ২০২২

ISBN : 978-81-957811-0-2

মূল্য ঃ ২৫০/- টকা

মুদ্ৰণ ঃ বাঙ্ময় প্ৰকাশন আৰু মুদ্ৰণ, ডিমৌ, শিৱসাগৰ

(গ্ৰন্থখনিত প্ৰকাশিত প্ৰবন্ধসমূহৰ ভাৱধাৰা আৰু বক্তব্য লেখকসকলৰ নিজস্ব)

- মামণি ৰয়চম গোস্বামী ঃ এক অনন্য সত্তা

  ✍ দীপাঞ্জলী গগৈ ♦ ১৮২ ♦

- পূৰবী বৰমুদৈ ঃ জীৱন আৰু সাহিত্য-কৃতি

  ✍ ড° সঙ্গীতা গগৈ ♦ ১৯১ ♦

- টেমছুলা আও ঃ উত্তৰ-পূৰ্বাঞ্চলৰ এক আত্মদীপ্ত সত্তা

  ✍ ড° নয়নজ্যোতি ভূঞা ♦ ১৯৮ ♦

বিশিষ্ট খেলুৱৈ ঃ

- ক্ৰীড়াজগতত ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ নাৰী।

  ✍ জয়শ্ৰী গগৈ ♦ ২১৪ ♦

বিশিষ্ট অভিনেত্ৰী ঃ

- অসমৰ প্ৰথম গৰাকী অভিনেত্ৰী আইদেউ সন্দিকৈ

  ✍ ৰাজেন দাস ♦ ২২১ ♦


♦ ♦ ♦

# পূৰবী বৰমুদৈৰ জীৱন আৰু সাহিত্যকৃতি

ড° সঙ্গীতা গগৈ

সাৰাংশ ঃ

*অসমীয়া সাহিত্য জগতৰ এক লেখত লবলগীয়া সাহিত্যিক হ'ল পূৰবী বৰমুদৈ। নিজৰ ৰুগীয়া দেহাৰেই তেওঁ অসমীয়া সাহিত্যলৈ যি অৱদান আগবঢ়াই গ'ল সি অতুলনীয়। নিজস্ব বৈশিষ্ট্যৰে তেওঁৰ সাহিত্যৰাজিয়ে অসমীয়া সাহিত্য জগতত স্থান দখল কৰি থাকিবলৈ সক্ষম হৈছে। গল্পকাৰ আৰু ঔপন্যাসিক হিচাপে তেওঁ খ্যাত। জীৱনৰ সৰু-বৰ সকলো ঘটনাই তেওঁৰ ৰচনাত ঠাই পাইছে আৰু তেওঁৰ বৰ্ণনাত ই অতুলনীয় হৈ উঠিছে। জীৱন আৰু জগতৰ সূক্ষ্ম পৰ্যবেক্ষণ তেওঁৰ ৰচনাত দেখা যায়। পৰম্পৰাগত পটভূমিক তেওঁ নতুন দৃষ্টিভংগীৰে সাহিত্যত উপস্থাপন কৰিছে। জীৱনৰ বাস্তৱ চিত্ৰ তেওঁৰ সাহিত্যত প্ৰতিফলিত হোৱা দেখা যায়।*

**বীজশব্দ ঃ** পূৰবী বৰমুদৈ, জীৱন, সাহিত্য, গল্প, উপন্যাস, বৈশিষ্ট্য

**অৱতৰণিকা ঃ**

পূৰবী বৰমুদৈ অসমীয়া সাহিত্য জগতৰ এক উজ্জ্বল নক্ষত্ৰ। তেওঁ মূলতঃ এগৰাকী গল্পকাৰ আৰু ঔপন্যাসিক। তেওঁৰ পৰা আমি লাভ কৰিব পাৰোঁ অন্তহীন অনুপ্ৰেৰণা। নিজস্ব প্ৰতিভাৰে তেওঁ অসমীয়া সাহিত্যত এক সুকীয়া স্থান দখল কৰি আছে।

**মূল আলোচনা ঃ**

অসমীয়া সাহিত্যৰ ক্ষেত্ৰখনক বিশেষভাৱে সমৃদ্ধিশালী কৰা পূৰবী বৰমুদৈৰ

জন্ম হৈছিল ১৯৫০ চনৰ ৮ মে' তাৰিখে তেজপুৰ চহৰৰ দেউৰীগাঁৱত। তেখেতৰ পিতৃৰ নাম চন্দ্ৰনাথ তামুলী আৰু মাতৃৰ নাম পদ্মা তামুলী। পিতৃ চন্দ্ৰনাথ তামুলী এগৰাকী শিক্ষক আৰু মাতৃ এগৰাকী সু-অনুবাদক হিচাপে পৰিচিত আছিল। পূৰবী বৰমুদৈয়ে ১৯৬৭ চনত তেজপুৰ উচ্চতৰ মাধ্যমিক বহুমুখী বালিকা বিদ্যালয়ৰ পৰা উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হৈছিল। ১৯৭০ চনত তেওঁ দৰং মহাবিদ্যালয়ৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ১৯৭৩ চনত বুৰঞ্জী বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। শিক্ষকতাৰে তেওঁ কৰ্মজীৱন আৰম্ভ কৰে যদিও সাহিত্য চৰ্চাত একাগ্ৰতাৰে মনোযোগ দিয়াৰ সুবিধাৰ্থে কৰ্মজীৱন ত্যাগ কৰে। ১৯৭৬ চনত পূৰবী বৰমুদৈয়ে বিশিষ্ট শিক্ষাবিদ, সাহিত্য সমালোচক আনন্দ বৰমুদৈৰ লগত বিবাহপাশত আবদ্ধ হয়। অসমীয়া গল্প আৰু উপন্যাসৰ ক্ষেত্ৰখনত সবল উপস্থিতিৰে অসমীয়া সাহিত্যৰ ভঁড়াল টনকিয়াল কৰা পূৰবী বৰমুদৈৰ মৃত্যু হয় ২০১৯ চনৰ ১৫ জুলাই তাৰিখে। তেখেতৰ মৃত্যু অসমৰ সাহিত্য জগতৰ বাবে এক অপূৰণীয় ক্ষতি।

পূৰবী বৰমুদৈয়ে সাহিত্যিক জীৱনৰ পাতনি মেলিছিল কবিতা ৰচনাৰে। সাহিত্য কৰ্মৰ বাবে তেওঁ অনেক সন্মান লাভ কৰিছিল। তেওঁ '*গজৰাজ, প্ৰেম আৰু বন্দীত্ব*' উপন্যাসৰ বাবে অসম সাহিত্য সভাৰ বাসন্তী বৰদলৈ বঁটা (২০০০), সাহিত্য সমগ্ৰৰ বাবে সদৌ অসম লেখিকা সমাৰোহৰ প্ৰথম লেখিকা বঁটা (২০০৬), '*কপৌৱালী নৈৰ সোণোৱালী ঘাট*' উপন্যাসৰ বাবে ছগনলাল জৈন সাহিত্য বঁটা (২০০৬), সমগ্ৰ সাহিত্য কৃতিৰ বাবে প্ৰবীণা শইকীয়া সাহিত্য বঁটা (২০০৭), UATVৰ শ্ৰেষ্ঠ সাহিত্যিক বঁটা (২০০৭), '*শান্তনুকুলনন্দন*' উপন্যাসৰ বাবে সাহিত্য অকাডেমী বঁটা (২০০৭), অসম উপত্যকা বঁটা (২০১১), আৰু ২০১৮ চনত নুমলীগড় তেল শোধনাগাৰ কৰ্তৃপক্ষৰ দ্বাৰা জীৱনজোৰা সাধনাৰ সন্মান লাভ কৰিছিল। পূৰবী বৰমুদৈৰ সাহিত্য ৰাজি হ'ল—

উপন্যাস ঃ

*গজৰাজ, প্ৰেম আৰু বন্দীত্ব* (১৯৯৯), *বাঘশাল, বাঘজাল আৰু মানুহ*



(২০০০), *পৰম পূজনীয় আৰু দুখন উপন্যাসিকা* (১৯৭৬), *শান্তনুকুলনন্দন* (২০০৫), *কপৌৱালী নৈৰ সোণোৱালী ঘাট* (২০০১), *পূৰবী বৰমুদৈৰ নিৰ্বাচিত উপন্যাসিকা* (২০০৫), *এটা আলিবাটৰ ইতিকথা* (২০১০)।

চুটিগল্প ঃ

*শীতৰ কুঁৱলী* (১৯৭৭), *পূৰবী বৰমুদৈৰ নিৰ্বাচিত গল্প* (প্ৰথম খণ্ড, ২০০২), *পূৰবী বৰমুদৈৰ নিৰ্বাচিত গল্প* (দ্বিতীয় খণ্ড, ২০০৮), *পূৰবী বৰমুদৈৰ নিৰ্বাচিত গল্প* (তৃতীয় খণ্ড, ২০১৫), *হেৰুৱাজনক বিচাৰি আৰু অন্যান্য গল্প* (২০১৪), *অৱশেষত বৰষুণ* (২০১৬), *সপোনৰ ঘৰ ঘৰৰ সপোন* (২০১৮)।

পূৰবী বৰমুদৈৰ উপন্যাস ঃ

পূৰবী বৰমুদৈয়ে মূলতঃ ঔপন্যাসিক হিচাপে অসমীয়া সাহিত্য জগতত খ্যাতি লাভ কৰিছিল। তেওঁৰ প্ৰথম উপন্যাসখন হ'ল *গজৰাজ, প্ৰেম আৰু বন্দীত্ব*। এই উপন্যাসখনৰ পটভূমি হৈছে গাঁৱৰ পৰিৱেশেৰে সিক্ত গাঁৱলীয়া সমাজ জীৱন। উপন্যাসখনত দুটা কাহিনীয়ে সমান্তৰালভাৱে গতি কৰা দেখা যায় যদিও হাতীৰ কাহিনীটোহে অধিক স্পষ্ট ৰূপত ফুটি উঠা যেন বোধ হয়। উপন্যাসখনত এফালে মৌজাদাৰ পৰিয়ালৰ আভিজাত্য ফুটি উঠাৰ বিপৰীতে আনফালে বজা, বজাৰ মাক, ৰেৱতী, চেনিবাজ আদি গাঁৱৰ চৰিত্ৰসমূহৰ মাজত সহজ-সৰল মনোভাব ফুটি উঠা দেখা যায়। অসমত প্ৰচলন থকা হাতী ধৰা, হাতী পোহা, হাতী আৰু মানুহৰ মাজত থকা আত্মিক সম্পৰ্কৰ কথা উপন্যাসখনত বৰ্ণিত হৈছে। বনৰ হাতী ধৰি তাক কেনেদৰে ঘৰচীয়া কৰে সেই সম্পৰ্কীয় বৰ্ণনাও উপন্যাসখনত বিচাৰি পোৱা যায়। হাতী চিকাৰ আৰু পোহ মনোবাৰ লগত জড়িত লোকপৰম্পৰাৰ আভাস আমি উপন্যাসখনৰ জৰিয়তে পাব পাৰোঁ। বন্দী হাতীটো তেওঁ নাৰী জীৱনৰ বন্দীত্বৰ প্ৰতীক স্বৰূপে উপস্থাপন কৰিছে। গৃহিণীৰ আসনত বহিও নাৰী যে বন্দী থাকে এই উপন্যাসখনৰ জৰিয়তে তেওঁ প্ৰতীয়মান কৰিব বিচাৰিছে।

পূৰবী বৰমুদৈৰ দ্বিতীয়খন উপন্যাস হৈছে *বাঘশাল, বাঘজাল আৰু মানুহ*। উপন্যাসখনত তেওঁ অনেক বাঘৰ কাহিনী সংযোজন কৰিছে। বাঘ চিকাৰৰ ক্ষেত্ৰত

মানুহে কেনেদৰে জাল পাতি আৰু শাল পাতি বাঘ ধৰিছিল সেই সম্পৰ্কে উপন্যাসখনৰ পৰা চমু আভাস পাব পাৰি। উপন্যাসখনত বন্দী হোৱা বাঘজনী নাৰীৰ প্ৰতীকৰূপে তেওঁ ব্যৱহাৰ কৰিছে। উপন্যাসখনত ৰক্ষণশীল সমাজত নাৰীমুক্তিৰ চেতনা ব্যঞ্জিত হোৱা দেখা পাওঁ। উপন্যাসখনত দুটা প্ৰজন্মৰ মাজত সংঘাত হোৱা দেখা যায় আৰু ইয়ে উপন্যাসখনক গতি প্ৰদান কৰিছে। উপন্যাসত বৰ্ণিত নীল গোঁসাইৰ মাক ৰক্ষণশীল সমাজৰ প্ৰতিনিধি। আনহাতে নীল গোঁসাইৰ পত্নী ৰক্ষণশীল সমাজ ব্যৱস্থাই নিৰ্যাতন কৰা নাৰীৰ প্ৰতিনিধি হিচাপে চিত্ৰিত হৈছে। ৰক্ষণশীল সমাজ ব্যৱস্থাই নাৰীৰ জীৱনলৈ আনি দিয়া দুখ কষ্ট উপন্যাসখনত বৰ্ণিত হৈছে। বাঘশালত বন্দী বাঘক যেনেদৰে মানুহে হানি-খুঁচি মাৰিছে তেনেদৰে ৰক্ষণশীল সমাজেও এগৰাকী নাৰী জীৱনলৈ তিলতিলকৈ অন্ধকাৰ নমাই আনে। প্ৰতীকাত্মক ৰূপত তেওঁ বাঘৰ প্ৰসংগ এই উপন্যাসখনত বৰ্ণনা কৰিছে।

পূৰবী বৰমুদৈৰ আন এখন উপন্যাস হৈছে *ৰূপোৱালী নৈৰ সোণোৱালী ঘাট*। এই উপন্যাসখনৰ পটভূমি হৈছে ঊনবিংশ শতিকাৰ অসমৰ সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক অৱস্থা। অসমৰ বাবে ঊনবিংশ শতিকাটো আছিল অতি গুৰুত্বপূৰ্ণ এছোৱা সময়। শিক্ষা-দীক্ষাৰ পৰা আৰম্ভ কৰি ব্যৱসায় বাণিজ্যলৈকে এই সময়ছোৱাতে নতুনত্বৰ ঢল নামিছিল। কলিকতাত পঢ়িবলৈ যোৱা অসমীয়া ছাত্ৰসকলৰ জৰিয়তে অসমতো কেনেদৰে বংগীয় নৱজাগৰণৰ প্ৰভাৱ পৰে সেই সম্পৰ্কীয় কথা তেওঁ উপন্যাসখনত বৰ্ণনা কৰিছে। উপন্যাসখনৰ কাহিনীকাৰ হৈছে হৰকান্ত শৰ্মা মজিন্দাৰ বৰুৱা। 'অৰুণোদই সম্বাদ পত্ৰ' প্ৰকাশৰ কথা, মণিৰাম দেৱান-পিয়লি ফুকনৰ বিদ্ৰোহ, চাহৰ লগতে চাহ বাগান খোলাৰ কথা, তেল-লোণৰ পুং, কয়লাখনি, আত্মাৰাম শৰ্মা, প্ৰথম অসমীয়া খ্ৰীষ্টান নিধি লিৱাই ফাৰৱেলৰ সংঘাতপূৰ্ণ জীৱন, খামতি বিদ্ৰোহ, মোৱামৰীয়া বিদ্ৰোহ, বদন বৰফুকনৰ হত্যা কাহিনী, আনন্দৰাম ঢেকিয়াল ফুকন, হেমচন্দ্ৰ বৰুৱা আদিৰ কথা তেওঁ সুন্দৰভাৱে উপন্যাসখনত উপস্থাপন কৰিছে। মানে কৰা আক্ৰমণত অসম জুৰুলা হোৱাৰ পাছত মণিৰাম দেৱানে কলিকতালৈ গৈ কেনেদৰে উজনি খণ্ড উভতাই পোৱাৰ পৰিকল্পনা



কৰিছিল, আলি-পদূলি বন্ধাৰ কামত মণিৰাম দেৱানে কেনেদৰে বৃটিছক সহায় কৰিছিল, 'সমাচাৰ পত্ৰিকা' আৰু 'সমাচাৰ দৰ্পণ'ত অসমৰ ভৌগোলিক, ৰাজনৈতিক সমস্যাসমূহৰ বিষয়ে প্ৰবন্ধ লিখা মণিৰাম দেৱানৰ বহুতো কথা উপন্যাসখনত বৰ্ণিত হৈছে। হৰকান্ত সদৰামীন আৰু ৰাণী পদ্মৰেখাৰ সম্পৰ্কটোক কাল্পনিক প্ৰেম কাহিনী হিচাপে তেওঁ উপন্যাসখনত বৰ্ণনা কৰিছে। ঐতিহাসিক ঘটনাক্ৰমৰ লগত খাপখোৱাকৈ তেওঁ দেখি থকা সমাজখনকে উপন্যাসত চিত্ৰিত কৰিছে।

পূৰবী বৰমুদৈৰ অন্যতম এখন উপন্যাস হৈছে *শান্তনুকুলনন্দন*। এই উপন্যাসখনৰ পটভূমি হৈছে ব্ৰহ্মপুত্ৰ সভ্যতা। প্ৰতিখন নদীয়েই একোটা সভ্যতাৰ জন্ম কাহিনীৰ আঁৰত বিৰাজমান। পৃথিৱীৰ বৃহৎ বৃহৎ সভ্যতা নদীক আশ্ৰয় কৰিয়েই গঢ় লৈ উঠিছে। ঠিক তেনেদৰে ব্ৰহ্মপুত্ৰ নদীয়েই গঢ় দিছে এটা বিশাল সভ্যতা। পূৰবী বৰমুদৈয়ে ব্ৰহ্মপুত্ৰ সভ্যতাৰ ইতিহাস বিচাৰ কৰাৰ ফলত সৃষ্টি হয় শান্তনুকুলনন্দন। ব্ৰহ্মপুত্ৰ সভ্যতাৰ মিথ, মহাকাব্য-পুৰাণ কথা, ইতিহাস আদিৰে উপন্যাসখন তেওঁ সজীৱ ৰূপত উপস্থাপন কৰিছে। অসম ভ্ৰমণলৈ অহা চীন পৰিব্ৰাজক হিউৱেন চাঙৰ কথাও আমি উপন্যাসখনত বিচাৰি পাওঁ। সপ্তম-অষ্টম শতিকালৈকে বিকাশ হোৱা ব্ৰহ্মপুত্ৰ সভ্যতাৰ ইতিহাস উপন্যাসখনত ঔপন্যাসিকে বৰ্ণনা কৰিছে।

পূৰবী বৰমুদৈৰ আন এখন উপন্যাস হ'ল *এটা আলিবাটৰ ইতিকথা*। এই উপন্যাখন প্ৰথমে গৰীয়সী আলোচনীত ধাৰাবাহিকভাৱে প্ৰকাশ পায় আৰু তাৰপিছত গ্ৰন্থ আকাৰে প্ৰকাশ পায়। এই উপন্যাসৰ পটভূমি হ'ল বিখ্যাত ষ্টিলৱেল পথ। দ্বিতীয় বিশ্বযুদ্ধৰ সময়ছোৱাত আমেৰিকা আৰু তেওঁলোকৰ মিত্ৰশক্তিবোৰে চীনাসকলক সাহায্য তথা সামগ্ৰী যোগান ধৰিবৰ বাবে এই পথটো নিৰ্মাণ কৰিছিল। এই পথটোৰ নিৰ্মাণকাৰ্য আছিল অতি বিপদসংকুল। ইতিহাসৰ লগতে যুদ্ধকালীন সময়ৰ বৰ্ণনা আমি এই উপন্যাসখনত পাওঁ। দ্বিতীয় বিশ্বযুদ্ধৰ সময়ৰ আমেৰিকা, চীনৰ সামগ্ৰিক পৰিস্থিতি উপন্যাসখনত বৰ্ণিত হৈছে। যুদ্ধৰ ভয়লগা বৰ্ণনাৰ লগতে প্ৰকৃতিৰ ৰূপ, প্ৰেম, মানবীয়তা আদিৰ বৰ্ণনাও উপন্যাসখনত সজীৱ হৈ ধৰা দিছে।

টিলডেলৰ উপন্যাসখনত মুখ্য চৰিত্ৰৰ ৰূপত অংকন কৰিছে। আমেৰিকাৰ ৰেড ইণ্ডিয়ানৰ গাঁৱ, সাগৰৰ পাৰ, চীনৰ বাট-পথ, অসম-ব্ৰহ্মদেশৰ দুৰ্গম অঞ্চলৰ ৰোমাঞ্চকৰ বৰ্ণনাই উপন্যাসখন আকৰ্ষণীয় কৰি তুলিছে।

**পূৰবী বৰমুদৈৰ চুটিগল্প ঃ**

পূৰবী বৰমুদৈয়ে আধুনিক অসমীয়া গল্প সাহিত্যত স্বকীয় পৰিচয়েৰে সুকীয়া স্থান দখল কৰিবলৈ সক্ষম হৈছিল। তেওঁৰ গল্পসমূহ অগতানুগতিক। তেওঁৰ গল্পসমূহত মনস্তাত্বিক ধাৰণা প্ৰতিফলিত হোৱা দেখা যায়। সামাজিক মূল্যবোধৰ অৱক্ষয়, সমাজৰ নীচতা, হীনতা, স্বাৰ্থপৰতা আদি বিভিন্ন দিশ তেওঁৰ গল্পত ফুটি উঠিছে। পূৰবী বৰমুদৈৰ গল্প নিজা বৈশিষ্ট্যৰে পৰিপুষ্ট। মানুহৰ প্ৰাত্যহিক জীৱনৰ সৰু-বৰ সকলো ঘটনাই তেঁওৰ গল্পত এক অনন্য ৰূপত ধৰা দিয়ে। পূৰবী বৰমুদৈৰ গল্পৰ এটা বিশেষ বৈশিষ্ট্য হৈছে মধ্যবিত্ত জীৱন আৰু সংঘাতৰ লগতে মানুহৰ ব্যক্তিগত সুখ-দুখ, সমস্যা-সংঘাতেৰে ভৰা সামাজিক জীৱনক নিটোল ৰূপত চিত্ৰায়ণ কৰা। পূৰবী বৰমুদৈয়ে তেওঁৰ গল্পত পৰম্পৰা আৰু আধুনিকতা- দুয়োটাৰে সন্তুলন ৰক্ষা কৰা দেখা যায়। তেওঁৰ গল্পৰ প্ৰকাশভংগী স্পষ্ট, সৰল আৰু পোনপটীয়া হ'লেও প্ৰতীক চিত্ৰকল্পৰ সু-প্ৰয়োগ দেখা যায়। পূৰবী বৰমুদৈৰ গল্পত নাৰী মনস্তত্বৰ প্ৰকাশো দেখা যায়। চেতনাস্ৰোত ৰীতিৰ প্ৰয়োগ তেওঁৰ কিছুসংখ্যক গল্পত লক্ষ্য কৰা যায়। ব্যক্তি আৰু জীৱনৰ সংঘাত, সমাজ আৰু ব্যক্তিৰ সংঘাতৰ চিত্ৰণ তেওঁৰ গল্পত উপস্থাপন কৰা দেখা যায়। পূৰবী বৰমুদৈৰ 'ফুলপাহৰ শব্দ' গল্পত শিশু মনস্তত্বৰ লগতে হৃদয়ৰ প্ৰয়োজন বুজিবলৈ কোনো ভাষাৰ যে প্ৰয়োজন নহয় তাকে বুজাবলৈ যত্ন কৰিছে। হৃদয়ৰ ভাষাত শব্দৰ প্ৰয়োজন গৌণ। 'বুঢ়ী আইৰ সাধু' গল্পটোত সাধু শুনিবলৈ সময় নোহোৱা নাতিল'ৰাৰ লগতে প্ৰকৃতি আৰু মানুহৰ মাজৰ আত্মিক সম্পৰ্কৰ বৰ্ণনা আছে। বিপ্লৱী, ৰাজনীতিবিদ, সমাজসেৱী, চৰকাৰ সকলোকে তেওঁ গল্পটোৰ মাজেদি সমালোচনা কৰিছে। গল্পটোত সকলো স্তৰৰ মূল্যবোধৰ অৱক্ষয়ৰ বাস্তৱ ৰূপটো চিত্ৰিত কৰা হৈছে। 'যাত্ৰা' গল্পটোত সভ্য সমাজত দেহোপজীৱনী হিচাপে বাস কৰা নাৰীৰ আশা-



আকাংক্ষাৰ কথা বৰ্ণিত হৈছে। অভিজাত জীৱনৰ ফোঁপোলা সংস্কৃতি তেওঁ গল্পটোৰ মাজেৰে উদঙাই দেখুৱাইছে। জীৱনৰ অন্তৰ্জগতৰ গভীৰ অনুভূতি তেওঁৰ গল্পত বিচাৰি পোৱা যায়। জীৱন-জগতৰ সূক্ষ্ম পৰ্যবেক্ষণ তেওঁৰ গল্পত দেখা যায়।

**উপসংহাৰ ঃ**

গল্প আৰু উপন্যাস ৰচনাৰ যোগেদি পূৰবী বৰমুদৈয়ে অসমীয়া সাহিত্যলৈ যথেষ্ট অৱদান আগবঢ়াই গৈছে। জীৱনৰ বাস্তৱ চিত্ৰ তেওঁৰ সাহিত্যত প্ৰতিফলিত হয়। পূৰবী বৰমুদৈৰ প্ৰতিখন উপন্যাসেই অসমীয়া সাহিত্যৰ ক্ষেত্ৰখনক এক বিশেষ মাত্ৰা প্ৰদান কৰিছে। ইতিহাস হৈছে পূৰবী বৰমুদৈৰ উপন্যাসৰ মূল ভিত্তি। তেখেতৰ প্ৰতিখন উপন্যাসতে ইতিহাসৰ বৰ্ণনা পোৱা যায়। এই ইতিহাস হ'ল সামাজিক ইতিহাস। *শান্তনুকুলনন্দন*ৰ বাদে বাকীকেইখন উপন্যাসৰ পটভূমি হ'ল ঊনবিংশ শতিকা আৰু কুৰি শতিকাৰ প্ৰথমাৰ্দ্ধ। পূৰবী বৰমুদৈৰ গল্পত সমাজ সচেতনবাদী মনোভাৱ লক্ষ্য কৰা যায়। গল্পকাৰৰ গভীৰ জীৱনবোধ তেওঁৰ গল্পত বিচাৰি পোৱা যায়। আধুনিক মানুহৰ বাহ্যিক জীৱন আৰু মনোজগতৰ সন্ধান তেওঁৰ গল্পত পোৱা যায়। জীৱনৰ সূক্ষ্ম পৰ্যবেক্ষণ তেওঁৰ সাহিত্যৰাজিত লক্ষ্য কৰা যায়। কথনভংগীৰ কলাত্মক প্ৰয়োগ তেওঁৰ ৰচনাৰাজিৰ অন্যতম বৈশিষ্ট্য পৰম্পৰাগত পটভূমিক তেওঁ নতুন দৃষ্টিভংগীৰে মূল্যায়ন কৰিছে। চৰিত্ৰৰ মনোজগতৰ লগত পাঠকক একাত্ম কৰি তুলিব পৰাতেই তেওঁৰ সাহিত্যৰ সাৰ্থকতা। এই সকলোবোৰ দিশ সামৰি তেওঁ অসমীয়া সাহিত্য জগতত এক সুকীয়া স্থান দখল কৰি থাকিবলৈ সক্ষম হৈছে।

**সহায়ক গ্ৰন্থপঞ্জী ঃ**


বৰা, অপূৰ্ব (সম্পা.) ঃ *অসমীয়া চুটিগল্প ঐতিহ্য আৰু বিৱৰ্তন*
যোৰহাট কেন্দ্ৰীয় মহাবিদ্যালয় প্ৰকাশন কোষ, ২০১২

নেওগ, বিভা দত্ত ঃ *সাহিত্যৰ স্বাদ বৈচিত্ৰ্য*
সন্দিকৈ, নিবেদিতা বড়া (সম্পা) কিৰণ প্ৰকাশন, ধেমাজি, ২০০৯

কলিতা, নয়নজ্যোতিষ্ক ঃ *ভাষা সাহিত্য সংস্কৃতি সমীক্ষণ* বৰা,
পৰীস্মিতা (সম্পা) পূৰ্বায়ণ প্ৰকাশন, গুৱাহাটী, ২০১৮ ♦

22-23


সাংস্কৃতিক পৰিক্ৰমা মন্ত্ৰালয়
অসম চৰকাৰ

Ministry of Cultural Affairs
Government of Assam


# বসন্ত উৎসৱৰ ৰঙালী

২০২৩

NORTH-EAST
a cultural melting pot



সম্পাদক
ড° লক্ষ্যজিৎ বুঢ়াগোহাঁই

অসমৰ কাৰ্বি জনগোষ্ঠীৰ পৰম্পৰাগত লোকখাদ্য
ছয়নিকা বৰা ▶ ৪৯৮-৫০৩
নেপালীসকলৰ পৰম্পৰাগত খাদ্যসম্ভাৰ ঃ প্ৰত্যাহ্বান আৰু সম্ভাৱনা
ড° জ্যোতিৰেখা গগৈ ▶ ৫০৪-৫১০
ডাকৰ বচনত নাৰী
ড° সঙ্গীতা গগৈ ▶ ৫১১-৫২১
সোনোৱাল কছাৰীসকলৰ পৰম্পৰাগত পানীয় ঃ 'মদ' আৰু ইয়াৰ বাণিজ্যিক সম্ভাৱনা
ৰুণুমী সোণোৱাল ▶ ৫২২-৫২৮
লোকজীৱনৰ স্বাস্থ্যৰক্ষাত মন্ত্ৰৰ প্ৰয়োগ
ড° সীমা ভূঞা ▶ ৫২৯-৫৩৬
মিচিংসকলৰ লোক-বিশ্বাসজনিত লোক-চিকিৎসা পদ্ধতি
প্ৰশান্ত মিলি ▶ ৫৩৭-৫৪৫
মিচিংসকলৰ সাজ-পাৰ আৰু অয়-অলংকাৰ ঃ অতীত আৰু বৰ্তমান
তুলিকা তামুলী ▶ ৫৪৬-৫৫১
মিচিং জনগোষ্ঠীৰ লোকগীত (নিঃতম) ঃ এক অধ্যয়ন
বিতু বড়া ▶ ৫৫২-৫৬০
*BURHI AAIR SADHUI*: A BOOK OF ASSAMESE FOLKTALES AND CHILDREN'S LITERATURE AND ITS CULTURAL IMPLICATIONS
Manash Protim Khanikor[1] & Arpita Das[2] ▶ ৫৬১-৫৬৫
লোক-সাহিত্যত অসম আৰু অৰুণাচল প্ৰদেশৰ জনগোষ্ঠীয় সমন্বয়ৰ প্ৰসংগ
ড° চম্পক শইকীয়া ▶ ৫৬৬-৫৭৮
জনজাতীয় জীৱন আধাৰিত অসমীয়া উপন্যাসৰ পৰম্পৰা আৰু লুম্মেৰ দাইৰ উপন্যাসৰ গুৰুত্ব
ড° চিত্ৰজিৎ শইকীয়া ▶ ৫৭৯-৫৮১
বুৰঞ্জী পঠন ঃ গুৰুত্ব, প্ৰয়োজনীয়তাৰ পৰা উপেক্ষালৈ
প্ৰাঞ্জল মহন বৰুৱা ▶ ৫৮২-৫৮৭
অসমীয়া নাটকত জনজাতীয় জীৱনৰ প্ৰতিফলনৰ ধাৰা আৰু ইয়াৰ ক্ৰমবিকাশ
ড° মালবিকা ভূঞা ফুকন ▶ ৫৮৮-৬০৪
নক্টেসকলৰ পৰম্পৰাগত খাদ্যাভ্যাস আৰু প্ৰস্তুতকৰণ প্ৰণালী
ড° স্মৃতিৰেখা গগৈ গায়ন ▶ ৬০৫-৬০৯
ভূপেন হাজৰিকাৰ গীতত প্ৰতিফলিত উত্তৰ-পূব ভাৰতৰ ঐক্য আৰু সম্প্ৰীতি
ড° অংকুৰ দত্ত ▶ ৬১০-৬১৮
অসমৰ জনগোষ্ঠীগত দ্বন্দ্ব সন্দৰ্ভত হীৰেন গোহাঁইৰ মতাদৰ্শ
ড° চন্দনজ্যোতি চুতীয়া ▶ ৬১৯-৬২২

# ডাকৰ বচনত নাৰী

ড° সঙ্গীতা গগৈ
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ
নাহৰকটীয়া মহাবিদ্যালয়

প্ৰস্তাৱনা ঃ

অসমীয়া লোক সাহিত্যৰ এটি অন্যতম ভাগ হ'ল ডাকৰ বচন। অসমীয়া জনসাধাৰণৰ বাবে ডাকৰ বচন এক অলিখিত বেদ। অসমীয়া জনজীৱনত ডাকৰ বচনৰ বিশেষ ভূমিকা আছে। ডাক আছিল ডাকৰ বচনৰ স্ৰষ্টা। উপজিয়েই মাত মতাৰ বাবে তেওঁক 'ডাক' নামেৰে অভিহিত কৰা হয়। ডাকৰ জন্ম হৈছিল বৰপেটাৰ ওচৰৰ লেহিডঙৰা গাঁৱত। জন্ম হৈ ডাক কেৱল এদিন এৰাতিহে জীয়াই আছিল বুলি জনবিশ্বাস প্ৰচলিত হৈ আছে। নবীন চন্দ্ৰ শৰ্মাৰ মতে, ডাক-খনা আদিৰ নামত চলা প্ৰবচনবোৰ প্ৰকৃতাৰ্থত কোনো ব্যক্তিবিশেষৰ ৰচনা নহয়। কৃষিজীৱি সমাজহে এনে বচন প্ৰবচনৰ স্ৰষ্টা। ডাকক খৃঃ ষষ্ঠ শতিকাৰ পণ্ডিত বৰাহ মিহিৰৰ পুত্ৰ বুলিও কোৱা হয়। ডাকৰ বচন সদৃশ কিছুমান বচন অসমৰ বাহিৰেও ভাৰতৰ অন্য ঠাই, যেনে — বংগদেশ, বাংলাদেশ, উৰিষ্যা, বিহাৰ, উত্তৰপ্ৰদেশ আদি ঠাইতো পোৱা যায়। ভাৰতৰ অন্যান্য ঠাইত এই বচন সমূহক ডংক, ঘাঘ, ভড্ডৰ, ভড্ডৰী আদি নামৰে জনা যায়। অসমত প্ৰচলিত জনশ্ৰুতি অনুসৰি ডাক কুমাৰৰ ল'ৰা। ওপজিয়েই ডাক দিয়াৰ বাবে তেওঁৰ নামটো ডাক হয় বুলি কোৱা হয়। ডাকৰ জীৱনকাল আছিল এদিন-এৰাতি। ডাকৰ বচনসমূহ সমাজৰেই সৃষ্টি বুলি কোনো কেনো পণ্ডিতে মত পোষণ কৰে। দূৰ অতীতৰ পৰা মুখ পৰম্পৰাৰে চলি অহা কৃষি, জ্যোতিষ, শুভাশুভ নিৰ্ণয়, যাত্ৰা বিচাৰ আদি সম্পৰ্কীয় প্ৰবচনবোৰ লোকমানসে মূল্য তথা গাম্ভীৰ্য বঢ়াবলৈ ডাক, ভড্ডৰ, ডংক, ঘাঘ, ভড্ডৰী আদি কাল্পনিক ব্যক্তিৰ নামত সংযোগ কৰি দিছে। ডাক শব্দৰ অৰ্থ হ'ল আহ্বান কৰা, উচ্চাৰণ কৰা; গতিকে, যিবোৰ বচনত সমাজৰ প্ৰতি কৰা আহ্বান আছে বা সমাজৰ প্ৰতি থকা উপদেশ সমৃদ্ধ বচনবোৰকেই ডাকৰ বচন বুলি কোৱাৰ থল আছে। তিব্বতী ভাষাত ডাক মানে জ্ঞান, গতিকে ডাকৰ বচন মানে জ্ঞান বচন। সমাজৰ তথা জনসাধাৰণৰ জীৱনৰ প্ৰায় সকলো দিশেই ডাকৰ বচনৰ বিষয়বস্তু, যেনেঃ জন্ম প্ৰকৰণ, ধৰ্ম প্ৰকৰণ, ন্যায় প্ৰকৰণ, নীতি প্ৰকৰণ, ৰাজন্যাদি প্ৰকৰণ, বন্ধন প্ৰকৰণ, গৃহিণী লক্ষণ, পৰিত্যাগ কথন, বৰ্ষাদি লক্ষণ, বৃক্ষ লক্ষণ, হলবাহন ক্ৰম, অথান্ন লক্ষণ (কৃষি লক্ষণ), জ্যোতিষ প্ৰকৰণ, যমঘন্ট, কথন, যাত্ৰা লক্ষণ, সুপুৰুষৰ লক্ষণ, নাৰী লক্ষণ, টোকন-নাল আদি, টোকনৰ গুণ আদি। ডাকৰ বচনসমূহৰ ভাষাৰ প্ৰকাশিকা শক্তি অতুলনীয়। কম কথাত বিষয়ৰ বৰ্ণনা অতি সুস্পষ্টভাৱে দাঙি ধৰাটো ডাকৰ বচনৰ এটা অন্যতম বৈশিষ্ট্য। ডাকৰ বচনৰ যোগেদি মানসিকতা, ভাৱধাৰা, সুখ-দুখ আদিৰ উমান পাব পাৰি। এই

আলোচনাত অসমীয়া ডাকৰ বচনত নাৰী বিষয়ক কেনেধৰণৰ কথা প্ৰতিফলিত কৰা হৈছে সেই বিষয়ে আলোচনা কৰা হ'ব। সমাজৰ প্ৰতি উপদেশমূলক ডাকৰ বচনত নিহিত হৈ আছে। সমাজৰ মংগল কামনাই ডাকৰ বচনৰ মূল অভিব্যক্তি। 'ডাকৰ বচনত নাৰী' শীৰ্ষক বিষয়টোৰ আলোচনাৰ জৰিয়তে ডাকৰ বচনসমূহত নাৰীয়ে কেনেধৰণৰ প্ৰাধান্য লাভ কৰিছিল তথা নাৰীৰ প্ৰতি কেনেধৰণৰ উপদেশবাণী নিহিত আছিল সেই বিষয়ে জানিব পৰা যাব। আলোচনা পত্ৰখনি অধ্যয়নৰ উদ্দেশ্য হৈছে : ডাকৰ বচনৰ বিষয়বস্তু বিভিন্ন ধৰণৰ। এই আলোচনাত কেৱল নাৰী সম্পৰ্কে থকা ডাকৰ বচনৰ বিষয়েহে আলোচনা কৰা হৈছে।

**ডাকৰ বচনত নাৰী :**

ডাকৰ বচনসমূহ অসমীয়া সাহিত্য তথা সমাজ সংস্কৃতিৰ গুৰুত্বপূৰ্ণ অংগ। সমাজৰ বিভিন্ন দিশ ডাকৰ বচনসমূহত প্ৰতিফলিত হৈ আছে। ডাকৰ বচনত নাৰী জীৱনৰ বহু কথা প্ৰতিফলিত হোৱা দেখা যায়। প্ৰসূতি সম্পৰ্কীয়, নাৰীৰ সৌন্দৰ্য তথা গৃহিণীৰ লক্ষণ আদি নাৰীৰ লগত জড়িত বহুতো দিশৰ বিষয়ে ডাকৰ বচনত সুন্দৰকৈ উল্লেখ আছে।

কেঁচুৱা জন্মৰ সময়ত নাৰীয়ে পালন কৰিবলগীয়া বিবিধ নিয়ম ডাকৰ বচনত উল্লেখ আছে। জন্মৰ পাছতে কেঁচুৱা আৰু মাতৃৰ লগত সংলগ্ন হৈ থকা নাড়ীডাল হৰিখনি দি কেনেকৈ কাটিব লাগে আৰু এটা নাড়ীডাল সোনকালে শুকাবলৈ কি কৰিব লাগে তাৰ দিহা ডাকে দি গৈছে।

হৰিখনি কৰি নাড়ি কাটিবা।
দৃঢ় মুষ্টি কৰি গাঠি বান্ধিবা।।
গোবৰ নুঠি সুচলি পাঠ।
সেকিলে নাভি নহৰে অনাঠ।।

(নবীন চন্দ্ৰ শৰ্মা, ডাক প্ৰবচন আৰু ডাক পৰম্পৰা, পৃষ্ঠা ১)

কেঁচুৱা কালত মাতৃৰ দুগ্ধই কেঁচুৱাৰ বাবে উত্তম খাদ্য। গতিকে মাতৃৰ স্তন বস ভাল হ'বলৈ কি কৰিব লাগে। তাৰ দিহা ডাকৰ বচনত উল্লেখ আছে। কলা তুলসীৰ লগত বেলৰ পাত খুন্দি গৰম কৰি মাতৃক খুৱালে

শক্তি লাভ কৰে বুলি প্ৰবচনত উল্লেখ আছে।

সোন আলুক নি বুৰাবা কাল।
তেৱে স্তন বস হইবেক ভাল।।
কলা তুলসি বেলৰ পাত।
মুখা সমে খুন্দি পটাত।।
তপত কৰিয়া জননি খাইব।
তেবেসে জননি দুগ্ধ পাইব।।

(নবীন চন্দ্ৰ শৰ্মা, ডাক প্ৰবচন আৰু ডাক পৰম্পৰা, পৃষ্ঠা ১)

জনসমাজত প্ৰচলিত এক প্ৰবাদ হৈছে শোৱাৰ সময়ত পুব ফালে মুৰ কৰি শুব লাগে। গতিকে শিশুকো পুবফালে মুৰ কৰি শুওৱাৰ কথা ডাকৰ বচনত উল্লেখ আছে। আৰু বাতি শুৱাৰ সময়ত মাতৃৰ কাষত জুই





জ্বলাই ৰখাৰ কথা ডাকে কৈ গৈছে—

পুবলৈ শিৰে শিশু শুৱাইব।
সূতিকা ৰাখিব অগ্নি জলাইব।।

(নবীন চন্দ্ৰ শৰ্মা, ডাক প্ৰবচন আৰু ডাক পৰম্পৰা, পৃষ্ঠা ২)

দিনৰ ভাগত কেঁচুৱাক যিকোনো মানুহেই ৰাখিব পাৰে। কিন্তু ৰাতিৰ ক্ষেত্ৰত কেৱল মাকহে কেঁচুৱাৰ যতন ল'বলৈ ডাকে উপদেশ দি গৈছে

দিনত নিয়ুক নাচাৰিব জনে।
নিশাত ৰাখিব মায়ে জতনে।।

(নবীন চন্দ্ৰ শৰ্মা, ডাক প্ৰবচন আৰু ডাক পৰম্পৰা, পৃষ্ঠা ২)

এনেদৰে দেখা যায় যে, সন্তান জন্মৰ লগত জড়িত নাৰীৰ বহুতো কথা ডাকৰ বচনত উল্লেখ আছে। ডাকৰ বচনত নাৰী তথা গৃহিণীৰ লক্ষণ সম্পৰ্কেও উল্লেখ আছে। নাৰীৰ ভাল-বেয়া দুয়োটা লক্ষণৰ কথাই ডাকে কৈ গৈছে। দুই সহোদৰৰ মাজত স্নেহ না থাকিলে সম্বন্ধৰ যেনেদৰে কোনো চিন নাই ঠিক তেনেদৰে ভাৰ্যা-বিহীন ঘৰ এখনৰ যে কোনো মূল্য নাই সেই কথা ডাকে কৈ গৈছে

স্নেহ নহ'লে কিহৰ সোদৰ।
ভাৰ্যা নহ'লে কিহৰ ঘৰ।।

(নবীন চন্দ্ৰ শৰ্মা, ডাক প্ৰবচন আৰু ডাক পৰম্পৰা, পৃষ্ঠা ২০)

অৰ্থাৎ ঘৰ এখন চলাই নিয়াত নাৰীয়েই প্ৰধান ভূমিকা পালন কৰে।

ভাল বংশত জন্ম লাভ কৰা তথা ভাল ঘৰৰ ছোৱালীকেই বিয়া কৰাৰ সময়ত সকলোৱে পছন্দ কৰে। বংশৰ গতি-গোত্ৰ চাইহে বিয়াৰ বাবে ছোৱালী ঠিক কৰে। ভাল বংশৰ ছোৱালীয়েহে ভাল গুণ তথা নিজ গুণেৰে সংসাৰ এখন চলাই নিব পাৰে বুলি সমাজে বিশ্বাস কৰে। আৰু তেনে নাৰী পতিব্ৰতা, মধুৰভাষিণী আৰু স্বামীৰ আজ্ঞা পালনকাৰী হয় বুলি ডাকৰ বচনত উল্লেখ আছে—

শুদ্ধ ভাৱে শুদ্ধ বংশে ভৈল উৎপত্তি।
স্বামিত বিনা নাহিকে গতি।।
মধুৰ বচনে বোলে সদায়।
স্বামিৰ বাক্য কিছো নেপেলাই।।

(নবীন চন্দ্ৰ শৰ্মা, ডাক প্ৰবচন আৰু ডাক পৰম্পৰা, পৃষ্ঠা ২৫)

সুন্দৰ আৰু সু-গুণৰ নাৰী সকলোৰে আদৰৰ। যি নাৰীৰ দাঁত সমান, সু-কণ্ঠৰ অধিকাৰী, সন্ধ্যা সময়ত বন্তি জ্বলায়, ৰন্ধা-বঢ়া কৰি মিঠা মাতেৰে সকলোকে সন্তুষ্ট কৰে আৰু শাহুয়েকক সুধি যি নাৰীয়ে আয়-ব্যয় কৰে তেনে নাৰীক লক্ষ্মীয়ে কেতিয়াও নেৰে বুলি ডাকৰ বচনত উল্লেখ আছে—

সম দন্ত লাৱণ্য মাত।
গৃহে বাতি সন্ধ্যা বেলাত।।
ৰন্ধন কৰে বচন মিষ্ট।
সেহি পুছিনি বুলিব ইষ্ট।।

সামুলিত পুতি থবে আয়-ব্যয়।
সি নাৰীক সদা লক্ষ্মী নাছাড়য়।।

(নবীন চন্দ্ৰ শৰ্মা, ডাক প্ৰবচন আৰু ডাক পৰম্পৰা, পৃষ্ঠা ২৫)

এনে গুণৰ নাৰীয়ে অৱশ্যেই সুকলমে এখন ঘৰ সুন্দৰভাৱে পৰিচালিত কৰিব পাৰে।

বাৰিষা কালত বতৰ বেয়া হয় বাবে তাৰ আগতেই প্ৰয়োজনীয় বস্তু যোগাৰ কৰি থ'ব লাগে। আৰু এইবিলাক কামলৈ বিশেষভাৱে গৃহিণীয়ে চকু দিয়া উচিত। ধন সঞ্চয় কৰাটো লক্ষ্মী তিৰোতাৰ লক্ষণ। যি নাৰীয়ে কষ্ট কৰি উপাৰ্জন কৰা ধনৰ এটা অংশ সাঁচি ৰাখে আৰু পুৱা গধূলি স্বামীক সেৱা কৰে সেই নাৰীয়েই প্ৰকৃততে লক্ষ্মী নাৰী। ডাকৰ বচনত উল্লেখ আছে এনেধৰে—

সৌম্ভৰ কাটি খই সুখাই।
বাৰিষা চাৰি মাস বহি খাই।।
কৰা কৰা কৰি সাঞ্চে ধন।
বাৰিৰ নিশ্বাসে কৰি ভাজন।।
স্বামি সেৱা গধূলি ৰাতি।
সেহিসে নাৰী লক্ষ্মী জাতি।।

(নবীন চন্দ্ৰ শৰ্মা, ডাক প্ৰবচন আৰু ডাক পৰম্পৰা, পৃষ্ঠা ২৬)

যি নাৰীয়ে ঘাটত কলচী লৈ জলমুখকৈ নহৰীলে যায় আৰু যোৱা বাটে উভতি আহে তেনে নাৰীৰ মনটো ভাল চিন্তা-ভাৱনাত নিহিত থাকে বুলি ডাকে কৈছে—

কাখত কলচি জলক যাই।
জলমুখ কৰি কাকো নচাই।।
যেই পথে যাই সেই পথে আসে।
ডাকে বোলে ভাল মনত ভাসে।।

(নবীন চন্দ্ৰ শৰ্মা, ডাক প্ৰবচন আৰু ডাক পৰম্পৰা, পৃষ্ঠা ২৬)

ডাকৰ বচনত নাৰীৰ কু-লক্ষণৰ কথাও উল্লেখ আছে। ৰাতিপুৱা সোনকালে শুই উঠি বাহি ঘৰ চোতাল চাফ-চিকুন কৰাটো সু নাৰীৰ লক্ষণ। ডাকৰ মতে যি নাৰী বেলিকৈ উঠি সময়ৰ কাম সময়ত নকৰে তেনে নাৰীক ঠাই দিয়া উচিত নহয়—

জিতো প্ৰভাতে নিদ্ৰা যাই।
বহি সমাতে সুখস্থো পাই।।
উদয় কালত নিলিপে ঘৰ।
ডাকে বোলে তাইক বন্ধ অন্তৰ।।

(নবীন চন্দ্ৰ শৰ্মা, ডাক প্ৰবচন আৰু ডাক পৰম্পৰা, পৃষ্ঠা ২৬)

আয় চাই ব্যয় কৰাটো মিতব্যয়িতাৰ লক্ষণ। কিন্তু যি গৃহিণীয়ে আয় নাচাই প্ৰচুৰ পৰিমাণে ব্যয় কৰে। ঘৰৰ পৰা ওলাই গ'লে সোনকালে উভতি নাহে, আউল-বাউল চুলিৰে যি কাজিয়া কৰে আৰু যিয়ে অলপ খাই অধিক পৰিমাণে বস্তু নষ্ট কৰে তেনে নাৰীক ডাকে দুষ্ট চৰিত্ৰৰ বুলি কৈছে। ডাকে তেনে নাৰীক দূৰলৈ





আঁতৰাই পঠাবলৈ উপদেশ দিছে—

গৃহিণি ঘৰ বোলে কটুৰ।
আই নাচাই ব্যয় কৰে প্ৰচুৰ।।
ওলাই গৈয়া নাহে সকালে।
অৱশেষে তাইক দুষ্টা বোলে।।
জিতো স্ত্ৰীৰ আউল বাউল কেশ।
কন্দল কৰে বিপৰিত বেশ।।
অল্প খাই পেলাই প্ৰচুৰ।
ডাকে বোলে তাইক নিকাল দূৰ।।

(নবীন চন্দ্ৰ শৰ্মা, ডাক প্ৰবচন আৰু ডাক পৰম্পৰা, পৃষ্ঠা ২৭)

ঘৰলৈ অহা অতিথিক মানুহে ভগৱান জ্ঞান কৰে। আলহী অতিথিক শুশ্ৰূষা কৰিলে পুণ্য লাভ হয় বুলি মানুহে বিশ্বাস কৰে। অতিথি দেখিলে যি নাৰীৰ খং উঠে আৰু যিয়ে ভাল বস্তু পালে অকলে নাৰাখি নিজে খায় তেনে নাৰীক যমে নিয়ে বুলি ডাকৰ বচনত উল্লেখ আছে—

অতিথি দেখিলে খঙে চাই।
সেই জানি নাৰি যমপুৰে যাই।
ভাল বস্তু পালে আপুনি খাই।
তাইক পাইলে যমে মুখ নচাই।।

(নবীন চন্দ্ৰ শৰ্মা, ডাক প্ৰবচন আৰু ডাক পৰম্পৰা, পৃষ্ঠা ২৭)

লোণ আৰু সোণৰ মূল্য সমান বুলি কোৱা হয়। ডাকৰ বচনৰ মতে, যি ঘৰৰ নাৰীৰ হাতৰ পৰা লোণ নষ্ট হয়, তেনে ঘৰত সোণ নাথাকে অৰ্থাৎ দৰিদ্ৰতাত ভোগে। ডাকৰ বচনত আছে—

হাতত যি জনি পৰিসে লোন।
তাইৰ ঘৰত নাথাকে সোন।।

(নবীন চন্দ্ৰ শৰ্মা, ডাক প্ৰবচন আৰু ডাক পৰম্পৰা, পৃষ্ঠা ২৭)

নাৰীৰ সৌন্দৰ্য্য সম্পৰ্কেও ডাকৰ বচনত উল্লেখ আছে। দেহৰ অংগ-প্ৰত্যংগৰ ওপৰতো নাৰীৰ লক্ষণ নিৰ্ভৰ কৰে। যি নাৰীৰ পিঙলা (মুগা বৰণীয়া)চকু, পেট-পিঠি আৰু দাঁত উজলা, তেনে নাৰীক লক্ষ্মীয়ে সংগ দিনিয়ে বুলি ডাকে কৈছে—

পিঙল নয়নে চঞ্চলা আতি।
কৰাল নয়নে পিশাচী জাতি।।
জাৰ পেট পিঠি উজলা দান্ত।
তাইক দেখিলে লক্ষ্মিৰ অন্ত।।

(নবীন চন্দ্ৰ শৰ্মা, ডাক প্ৰবচন আৰু ডাক পৰম্পৰা, পৃষ্ঠা ২৮)

টোপনিত যি নাৰীয়ে শব্দ কৰি থাকে আৰু যাৰ খোজৰ ভৰত পৃথিৱী কঁপে, তেনে নাৰী স্বামীৰ মৃত্যুৰ কাৰণ হয় বুলি ডাকে কৈছে। গহীন-গম্ভীৰ খোজৰ নাৰীহে ডাকৰ মতে সু-লক্ষণা হয়। ডাকৰ বচনত গোৱা

যাহ—

ঘুমটিত জি জনি থাকে মেলাই।
খঙত স্বামীক বোলে খাই।।
থৰথি কম্পে পাৰৰ যাৰে।
সি জনি জানিবা অধিক খাৰে।।

(নবীন চন্দ্ৰ শৰ্মা, ডাক প্ৰবচন আৰু ডাক পৰম্পৰা, পৃষ্ঠা ২৮)

সমাজৰ নিয়ম অনুসৰি নাৰী ঘৰৰ চাৰিবেৰৰ মাজতেই আবদ্ধ থকা উচিত। যেহেতু ঘূৰি ফুৰা নাৰীক কোনেও ভাল চকুৰে নাচায়। কাজিয়া কৰা ঠাই বা বং ধেমালিৰ অনুষ্ঠানলৈ যোৱাটো তেওঁলোকৰ বাবে নিষেধ। ডাকৰ বচন মতে এনেধৰণে ঘূৰি ফুৰা নাৰীৰ লগত সংসাৰ কৰিলে জীৱনৰ কোনো আশা নাই।

কন্দল শুনি বাহিৰে জাই।
নাচ গীত শুনি সদায়ে ধাই।।
সেই স্ত্ৰী সমে জি কৰে বাস।
তাহাৰ কেলে জিবনে আস।।

(নবীন চন্দ্ৰ শৰ্মা, ডাক প্ৰবচন আৰু ডাক পৰম্পৰা, পৃষ্ঠা ২৭)

যি নাৰীয়ে দিনত শোৱে তেনে নাৰীক ডাকে ভাল বুলি কোৱা নাই। ঘৰৰ সকলো মানুহক সুধি কাম কৰাটো তথা সকলোৰে সমস্তিক্ৰমে কাৰ্য্য কৰাটোহে সু-নাৰীৰ লক্ষণ। কিন্তু যি নাৰীয়ে কাকো নোসোধাকৈ নিজৰ মতে কাম কৰি যায় তেনে নাৰীক ডাকে কটি সদৃশ নহয় বুলি কৈছে। স্বচৰতে কৰিব পৰা কাম হলেও যি নাৰীয়ে চল চাই দুৰলৈ যায়, বিধবা হৈ ভোগৰ বাঞ্ছা কৰে, বাতি ঘূৰি ফুৰি দিনত নিদ্ৰা যায়, আজৰি পালেই ওলাই যায় আৰু যি নাৰীয়ে ঘনে ঘনে হাঁহিলে যায় তেনে নাৰীক ডাকে ভাল বুলি কোৱা নাই।

জি জনি দিনত নিদ্ৰা জাই।
স্বামি মৰিলে শোক দেখাই।।
অত কাৰণ্ডয় কৰে কাহাকো নোপোছে।
ডাকে বোলে তাইক মনে বুঝছে।।
ওচৰত পুখুৰি দুৰক জাই।
পৰ পুৰুষৰ মুখক চাই।।
বিধবা হই ভোগক কৰে ইচ্ছা।
ৰাতি ঘুৰে দিনত মাতে মিচা।।
বেৰা ডলঙ্গা জুমি বাহিৰে চাই।
আজৰি পালে ওলাই জাই।।
জি নাৰী বাৰিয়ে কৰে বাট।
ঘনে ঘনে জাই বেহাৰে হাট।।

(নবীন চন্দ্ৰ শৰ্মা, ডাক প্ৰবচন আৰু ডাক পৰম্পৰা, পৃষ্ঠা ২৭)





আমাৰ সমাজত নাৰীয়ো গা-ঢাকি কাপোৰ পিন্ধে। দুই চৰিত্ৰৰ নাৰীয়েহে শৰীৰৰ অংশ অনেক দেখায়। পৰ পুৰুষৰ লগত সেইহি মিলা-মিছা কৰাটো সমাজত সমাজ-বিৰোধী কথা। পৰপুৰুষত মতি থকা নাৰীৰ লগত সঙ্গ কৰিলে সেই ঘৰত আনন্দ নোহোৱা বুলি ডাকে কৈছে—

চল চাই চাই দেখাই স্তন।
ডাকে বোলে বেস্যাৰ লক্ষণ।।
পৰ পুৰুষৰ বচন মিঠা।
বোলন্ত ডাকে সেহি জানি দুষ্টা।।
পৰ পুৰুষ গৃহক জাই।
বসে পিৰা দি আগে বৈসাই।।
স্বামি সঙ্গে নিগিলে বস্তি।
পৰ পুৰুষত থাকয় মতি।।
হেন নাৰিৰে জি কৰে সঙ্গ।
তাৰ ঘৰত মিলিলে ৰঙ্গ।।

(নবীন চন্দ্ৰ শৰ্মা, ডাক প্ৰবচন আৰু ডাক পৰম্পৰা, পৃষ্ঠা ৩০-৩১)

নাৰী সদায় পতিব্ৰতা হ'ব লাগে। নাৰীয়ে স্বামীক ভগৱান বুলি পূজা কৰে। স্বামীৰ মন বুজি যি নাৰীয়ে কৰ্ম কৰে, চলা-ফুৰা কৰে, স্বামীৰ যতন লয়, বাকবি শালত আনন্দ মনেৰে কাম কৰে, বং নকৰে, কাজিয়া পেচাল নকৰে, শান্তি মনেৰে থাকে সেই নাৰী লক্ষ্মী আৰু তেনে নাৰীয়ে গৃহস্থৰ শ্ৰী বঢ়ায় বুলি ডাকৰ বচনত উল্লেখ আছে—

আপোন পতিত সদায় মন
স্বামিক দেখে নাৰায়ন।।
স্বামি খালে কৰে আহাৰ।
নাখালে স্বামি ভুঞ্জে নিৰাৰ।।
নিদ্ৰাজে স্বামিৰ সেৱে চৰণ।
বোলন্ত ডাকে সতিৰ লক্ষণ।।
স্বামিৰ মনক সদা বুঝিব।
স্বামি মন বুঝি কাৰণ্ডয় কৰিব।।
খঙে স্বামি কৰে ধিকাৰ।
হেন শুনি কিছো নোবোলে আৰ।।
নম্ৰ হুয়া থাকে জেহেন গাভি।
তথাপি কটুৰ বানি নাভাসি।।
জাওনে স্বামিৰ ওচাৰে বোস।
ডাকে বোলে তাইত আমি সন্তোস।।
জি নাৰি বচন সালাক জাই।

মিছা কৰি শত্রু কৰে সদাই।।
নাহি মাত বোল নকৰে দন্দ।
বস্ত্র উঠিলে নেহুবোলে মন্দ।।
সি পুৰুষৰ বাঢ়ে শ্ৰী।
ডাকে বোলে সেহি লক্ষ্মী স্ত্ৰী।।

(নবীন চন্দ্ৰ শৰ্মা, ডাক প্ৰবচন আৰু ডাক পৰম্পৰা, পৃষ্ঠা ৩১-৩২)

সুন্দৰকৈ ৰন্ধা-বঢ়া কৰি পৰিয়ালৰ মানুহক খুওৱাটো নাৰীৰ কৰ্তব্য। সদায় আনন্দ মনেৰে নাৰী ৰান্ধনি ঘৰত সোমাব লাগে। কিন্তু কিছুমান নাৰীয়ে ৰান্ধনি ঘৰত সোমাইয়ে কান্দিবলৈ আৰম্ভ কৰে, মানুহক কটু বাক্য শুনায়, চকুৰ পানী মচি মচি ভাত ৰান্ধে, যিকোনো মাৰি বয়-বস্তু খায়, মুখ ওলোমাই থাকে, তেনে নাৰীক ডাকে কুলক্ষণী নাৰী বুলি কৈছে আৰু তেনে নাৰী থাকিলে ঘৰৰ পৰা লক্ষ্মী আঁতৰ হয় বুলি কৈছে। যিকোনো গৃহিণী নাৰীৰ মাত কৰ্কশ, সদায় পৰিমাণত খাদ্য ৰান্ধে, মাছ-মাংস অধিক পৰিমাণে খোৱাৰ পিছতো মন নভৰে তেনে নাৰীক ডাকে তেজিবলৈ নিৰ্দেশ উপদেশ দিছে।

ৰান্ধন শালে জি কান্দি আই।
কৰে চালকল দন্দ সদাই।।
মুখে বোলে কটুৰ বানি।
কান্দিয়া চকুৰ নয়নত পানি।।
যেকোনো মাৰি জি দ্ৰব্য খাই।
মুখ ওলোমায় থাকে চাই।।
সেহি কুলক্ষণি মনে বুঝচ।
তাইক দেখিলে লক্ষ্মী এড়।।
জিতো স্ত্ৰীৰ তৌ টৌয়া মাত।
দাম দুন কৰি ভুঞ্জে ভাত।।
মৎস্য মাংস যদি হোৱে প্ৰচুৰ।
তথাপি মন নোহে পুৰ।।
চলে বলে জানি খাই খুজিয়া।
ডাকে বোলে তাইক পেলাই বেচিয়া।।

(নবীন চন্দ্ৰ শৰ্মা, ডাক প্ৰবচন আৰু ডাক পৰম্পৰা, পৃষ্ঠা ৩২)

চোৰে এন্ধাৰতহে চোৰ কৰে ৰাবে সিহঁতে চন্দ্ৰৰ পোহৰ ভাল নাপায়। ঠিক তেনেদৰে দুষ্ট স্ত্ৰীৰ পুত্ৰ তথা সন্তানৰ প্ৰতি মৰম স্নেহ কম। কাৰণ তেনে নাৰীয়ে ঘৰ সংসাৰত মন বহুৱাব নোৱাৰে। এই কথা ডাকৰ বচনত উল্লেখ আছে এনেদৰে—

চোৰে ভাল নেদেখে চন্দ্ৰৰ জ্যোতি।
দুষ্টা স্ত্ৰীৰ নাই পুত্ৰত ৰতি।।

(নবীন চন্দ্ৰ শৰ্মা, ডাক প্ৰবচন আৰু ডাক পৰম্পৰা, পৃষ্ঠা ১০)





মিতব্যয়িতা মানুহৰ সু-লক্ষণ। যেতিয়াকৈ খৰচৰ সমান কথা নাৰীয়ে লক্ষ্য কৰিব নোৱাৰে। বয়সৰ বৃদ্ধ আৰু আদৰ্শীয়া তিৰোতাক ডাকে খাওঁতে নালাগে উপদেশ দিছে। ডাকৰ বচনত পোৱা যায় এনেদৰে—

মাহুৰ শিলিখা সৰু বুঢ়া।
স্ত্ৰী নালিৰা বয়সৰ বুঢ়া।।
আদহি তিৰোতা নলিৰা ঘৰত।
ঘৰে দুৱে যুৱে নৰক যমক।।

(নবীন চন্দ্ৰ শৰ্মা, ডাক প্ৰবচন আৰু ডাক পৰম্পৰা, পৃষ্ঠা ১৯)

কথা-বতৰাৰ মাধ্যমেৰেই মানুহৰ চাল-চলনৰ আভাস পাব পাৰি। যেতিয়া কথা কেৱল মানুহে সৰু সময়ত বিপদত পৰিবলগীয়া হয়। আৰু ঘৰে ঘৰে ঘূৰি কোনো সময়ত নকওঁবলগীয়া কথা কৈ ঘৰৰ মানুহক বিপদত পেলোৱাৰ সম্ভাৱনাও থাকে। ডাকৰ বচনত এই কথা পোৱা যায় এনেদৰে—

নৱৰ লঘু নেহ-নেবোৱা।
তিৰিৰ লঘু ঘৰ বেলোৱা।।

(নবীন চন্দ্ৰ শৰ্মা, ডাক প্ৰবচন আৰু ডাক পৰম্পৰা, পৃষ্ঠা ১৮)

দুষ্ট চৰিত্ৰৰ নাৰীয়ে সমাজত সকলোকে বিপদত পেলাব পাৰে। গতিকে ডাকে দুষ্ট চৰিত্ৰৰ স্ত্ৰীৰ ভাই নহ'বলৈ অৰ্থাৎ আপোন নহ'বলৈ উপদেশ দিছে। লগতে ধন [illegible] জোঁৱাই নহ'বলৈও উপদেশ দিছে। মানুহে বিশ্বাস কৰে যে, মাতৃৰ সন্তান যেতিয়া হ'লে পীয়েকৰো সন্তান যেতিয়া হয়। ঠিক তেনেদৰে সন্তান থকা তিৰোতাক বিয়া নকৰাবলৈ ডাকে উপদেশ দিছে। কিয়নো সন্তানবতী নাৰীয়ে সকলোৱে বন্ধুনা কৰি কেৱল সন্তানলৈহে অন্ত দিয়ে। এই কথা ডাকৰ বচনত উল্লেখ আছে এনেদৰে—

দুষ্টা স্ত্ৰীৰ নহৈবা ভাই।
ধন [illegible] নহৈবা জোঁৱাই।।
ডাকৰ বচন বোলৰ বানি।
পো লাগা তিৰোতা ঘৰলৈ নানি।।
তেওঁক ৰাখে মোকো ৰাখে।
পাছে ৰাষ্ট্ৰ পুতেকলৈ সাখে।।

(নবীন চন্দ্ৰ শৰ্মা, ডাক প্ৰবচন আৰু ডাক পৰম্পৰা, পৃষ্ঠা ১৩)

যি নাৰীয়ে স্বামীক ভক্তি কৰে সেই নাৰী ডাকৰ মতে লক্ষ্মীৰ বাসস্থান।

স্বামিত ভকতি পতিৰ দাসা।
বোলন্ত ডাকে লক্ষ্মীৰ বাসা।।
সমান পতিৰ গতি মনে মাত।
খুধা বুজিয়া স্বামিক জোগাই ভাত।।

(নবীন চন্দ্ৰ শৰ্মা, ডাক প্ৰবচন আৰু ডাক পৰম্পৰা, পৃষ্ঠা ৭১)

নিজৰ ঘৰৰ কথা আনৰ আগত প্ৰকাশ কৰিব নালাগে। ঘৰৰ কথা ঘৰতে ৰাখিলে লক্ষ্মীও ঘৰত

থাকিব বুলি বচনত উল্লেখ আছে

আপোনাৰ তথায়ে নথাকিব পৰত।
ডাকে বোলে লক্ষ্মী থাকিবে ঘৰত।।

(নবীন চন্দ্ৰ শৰ্মা, ডাক প্ৰবচন আৰু ডাক পৰম্পৰা, পৃষ্ঠা ৭১)

নাৰীৰ দেহৰ গঠনৰ বিষয়েও ডাকে কৈ গৈছে। যি নাৰীৰ শৰীৰ শ্যাম বৰণীয়া, যি সুন্দৰ কোমল চুলিৰ অধিকাৰী আৰু যাৰ উচ্চ দীঘল দেহ তেনে নাৰী সুন্দৰী বুলি ডাকে কৈছে

শ্যাম তনু তাৰ ললিত কেশ।
মুখত মধুৰ অতি বিশেষ।।
কপাল চুটি তাৰ দিঘল উচ্চ।
হাত পায় বলা কুলতি মধ্যে সৰু।।

(নবীন চন্দ্ৰ শৰ্মা, ডাক প্ৰবচন আৰু ডাক পৰম্পৰা, পৃষ্ঠা ৭১)

দিনৰ পোহৰতেই সকলো ঘৰুৱা কাম শেষ কৰিব লাগে। ৰাতিলৈ কাম থ'ব নালাগে। যি নাৰীয়ে পোহৰ হৈ থাকোঁতেই বন্তি জ্বলায়, ৰাতি পানী আনিবলৈ নদীলৈ নাযায়, শাক-পাচলি-মাছ আদি দিনতেই কাটি বাছি থয় সেই ঘৰত লক্ষ্মীয়ে বাস কৰে বুলি ডাকৰ বচনত উল্লেখ আছে—

দিবা থাকন্তে লগাই বাটি।
নদিৰ পানিক নাযাই ৰাতি।।
শাক মাছ জিওৱা দিনতে বাছে।
সেই ঘৰত জানিবা লক্ষ্মী আছে।।

(নবীন চন্দ্ৰ শৰ্মা, ডাক প্ৰবচন আৰু ডাক পৰম্পৰা, পৃষ্ঠা ৭১)

নাৰীৰ কিছুমান বেয়া লক্ষণৰ কথাও ডাকৰ বচনত পোৱা যায়—

পানিৰ ঘটিক একলে জাই।
চলে চাও পুৰুষৰ মুখ চাই।।
কৃষ্ণবৰ্ণ নাৰি জদি কুদ্ৰাহো হয়।
সৰ্বদিহি তাৰ গালত আন্ধাৰ।।
গালত ৰেখা পৰিবা থকয়।
তাইক দেখি লক্ষ্মী পলাই জয়।।
মাজ থান পুষ্ট পিঠি গাল মেজ।
ডাকে বোলে তাইক নহৰে বেচা।।
ডিম বাহি মাৰে ভাতৰ গ্ৰাস।
তাইক দেখিলে লক্ষ্মীৰ ত্ৰাস।।
বোলন্ত ডাকে অতি দুষ্ট তিৰি।
সিতো গৃহস্থৰ নহিকে চিৰি।।

(নবীন চন্দ্ৰ শৰ্মা, ডাক প্ৰবচন আৰু ডাক পৰম্পৰা, পৃষ্ঠা ৭২)





অন্যহাতে আকৌ, দমকাতে বোৱা হাল থিবলৈ বেয়া হয় তেনেদৰে দুষ্ট নাৰীৰ প্ৰভাৱত গৃহস্থৰ অশান্তি হয়—

দুষ্ট তিৰি দমকাৰ হাল।
সিতো গৃহস্থৰ নাহিকে ভাল।।

(নবীন চন্দ্ৰ শৰ্মা, ডাক প্ৰবচন আৰু ডাক পৰম্পৰা, পৃষ্ঠা ৭৩)

এনেদৰে আলোচনা কৰিলে দেখা যায় যে, নাৰীৰ বহুতো ভাল বেয়া গুণ ডাকৰ বচনত উল্লেখ আছে।

**উপসংহাৰ :**

ডাকৰ বচনসমূহ দৈৱ বাণী। অপৰ কালত সমাজত এনে বচনসমূহৰ যোগেদিয়েই নাৰীক চিনাক্ত কৰিছিল। এনে বচনসমূহক অনুকৰণ কৰিয়েই নাৰীক সু-লক্ষণা, কুলক্ষণা আখ্যা দিছিল। দেখা যায় যে, কোনো কোনো লোকৰ ঘৰত ঘোৱালী এক বোজা স্বৰূপ। কিন্তু ডাকে প্ৰাচীন কালতে নাৰীক উচ্চ আসন দি থৈ গৈছে - "দেশৰ তুলা কন্যাদান। ডাকে বোলে স্বৰ্গত থান।" ডাকৰ বচনসমূহৰ জৰিয়তে নাৰীৰ লক্ষণ, চৰিত্ৰ আদিৰ বিষয়ে বহুতো কথা জানিব পাৰি। নাৰীৰ ভাল-বেয়া, শিক্ষা-দীক্ষা, চলন-ফুৰণ, নীতি-নিয়ম, সৌন্দৰ্য আদি সকলো বিষয় ডাকৰ বচনত পোৱা যায়। অৱশ্যে কোনো কোনো ক্ষেত্ৰত এই বচনবোৰে নাৰীক হেয় কৰাও পৰিলক্ষিত হয়। এই বচনবোৰত নাৰীৰ প্ৰতি কঠোৰ মনোভাৱ থকা পৰিলক্ষিত হয়। ডাকৰ বচনত প্ৰতিফলিত চিত্ৰখনে অসমীয়া জনজীৱনকেই প্ৰতিনিধিত্ব কৰিছে যেন বোধ হয়। সমাজখন গঠিত হৈছে ভাল-বেয়া দুয়োটা চৰিত্ৰৰ মানুহক লৈয়েই আৰু ডাকে এই দুয়োটা চৰিত্ৰৰ নাৰীৰ কথাই উল্লেখ কৰিছে। ডাকৰ বচনসমূহৰ যোগেদি নাৰীৰ দোষ-গুণবোৰ প্ৰকাশ কৰি সেইবিলাকৰ প্ৰতি মানুহক সজাগ কৰাৰ চেষ্টা কৰা যেন অনুমান হয়। তাৰ উপৰি বচনসমূহত থকা নীতি-জ্ঞানৰ যোগেদি যাতে মানুহে সুন্দৰকৈ জীৱন কটাব পাৰে তাৰো ইংগিত থকা দেখা যায়। সন্তান জন্মৰ লগত জড়িত ডাকৰ বচনসমূহৰ জৰিয়তে নাৰীয়ে সেই সময়ত পালন কৰিবলগীয়া বিবিধ নিয়মৰ লগতে পথ্য-অপথ্যৰ বিষয়েও জানিব পাৰি। নাৰীৰ ভাল-বেয়া দুয়োটা লক্ষণেই ডাকৰ বচনত চিত্ৰিত হৈছে যদিও ইয়াৰ জৰিয়তে নাৰীৰ চাৰিত্ৰিক বৈশিষ্ট্যৰ আভাস পাব পাৰি। ডাকৰ বচনসমূহৰ অধ্যয়নৰ যোগেদি অসমীয়া সামাজিক আৰু সাংস্কৃতিক জীৱনৰো অনেক দিশৰ বিষয়ে জানিব পৰা যায়।

**সহায়ক গ্ৰন্থপঞ্জী**

গগৈ, লীলা, *অসমীয়া লোক-সাহিত্যৰ ৰূপৰেখা*, বনলতা, ডিব্ৰুগড়, ২০০১
নেওগ, মহেশ্বৰ, *অসমীয়া সাহিত্যৰ ৰূপৰেখা*, চন্দ্ৰ প্ৰকাশ, গুৱাহাটী, ২০০৮
বৰুৱা প্ৰহ্লাদ কুমাৰ, *অসমীয়া লোক সাহিত্য সুৰভি*, সাহিত্য কুটীৰ, ডিব্ৰুগড়, ২০১৬
শৰ্মা, নবীন চন্দ্ৰ, *ডাক-প্ৰবচন আৰু ডাক পৰম্পৰা*, জ্যোতি প্ৰকাশন, গুৱাহাটী, ২০১২
শৰ্মা, শশী, *অসমৰ লোকসাহিত্য*, ষ্টুডেণ্টছ ষ্টৰছ, গুৱাহাটী, ২০১১

# উদ্দীপ্তা

## উত্তৰ-পূৰ্বাঞ্চলৰ বিশিষ্ট মহিলাৰ জীৱন গাঁথা



সম্পাদনা
ড° জ্যোতিৰেখা গগৈ

**Uddeepta :** A collection of research articles on prominent Women of North East India. An initiative by Women Studies Cell, Naharkatiya College edited by Dr. Jyotirekha Gogoi, Published by- Baangmoi Publication & Printing, Demow Madhupur, Dist- Sivasagar (Assam), Pin-785662.

সম্পাদনা সমিতি ঃ

সভাপতি ঃ ড°জ্যোতিপ্ৰসাদ কোঁৱৰ (অধ্যক্ষ)

কাৰ্য্যকৰী সভাপতি ঃ মামণি দেৱী

উপদেষ্টা ঃ ড° অনিতা মহন্ত, চন্দ্ৰমল্লিকা সন্দিকৈ,
ড° স্মৃতিৰেখা গগৈ গায়ন, কৰবী হাজৰিকা, ৰুণুমী সোণোৱাল

সম্পাদিকা ঃ ড°জ্যোতিৰেখা গগৈ

সদস্যা ঃ ড° স্বপ্নালী বৰা, পত্ৰিকা সন্দিকৈ

প্ৰকাশক ঃ বাঙ্ময় প্ৰকাশন

প্ৰথম প্ৰকাশ ঃ ছেপ্তেম্বৰ, ২০২২

ISBN : 978-81-957811-0-2

মূল্য ঃ ২৫০/- টকা

মুদ্ৰণ ঃ বাঙ্ময় প্ৰকাশন আৰু মুদ্ৰণ, ডিমৌ, শিৱসাগৰ

# সূচীপত্ৰ


মধ্যযুগৰ বীৰাঙ্গনা ঃ

- সৃষ্টিশীল সাহিত্যৰ অসমৰ ক্লিউপেট্ৰা 'গড়মা কুঁৱৰী' ◆ ২১ ◆
  ✍ ড° নমিতা বৰুৱা
- নাং-চন-চেং-খাম ওৰফে মূলাগাভৰু ◆ ৩০ ◆
  ✍ ড° মুনমী কোঁৱৰ
- ৰাণী সাধনী ◆ ৩৬ ◆
  ✍ ড° দীপাংকৰ গগৈ
- এগৰাকী অসামান্য আৰু অপৰাজেয় নাৰী ৰমণী গাভৰু ◆ ৪৯ ◆
  ✍ কৰবী দত্ত
- সতী জয়মতী ◆ ৫৫ ◆
  ✍ নিলীমা শেনচোৱা

স্বাধীনতা সংগ্ৰামী ঃ

- ভাৰতীয় স্বাধীনতা আন্দোলনত অসমীয়া নাৰীৰ ভূমিকা ◆ ৬৪ ◆
  ✍ ড° মানস জ্যোতি নিৰ্মলীয়া
- Pushpalata Das : An Eminent Political Figure of Assam ◆ ৭০ ◆
  ✍ **Karabi Hazarika**

সমাজ সংস্কাৰক ঃ

- অগ্নিকন্যা চন্দ্ৰপ্ৰভা শইকীয়ানী ◆ ৭৮ ◆
  ✍ বিনি শইকীয়া

● ইন্দিৰা মিৰি ঃ জীৱন আৰু কৃতি

✍ড° অনিতা মহন্ত ♦ ৮৬ ♦

● শুচিব্ৰতা ৰায়চৌধুৰীৰ জীৱন আৰু সাহিত্য-কৰ্ম

✍ অসীমা গায়ন ♦ ১০৪ ♦

● বীৰুবালা ৰাভা ঃ এক সংগ্ৰামী সত্তা

✍ ড° জ্যোতিৰেখা গগৈ ♦ ১১২ ♦

● হাড়গিলা বাইদেউ পূৰ্ণিমা দেৱী বৰ্মণ (এক ব্যতিক্ৰমী ব্যক্তিত্ব)

✍ মামণি দেৱী ♦ ১২৬ ♦

বিশিষ্ট গায়িকা ঃ

● লোকগীতৰ সম্ৰাজ্ঞী প্ৰতিমা বৰুৱা পাণ্ডে

✍ ড° স্মৃতিৰেখা গগৈ গায়ন ♦ ১৩০ ♦

● অসমৰ নাইটিংগেল দিপালী বৰঠাকুৰ

✍ ড° পাপৰি বৰা ♦ ১৩৫ ♦

বিশিষ্ট লেখিকা ঃ

● অসমৰ প্ৰথম মহিলা গীতিকবি আই পদ্মপ্ৰিয়া ঃ জীৱন আৰু সাহিত্য-সাধনা

✍ ড° সৰলা দাস ♦ ১৪৭ ♦

● নলিনীবালা দেৱীৰ জীৱন আৰু সাহিত্য-কৃতি

✍ ৰুণুমী সোণোৱাল ♦ ১৫৫ ♦

● গীতিকাৰ নিৰ্মলপ্ৰভা বৰদলৈ

✍বিনীতা বড়া ♦ ১৬৫ ♦

# বীৰুবালা ৰাভা ঃ এক সংগ্ৰামী সত্তা

ড° জ্যোতিৰেখা গগৈ

সংক্ষিপ্তসাৰ ঃ

নিজৰ জীৱনটো তুচ্ছ জ্ঞান কৰি ডাইনী প্ৰথাৰ বিৰুদ্ধে অবিৰতভাৱে অভিযান অব্যাহত ৰাখি সমাজত সজাগতা আনিব বিচৰা একাৰ্কী সাহসী মহিলা হ'ল বীৰুবালা ৰাভা। 'ডাইনী' হৈছে অসমত ভয়াবহ ৰূপ ধাৰণ কৰা এক মহাব্যাধি। মৌখিক ভাৱে, বাতৰি কাকত দূৰদৰ্শন আদিত সততে দৃষ্টিগোচৰ হোৱা ঘটনাসমূহৰ পৰা অসমত ডাইনী কাণ্ডই কিমান ভয়াবহ ৰূপ ধাৰণ কৰিছে তাক অনুমান কৰিব পাৰি। অতীজৰে পৰা মায়ঙৰ যাদুৰ কাৰণে বহুলোকে অসমক যাদু-মন্ত্ৰৰ ৰাজ্য বুলিও কয়। এনে অন্ধবিশ্বাসৰ পটভূমি অসমত থকাৰ বাবে আজিও অসমৰ পিছপৰা অঞ্চলসমূহত বেজৰ প্ৰাধান্য বেছি। চিকিৎসক, চিকিৎসালয়ৰ পৰিৱৰ্তে এইসকল লোকে দুৰাৰোগ্য ব্যাধিৰ পৰা পৰিত্ৰাণ পাবলৈ সম্প্ৰতি ওজা, দেওধনী, বেজবহে কাষ চাপে। সেই বিশ্বাসৰ ভিত্তিতে বেজ বৃত্তিটো জীয়াই আছে। তেওঁলোকৰ মনত বেজেই সৰ্বেসৰ্বা। গাঁৱত অসুখ হ'লে, গছত ফল নধৰিলে, ৰুগুণ নিদিলে, খেতি ভাল নহ'লে, মানুহ মৰিলে, সম্পত্তি লোভ, ৰাজনৈতিক বিবাদ, ব্যক্তিগত আক্ৰোশ আদি কাৰণত ভুক্তভোগী ওজা, দেওধনী, বেজৰ ওচৰলৈ যায়। সেই সুবিধাতে বেজে যিজনৰ নাম উচ্চাৰণ কৰে সেইজন বা সেইগৰাকীয়ে হৈ পৰে 'ডাইনী'। সেই বিশ্বাসৰ ভেটিতে ডাইনীক হত্যা কৰা, পৰিয়ালক উচ্ছেদ কৰা, কোনো কোনো পৰিয়ালৰ পুলিয়ে-পোখাই মাৰি পেলোৱাৰ দৰে অমানৱীয় ঘটনাবিলাক ঘটে। চৰকাৰে ডাইনী হত্যাৰ ভয়াবহতাৰ প্ৰতি লক্ষ্য ৰাখি 'prevention of and protection from witch Hunting Act, 2015' বিধেয়কখন গৃহীত কৰে। ৰাষ্ট্ৰপতি ৰামনাথ কোবিন্দে আনুষ্ঠানিক ভাৱে ডাইনী হত্যা বিৰোধী বিধেয়কখনত ২০১৮ চনৰ ১৩ জুনত চহী কৰি আইনত পৰিণত কৰে যদিও ইয়াৰ সুফল হয়তো দেৰি হ'ব। বহুতো সমাজ সচেতন লোক আৰু সংগঠনে এনে কু-কৰ্মৰ প্ৰচাৰ অভিযান চলাই গাঁওবিলাকলৈ সজাগতা আনিব বিচাৰিছে। এনে অভিযানত সক্ৰিয়ভাৱে আগভাগ লোৱা 'বীৰুবালা ৰাভা'ৰ প্ৰতিবাদী কণ্ঠই সমাজৰ এক আদৰ্শ তথা আভাৰূপে উদ্ভাসিত হৈ উঠিছে। সেই কণ্ঠ আৰু আদৰ্শ সকলোৰে প্ৰেৰণাৰ উৎস হোৱাৰ কামনাৰে এই লেখা আগবঢ়োৱা হ'ল।

**বীজ শব্দঃ** বীৰুবালা ৰাভা, ডাইনী, হত্যা, কু-সংস্কাৰ, সমাজসংস্কাৰ, ভয়াবহ, অভিযান, সজাগতা

**প্ৰস্তাৱনাঃ**

বিভিন্ন দল-সংগঠন আৰু সমাজ সচেতনলোকে ডাইনী হত্যাৰ বিপক্ষে গাঁওবিলাকত সজাগতা শিবিৰ স্থাপন কৰি মানুহৰ মনৰ পৰা কু-সংস্কাৰ আঁতৰাবলৈ প্ৰচাৰ অভিযান অব্যাহত ৰাখিছে। দীৰ্ঘদিন ধৰি এই প্ৰচাৰত অসমৰ অনেক ঠাইত বীৰুবালাই সবল নেতৃত্ব দি আহিছে। তেখেতৰ সক্ৰিয় সহযোগত ইতিমধ্যে বহুলোকে ডাইনী হত্যাৰ অভিযোগৰ পৰা উদ্ধাৰ পাইছে। কু-প্ৰথাৰ বিৰুদ্ধে গাঁৱে-ভূঁঞে প্ৰচাৰলৈ যাওঁতে বহুসময়ত বীৰুবালা মৃত্যুৰ ভাবুকিৰো সন্মুখীন হৈছে। এনে পৰিস্থিতিত নিজৰ স্থিতিত অটল হৈ দুগুণ উৎসাহেৰে সেই প্ৰত্যাহবানৰ মুখামুখি হৈছে। নিজৰ

কৰ্মত সফল হ'ব পাৰিলে অৰ্থাৎ কাৰোবাক উদ্ধাৰ কৰিব পাৰিলে তেখেতে আত্মসন্তুষ্টি লাভ কৰে। বীৰুবালাই ইতিবাচক চিন্তাধাৰাৰে সমাজ সংস্কাৰৰ যি পদক্ষেপ হাতত লৈছে সেয়া সকলোৰে আদৰণীয়। প্ৰথম অৱস্থাত অকলশৰীয়া অনুভৱ কৰিছিল যদিও পিছলৈ এই যাত্ৰাই একাকী সমাজ সংস্কাৰক মহিলাৰূপে তেখেতক জনমানসত পৰিচিত কৰালে।বীৰুবালাৰ নাম আজি সকলোৰে পৰিচিত। এই মহীয়সী নাৰীৰ বিষয়ে অধিক অধ্যয়ন তথা চিন্তা-চৰ্চা কৰিবৰ বাবেই এনে আলোচনাৰ প্ৰয়োজনীয়তা আছে ।

**জন্ম, শিক্ষা আৰু ঘৰুৱা জীৱন ঃ**

গোৱালপাৰা জিলাৰ ঠাকুৰবিলাত ১৯৪৯ চনত বীৰুবালা ৰাভাৰ জন্ম। অসম-মেঘালয় সীমান্তত অৱস্থিত ঠাকুৰবিলা গাঁওখন মেঘালয়ৰ ভিতৰুৱা যদিও বীৰুবালাই অসমত বুলি কৈহে ভাল পায়। কাৰণ অসমৰ মানুহে বুকুৰ উমেৰে নিভাজ মৰমেৰে আৱৰি ৰাখিছে তাইক। ঠাইডোখৰ বোকা-পানীৰে ভৰি থকা, ৰাস্তা-পদূলি নথকাৰ দৰেই। শিক্ষিত লোক নাই বুলি ক'লেও অত্যুক্তি কৰা নহয়। খেতিয়ে প্ৰধান জীৱিকা। টিপচাকিৰ মিটমিটিয়া পোহৰত অনবৰতে গাঁৱখনৰ চৌদিশে যেন ঘূৰি ফুৰে 'ডাইনী'। বাসিন্দাসকলৰ প্ৰত্যেকৰ ঘৰে ঘৰে কেৱল ডাইনী, কবিৰাজ, বেজ, দেওধনীৰ আলোচনা। এনে এক পৰিৱেশ সকৰে পৰাই পোৱাৰ বাবে হয়তো অজানিতে বীৰুবালাৰ মনত সমাজ-সংস্কাৰৰ মনোভাৱে কলিতে থিতাপি লৈছিল। পিতৃ কলিয়াৰাম ৰাভা আৰু মাতৃ সাগৰবালা ৰাভা। পাঁচটা ল'ৰা-ছোৱালীৰে পৰিপূৰ্ণ কলিয়াৰাম ৰাভাৰ সংসাৰখনত বীৰুবালা চতুৰ্থ সন্তান। মাক-দেউতাকে মৰমতে বীৰুবালাক 'বগী' বুলি মাতিছিল। দেউতাকক এজন অকৰ্মণ্য ব্যক্তি বুলি ক'ব পাৰি। খেতি পথাৰ নকৰি ঘৰতে বহি বহি জোঙা (মদ)ৰ সোৱাদ লোৱা বিধৰ এজন আৰু মাক সেই অঞ্চলত ধাইৰূপে পৰিচিত। ঘৰে ঘৰে, গাঁৱে গাঁৱে দুপইচাৰ আশাত মাকে টলৌ টলৌ ঘূৰি ফুৰিব লাগে। এবেলালৈ বুলি গৈ কেতিয়াবা তিনি চাৰিদিনলৈ



উভতি নাহে। পানী-খনি গোটোৱাৰ পৰা ভাত ৰন্ধা, হাঁহ-পাৰ, গাহৰি চোৱা, নৈত মাছ ধৰা, শেষৰাতি পৰ্য্যন্ত উবালত ধান খুন্দালৈকে ঘৰৰ সকলো কাম বীৰুবালা আৰু বায়েকৰ ওপৰত। কম বয়সতে বায়েকক উত্তম ৰাভালৈ বিয়া দিয়াত ঘৰৰ সমস্ত দায়িত্ব বীৰুবালাই (বগী) মূৰ পাতি ল'ব লগা হৈছিল। পঢ়ি থাকোতেই অনেক ব্যস্ততাৰ মাজতো বীৰুবালাই এৰী পলু পুহিছিল, তাঁত বৈছিল, সূতা কাটিছিল আৰু দৌৰা দৌৰিকৈ স্কুললৈও গৈছিল।পঢ়ি-শুনি কিবা এটা কৰাৰ প্ৰবল ইচ্ছা সৰুৰে পৰা মনত পুহি ৰাখিছিল যদিও তাইক মাক-দেউতাকে এইৰূপ সুবিধা দিব নোৱাৰিলে। কামৰ হেঁচাত আৰু আৰ্থিক দুৰৱস্থাৰ বাবে পঞ্চম শ্ৰেণীলৈকে পঢ়ি বীৰুবালাই শিক্ষা জীৱনৰ সামৰণি মাৰিলে ।

**শৈশৱ ঃ**

প্ৰকৃতিৰ এক সেউজীয়া মনোমোহা পৰিৱেশৰ মাজত বীৰুবালাই শৈশৱ অতিবাহিত কৰিছিল। অসম মেঘালয় সীমাত অৱস্থিত ঠাকুৰবিলাত কেইবাটাও পাহাৰীয়া জুৰি আৰু নৈ আছে। কালাপাহাৰৰ পৰা বৈ অহা জুৰিটোৱে ঠাকুৰবিলা মানুহৰ জীৱন। জুৰিৰ পানীৰ অবিহনে তেওঁলোকৰ জীৱন অচল। বাৰিষা-খৰালি সকলো সময়তে গভীৰ নিৰ্জনতা ভাঙি কল-কল ধ্বনিৰে হৰ-হৰাই জুৰিৰ পানী বৈ থাকে। পাহাৰৰ টিলাতে শাৰী শাৰী ৰবৰৰ বাগানখন। বাগানৰ মাজেৰে গৈ পাহাৰটোৰ এচলীয়া লুংলুঙীয়া পথেৰে তললৈ আহি বাওঁহাতে নামি জুৰিটো বাঁহৰ সাঁকোৰে পাৰ হ'লেই এখন মুকলি পথাৰ। সেই পথাৰেৰে অলপ দূৰ গ'লেই বীৰুবালাৰ মাকৰ ঘৰ। মুকলি পথাৰৰ পৰা আন এটা লুংলুঙীয়া পথেৰে বাট বুলিলেই পোৱা যায় বায়েক-ভিনিয়েক (উত্তম ৰাভা)ৰ ঘৰ। পোনে পোনে চেওঁৰাৰী আৰু ইয়াৰ পূৱফালে গ'লে বীৰুবালাই অধ্যয়ন কৰা প্ৰাথমিক স্কুলখন। স্কুলৰ পিছফালে নৈ আৰু নৈৰ বুকুত মাছ, কাছ অন্যান্য। পাহাৰ, জান-জুৰি, মুকলি পথাৰৰ মাজত এজাক সহজ-সৰল মানুহ।বীৰুবালাহঁতৰ জীৱনৰ শৈশৱ আৰু কৈশোৰৰ এখন স্থিৰ চিত্ৰ

কানাপাহাৰটোৱে পাহাৰৰ দৰেই  বহন কৰি আছে। একালত বাঘ, পশু, বনবাধু (বনৰীয়া হাতী)ৰ বিচৰণস্থলী হোৱা বাবে পাহাৰটোত মানুহ সোমাব নোৱাৰিছিল। পিছলৈ কাঠ কটা, খৰি লুৱা আদি কামৰ  বাবে কিছু মুকলি হোৱাত সেই অঞ্চলৰ বাসিন্দাসকলে পাহাৰত বেতগাজ, আলু, কচু, ঢেঁকীয়া বুটলা হ'ল। গৰমকালি পাহাৰীয়া ঠাকুৰবিলাত জুৰ বতাহ বলি থাকে আৰু শীতকালত ঠাণ্ডা বহুত বেছি হয়। প্ৰকৃতিৰ এনে নৈসৰ্গিক শোভাৰ মাজতে বীৰুবালা ডাঙৰ হৈছিল। কিন্তু আজোঁৱলিৰ শিক্ষা অঞ্চলটো একেবাৰে পিছপৰা।

বৈবাহিক জীৱন ঃ

মন নথকা স্বত্তেও পোন্ধৰ বছৰ বয়সতে দেউতাকৰ সমবয়সীয়া চণ্ডী বাভলৈ বীৰুবালাক বিয়া দিছিল। জোঙা (মদ)ৰ জালত বিভোৰ হৈ থকা মানুহটোৰ লগত বহু লাঞ্ছনা-গঞ্জনা ভোগ কৰি বহুবাৰ বীৰুবালা মাকৰ ঘৰলৈ গুচি গৈছিল। অতীতৰ এই কথাবোৰ ভাবিলে বৰ্তমানো বীৰুবালাৰ বুকুখন বিষাই যায়। সংসাৰৰ মায়াজালত পৰি পুনৰ পতিগৃহলৈ আহে। ধৰ্মেশ্বৰ, বিষ্ণু, দয়ালু (তিনিটা ল'ৰা) আৰু কুমলী (ছোৱালী)ৰে বীৰুবালাৰ সংসাৰ। ধৰ্মেশ্বৰ বগীৰ ডাঙৰ ল'ৰা, বৰ্তমান শ্বিলঙৰ মানসিক চিকিৎসালয়ত আছে, সি হাফবেন। স্বামীৰ ঘৰখনত খেতি-পথাৰেই আছিল উপাৰ্জনৰ একমাত্ৰ উৎস। মানুহটোৱে চুৰট খঁপি খঁপি, জোঙা খাই খাই, কাম-বন নকৰি বহি বহি খোৱাৰ বাবে বীৰুবালাই  যথেষ্ট কষ্ট কৰি ঘৰখন চলাব লগা হৈছিল। অত্যাধিক চুৰট সেৱনত স্বামী কৰ্কট ৰোগত আক্ৰান্ত  হোৱাত পৰিয়াল চলাবৰ বাবে মাকৰ ঘৰতকৈ দুগুণ কষ্ট কৰিব লগা হৈছিল স্বামীৰ ঘৰত। হাবিত খৰি লুৰিবলৈ গ'লে পিঠিত থক (হোৰা) টো লৈ যোৱাৰ নিয়ম। কচু-আলু, ঢেঁকীয়া, বেতগাজ যি পাই থকত লৈ আহিলে ঘৰৰ গধুলি সাঁজলৈ সহজ হয়। আনহাতে কুঠাৰেৰে খৰিকেইডাল ফালি নিজে যোগাৰ কৰি ল'লেহে চৌকাত জুই দিব পাৰে। খেৰ কাটি মুঠা বান্ধি ঘৰ পোৱা, ধানদোৱা, ভুঁই ৰোৱা, আগুধান নিওৱা, মাছ ধৰা



সকলো কামতে বীৰুবালা পাৰ্গত। হাঁহ-কুকুৰা, গাহৰিকেইটা বেচি পোৱা পইচাৰে বীৰুবালাই কোনোমতে ঘৰখন চলায়। জৱকাৰ্ডৰ কাম চলিলে বছৰটোৰ বাবে দুটকামান তাই গোটাই ল'ব পাৰে। সাধাৰণতে জবকাৰ্ডৰ কাম বুলি ক'লে মানুহে ইফালে-সিফালে চাই সময় কটায়। ইয়াৰ বিপৰীতে বীৰুবালাই  হাতৰ টো কুটি যোৱাকৈ কাম কৰে। বাইজ আৰু ঘৰুৱা কৰ্মৰ মাজত কোনো পাৰ্থক্য নাৰাখি কৰ্মৰ এক আদৰ্শনীয় নিদৰ্শন দেখুৱাই গৈছে বীৰুবালাই। ইয়াৰ উপৰিও এৰী-পলু পোহা, টাকুৰীত সূতা কটা, কাপোৰত ৰঙ দিয়া, ফুল তোলা, কাপোৰ বোৱাত বীৰুবালাৰ দক্ষতা অতুলনীয়। ৰঙৰ বাবে পাহাৰৰ পৰা আছুগছৰ শিপা, নিৰিগছৰ পাত, জেতুকাৰ পাত, নীলগছ, জামু গছ, শিলিখা গছৰ ছাল অতি কষ্টৰে আনি উৰালত খুন্দি ৰং উলিয়াই  সূতাবোৰ ৰঙা, নীলা, ক'লা কৰি কাপোৰত বিভিন্ন ধৰণৰ ফুল তুলিছিল। মুঠতে বাংকে, কংকা, ছাম, নকেচ, খোক, টিংফা, কোৰ-কটাৰী নহ'লে সিহঁতৰ জীৱন অচল। এই কামবিলাক কৰি ঘৰ সংসাৰ চলাই বাহি হোৱা বেইটকা বীৰুবালাৰ ইফালে-সিফালে যোৱাৰ বাট খৰচ হয়।

সাহস আৰু দূৰদৃষ্টিসম্পন্ন ঃ

সৰুতে পঢ়া-শুনা নকৰাৰ বাবে বীৰুবালা মাজে মাজে অনুতপ্ত হয়। শিক্ষা-দীক্ষা নাছিল যদিও বীৰুবালাৰ চিন্তা-ধাৰা আছিল  শিক্ষিত লোকতকৈ বহু ওপৰত। অনবৰতে গাঁও আৰু সমাজৰ উন্নয়নৰ কথা ভবা বীৰুবালা সময়ত সকলো হৈছিল। সাহস আৰু দূৰদৃষ্টিসম্পন্ন গুণৰ ফলত আৰু ভিনিয়েক উত্তম ৰাভাৰ দিহা-পৰামৰ্শত তাই 'ঠাকুৰবিলা আঞ্চলিক মহিলা সমিতি' গঠন কৰিছিল। অন্যায়, অবিচাৰ, নাৰী নিৰ্যাতন, ডাইনী, অন্ধবিশ্বাস, দেওধনী, কবিৰাজ এইবিলাকৰ বিৰুদ্ধে মাত মাতি ঠাকুৰবিলাত সহজ-সৰল মানুহবিলাকৰ মাজত সজাগতা আনিছিল। বাট-পথ নোহোৱাৰ বাবে ঠাকুৰবিলাৰ বহু ঠাই আজিও আন্ধাৰত ডুব গৈ আছে। গৰু বা ম'হৰ গাড়ীয়ে চিকিৎসালয়লৈ বেমাৰীক নিব লগা হয়। সেয়ে বগীৰ মতে-'ৰাস্তা লাগে,

হাস্পাতাল লাগে, খোৱাপানী লাগে, স্কুল লাগে, বিজুলী বাতি লাগে-এইবোৰৰ পোহৰ নপৰিলে সমাজবোৰত, গাঁওবোৰত ডাইনীয়ে বাহ ল'ব, দেওধনি, কবিৰাজ, বেজবোৰে দৈত্যৰ দৰে নাচিব, অন্ধবিশ্বাস, কু-সংস্কাৰ, গ্ৰহপূজা, জৰা-ফুকা, ঢোল-তবিজৰ জয়জয় ময়ময় হ'ব। ফলত মানুহে মানুহক কাটিব, মাৰিব, ঘৰ-দুৱাৰ ভাঙিব, জ্বলাই দিব। সমাজৰ মানুহবোৰ অমানুহ হ'ব।' (বগী, পৃ.১৫) এনে দূৰদৃষ্টি সম্পন্ন গুণেই বীৰুবালাক সমাজৰ হকে কাম কৰিবলৈ উদ্‌গনি দিছিল।

মূল আলোচনা :

বীৰুবালাই ডাইনী বিৰোধী আন্দোলনত খোজ পেলোৱা মূল কাৰণ হৈছে বৰপুত্ৰ ধৰ্মেশ্বৰ। পঞ্চম শ্ৰেণীত থাকোতে ধৰ্মেশ্বৰ স্নায়ু ৰোগত আক্ৰান্ত হৈ মাজে মাজে মূৰ্চ্ছা যায়। এবাৰ গুৱাহাটী মেডিকেল কলেজলৈ নিয়া হৈছিল যদিও সুফল পোৱা নগ'ল। সঠিক সময়ত চিকিৎসা কৰিব পৰাকৈ আৰ্থিক অৱস্থাও টনকিয়াল নহয়। আনহাতে গাঁৱৰ মানুহৰ দৰে বীৰুবালাৰ স্বামী চণ্ডী ৰাভায়ো চিকিৎসকৰ পৰিবৰ্তে বেজ, দেওধনীকে বেছি বিশ্বাস কৰাত চাবল ৰাভা (বেজ) ৰ কাষ চাপে। বেজৰ কথামতে—

"ধৰ্মেশ্বৰক পৰীয়ে ধৰিছে। পৰীজনী এতিয়া গৰ্ভৱতী। তিনিদিনৰ পাছত তাইৰ কেঁচুৱা হ'ব। কেঁচুৱা হোৱাৰ তিনি-চাৰিদিনৰ পাছত আমাৰ ধৰ্মেশ্বৰ বোলে মৰিব।" (বগী, পৃ.৪৮)

কিন্তু বেজৰ কথামতে ধৰ্মেশ্বৰ নমৰিল। বৰঞ্চ অসুখ বাঢ়ি গৈ নৱম শ্ৰেণীত সি পাগল হ'ল। অত্যাচাৰত মানুহ থাকিব নোৱাৰি অৱশেষত তাক হাত-ভৰি বান্ধি জন্তুৰ দৰে থোৱা হ'ল। উপায়হীন হৈ প্ৰশাসনৰ সহযোগত মানসিক চিকিৎসাৰ বাবে শ্বিলঙলৈ পঠাই দিয়া হ'ল। পুতেকৰ মৃত্যু নোহোৱাত বীৰুবালাৰ বেজৰ প্ৰতি আস্থা নোহোৱা হ'ল। এনে পটভূমিত বীৰুবালাই ডাইনী হত্যাৰ বিৰুদ্ধে যি আন্দোলন আৰম্ভ কৰিলে সেয়া আজিও অব্যাহত আছে। নেতৃত্ব দিব পৰা গুণ থকাৰ বাবেই বীৰুবালাই ১৯৮৫ চনত ঠাকুৰবিলা মহিলা সমিতিৰ সম্পাদিকাৰ দায়িত্ব লৈ গাঁৱৰ উন্নয়নৰ কথা চিন্তা কৰে। ডাইনী হত্যাৰ লগতে শিক্ষা, স্বাস্থ্য, অপহৰণ, ধৰ্ষণ, যৌতুক, মদ্যপান, অসামাজিক কাৰ্য্যকলাপ সকলোতে মাত মাতি গাঁওবাসীৰ মাজত সজাগতা সৃষ্টি কৰিছিল। সভা-সমিতিত ঘূৰি ফুঁৰোতে ১৯৯৯ চনত 'অসম মহিলা সমতা সমিতি'ৰ সদস্যসকলক লগ পাই শিক্ষাৰ গুৰুত্ব, সাধাৰণ মানুহৰ অধিকাৰ, মহিলাসকলৰ সমস্যা, আইন আৰু চৰকাৰ সম্বন্ধীয় বহু কথাই বীৰুবালাই জানিব পাৰে। ২০০০ চনত 'অসম মহিলা সমতা সমিতি'ৰ গোৱালপাৰা জিলা শাখাই লখিপুৰ দ'দান মন্দিৰৰ প্ৰাঙ্গনত অনুষ্ঠিত কৰা ডাইনী বিচাৰ সম্পৰ্কীয় সজাগতা সভাখনেই আছিল বীৰুবালাৰ জীৱনৰ টাৰ্নিং পইন্ট। মামণি শইকীয়াই সঞ্চালনা কৰা সভাখনৰ মূল উদ্দেশ্য আছিল দেওধনীয়ে ডাইনী সজোৱা পাঁচগৰাকী মহিলাক অত্যাচাৰ কৰি গাঁৱৰ বাহিৰে খেদি দিছে। মহিলা কেইগৰাকীৰ বিচাৰেই আছিল সেইদিনা সভাৰ মুখ্য উদ্দেশ্য। অসম মহিলা সমতা সমিতিৰ সম্পাদিকা মামণি শইকীয়াই অনেক বুজোৱা স্বত্বেও সভাত উপস্থিত থকা লোকসকলৰ মনৰ পৰা দেওধনী, বেজ আঁতৰাব পৰা নাছিল। দেওধনী, বেজে অন্ধবিশ্বাস বিয়পাই কেনেকৈ মানুহক বিপথে পৰিচালিত কৰে, নিৰপৰাধী লোকক ডাইনী সজাই নিৰ্যাতন চলোৱা কাৰ্য্যক বীৰুবালাই এক 'সামাজিক ব্যাধি' বুলি কৈ নিজৰ জীৱনত সংঘটিত ধৰ্মেশ্বৰৰ কথাৰে উপস্থিত ৰাইজক বুজায়। এয়াই আছিল ডাইনী হত্যাৰ বিৰুদ্ধে ৰাজহুৱাকৈ দিয়া বীৰুবালাৰ প্ৰথম বক্তৃতা। সেই সভাত উপস্থিত থকা ঠাকুৰবিলা লোকসকলে পিছদিনা গাঁওপঞ্চায়তত এখন জৰুৰী সভা আয়োজন কৰে। দ'দান সভাত অভিযুক্ত দুভগীয়া পাঁচগৰাকী মহিলা ডাইনী নহয় বুলি সিহঁতৰ পক্ষত বীৰুবালাই থিয় দিয়াৰ বাবেই গাঁৱত বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছিল। কৌটিকলীয়া অন্ধবিশ্বাসত বিশ্বাসী গাঁৱৰ মানুহৰ দৃষ্টিত বীৰুবালা হ'ল অপৰাধী। সমাজৰ শত্ৰু।

বীৰুবালাক দোষী সাব্যস্ত কৰি পিছদিনা নিকট সম্পৰ্কীয় মানুহ এজনৰ

নেতৃত্বত গাঁৱৰ মহিলাসকল ঠাকুৰবিলা মহিলা সমিতিৰ সম্পাদকীয় সকলো নথি-পত্ৰ জব্দ কৰিবলৈ বীৰুবালাৰ ঘৰলৈ যায়। বীৰুবালাই অনানুষ্ঠানিকভাৱে নথিপত্ৰ দিবলৈ অস্বীকাৰ কৰাত গাঁৱৰ বাইজে পুনৰ এখন সভা পাতি বীৰুবালাক দোষী সাব্যস্ত কৰিলে। বীৰুবালাৰ এনে প্ৰতিবাদী কণ্ঠৰ বাবে সমাজে একঘৰীয়া কৰাৰ লগতে মহিলা সমিতিৰ সম্পাদকীয় দায়িত্ব এৰিবলৈ হুংকাৰ দিয়ে, ঠাকুৰবিলা ত্যাগ কৰিবলৈ কয়। সেইসময়ত বীৰুবালাৰ স্বামী অত্যন্ত গা-বেয়া। তেনে সময়ত গাঁৱৰে বোৱাৰী নিমাইয়ে কৈছিল- ঘৰৰে বান, ঘৰৰে শান, ঘৰতে ডাইনী, ঘৰতে ভূতুনী। অৰ্থাৎ বীৰুবালাই নিজেই ডাইনী হৈ লʼৰাক পাগল আৰু স্বামীক বেমাৰী কৰিছে। কৰ্কট ৰোগত আক্ৰান্ত হৈ খাব নোৱাৰি একেবাৰে শুকাই-খীণাই যোৱা মানুহটোৱে চোতালতে মন মাৰি বহি থাকে। মুখত পানীটুপি দিলে গুলাই অহাৰ উপৰিও মাজে মাজে মুখৰ পৰা বিজল ওলায়। আৰ্থিকভাৱে সবল নোহোৱাত চিকিৎসালয়লৈ যাবলৈ সাহস নহʼল। আনহাতে সেই ঠাইৰ মানুহে চিকিৎসাৰ সলনি বেজে কোৱাটোৱেই শেষ সত্য বুলি মানি লয়। সেইবোৰ সমাজ এজন বা দুজন মানুহৰ নিৰ্দেশতে চলে। গাঁওবুঢ়াই হৈছে হৰ্তা-কৰ্তা বা মূল মানুহ। একফালে ৰুগীয়া মানুহটো আনফালে সমাজৰ এনে অবিচাৰ আৰু অপবাদ। এনে দুমোজাতো পিছ নপৰি এই যোদ্ধাই নিৰ্ভীকভাৱে কৈছে—

"যদি ডাইনী আছে, দেওধনী আছে, বেজেৰ কথাই সত্য, কবিৰাজেই শেষ কথা তেতিয়া মোৰ ধৰ্মেশ্বৰ নমৰিল কিয়? ধৰ্মেশ্বৰক পৰীয়ে নলʼলে কিয়? কিয় নললে? তাক পৰীয়ে বিয়া কৰাইছে নহয়, সি নমৰিল কিয়? আমাৰ সমাজত থকা ডাইনী বিশ্বাসে আমাৰ কি উপকাৰ কৰিছে? কিমান মানুহ মাৰিলে আমাৰ সমাজে। মই নেমানো, কেতিয়াও নামানো। লাগিলে মৰি যাম। মোক লংকেৰ মাকৰ দৰে কাটিলেও কাটক। মই কৈছো, ডাইনীটো মিছা........।"(বগী,পৃ.৬৯)

ঠাকুৰবিলাত ববদুণ নোহোৱা, গছত তামোল নলগা, লুধুৰ মাকৰ প্ৰস্ৰাৱৰ দোষ ভাল নোহোৱাত লংকেৰ মাকক ডাইনী নজাই, ঘৰ, গাঁও এৰি যাবলৈ হকোৱা দিয়াত ভয়ত মানুহজনী পাহাৰত লুকাই আছিল। লংকেৰ বাপেকে মানুহজনীক মাজৰাতি মনে মনে ভাত দিয়াৰ কথাটো ৰাষ্ট্ৰ হোৱাত সমাজে বাপেকক মাৰি পেলোৱাৰ ভাবুকি দিলে। প্ৰাণৰ ভয়ত বাপেকে মানুহজনীক ভাত নিদিয়া হʼল। ভোকত থাকিব নোৱাৰি পানী খাবলৈ জুৰিলৈ দিন-দুপৰতে মানুহজনী নামি অহাত গাঁৱৰ মানুহে জপং পাছফালে শালি পেলাইছিল, দীপিলাৰ বাপেকে একে ঘাপে ছিটি ছিটি দিয়াত জুৰিৰ পানী তেজেৰে ৰাঙলী হৈছিল। গাঁৱৰ মানুহৰ বন্য উল্লাসত, বিজয়ৰ হৰ্ষধ্বনিত লংকেৰ মাকৰ জৰাজীৰ্ণ ভোকাতুৰ দেহাটো ছিন্ন-ভিন্ন হৈ পৰিছিল। তেনে এখন সমাজত বীৰুবালাক ডাইনী সজোৱাত পৰিয়াল ভয়ত পেঁপুৱা লাগিছে। জীয়াই থাকোতে পৰিয়ালটিৰ এনে অৱস্থা, মৰিলে কি হʼব বুলি বীৰুবালাৰ অসুস্থ মানুহটোৱে ভাবিছে। লংকেৰ মাকৰ ঘটনাটো মনত পৰিলেও বীৰুবালা তাইৰ দৰে ভয়াতুৰ নহয়। তেনে পৰিস্থিতিত বুকুত অসীম সাহস বান্ধি সভাই লোৱা সিদ্ধান্তৰ প্ৰতিবাদ জনাই নিজৰ অধিকাৰ সাব্যস্ত কৰি বীৰুবালাই কৈছে এনেৰে-তাইৰ জন্ম, ডাঙৰ-দীঘল, পৰিয়াল সকলো ঠাকুৰবিলাত হৈছে, গতিকে সেই ঠাইত বসবাস কৰাৰ সম্পূৰ্ণ অধিকাৰ আছে। এনে মন্তব্যৰ পিছতো গাঁওবাসীয়ে বলপূৰ্বকভাৱে ঠাকুৰবিলা মহিলা সমিতিৰ পৰা অব্যাহতি দিয়া, একঘৰীয়া কৰা কাৰ্যত বীৰুবালাই মনত প্ৰচণ্ড আঘাত পাইছিল। চকুৰ আগত ভাহি উঠিছিল মিছা অপবাদত ডাইনী সজোৱা, ঘৰ, গাঁৱৰ পৰা বিতাৰিত কৰা, হত্যাৰ বলি হোৱা হাজাৰজনী বীৰুবালাৰ প্ৰতিচ্ছবি। ডাইনী সজোৱা কাৰ্যই সকলোৰে পৰা সমাজখনক কাম কৰি ভাল পোৱা বীৰুবালাক অধিক অনুপ্ৰেৰণা যোগালে। ইয়াৰ পিছৰপৰাই বীৰুবালাই মিছা অপবাদত ডাইনী সজোৱা মানুহবিলাকক উদ্ধাৰ কৰিবলৈ মানসিকভাৱে সবল হোৱাৰ লগতে দেহে-কেহে খাটিছিল। সক্ৰিয়ভাৱে এনে সেৱা আগবঢ়োৱাৰ বাবেই অসম মহিলা সমতা সমিতি গোৱালপাৰা জিলা শাখাত যোগদান কৰিলে, এন.জিঅʼৰ লগ লাগিল।

আগতকৈ দুগুণ উৎসাহেৰে এনে কৰ্মবিলাকত মনোনিবেশ কৰিলে। পৰিস্থিতিৰ লগত মোকাবিলা কৰিব পৰাটো বীৰুবালা বাভাৰ সাহসৰেই পৰিচয়। খবৰ পোৱা মাত্ৰকে মাইল মাইল দূৰদূৰণিলৈ খোজ কাঢ়ি গৈ নিৰ্দিষ্ট ঠাইত উপস্থিত হৈ বিনা লেহত ডাইনী সজোৱা ব্যক্তিক অত্যাচাৰীসকলৰ পৰা উদ্ধাৰ কৰিছে। কাৰোবাক উদ্ধাৰ কৰিব পাৰিলেহে যাত্ৰাত তাই সন্তুষ্টি অনুভৱ কৰে। বহু সময়ত ডাইনী বোৱত পৰা মানুহক কাবলৈ গৈ নিজেই মৃত্যুৰ দুৱাৰদলিৰ পৰা ঘাটি আহিছে। কেতিয়াবা সময়মতে গৈ নাপালে ডাইনী মৰাৰ আনন্দত উত্ৰাৱল হৈ থকা মানুহখিনি আৰু ছিন্ন-ভিন্নকৈ পৰি থকা ডাইনীৰ মৃতদেহ চাই ঘূৰি আহিব লগা হৈছিল। নিজৰ জীৱনকো আওকাণ কৰি বীৰুবালাই সমাজৰ কথা চিন্তা কৰিছে। কু-প্ৰথাৰ বিৰুদ্ধে অহৰহ চলোৱা আন্দোলন আৰু প্ৰচাৰ কাৰ্য্যত ইতিমধ্যে অসমৰ বিভিন্ন অঞ্চলৰ বিশেষকৈ বজাইগাঁও, বৰঝাৰ, ধুবুৰী, ওদালগুড়ি, কোকোৰাঝাৰ, মাজুলী চিকাৰীগাঁও, ডিব্ৰুগড়, তিনিচুকীয়া, চাবুৱা আদি এলেকাত বহুসংখ্যক লোক ডাইনী অভিযোগৰ পৰা ৰক্ষা পাবলৈ সক্ষম হৈছে। এবাৰ নৰা কটাক লৈ অসম মেঘালয় সীমান্তত গাৰো আৰু বাভা মহিলাসকলৰ মাজত হোৱা ভাঙৰ বিবাদৰ মীমাংসা কৰিব পাৰিছিল বীৰুবালাই। তেতিয়া বীৰুবালাৰ বাভাৰ বিপক্ষে মাত মতাসকলে হয়তো বুজি উঠিছিল ডাইনী বুলি একো নাই, মাথো অন্ধবিশ্বাস। এই ঘটনাৰ পিছৰ পৰাই গাঁওবাসীয়ে বীৰুবালাক পুনৰ আদৰি লৈছিল আৰু সহযোগ কৰিছিল।

মিছন বীৰুবালা ঃ

বীৰুবালাৰ সাহস, সততা আৰু দৃঢ়তাৰ প্ৰেৰণাত অসমৰ বহু যুৱক-যুৱতী, পুৰুষ-মহিলাই একে উদ্দেশ্যে কাম কৰি যাবলৈ একগোট হয়। এই প্ৰচেষ্টাতে ২০১২ চনত মিছন বীৰুবালাৰ জন্ম। সমাজ সংস্কাৰমূলক এটি অনুষ্ঠান এই মিছনৰ গুৰি ধৰোঁতাৰূপে বীৰুবালা কেৱল এটি নামেই নহয়, ই এক বিশাল পৰিচয়। মিছন বীৰুবালাৰ উদ্দেশ্য হৈছে অন্ধবিশ্বাস, কুসংস্কাৰৰ বিৰুদ্ধে যুঁজ দি সমাজক নিকা



কৰা। সমাজ সংস্কাৰৰ বাবে মানুহ শিক্ষিত হ'বই লাগিব। গতিকে শিক্ষাৰ ক্ষেত্ৰত যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰা, নিৰক্ষৰ মহিলাসকলক শিক্ষিত কৰা, পিছপৰা গাঁওবিলাকৰ বাট-পথ উন্নয়ন, ডাইনী হত্যাৰ লগতে অপহৰণ, ধৰ্ষণ, যৌতুক, মদ্যপান, অসামাজিক কাৰ্য্যকলাপৰ বিৰুদ্ধে বিভিন্ন সভা-সমিতি পাতি ৰাইজৰ মাজত সজাগতা আৰু প্ৰচাৰ অব্যাহত ৰাখিছে। ব্যক্তিগত আক্ৰোশ, স্বাৰ্থ, স্বজন-তোষণ, হিংসা, খেয়ালি, কুসংস্কাৰ, অন্ধবিশ্বাসৰ বাবেই মানুহে মানুহক ডাইনী সজায়। এই কাৰ্য্যত দেওধনী, কবিৰাজ, বেজে মানুহবিলাকক দুগুণ উৎসাহ যোগায়। শেষ পৰিণতি হৈ পৰে আখেজ, প্ৰতিশোধ আৰু মৃত্যু। পৰম্পৰা, বিশ্বাসক খামুচি ধৰি থকা মানুহৰ মনৰ পৰা ডাইনী খেদোৱাটো ইমান সহজ কথা নহয়। নিজৰ জীৱন উৰ্চগা কৰিও সেই অসহজ কৰ্মৰ লগত মিছন বীৰুবালাই যুদ্ধ অব্যাহত ৰাখিছে আৰু সফলো হৈছে। 'মিছন বীৰুবালা' আহি আছে বুলি কোৱাৰ লগে লগেই বহু ঠাইত তেওঁলোক গৈ পোৱাৰ আগতেই সমস্যাবিলাক নিজৰ মাজতে সমাধান কৰিবলৈ চেষ্টা কৰা উদাহৰণো বহুসময়ত দেখিবলৈ পোৱা গৈছে। বৰ্তমানলৈকে প্ৰায় পঞ্চাছ জন ডাইনী অভিযুক্ত লোকক আসন্ন মৃত্যুৰ পৰা বীৰুবালা আৰু বীৰুবালা মিছনে উদ্ধাৰ কৰিছে। বাভাসকলৰ উপৰিও গাৰো, বড়ো, মিচিং, চাহজনগোষ্ঠী লোকৰ মাজতো এই প্ৰচাৰ চলাইছে। বীৰুবালাৰ আদৰ্শৰে পৰিপুষ্ট মিছন বীৰুবালাৰ বৰ্তমানৰ সদস্য সংখ্যা প্ৰায় ১০০০ বো অধিক। ইয়াৰে ১০০ৰো অধিক সদস্যই গাঁৱৰ শিক্ষিত ব্যক্তি, প্ৰশাসনৰ সহযোগত ইতিমধ্যে অসমৰ মুঠ চৈধ্যখন জিলাত অন্ধবিশ্বাস, কু-সংস্কাৰ, ডাইনী বিষয়ত কৰ্মশালা অনুষ্ঠিত কৰি জনসাধাৰণৰ মাজত সজাগতা আনিবলৈ প্ৰয়াস কৰিছে। ইয়াৰ উপৰিও বীৰুবালাৰ আদৰ্শই সমাজত যাতে এক নৱ চেতনাৰ উন্মেষ ঘটাব পাৰে তেনে মহান উদ্দেশ্য সন্মুখত লৈ কিছুমান ঠাইত মিছন বীৰুবালা কোষ (Working Cell) গঠন কৰিছে। এই ক্ষেত্ৰত ডিব্ৰুগড় বিশ্ববিদ্যালয়, দুধনৈ মহাবিদ্যালয়, চাবুৱা ডি ডি আৰ কলেজ, ডিব্ৰু মহাবিদ্যালয়, ফিল'বাৰী কনিষ্ঠ মহাবিদ্যালয়,

মহাবিদ্যালয় আৰু ছেৰেপাংওৰি মিছ্ন উল্লেখযোগ্য।

**বঁটা বা সন্মান ঃ**

এই অভিযানৰ বাবে বীৰুবালাই আন্তৰ্জাতিক ক্ষেত্ৰত স্বীকৃতি লাভ কৰিবলৈ সক্ষম হৈছে। 2005 চনত ছুইজাৰলেণ্ডৰ "One Thousand Women for peace Noble prize, 2005" সংস্থাই নামৰ যিখন তালিকা প্ৰস্তুত কৰিছিল সেইখনত বীৰুবালাৰ নামো অন্তৰ্ভুক্ত হৈছিল। শান্তিৰ ন'বেল বঁটাৰ বাবে মনোনীত প্ৰথম অসমীয়া হোৱাৰ যোগ্যতা অৰ্জন কৰিছিল বীৰুবালা ৰাভাই। কিন্তু সঠিক যোগাযোগৰ অভাৱত বীৰুবালাই এই সন্মান লাভ কৰিবলৈ সক্ষম নহ'ল। ২০০৫ চনত তেখেতক বিয়েল হিৰ' নামৰ আন এক বঁটা প্ৰদান কৰিছিল আই.বি.এন ১৮ নেটৱৰ্ক আৰু বিলায়েন্স গ্ৰুপে। ২০১১ চনত যোৰহাটৰ এচ.আই ফাউণ্ডেচনে সমাজবান সৰ্বেশ্বৰ দত্ত মেম'ৰিয়েল আৰু অসম একাডেমীয়ে উৰ্মিলা দাস মেম'ৰিয়েল বঁটা প্ৰদান কৰিছিল। ২০১২ত ডিব্ৰুগড় লেডিছ ক্লাবে জয়মতী সন্মান, ২০১৩ত কোকৰাঝাৰৰ থকা The Ingkhang welfare Societyয়ে Man of the year 2013 সন্মান, ২০১৪ত শিৱসাগৰ সোণাৰিৰ টাই আহোম যুৱ পৰিষদে বীৰাংগনা মূলাগাভৰু বঁটা, ২০১৫ত কোকৰাঝাৰ উপেন্দ্ৰনাথ ব্ৰহ্ম ট্ৰাষ্টে বদোফা উপেন্দ্ৰনাথ ব্ৰহ্ম বঁটা, ২০১৫ চনত গুৱাহাটী বিশ্ববিদ্যালয়ে অন্ধবিশ্বাস, কুসংস্কাৰ, বিশেষকৈ ডাইনী হত্যাৰ দৰে এক বিভীষিকাময় কৰ্মৰ বিৰুদ্ধে অবিৰতভাৱে যুঁজ দি অহাৰ বাবে সন্মানীয় ডক্টৰেট উপাধি প্ৰদান কৰে, মোম্বাইত মাইহং ইণ্ডিয়া নামৰ এক অনুষ্ঠানে Our North East India Award 2016 সন্মান দিয়ে। ২০১৭ চনত অসম চৰকাৰে সতী সাধনী বঁটা, ২০১৯ চনত ড° ভূপেন হাজৰিকা সংহতি বঁটা, ২০২১ চনত ভাৰত চৰকাৰে চতুৰ্থ সৰ্বোচ্চ অসামৰিক সন্মান পদ্মশ্ৰী বঁটা আগবঢ়ায়।

**সামৰণি ঃ**

নিজৰ জীৱন পণ কৰি কুসংস্কাৰৰ বিৰুদ্ধে যুঁজ দি অহা বীৰুবালা ৰাভা



বৰ্তমান কৰ্কট ৰোগত আক্ৰান্ত। এই লেখাৰ যোগেদিয়েই তেখেতৰ স্বাস্থ্যৰ আৰু আৰোগ্য কামনা কৰা হ'ল। তেখেত সুস্থ হওক, আধৰুৱা কামবিলাক পুনৰ নতুন উদ্যমেৰে আগুৱাই নিয়ক। বীৰুবালাৰ ভাষাৰে বেজ, দেওধনী, ওজাই মানুহক মিছা অপবাদত ডাইনী সজাই নিজৰ স্বাৰ্থ পূৰণ কৰি সমাজ নষ্ট কৰে। সজাগ নহ'লে এনে ভ্ৰান্ত ধাৰণাসমূহ সমাজৰ পৰা নিৰ্মূল কৰিবলৈ যথেষ্ট কষ্টকৰ। প্ৰত্যাহ্বানৰ সন্মুখীন হ'লেও এখন সুস্থ সমাজ গঢ়িবলৈ আমিও বীৰুবালা বাইদেউৰ দৰে প্ৰচেষ্টা হাতত ল'ব লাগিব। 'বহিজে হাত জোকাৰিলে নৈ বয়' এই আপ্তবাক্যশাৰীৰে ক'ব পাৰি যে সকলোৱে সহযোগিতা আগবঢ়ালেহে ডাইনী হত্যাৰ দৰে 'সামাজিক মহাব্যাধি'ক আমি ৰোধ কৰিবলৈ সক্ষম হ'ম বুলি আশা কৰিব পাৰি। আহক, তেখেতৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ আমিও হাতে হাত ধৰি অন্যায়ৰ বিৰুদ্ধে মাত মাতিবলৈ সাজু হওঁ।

**সহায়ক গ্ৰন্থপঞ্জী ঃ**


খাউণ্ড, গোবিন কুমাৰ ঃ বৰ্গী
বনলতা, ডিব্ৰুগড়, প্ৰথম প্ৰকাশ, ২০১৯

English:

Narzary, Raju Kr. : Brave soldier of Humanity Dr. Birubala Rabha
Burlungbuthur Publication Board, Kokrajhar, Bodoland, 2015


♦♦♦


পূৰ্বোত্তৰ হিমালয়
এটি নৃবৈজ্ঞানিক অৱলোকন
সম্পাদনা
ড° কল্যাণ বৰুৱা

PURBUTTAR HIMALAYA : ETI NRIBOIGYANIK ABOLUKON
a collection of essays in Assamese on varied socio-cultural issues from the North-East India, edited by **Dr. Kalyan Baruah.**
*Published by*
**purbanchal prakash**
H. No.- 2, Seujee Path, Dr. B. N. Saikia Road, Wireless,
Dispur, Guwahati - 781006.
**₹. 590.00** only

## সম্পাদনা সমিতি

উপদেষ্টা : ড° ইৰশ্বাদ আলি
ড° বিৰিঞ্চি কুমাৰ মেধি
ড° আবু নাছাৰ ছাঈদ আহমদ
শ্ৰী আশিষ ৰাচ্ছানি, আই.এ.এচ
সভাপতি : ড° ৰাপুকণ চৌধুৰী
সম্পাদক : ড° কল্যাণ বৰুৱা
সম্পাদনা সহযোগী : ড° উপলা বৰুৱা
ড° তিলোত্তমা বৰুৱা
ড° মৃণাল মেধি
ড° মোৰানা ভাগৱতী

প্ৰবন্ধকাৰ সকলে প্ৰদান কৰা মন্তব্য সমূহ তেওঁলোকৰ নিজা, তাৰ বাবে সম্পাদক, সম্পাদনা সমিতি অথবা গ্ৰন্থৰ প্ৰকাশক দায়বদ্ধ নহয়।
— সম্পাদক

॥ প্ৰকাশক ঃ পূৰ্বাঞ্চল প্ৰকাশ, ঘৰ নং-২, সেউজী পথ, ৱায়াৰলেছ, গুৱাহাটী-৭৮১০০৬ ॥
॥ মুদ্ৰণ ঃ ভৱানী অফছেট এণ্ড ইমেইজিং প্ৰাঃ লিঃ, গুৱাহাটী-৭৮১০০৭ ॥
॥ প্ৰথম প্ৰকাশ ঃ ২০২২ ॥
॥ অলংকৰণ ঃ মাধৱ বৰদলৈ ॥
॥ বেটুপাতৰ শিল্পী ঃ মনজিৎ ৰাজখোৱা ॥
॥ © সম্পাদকৰদ্বাৰা সৰ্বস্বত্ব সংৰক্ষিত ॥
ISBN : 978-93-91878-09-2
॥ মূল্য ঃ ৫৯০.০০ টকা ॥

# সূচীপত্ৰ


১। এগৰাকী নৃ-বিজ্ঞানীৰ স্মৃতিত শ্ৰদ্ধাৰ্ঘ্য-
জনসংস্কৃতিৰ চৰিত্ৰ — ড° নগেন শইকীয়া — ৪১

২। ভাগৱতী ছাৰ ঃ এক বিৰল ব্যক্তি,
অনন্য ব্যক্তিত্ব — ড° কবিতা আহমেদ — ৪৯

৩। ড° অন্নদা চৰণ ভাগৱতীৰ সৌৰৱণত — ড° ইৰশ্বাদ আলি — ৫৮

৪। সমাজ-সংস্কৃতি-ব্যক্তি ঃ
এটি পৰ্য্যালোচনা — ড° ইন্দিৰা বৰুৱা — ৬৬

৫। উত্তৰ পূৰ্বাঞ্চলৰ জনজাতীয় সমাজত
প্ৰচলিত ৰীতি-নীতি ঃ ধাৰাবাহিকতা
আৰু পৰিৱৰ্তন — ড° জেউতী বৰুৱা — ৭৬

৬। সৰ্বভাৰতীয় প্ৰেক্ষাপটত অসমৰ সত্ৰ অনুষ্ঠান ঃ
এক সমাজতাত্ত্বিক আলোচনা — ড° ডম্বৰুধৰ নাথ — ৮৬

৭। অসমীয়া শিখসকলৰ পৰিক্ৰমা আৰু পৰিচয়
ড° বিৰিঞ্চি কুমাৰ মেধি — ১১৭

৮। ভাৰতৰ উত্তৰ পূৰ্বাঞ্চলৰ ভাষা ঃ এক আলোকপাত
ড° ভীমকান্ত বৰুৱা — ১২৫

৯। উত্তৰ-পূৱ ভাৰতত নৃগোষ্ঠীয় বৰ্ণনা গৱেষণা
ড° আবু নাছাৰ চাঈদ আহমদ — ১৩৮

১০। অসমীয়া সংস্কৃতিৰ বিৱৰ্তন প্ৰসংগ — ড° অৰ্পণা কোঁৱৰ — ১৪৯

১১। ব্ৰহ্মপুত্ৰ উপত্যকা ঃ নদীকেন্দ্ৰিক সংস্কৃতিৰ ৰূপৰেখা
ড° অৱণী কুমাৰ ভাগৱতী — ১৭০

১২। নৃতত্ত্বত সংযুক্তিবাদ — ড° কিশোৰ ভট্টাচাৰ্য্য — ১৭৯

১৩। অসমৰ লোক-সংস্কৃতিত কল আৰু কলাখাৰ
ড° উপেন ৰাভা হাকাচাম — ১৮৬

১৪। তাই-তুৰুং সংস্কৃতি ঃ এক চমু অৱলোকন
ড° তিলোত্তমা বৰুৱা — ২০৪

১৫। অসমীয়া সমাজ সংৰচনা, নৃগোষ্ঠীয় পৰিচয় আৰু
প্ৰতীক চিহ্ন — ড° উপলা বৰুৱা — ২২৩
১৬। অসমৰ মৃৎশিল্প — ড° বন্দিতা মেধি — ২৩৫
১৭। লোক সংস্কৃতি অধ্যয়নত সাধুকথা — ড° মৃণাল মেধি — ২৪২
১৮। পৰম্পৰাগত জ্ঞান আৰু প্ৰাকৃতিক সম্পদ
ব্যৱস্থাপনা ঃ ভাৰতৰ উত্তৰ পূৰ্বাঞ্চলৰ পাহাৰীয়া
জনজীৱনত এভুমুকি — ড° জোনালী দেৱী — ২৫৯
১৯। নক্টেসকলৰ লোক-ধৰ্ম ঃ এটি চমু অৱলোকন
ড° স্মৃতিৰেখা গগৈ গায়ন — ২৭৫
২০। অসমৰ জনজাতীয় আন্দোলন ঃ এক চমু অৱলোকন
ড° লোহিত হাজৰিকা
নীহাৰিকা কোঁৱৰ হাজৰিকা — ২৮৮
২১। টিৰাপৰ নক্টেসকলৰ পম্পৰাগত খাদ্য উৎপাদন
আৰু ৰন্ধন প্ৰণালী — ড° মৰমী তালুকদাৰ — ২৯৪
২২। অসমীয়া বস্ত্ৰ শিল্প ঃ বিৱৰ্তনৰ এটি ৰূপৰেখা
ড° মন্দিৰা বৰঠাকুৰ শইকীয়া — ৩০৫
২৩। পৰম্পৰাগত শিক্ষানুষ্ঠানৰূপে বৌদ্ধ বিহাৰ ঃ
খামতি আৰু ফাকেসকলৰ উল্লেখেনবে
এক চমু আলোচনা — ড° দীপাঙ্কৰ গগৈ — ৩১১
২৪। তিনিচুকীয়া জিলাত সাংস্কৃতিক পৰ্য্যটনৰ সম্ভাৱনীয়তা ঃ
এক আলোকপাত — ড° নিলোফাৰ জাচমিন — ৩১৯
২৫। সোণোৱাল কছাৰীসকলৰ ধৰ্ম্মীয় ঐতিহ্য ঃ
অতীত আৰু বৰ্তমান — ৰুণুমী সোণোৱাল — ৩২৭
২৬। অসমৰ আৰ্থ-সামাজিক উন্নয়নত নেপালীসকলৰ ভূমিকা
ড° জ্যোতিৰেখা গগৈ — ৩৩৪
২৭। অসমৰ সোণোৱাল কছাৰীসকলৰ ধৰ্মীয় পৰম্পৰা ঃ
পৰিৱৰ্তন আৰু ধাৰাবাহিকতা — ড° নিতুমণি শইকীয়া — ৩৪৫
২৮। গৰ্ভাৱস্থাৰ পৰম্পৰাগত বিশ্বাস ঃ মিচিং সমাজৰ
উল্লেখনিবে — ড° প্ৰমাণীতা বড়া — ৩৫৫

# অসমৰ আৰ্থ-সামাজিক উন্নয়নত নেপালীসকলৰ ভূমিকা

ড° জ্যোতিৰেখা গগৈ

**নেপালী জনগোষ্ঠীৰ পৰিচয় ঃ**

ভাৰতৰ উত্তৰৰ প্ৰতিবেশী দেশ নেপাল। এই নেপালত বহুতো জনগোষ্ঠীয়ে বসবাস কৰি আছে। নেপালত ইতিহাসৰ সূত্ৰপাত হৈছিল শাহ বংশৰ ৰাজত্বকালত (১৫৫৯-১৮৪৬ খ্ৰীঃ) বিশেষকৈ পৃথিৱী নাৰায়ণ শাহৰ (১৭৪২-১৭৭৫ খ্ৰীঃ) দিনতে বুলি ক'ব পাৰি (থাপা, ৰুদ্ৰমান ঃ ২০০৮ পৃ. ১)। কালক্ৰমত পৃথিৱীৰ বহু অঞ্চলত নেপালীসকলে বসবাস কৰে যদিও তেওঁলোকৰ সমাজ-সাংস্কৃতিক প্ৰক্ৰিয়া একে। নেপালীসকল এক সুসংহত আৰু সংমিশ্ৰিত জনগোষ্ঠী হ'লেও ইয়াৰ বিভিন্ন উপজনগোষ্ঠীৰ নিজস্ব পৰম্পৰাগত ভাষিক আৰু ধাৰ্মিক সত্তা আজিও বিদ্যমান। স্পষ্টকৈ ক'বলৈ গ'লে নেপালী জনগোষ্ঠীক প্ৰধানকৈ দুটা ভাগত ভগাব পাৰি এনেদৰে—

ক) ইণ্ডো আৰ্য বংশোদ্ভৱসকল (Indo-Aryan Origin ) -

খ) তিব্বত মংগোলীয় বংশোদ্ভৱসকল (Tibeto Mongoloid Origin ) -

ইণ্ডো-আৰ্য বংশোদ্ভৱসকলক ধাগাধাৰী (গাত লগুণ লোৱা লোক) আৰু তিব্বত মংগোলীয় বংশোদ্ভৱসকলক মদৱালী (সামাজিকভাৱে মদ পান কৰা লোক) বুলি কোৱা হয়। অৱশ্যে বৰ্ণবৈষম্যফালৰ পৰা নেপালী জনগোষ্ঠীক প্ৰধানকৈ তিনিটা ভাগত ভাগ কৰিছে এনেদৰে—

ক) ব্ৰাহ্মণ, ঠকুৰী, ছেত্ৰী উপাধি লোকসকল উচ্চবৰ্ণ হিন্দু উপজনগোষ্ঠী।

ক) নেৱাৰ, ৰাই, লিম্বু, থাপা, মগৰ, গুৰুং, ভুজেল, তামাং, থামী, ইয়াম্মা উপাধিৰ লোকসকল মধ্যবৰ্ণ উপজনগোষ্ঠী। আদিতে এওঁলোক অনা হিন্দু ধৰ্মাৱলম্বী আছিল বুলি জনা যায়।

গ) সোণাৰ, দমাই, কামী, চাৰ্কী, গায়নে উপাধিৰে পৰিচিত লোকসকলক নেপালী সমাজৰ আন লোকে অৱহেলাৰ চকুৰে চায়। আজিকালি অৱশ্যে



বৰ্ণবৈষম্যৰ মাত্ৰা নেপালী সমাজত কমি আহিছে।

এই নেপালী জনগোষ্ঠীসমূহৰ উপৰিও ইয়াৰ আন কিছুমান উপজনগোষ্ঠীও আছে। আলোচনাৰ বিস্তৃত পৰিসৰলৈ চাই সেইবোৰ ইয়াত উল্লেখ কৰা হোৱা নাই।

**অসমলৈ নেপালীসকলৰ প্ৰব্ৰজন ঃ**

ইতিহাসৰ বিভিন্ন পৰ্যায়ত বিভিন্ন কাৰণত অসমলৈ প্ৰব্ৰজিত হৈ অহা বহুতো জনগোষ্ঠীৰ ভিতৰত নেপালীসকল অন্যতম। ভাৰতৰ প্ৰতিবেশী ৰাষ্ট্ৰ নেপালৰ পৰা অসমকে আদি কৰি বিভিন্ন প্ৰান্তলৈ নেপালীসকলৰ প্ৰব্ৰজন ঘটিছিল। প্ৰাগ্‌ঐতিহাসিক কালৰ পৰা প্ৰব্ৰজনৰ সোঁত বৈ আহিছে যদিও কোনো নিৰ্দিষ্ট তাৰিখ, দিন, চন আদিৰ উল্লেখ ইতিহাসত সঠিকভাৱে পাবলৈ নাই। প্ৰাচীন অসম আৰু নেপাল ভৌগোলিকভাৱে সংলগ্ন হৈ থকাৰ বাবে প্ৰাচীনকালৰে পৰা দুয়োখন দেশৰ মাজত এক সু-সম্পৰ্ক আছিল। আনকি মহাভাৰতৰ যুগত প্ৰাগ্‌জ্যোতিষপুৰৰ উত্তৰ সীমা সাম্প্ৰতিক ভূটান আৰু নেপালৰ এটা অংশলৈকে বিস্তৃত হৈ আছিল। (থাপা, ৰুদ্ৰমান ঃ অসমৰ থলুৱা নেপালী সমাজ, পৃ. ১৪) ভৰতমুনিৰ 'নাট্যশাস্ত্ৰ'ত প্ৰাগ্‌জ্যোতিষপুৰ, অঙ্গ, বঙ্গ, কলিঙ্গ আদিৰ লগতে নেপালকো পূব ভাৰতৰ অন্তৰ্ভুক্ত কৰা হৈছে। বহু চৰ্চিত, সমুদ্ৰগুপ্তৰ এলাহবাদ স্তম্ভলিপিতো কামৰূপ, নেপাল, সমতট ডবাক, কৰ্তৃপুৰ আদি ৰাজ্যৰ উল্লেখ পোৱা যায়। 'যোগিনীতন্ত্ৰ'ৰ মতে কামৰূপ আৰু নেপাল দুই প্ৰতিবেশী ৰাজ্যৰূপে চিহ্নিত। (নেপাল, ক্ষেমৰাজ ঃ অসমীয়া নেপালী জনজীৱন, পৃ. ৩১) এইবিলাকেই অসম আৰু নেপালৰ সম্পৰ্কৰ কথা প্ৰতীয়মান কৰে। প্ৰাচীন অসম আৰু নেপালৰ ৰাজকীয় পৰিয়ালবৰ্গৰ মাজত বৈবাহিক সম্বন্ধও স্থাপন হৈছিল। উল্লেখযোগ্য যে, মধ্যযুগৰ কামৰূপৰ শালস্তম্ভ বংশৰ ৰজা হৰ্ষবৰ্মদেৱৰ (৭৩০-৭৫০ খৃঃ) দুহিতা ৰাজ্যমতীক নেপালৰ নৃপতি জয়দেৱলৈ বিয়া দিছিল। একেদৰেই ষষ্ঠদশ শতিকাৰ দ্বিতীয় দশকত কোঁচৰজা বিশ্বসিংহই কান্তিপুৰস্থ (সম্প্ৰতি কাঠমাণ্ডু) মল্ল ৰজাৰ জীয়াৰী ৰত্নকান্তিক বিয়া কৰাইছিল। (থাপা, ৰুদ্ৰমান ঃ পূৰ্বোল্লিখিত গ্ৰন্থ পৃ. ১৪) এইবিলাকৰ উপৰিও দুয়োখন দেশৰ তীৰ্থযাত্ৰীসকলৰ মাজত আগমন প্ৰত্যাগমন আৰু আদান-প্ৰদানৰ প্ৰক্ৰিয়া চলি আছিল। প্ৰাচীন কামৰূপৰ কোঁচ ৰজাই নেপালৰ পৰা পুৰোহিত ভাস্কৰাচাৰ্য আৰু স্থাপত্যবিদ নিজ ৰাজ্যলৈ আনি ৰাজহমুক্ত ভূমিৰ আবণ্টন দি স্থায়ীভাৱে থকাৰ ব্যৱস্থা কৰি দিছিল। প্ৰসংগক্ৰমে গুৱাহাটীস্থ কামাখ্যা মন্দিৰৰ পূজাৰীসকলৰ কিয়দংশ এই আমদানিকৃত নেপালী পুৰোহিত শ্ৰেণীৰ বংশোদ্ভৱ।

(ছেত্ৰী, মন বাহাদুৰ ঃ অসমীয়া নেপালী সমাজ আৰু সংস্কৃতিৰ ৰূপৰেখা পৃ.১৩) তীৰ্থনাথ শৰ্মাৰ মতে "শ্ৰীশংকৰদেৱ (১৪৪৯-১৫৬৯) ৰ তাৰ পাছতো নেপালী লোক অসমত আছিল। অসমৰ নগাঁও জিলাত আৰু শিৱসাগৰ জিলাৰ টিয়কত নেপালী সত্ৰ নামৰ দুখন সত্ৰ আছে। দুয়োখন সত্ৰৰ গুৰি ধৰোঁতা একেজনাই। সত্ৰৰ প্ৰথম প্ৰৱৰ্তক বা আত্মপ্ৰত্যয় পুৰুষজনৰ নাম আছিল ৰত্নিকান্ত। তেওঁ এজন নেপালী উপাধ্যায় ব্ৰাহ্মণ আছিল। সেইকাৰণে সত্ৰখনৰ নাম লোকমুখত পৰি নেপালী সত্ৰ হ'ল। আজিকালি নেপালী সত্ৰৰ গোসাঁই বংশৰ বহুতেই এইকথা নাজানে। তেওঁলোকৰ পূৰ্বপুৰুষ কোনোবা কালতে নেপালী গুচি অসমীয়া হ'ল। একে লেখাৰিকৈ তিনিটা কাৰ্যকাল অসম সাহিত্য সভাৰ সম্পাদকৰ ভাৰ চলাওঁতা আৰু উপসভাপতিৰূপেও অলপ কাল কাৰ্য কৰোঁতা অধ্যাপক যতীন্দ্ৰনাথ গোস্বামী এই বংশৰে লোক। (গৌণ উৎস ঃ ৰুদ্ৰমান থাপা ঃ অসমীয়া থলুৱা নেপালী সমাজ, পৃ. ১৬) এই তথ্যবিলাকৰ পৰা এইটো স্পষ্ট হৈ পৰে যে অসমলৈ নেপালীসকলৰ প্ৰব্ৰজনৰ ইতিহাস বহু পুৰণি। তথ্যবোৰ বিচাৰ-বিশ্লেষণৰ অন্তত দেখা যায় যে, প্ৰাচীন আৰু মধ্যকালীন ভাৰতবৰ্ষত বৈবাহিক সূত্ৰ আৰু তীৰ্থযাত্ৰীকে আদি কৰি বিভিন্ন কাৰণত বিভিন্ন প্ৰান্তৰপৰা লোক অন্যান্য প্ৰান্তলৈ প্ৰব্ৰজিত হোৱাটো তেনেই স্বাভাৱিক প্ৰক্ৰিয়া আছিল।

১৮২৬ চনত ইয়াণ্ডাবু চুক্তিৰ ফলশ্ৰুতিত ৰাজ্যখনত (সম্প্ৰতি উত্তৰ-পূৰ্বাঞ্চল) বৃটিছ ঔপনিবেশিক শাসকৰ অধীনলৈ যোৱাৰ পাছৰে পৰা অসমলৈ নেপালী প্ৰব্ৰজনৰ দ্বিতীয় সোঁত বৈছিল বুলি ক'ব পাৰি। ব্ৰিটিছৰ লগত অহা গোৰ্খা সৈন্যসকল আৰু তেওঁলোকৰ পৰিয়াল উনবিংশ শতিকাতে অসমলৈ আগমন হৈছিল। এই লেখাত প্ৰব্ৰজনৰ ইতিহাস মূলমূলভাৱে এইকাৰণে আগবঢ়োৱা হৈছে যে - এই তথ্যসমূহৰ আধাৰত অসমত বসবাস কৰা নেপালীসকলক বৃত্তিগতভাৱে সৈনিক, খেতিয়ক, পশুপালক, শ্ৰমিক, মজদুৰ, চাকৰিয়াল, অন্যান্য দিশত আলোচনা কৰিবলৈ সমস্ত প্ৰয়াস কৰা হ'ব। বিভিন্ন কাৰণত প্ৰব্ৰজিত হৈ কালক্ৰমত অসমৰ থলুৱা লোক হৈ পৰা নেপালী জনগোষ্ঠীয়ে অসমৰ ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক, ভাষা, সাহিত্য সংস্কৃতি জগতখনলৈ বহু অৱদান আগবঢ়াইছে। এই লেখাত অসমৰ কেৱল আৰ্থসামাজিক উন্নয়নৰ বিষয়েহে আলোকপাত কৰা হ'ব।

**বিষয়বস্তুৰ পৰিচয় ঃ**

অকল ৰাজকোষলৈ ৰাজহ দিয়াটোকে অৰ্থনৈতিক বিকাশ বুলি ক'ব নোৱাৰি। অসমৰ সমূহ জনসাধাৰণৰ সামগ্ৰিক চাহিদা পূৰণ কৰাটোও অৰ্থনৈতিক উন্নয়নৰ



ভিতৰুৱা। আৰ্থসামাজিক উন্নয়ন বুলি কলে সমাজখনৰ উন্নতিৰ বাবে সামঞ্জস্য ৰাখি অৰ্থনৈতিক বিকাশ সাধন কৰা। য'ত দেখি সমাজ ব্যৱস্থা আৰু জাতিগঠনে মুখ্য ভূমিকা গ্ৰহণ কৰিছে। এনে সুস্থ আৰু সবল সমাজত প্ৰতিষ্ঠিত অৰ্থনৈতিক সুফলতাকহে আমি প্ৰকৃতাৰ্থত আৰ্থ সামাজিক উন্নয়ন বুলি ক'ব পাৰো। প্ৰব্ৰজনকাৰী নেপালীসকলে অসমত নিগাজীকৈ বাস কৰি পৰৱৰ্তী সময়ত অসমৰ অৰ্থনৈতিক উন্নয়নত কেনেদৰে অৰিহণা যোগাইছে সেয়া আলোচনা কৰাই হৈছে এই পত্ৰৰ মূল প্ৰয়াস।

**অসমত গোৰ্খা সৈনিক ঃ**

গোৰ্খা সৈনিক হিচাপে নেপালীসকলক যদি বিচাৰ-বিশ্লেষণ কৰিবলৈ যাওঁ তেন্তে প্ৰথমেই উল্লেখ কৰিব লাগিব যে ১৮১৪-১৫ চনৰ নেপাল আৰু ইষ্ট ইণ্ডিয়া কোম্পানী চৰকাৰৰ মাজত হোৱা যুদ্ধৰ পৰিণতিত স্বাক্ষৰিত সুগৌলী সন্ধিৰ ফলত নেপালে এক বিস্তৃত ভূখণ্ড ব্ৰিটিছক এৰি দিব লগা হোৱাত বহু নেপালী লোক ভাৰতীয় প্ৰজা হৈ পৰিল। প্ৰণিধানযোগ্য যে, ব্ৰিটিছসকলে ভাৰতভূমিত নিজৰ স্বাৰ্থ পূৰণৰ উদ্দেশ্যে সাম্ৰাজ্যবাদী শাসন টনকিয়াল কৰিবলৈ সাহসী আৰু অতি বিশ্বাসী সৈন্য বাহিনীৰ সন্ধানত থাকোঁতে ঘটনাক্ৰমে ১৮১৪ চনত ব্ৰিটিছ ভাৰত আৰু নেপালৰ মাজত এক যুদ্ধ সংঘটিত হয়। ইতিহাসত এইখনেই এংলো গোৰ্খা যুদ্ধ নামে জনাজাত। যুদ্ধত গোৰ্খা সৈন্যই পৰাজয়বৰণ কৰিছিল যদিও তেওঁলোকৰ পৰাক্ৰম, বিশ্বাস, দেশপ্ৰেম, কৰ্তব্যনিষ্ঠা দেখি ব্ৰিটিছসকল আশ্চৰ্য আৰু অভিভূত হৈছিল। ফলত ভাৰতীয় মিলিটেৰী বাহিনীত গোৰ্খা ফৌজ ভৰ্তি কৰাৰ প্ৰক্ৰিয়া ইংৰাজসকলে আৰম্ভ কৰাৰ লগে লগে নেপালৰ পৰা ভাৰতলৈ দলে দলে গোৰ্খা যুৱকৰ প্ৰব্ৰজন আৰম্ভ হয় আৰু সংস্থাপিত হৈ নিজ অৰ্থনৈতিক অৱস্থাক টনকিয়াল কৰে।

দ্বিতীয়তে অসমক মানৰ অত্যাচাৰৰ পৰা উদ্ধাৰ কৰা উদ্দেশ্যে ১৮২৪ চনত ব্ৰিটিছ কমিছনাৰ ডেভিদ স্কটৰ নেতৃত্বত আধাতকৈ অধিক গোৰ্খা ফৌজৰে গঠিত 'আসাম লাইট ইনফেণ্ট্ৰি' নামৰ সৈন্যবাহিনীৰ গোট এটাই অসমত পদাৰ্পণ কৰে। পৰৱৰ্তী সময়ত যাক 'আসাম ৰাইফলছ' নামেৰে পুনৰ নামকৰণ কৰা হয়। গোৰ্খা ফৌজৰ বীৰত্ব, সাহস, বিশ্বাসৰ দ্বাৰা অনুপ্ৰাণিত হৈ ব্ৰিটিছে নেপালী 'খুকুৰী'ক ১৮৬৫ চনত আসাম ৰাইফলছ বাহিনীৰ প্ৰতীক হিচাপে স্বীকৃতি প্ৰদান কৰে। (থাপা, ৰুদ্ৰমান ঃ অসমৰ থলুৱা নেপালী সমাজ পৃ. ১৬-১৭) মিলিটেৰী চাকৰি বিচাৰি অসমকে আদি কৰি ভাৰতৰ বিভিন্ন প্ৰান্তলৈ নেপালী লোকৰ

প্ৰব্ৰজন ঘটে আৰু এই প্ৰক্ৰিয়াই ভৱিষ্যতে অধিক প্ৰব্ৰজন ঘটাৰ পথ প্ৰশস্ত কৰে। চাকৰিৰ পৰা অৱসৰ লোৱা নেপালীসকলক অসমকে আদি কৰি ভাৰতৰ যিকোনো অঞ্চলত স্থায়ীভাৱে বসবাস কৰাৰ সুবিধা কৰি দিয়ে ভাৰতৰ ব্ৰিটিছ চৰকাৰে। ফলত অসমৰ বিভিন্ন প্ৰান্তত নেপালীসকল স্থায়ীভাৱে বসবাস কৰিবলৈ লয় আৰু তেওঁলোকৰ সতি-সন্ততিসকল অসমৰ চুকে-কোণে সিঁচৰতি হৈ পৰিল। তেওঁলোকে গোৰ্খা ফৌজৰ উপৰিও জীৱিকাৰ নানা উৎস বিচাৰি অসমৰ জীৱন প্ৰক্ৰিয়াৰ লগত ওতঃপ্ৰোতভাৱে মিলি অসমৰ অৰ্থনীতি চহকী কৰিছিল।

**শ্ৰমিক-মজদুৰ ঃ**

ইংৰাজ শাসনৰ পাতনিৰ লগে লগে অসমত গঢ়ি উঠা চাহ, কয়লা, তেল, চুণ শিল আদি উদ্যোগসমূহ আৰু যাতায়াতৰ বাবে ৰাস্তা-ঘাট নিৰ্মাণ কৰা কাৰ্যত বহুতো শ্ৰমিকৰ প্ৰয়োজন হয়। এই উদ্যোগসমূহত কাম কৰিবৰ বাবে বিভিন্ন ঠাইৰ লগতে নেপালৰ পৰাও শ্ৰমিকক আমদানি কৰা হ'ল। তেতিয়াৰ (ব্ৰিটিছ শাসন কালৰ) পৰাই নেপালীসকলে প্ৰধানকৈ উজনি অসমৰ মাৰ্ঘেৰিটা, লিডু, লেখাপানী, টিপং, টিকক, নামডাং, টিৰাপত অৱস্থিত কয়লাখনিসমূহত শ্ৰমিক হিচাপে কাম কৰিছিল। ব্ৰিটিছ শাসকে নিয়োগ কৰা নেপালী ঠিকাদাৰ যেনে— বাহাদুৰ লামা, থামচুং লামা, ডি.বি. প্ৰধানহঁতে নেপালৰ পৰা দুখীয়া আৰু অশিক্ষিত লোকক ফুচুলাই অসমলৈ আনি কমিচনৰ বিনিময়ত 'আসাম ট্ৰেডিং কোম্পানী লিমিটেড'ৰ অধীনত চলা কয়লাখনিসমূহত কাম কৰোৱাইছিল। (থাপা, ৰুদ্ৰমান ঃ অসমৰ থলুৱা নেপালী সমাজ, পৃ. ৫২) কয়লাখনিৰ ওপৰৰ মাটি খহি পৰোতে কৰ্মৰত অৱস্থাত বহু নেপালী লোকে প্ৰাণ হেৰুৱাব লগা হৈছিল। নিজৰ জীৱনকো তুচ্ছ কৰি শাসকৰ আদেশ পালন কৰি অতি বিশ্বাসেৰে তেওঁলোকে কাম কৰি গৈছিল। এইদৰে তেওঁলোকৰ সতি-সন্ততিয়ে যুগে যুগে শ্ৰমিকৰূপে কাম কৰি ৰাজ্যৰ অৰ্থনীতিত অৰিহণা যোগাইছে। উদ্যোগৰ উপৰিও ৰাস্তা-ঘাট নিৰ্মাণ কাৰ্যত নেপালী বনুৱাৰ অৱদান অপৰিসীম। আকাশলংঘী পৰ্বত-পাহাৰ, পাতল-স্পৰ্শী নদী গহ্বৰ, অটব্য-অৰণ্য, হিংস্ৰ পশু-পক্ষী আৰু বিষাক্ত কীট-পতঙ্গই পদে পদে মৃত্যুৰ আশংকা কঢ়িয়াই অনা এই ঠাইবোৰত কেনেকৈ গোৰ্খালী বনুৱাসকলে ৰাস্তা-ঘাট নিৰ্মাণ কৰিছিল লক্ষেশ্বৰ শৰ্মাৰ 'মিছিমি পাহাৰৰ বং শিঙা' গ্ৰন্থখনত ইয়াৰ বৰ্ণনা পোৱা যায়। ৰ'দ-বৰষুণ, জাৰ-জহ, বেমাৰ আদিক আওকাণ কৰি সামান্য বেতনেৰে নেপালী বনুৱাসকলে নিজক কৰ্তব্য সুচাৰুৰূপে সমাপন কৰিছিল। ইয়াৰ উপৰিও কুলী, ৰান্ধনি আদি কামত মকৰল হৈ তেওঁলোকে নিজৰ পৰিয়াল ভৰণ-পোষণ



দিয়াৰ লগতে অসমৰ অৰ্থনৈতিক উন্নয়নতো অৰিহণা যোগাইছিল।

**গো-পালক ঃ**

এই কথা সকলোৰে জ্ঞাত যে নেপালীসকল কঠোৰ পৰিশ্ৰমী, অত্যন্ত কৰ্মনিষ্ঠ আৰু স্বাৱলম্বী। ভিক্ষা বৃত্তিধাৰী লোক তেওঁলোকৰ সমাজত নাই বুলি ক'লেও মিছা কোৱা নহয়। গো-পালন নেপালীসকলৰ প্ৰধান বৃত্তি। প্ৰসংগক্ৰমে উল্লেখযোগ্য যে, অষ্টাদশ শতিকাৰ শেষ আৰু ঊনবিংশ শতিকাৰ প্ৰথমভাগত মোৱামৰীয়া বিদ্ৰোহ আৰু মানৰ আক্ৰমণৰ পৰিণতিত এক বৃহৎ পৰিমাণৰ জনসংখ্যা হেৰুৱাই অসম এক ভয়ানক জংঘললৈ ৰূপান্তৰিত হৈছিল। এনেসময়ত এচাম শিক্ষিত অসমীয়া মধ্যবিত্ত শ্ৰেণীয়ে বিশ্বাস কৰিছিল যে, বাহিৰৰ পৰা অসমলৈ লোক প্ৰব্ৰজন নঘটিলে অসমৰ অৰ্থনীতিৰ ভেটি পুনৰ টনকিয়াল নহ'ব। এইক্ষেত্ৰত গুণাভিৰাম বৰুৱা, তীৰ্থনাথ শৰ্মা, গিৰিন ফুকন আদি উল্লেখযোগ্য। গুণাভিৰাম বৰুৱাই পৰিসংখ্যা কৰি কৈছিল— "অসমত কমেও এক নিযুত লোকক বাহিৰৰ পৰা আনি সহজেই সংস্থাপিত কৰিব পৰা যায়। কাৰণ তদানীন্তন অসমত এহাতেদি পৰ্যাপ্ত পৰিমাণৰ আবাদী ভূমি আৰু আনহাতেদি জনশক্তিৰ অভাৱ আছিল।" (Amalendu Guha, 1977, P.68) এনে পটভূমিৰ পৰিণতিত অহা নেপালীসকলেও অনাধিকৃত ভূমিবিলাকত দখল কৰি গাই গৰু পুহি, খেতি বাতি কৰি অসমৰ ৰাজকোষলৈ বহুধনি আগবঢ়োৱাৰ লগতে কৃষিজাত সামগ্ৰীৰো চাহিদা পূৰণ কৰিছিল। অসমভূমিত প্ৰৱেশ কৰাৰ দিনাৰ পৰাই নেপালীসকলে কালানুক্ৰমিকভাৱে গাই গৰু পুহি, অসমবাসীক দুগ্ধ যোগান ধৰি আহিছে সেই কথা তীৰ্থনাথ শৰ্মাই কৈছে এনেদৰে—

> "তেওঁবিলাকে (নেপালীলোকে) খেতি পথাৰ কৰে, গো-পালন কৰে আৰু স্থলবিশেষে শ্ৰমিকৰূপেও কাম কৰে। অসমৰ অৰ্থনীতিত এওঁবিলাকৰ দাম অপৰিসীম। বিশেষকৈ গাখীৰৰ উৎপাদনত নেপালীসকল নহ'লে অসমৰ হাত-ছিগা হ'বলগীয়া হ'ব। গুৱাহাটীৰ আশে-পাশে যিবোৰ ঠাইত সৰহীয়াকৈ গো-পালন কৰা হৈছে সেইবোৰ দেখিলে এই কথাই প্ৰমাণিত হয়। চৰকাৰী পশুপালন বিভাগেও বোধকৰো এই কথা স্বীকাৰ কৰিব। এই নেপালীসকলে অসমক শোষণ কৰা নাই। অসমৰ প্ৰাকৃতিক সম্পদক কামত খটাই অসমৰ লোকক মৰ্ত্যৰ উৎকৃষ্ট আহাৰ দুগ্ধৰ যোগান ধৰিছে। অসমৰ অৰ্থনীতিক পোষণ কৰিছে।" (তীৰ্থনাথ শৰ্মা, গুৱাহাটী ১৯৭৬, পৃ. ১৫-২৭)

ইয়াৰ উপৰিও গো-পালক নেপালী গ্ৰেজিয়াৰ লোকে অসম চৰকাৰৰ ৰাজকোষলৈ বৰঙণি আগবঢ়োৱাৰ কথা ড° অমলেন্দু গুহই কৈছে এনেদৰে - "The Total Revenue of Rs. 277 Thousand collected in 1919-20 from grazing fees was accounted for by only 1,25,000 heads of cattle actually assessed in that year under the rules. The over-whelming bulk of these cattle again belonged to 6,319 professional graziers of whom, excepting a few hundred, all were Nepali mi-grants. (Amalendu Guha, 1977, p. 93) তদানীন্তন সময়ত যিমানেই বেছি পৰিমাণৰ নেপালী লোকৰ প্ৰব্ৰজন ঘটিছিল সিমানেই অসম চৰকাৰে গ্ৰেজিং মাচুলৰ দ্বাৰা ৰাজহ সংগ্ৰহ কৰি ৰাজকোষ টনকিয়াল কৰিবলৈ সক্ষম হৈছিল। হয়তো ৰাজকোষ অধিক টনকিয়াল কৰাৰ উদ্দেশ্য অসম চৰকাৰে কিছু ভূমি গো-চৰণ গ্ৰেজিং ৰিজাৰ্ভৰূপে সংৰক্ষিত কৰি দিছিল। তেজপুৰৰ প্ৰফেচনেল গ্ৰেজিং ৰিজাৰ্ভ, বিহালীৰ অম্বা চাপৰি আদি উল্লেখযোগ্য। এই গ্ৰেজিং চাপৰিসমূহত গাইগৰু পুহি উৎপাদিত হোৱা বৃহৎ পৰিমাণৰ গাখীৰ বিক্ৰী কৰি নেপালীসকলে জীৱন যাপন কৰাৰ লগতে চৰকাৰৰ ঘৰলৈও খাজনা দিছিল। বিহালীৰ মুক্তি যুঁজাৰু ছবিলাল উপাধ্যায়, জনসেৱক প্ৰসাদ সিং চুৰ্খা আৰু কবি পুষ্পলাল উপাধ্যায়ৰ দৃঢ়ীয়া উদ্যোগত ১৯৩৩ চনত তেজপুৰৰ শিঙৰী গাঁৱত "Tezpur Graziers Cooperative Association" গঠন কৰে। পিছলৈ এই সংস্থাক "Assam Graziers Association" নামেৰে জনা যায়। গো-পালকসকলৰ বিভিন্ন সমস্যা সমাধান কৰাই হ'ল এই সংস্থাৰ মূল লক্ষ্য আৰু উদ্দেশ্য। গাইগৰু, ম'হবিলাকক ৰক্ষণাবেক্ষণৰ উপৰিও উৎপাদিত দৈ, ঘিউ, মাখন উচিত মূল্যত বিক্ৰীৰ বাবে নিশ্চিত কৰা হৈছিল। এনেদৰেই নেপালীসকলে গাখীৰ বিক্ৰী কৰি জীৱিকা নিৰ্বাহ কৰা, চৰকাৰৰ ঘৰলৈ খাজনা দিয়া আৰু জনসাধাৰণৰ মাজত গাখীৰৰ চাহিদা পূৰণ কৰিছিল। তেওঁলোকে বৰ্তমানো পৰম্পৰাগত দুগ্ধ যোগান ব্যৱসায় অব্যাহত ৰাখিছে।

কৃষক ঃ

কৃষকৰূপেও নেপালীসকল পৰিচিত। গো-পালকৰ উপৰিও কঠোৰ পৰিশ্ৰমী, সাহসী, অত্যন্ত বিশ্বাসী নেপালীসকলৰ কৃষিক্ষেত্ৰত এক সুনাম আছে। ধানখেতিয়েই প্ৰধান কৃষিকৰ্ম হলেও গোমধান, মাৰোৱা (ক'দ) কুঁহিয়াৰ, চাহ, শাক-পাচলিৰ খেতিৰ লগতো তেওঁলোক নিবিড়ভাৱে জড়িত। ধানৰ পৰা উৎপাদিত চাউলৰ ভাত খোৱাৰ উপৰিও তেওঁলোকে গোমধান, মাৰোৱাৰ পৰা ভাত, ৰুটি তৈয়াৰ



কৰি খায়। গতিকে প্ৰধান খাদ্য বাবে তেওঁলোকে ধান, গোমধান আৰু মাৰোৱা এই তিনিবিধ শস্যৰ খেতিৰ ওপৰত নিৰ্ভৰশীল। গোমধান ঘ'ৰত গুৰুৱাই ঢেঁকী অথবা পতাত পিচি গুৰি কৰি ভাতৰ উপযোগী কৰি তোলে। একেদৰে মাৰোৱাৰ পৰাও ভাত, ৰুটি আদি প্ৰস্তুত কৰে। যিদৰে অসমীয়া সমাজত তামোল গছজোপাই সামাজিক ঐতিহ্যৰ পৰিচয় বহন কৰি ঘৰবাৰীৰ সৌন্দৰ্য বৃদ্ধি কৰিছে ঠিক সেইদৰে নেপালী সমাজত ঘৰৰ বাৰীত কুঁহিয়াৰ গছ থকাটো পৰম্পৰাৰ অধীন। কুঁহিয়াৰ খেতিৰ লগত তেওঁলোক পৰম্পৰাগতভাৱে জড়িত। কুঁহিয়াৰ খেতি কৰি অসমৰ গুৰৰ চাহিদা নেপালীসকলে পূৰণ কৰি আহিছে। এসময়ত তেওঁলোকে কুম পদ্ধতিত কুঁহিয়াৰ খেতি কৰি গুৰ উৎপাদন কৰিছিল (থাপা, ২০০৮, পৃ. ৫৬)। খবালি মাহত কুঁহিয়াৰ পেৰা নেপালী গাঁওবোৰলৈ গ'লে গুৰ নিজাই খাওঁতে ওলোৱা গোন্ধে গোটেই গাঁওখন মলমলাই থকা দৃশ্য উপভোগ কৰিব পাৰি। বান্ধৱী গায়ত্ৰী নেওপানৰ ঘৰলৈ যাওঁতে কুঁহিয়াৰ খেতি আৰু ভাটীত গুৰ তৈয়াৰ কৰা দৃশ্য দেখাৰ সৌভাগ্য হৈছিল। কুঁহিয়াৰ উপৰিও তেওঁলোকে চাহ আৰু শাক-পাচলিৰ খেতিও কৰিছিল। শাক-পাচলিৰ খেতিত তেওঁলোকে অতি পাৰ্গত। খেতি কৰিবৰ বাবেই ব্ৰহ্মপুত্ৰৰ পাৰৰ সাৰুৱা ঠাইসমূহক নিজৰ আবাসস্থল হিচাপে তেওঁলোকে নিৰ্বাচন কৰি লৈছিল। তেওঁলোকে উৎপাদন কৰা শাক-পাচলিৰ বজাৰে একো একোটা বিস্তৃত অঞ্চলক সামৰি লৈছিল। উদাহৰণস্বৰূপে— অৰুণাচল প্ৰদেশৰ দৈমুখ আৰু বান্দৰদেৱা পৰ্যন্ত বহা পাচলিৰ বজাৰখন শোণিতপুৰ জিলাৰ বহকেইখন নেপালী গাঁৱৰ দ্বাৰা পৰিচালিত হয়। যোৰাবাট অঞ্চলত বসবাস কৰা নেপালীসকলে স্থানীয় বজাৰৰ উপৰিও গুৱাহাটীলৈ গাখীৰৰ লগতে পাচলিও যোগান ধৰে। যোৰাবাট অঞ্চল গাখীৰ যোগানৰ প্ৰধান ক্ষেত্ৰ। গো-পালকসকলে সেই অঞ্চলত অত্যাধিক গৰু-ম'হ পালন কৰা বাবে ঠাইসমূহত গোবৰৰ সংমিশ্ৰণত মাটিৰ উৎপাদিকা শক্তি বৃদ্ধি পায়। সেয়েহে সেই অঞ্চলসমূহত বৃহৎ পৰিমাণৰ শাক-পাচলিৰ উৎপাদন হয়। চাহ খেতিতো নেপালীসকল পিছ পৰি থকা নাই। তেওঁলোকে পাহাৰ অঞ্চলৰ লগতে ঘৰৰ ওচৰ-পাঁজৰৰ বাম মাটিসমূহত ক্ষুদ্ৰ চাহ খেতি কৰিবলৈ লৈছে। এনে ব্যৱসায়ৰ দ্বাৰা তেওঁলোক আৰ্থিকভাৱে টনকিয়াল হৈছে। এনেদৰে কৃষিকৰ্মৰ জৰিয়তে গাঁৱৰ একো একোটা পৰিয়াল, গ্ৰাম্যাঞ্চলৰ অৰ্থনীতি সবল কৰাৰ উপৰিও ৰাজকোষলৈ বৰঙণি আগবঢ়াইছিল।

অন্যান্য ঃ

গো-পালক, শ্ৰমিক, কৃষি অৰ্থনীতিৰ উপৰিও গছকটা, কাঠফলা আৰু হাবি-

জংঘল কাটি মাটিবিলাক বসবাস আৰু কৃষি উপযোগী কৰি তোলাত নেপালীসকল অভ্যস্ত। অবিভক্ত অসমৰ ৰাজধানী শ্বিলং এসময়ত হাবি-জংঘলেৰে ভৰি আছিল। নেপালী বুদ্ধিজীৱীসকলৰ মতে নেপালীসকলৰ আগমনৰ পাছতহে সেই ঠাইসমূহে বাসোপযোগী হয়। এই ক্ষেত্ৰত অৰ্থনীতিবিদ ড° পি.ডি. গোস্বামীৰ মত এনেধৰণৰ - "The Nepalese are experts in clearing Jungles for grazing and farming purpose. Those who settled in the outkirts of the urban areas engage in the part time work of supplying wood for fuel by extracting them from the forests in Assam deserves more vigilant attention by the authorities sensure a better management of land as the problem of soil conservation has became a vital matter for agriculture in plains" (D. P. Goswami, 1963, pp. 30, 31)

ইয়াৰোপৰি ৰন্ধন গেছৰ প্ৰচলন নথকা সময়ত ঘন অৰণ্যৰ পৰা গছ-গছনি কাটি চহৰৰ উপকণ্ঠ অঞ্চলবিলাকত খৰিৰ চাহিদা পূৰণ কৰিছিল। কবতেবে কাঠ ফালি ঘৰুৱা আচবাব চকী, মেজ, পালেং আদি তেওঁলোকে নিজেই তৈয়াৰ কৰি লৈছিল। অৱশ্যে হাবি-জংঘল কমি অহাত বৰ্তমান এই বৃত্তিসমূহৰ পৰা তেওঁলোক আঁতৰি আহিছে বুলি ক'ব পাৰি। এই কৰ্মবিলাকৰ উপৰিও অৰ্থনৈতিক ভাৱে দুৰ্বল নেপালীসকলে স্থানীয় মধ্যবিত্ত শ্ৰেণীৰ ঘৰত খেতিপথাৰ, ৰান্ধনি আদি ঘৰুৱা কাম-কাজ কৰি গাৰ্হস্থ্য অৰ্থনীতিত সহযোগিতা আগবঢ়াই তেওঁলোকৰ জীৱন নিৰ্বাহৰ পথ নিৰ্বাচন কৰিছিল। ঐতিহাসিকভাৱে নেপালী জনগোষ্ঠী লোকসকল দুঃসাহসী বুলি পৰিচিত হোৱা হেতুকে ভাৰতৰ বিভিন্ন অঞ্চলৰ লগতে অসমতো চৰকাৰী, অৰ্ধ-চৰকাৰী, অন্য চৰকাৰী কাৰ্যালয় আৰু বিভিন্ন প্ৰতিষ্ঠানবোৰত তেওঁলোকক মকৰল কৰিছিল। চকীদাৰ, পিয়ন, ড্ৰাইভাৰ, ৰান্ধনি, চিপাহী, দাৰোগা, মিলিটেৰী, উদ্যোগৰ শ্ৰমিক, মালিকৰ গো-পালক কৰ্মবোৰত প্ৰধানকৈ নেপালীলোকক প্ৰাধান্য দিয়া হৈছিল। সমসাময়িক অসমীয়া উপন্যাস সাহিত্যতো এনে বৃত্তিধাৰী নেপালী চৰিত্ৰৰ উল্লেখ পোৱা যায়। এনে প্ৰথাৰ বিষয়ে বিভিন্ন গ্ৰন্থত উল্লেখ আছে। ('মিছিমি পাহাৰৰ বং শিঙা'ত চকীদাৰ চন্দ্ৰবাহাদুৰ থাপা, হোমেন বৰগোহাঞিৰ 'নৰকত বসন্ত' গল্পত বেচৰ চকীদাৰ দিলবাহাদুৰ, লক্ষ্মীনন্দন বৰাৰ 'পাতাল ভৈৰৱী'ত বাগানৰ চকীদাৰ দিলবাহাদুৰ, হিতেশ ডেকাৰ 'আচল মানুহ' উপন্যাসত নেপালী ড্ৰাইভাৰ, ফণীন্দ্ৰকুমাৰ দেৱচৌধুৰীৰ 'অনুৰাধা দেশ'ত কলিকতাৰ অথবা হোটেলত কাম কৰা নেপালী ৰান্ধনি আদিয়ে তেওঁলোকৰ বৃত্তিসমূহৰ পৰিচয় দাঙি ধৰিছে।)



## বৰ্তমানৰ আৰ্থ-সামাজিক দিশ ঃ

বৰ্তমান নেপালীসকল আৰ্থ-সামাজিক উন্নয়নৰ বাবে বহু দিশৰ লগত জড়িত হৈ পৰিছে। শিক্ষা প্ৰসাৰৰ লগে লগে পুৰণি চাম মানুহৰ সতি-সন্ততি গো-পালন বৃত্তিৰ পৰা আঁতৰি অহা দেখা গৈছে। ঠাই বিশেষে এতিয়াও গো-পালনক প্ৰধান বৃত্তি হিচাপে লোৱা নেপালী লোক আছে। শিক্ষিত চামে নিজকে পৰিস্থিতিৰ লগত খাপ খোৱাই কাপোৰৰ ব্যৱসায়, চিলাই, ধান, চাহপাত, গুৰ, হোটেল, কয়লা, যান-বাহন, শাক-পাচলি, গাখীৰ, চৰকাৰী ঠিকাভিত্তিক ব্যৱসায়সমূহত মনোনিৱেশ কৰি অসমৰ অৰ্থনীতিৰ ভঁৰাল চহকী কৰিছে। আগৰ দিনত ধান খেতিয়েই প্ৰধান কৃষিকৰ্ম আছিল। ধানৰ লগতে নেপালীসকলে কুঁহিয়াৰ আৰু চাহৰ খেতিও কৰিছিল। কিন্তু বৰ্তমান নেপালীসকলে আগৰ একচেটিয়া কুঁহিয়াৰ খেতি সলনি বৃহৎ পৰিমাণৰ মাটিত চাহখেতি কৰা দেখা যায়। আনকি কেঁচা চাহপাতৰ এজেন্সি লৈ নিজৰ ক্ষুদ্ৰ বাগানত থলুৱা লোকক কৰ্ম সংস্থাপন দি নিবনুৱা সমস্যাও সমাধানৰ ক্ষেত্ৰত অৰিহণা আগবঢ়াইছে।

ইয়াৰোপৰিও ঠাইবিশেষে ব্যৱসায়িক ভিত্তিত গঢ় লৈ উঠা নেপালী ভোজনালয়সমূহে স্বাৱলম্বীতাৰ এটি দিশ মুকলি কৰাৰ লগতে পৰম্পৰাগত খাদ্য প্ৰচাৰত অধিক জনপ্ৰিয় কৰি তুলিছে। ডিব্ৰুগড় জিলাৰ টিঙৰাই তিনিআলিত থকা নেপালী ভোজনালয় আৰু গুৱাহাটী উলুবাৰীস্থিত 'আসামিজ গোৰ্খা কিটচেন' এনে ভোজনালয়ৰ উদাহৰণ মাত্ৰ। এনে ভোজনালয়ৰ দ্বাৰা মালিকপক্ষৰ লগতে তাত কৰ্মৰত সকলোকে স্বাৱলম্বী হ'ব পৰা এটা সন্মানীয় পথ দেখুৱাই দিছে। সাম্প্ৰতিক সময়ত আত্মসহায়ক গোটবোৰ গঠন হোৱাত নেপালী যুৱক-যুৱতীসকলো তাত অন্তৰ্ভুক্ত হৈছে। তেওঁলোকে তেওঁলোকৰ পৰম্পৰাগত খাদ্যসমূহ পেকেট কৰি বজাৰত যোগান ধৰি অৰ্থনৈতিক চাহিদা বৃদ্ধিত সহায় কৰিছে।

চাৰি-পাঁচ দশক পূৰ্বে নেপালী লোকসকলে শ্ৰমিক, দুই এক চৰকাৰী চাকৰি, পিয়ন, চকীদাৰ আদি কৰিয়েই জীৱন নিৰ্বাহ কৰা পৰিলক্ষিত হৈছিল। কিন্তু সাম্প্ৰতিক সময়ত শিক্ষা-দীক্ষা সকলো ক্ষেত্ৰতে আগবঢ়া নেপালীসকল শিক্ষক, বিভাগীয় প্ৰধান, অধ্যক্ষ, উকীল, উচ্চ আৰক্ষী বিষয়া, চিকিৎসক, ন্যায়াধীশ, সঞ্চালক পৰ্যন্ত বিভিন্ন উচ্চ পদবীবোৰত অধিষ্ঠিত হোৱা দেখা যায়। অৰ্থাৎ যোগ্যতাৰ ওপৰত ভিত্তি কৰিয়েই বৰ্তমান তেওঁলোকৰ বৃত্তিবিলাক গঢ় লয়।

## সামৰণি ঃ

এইদৰে একালৰ প্ৰব্ৰজনকাৰী আৰু বৰ্তমানৰ থলুৱা নেপালীসকলে বিভিন্ন

দিশত সেৱা আগবঢ়াই অসমৰ অৰ্থনৈতিক উন্নয়নৰ ধাৰাটোক সজীৱ কৰি তুলিছে। বিভিন্ন সময়ত গঢ় লৈ উঠা নেপালী সংস্থাসমূহে অৰ্থনৈতিকভাৱে সবল হ'ব পৰা দিশসমূহত সহায়ৰ হাত ফুৰাই অসমৰ সামগ্ৰিক অৰ্থনৈতিক উন্নয়নত অনবদ্য অৱদান আগবঢ়াই আহিছে।

## সহায়ক গ্ৰন্থপঞ্জী

অসমীয়া ঃ

ক) ছেত্ৰী, মনবাহাদুৰ, ১৯৮৩ ঃ *অসমীয়া নেপালী সমাজ আৰু সংস্কৃতিৰ ৰূপৰেখা*, যোৰহাট, দীপালী প্ৰিণ্টাৰ্ছ।,

খ) থাপা, ৰুদ্ৰমান, ২০০৮ ঃ *অসমৰ থলুৱা নেপালী সমাজ*, ডিব্ৰুগড়, কৌস্তভ প্ৰকাশন।

গ) নেপাল, ক্ষেমৰাজ, ২০০৭ ঃ *অসমীয়া নেপালী জনজীৱন*, প্ৰথম প্ৰকাশ, বিশ্বনাথ চাৰিআলি, বসন্ত স্মৃতি সংস্থা।

ঘ) ৰাভা হাকাচাম, উপেন (সম্পা.), ২০১০ ঃ অসম সাহিত্য সভা পত্ৰিকা, সমন্বয় বিশেষ সাংখ্যা, চতুঃষষ্ঠিতম বৰ্ষ, চতুৰ্থ সংখ্যা

ঙ) শৰ্ম্মা, তীৰ্থনাথ, ১৯৭৬ ঃ অসমৰ নেপালী, *স্মৃতিগ্ৰন্থ*, অসম গোৰ্খা সন্মিলন, গুৱাহাটী, ১৬শ বাৰ্ষিক অধিৱেশন।

**English :**

a) Goswami, P.C., 1963 : *Economic Development of Assam*, Calcutta, Asia Publishing House.

a) Guha, Amalendu, 1977 : *Planter Raj to Swaraj : Freedom struggle and Electrol Politics 1826-1947*, New Delhi : Indian Council of Historical Research.

# Contemporary Gender Issues: Prospects and Challenges



Editors

Madhab Dayal Dutta

Pari Gogoi

**Contemporary Gender Issues : Prospects and Challenges :** *A collection of selected research papers submitted for a National Seminar on 'Contemporary Gender Issues : Prospects and Challenges' on 24th July, 2022, organized by Department of Political Science and Department of English of Ledo College in collaboration with IQAC, Ledo college and ICT Academy (A Govt. of India Initiative).*

| | | |
|---|---|---|
| First Edition | : | August, 2022 |
| Published by | : | Department of Political Science, Department of English & IQAC<br>Ledo College, Ledo, Dist- Tinsukia (Assam) |
| ISBN No | : | 978-93-91953-44-7 |


**EDITORIAL BOARD :**

| | | |
|---|---|---|
| Chief Advisor | : | Dr. Kripa Prasad Upadhyaya<br>Principal, Ledo College |
| Advisors | : | Dr. Pabitra Gogoi<br>Vice- Principal, Ledo College<br>Noble Kishore Buragohain<br>HoD, Economics, Ledo College |
| Editors | : | Madhab Dayal Dutta<br>IQAC Co-ordinator & HoD, English, Ledo College<br>Pari Gogoi<br>HoD, Political Scoence, Ledo College |
| Members | : | Dr. Jiten Boruah<br>Assistant Professor, Dept. of Political Science, Ledo College<br>Arun Ghimire<br>Assistant Professor, Dept. of English, Ledo College<br>Bornali Hazarika<br>Assistant Professor, Dept of English Ledo College<br>Subhas Basumatary<br>Assistant Professor, Dept of Political Science, Ledo College |
| Copyright | : | Publisher |


| | | |
|---|---|---|
| Cover page Design | : | Angshumala Kalita |
| Price | : | Rs.1000/- ( One Thousand Only) |
| Printed at | : | The Assam Computers, Tinsukia, Assam |


***N. B.** - The views and*

# Contents ...


- Gender Discrimination Between Girl Child and Boy Child in the Society: A Sociological Study // Dr. Anamika Das .... 01
- Gender, Crafts and Culture of Singpho Community // Dr. Pabitra Gogoi .... 06
- Gender Discrimination in Marriage Among the Tea-Tribes: A Study // Dr. Modhumita Chowdhury ....13
- Issues and Challenges of Women Empowerment and the role of Education //Dr. Swapnali Borah & Sri Jadav Newar .... 21
- Sexual Violence and Trauma: A Reading of Mukhtar Mai's In the Name of Honour and Shashi Deshpande's 'Intrusion' // Dr. Bhatima Barman ... 33
- Gender Discrimination // Dr. Dipalee Haflongber & Usha Rabha .... 37
- Women Education and Empowerment // Dr. Rinti Baruah .... 43
- Gender Issues in Amrita Pritam's Contemporary writings in English //Dr. Jamal Uddin Ahmed .... 48
- Gender inequality in Education in Assam // Bipul Daimary .... 53
- Contribution of Women to 20th Century Assamese Short Stories //Aparna Hazarika .... 59
- Women Empowerment in India // Nabanita Saikia .... 64
- Sexual Harassment of Women at Workplace //Biswajit Bora .... 69
- Assmebly Representation of Women from Asom Gana Parishad: An Observation // Ila Deka .... 78
- Women's Representation and Participation in Politics : A study of Assam Legislative Assembly // Anamika Barman .... 85
- Domestic Violence Act, 2005 – A measure to prevent gender violence //Krishna Borah .... 89
- A Study on Women Empowerment in India: Challenges and Remedies // Mitalee Gogoi .... 96

# Issues and Challenges of Women Empowerment and the role of Education

**Dr. Swapnali Borah**
Assistant Professor, Dept. of Education
Naharkatia College
**Sri Jadav Newar**
Assistant Professor, Dept. of Education
Naharkatia College

**Abstract**

Education is lifelong and continuous process as well as a basis of national development. Both men and women have a role to play in creating a better society. It is believed that education is the heart of the development process. The process of development is thought to revolve around education. The knowledge, abilities, and self-assurance that women need to effectively participate in the development process can be acquired through education. For a better society, both men and women play an equal role. But till today, women are considered to be the economically and socially weaker sections of society in our country. Measures have been taken by government and other agencies to empower women since independence of our country but various issues and challenges have faced on the way of empowering women. Therefore, education for women has become a necessity for achieving developmental goals. Educated women now play an important role in the country's overall development and progress. Women empowerment is the process that creates power in women to live a happy and respectable life in a society. Present study aims to study about the challenges of women empowerment and the ways to overcome these challenges. This paper also tries to highlight the role of Education in Women Empowerment.

**Key words**:

Issues and Challenges, Women empowerment, Education.

*"There is no chance for the welfare of the world unless the condition of women is improved. it is not possible for a bird to fly on only one wing."*

- Swami Vivekananda

**Introduction:**

Education plays a very significant role in our life. It is an important tool for achieving equality in society. Women's empowerment is essential for the overall development of a country. History says that women were ill-treated in many ways in India such as rape, dowry deaths, harassment, kidnapping, outraging modesty, acid throwing, and the forced prostitution of young girls etc. According to National Crime Records Bureau (NCRB), a total of 3,71,503 cases of crimes against women were registered across the country in 2020. So, India needs to take some advance steps to improve women's positions in the society through proper education, health and economic participation. Countries should act to establish mechanisms for women's equal participation and equitable representation at all levels. Government and different organizations should try to eliminate all practices that discriminate against women; assisting women to establish and realize their rights.

In our country various measures have been taken by the government towards women empowerment since independence. Constitutional provisions are made, different committees and commissions are formed, schemes are prepared, days like International Women's Day, Mother's Day etc. are celebrated in order to bring awareness about the rights of women in the society. The International Women's Day 2022, emphasized on 'Breaking the bias', and its theme was "Gender equality today for a sustainable tomorrow". Despite of all these measures, women remain marginalized in society. According to UN, the global GDP at USD 87.55 trillion can be accelerated to the time of USD 12 trillion if and only if women are involved in decision making, economic diversification and boosting productivity.

**Concept of Women Empowerment:**

Women empowerment is combination of two words – "Women" and "Empowerment". The word "Women" reminds us of our beloved mother, who has energized us to view the beauty of the Earth. Women play a significant role in society – a mother, a wife, a sister, a caretaker, a nurse etc. Spirituality, strength, love, sacrifice, and courage are all symbols of women. A child's first teacher is his/her mother. So, women play a vital role in our life as well as in the process of nation development. On the other hand, the word "Empowerment" means giving some freedom, rights, power or authority. According to the Country Report of Government of India, "Empowerment means moving from a position of enforced powerlessness to one of power." UNESCO Gender Empowerment Index defines "A person becomes empowered when she is able to make decision for herself and for others socially and politically".

Women's empowerment entails equitable treatment and opportunities for women in all fields, regardless of discrimination. Women empowerment can be defined in very simple terms that it makes the women powerful so that they can take every decision related to their life and live well in family and society. The real meaning of women



empowerment is to make them well educated and leave them free so that they can be capable of taking their own decisions in any field. Empowerment of women in education is a vital concept to generate the ability to disseminate knowledge in handicraft, food processing, low-cost nutritious diet, prevention of domestic violence and raising voice against social evils.

**Indicators of Women Empowerment:**

The major indicators of women empowerment are as follows:

- Feeling better sense of security.
- Autonomy to decision making on different matters.
- Freedom in socio-economic activities.
- Ownership of property and more consumption of resources.
- Visit to bank and freedom to spend money.
- Autonomy to move outside for recreational purposes.
- Membership and freedom to participate in social organization.
- Individual autonomy to exercise franchise.
- Autonomy to follow any hobby.
- Better exercise of the rights to avail facilities, rights over one's own body and life.
- Right to exercise family planning methods.
- Improvement of self-image or self-profile.

**Objectives of the study:**

The main objectives of this study are -

- To study the historical background of women education in India.
- To study the need of women empowerment.
- To study the issues and challenges of women empowerment.
- To suggest some remedial measures to overcome the challenges of women empowerment.
- To study the role of education in women empowerment in India.

**Methodology:**

The research paper is basically descriptive in nature. In this paper an attempt has been made to analyze the issues and challenges of women empowerment and the role of education in women empowerment in India.

This paper is based on the secondary data collected from various books, research papers, journals, newspapers, websites etc.

**Review of literature:**

Many studies have been undertaken to study about importance of women empowerment through education. Mishra R.N. (2010), studied about 'Women Empowerment– Issues, Strategies & Challenges', and he concluded that women empowerment is a tool in the process of development. He highlighted the different constitutional provisions, policies and programs for women empowerment.

Gogoi, C.K., Phukan, D., Sarmah, D. (2010), in their study on 'Empowerment of Women: The Present and the Way Forward' focussed on different factors affecting on women education and suggestion for women empowerment.

Sardar.K.D., Arandhara.B., (2010), in their study on "Empowerment of Indian Women and Education" focused on different constitutional provisions as well as different commission and committee set up by the Govt. of India to suggest measures in regard of women education since independence. They also give an outlook for the increase of women literacy rate and compare male literacy in India before and after Independence and discuss the major weakness of women education in India.

Nagaraja. K. (2018), in his study on "Empowerment of Women through Higher Education" focused about the necessity of higher education in women's life and also analyzed on the relationship between women empowerment and higher education in India. In his study he also focused on women's role in building up of nation and its economy.

1. **History of women education in India:**

***Women Education in Ancient Period:***

During the Vedic period Women were the right to access education, but this right was gradually taken away from them. Indian scriptures Rig Veda, Upanishads mention about several women sages and seers notably Gargi and Maitreyi. Women enjoyed equivalent position and rights in the early Vedic era. They were well honoured and respected in the society. The women scholars were known as Rishikas and Brahmabadhini in that time. However, after 500 BC the position of women started to decline with the Manu Smriti.

***Women Education in Medieval Period:***

Women position in society deteriorated during the medieval period. Sati, child marriage and restriction on widow remarriage became part of social life among Hindus in India. The Muslim conquest in the Indian subcontinent brought the Purdah system. In some parts of India, the Devadasis or the temple women were sexually exploited. Polygamy was widely practiced, especially among Kshatriya rulers. Despite of these conditions some women earned prominence in the fields of politics, literature, education and religion such as Razia Sultana, Durgavati, Chand Bibi, Nur Jahan, Jijabai etc.

***Women Education in British Rule:***

Raja Ram Mohan Roy, Ishwar Chandra Vidyasagar, Jyotirao Phule, etc social reformer fought for the upliftment of women during the British period. Chandramukhi Basu, Kadambini Ganguli and Anandi Gopal Joshi were a few Indian women to obtain educational degrees. Women were also taking important role India's freedom struggle. During this period women education in India was develop time to time. Wood's Despatch(1854), Hunter Commission(1882), Lord Curzon's Policy(1904), Sadler Commission(1917), Hartog Committee(1929), Sargent Report(1944) etc. recommended to development of Women education.



***Women Education after Independence:***

After independence of our country, the Govt. of India takes many constitutional provisions, plans and policies, committee and commissions for the development of women education. Such as different Five-Year plans, University Education Commission (1947-48), Secondary Education Commission (1952-53), Assam Basic Education Act (1954), National Council of Women Education (1959), Hansa Mehta Committee (1962), Kothari Commission (1964-66), National Commission for Women (1970), National Policy of Education (1986), Programme of Action (1992), National Programme for Education of Girl's at Elementary Level (2003-04) etc. Women in India now participate in all activities such as education, politics, media, art and culture, service sector, science and technology etc. Indian women are at per with men in all kinds of tasks like reaching the moon, conquering Mount Everest and participating in all fields.

But the literacy rate in India clearly shows the gap between the male and female literacy which indicate the development of women's educational status in the country.

**Literacy Rate in India Since 1901- 2011:**

| Year | Literacy % | Male % | Female % | Gap between Male & Female % |
|---|---|---|---|---|
| 1901 | 5.4 | 9.83 | 0.6 | 9.23 |
| 1911 | 5.9 | 10.6 | 1.0 | 9.51 |
| 1921 | 7.2 | 12.2 | 1.8 | 10.40 |
| 1931 | 9.5 | 15.6 | 2.9 | 12.7 |
| 1941 | 16.1 | 24.9 | 7.3 | 17.60 |
| 1951 | 18.33 | 21.16 | 8.86 | 12.30 |
| 1961 | 28.3 | 40.40 | 15.35 | 25.05 |
| 1971 | 34.45 | 45.96 | 21.97 | 23.98 |
| 1981 | 43.57 | 56.38 | 29.76 | 26.62 |
| 1991 | 52.21 | 64.13 | 39.29 | 24.84 |
| 2001 | 64.83 | 75.26 | 53.67 | 21.59 |
| 2011 | 74.04 | 82.14 | 65.46 | 16.68 |

Source: Census Report 2011

The Census report from 1901 to 2011 indicates that though India has made a significant progress in the field of education, but still there is a vast difference exist between male and female literacy rate. As a result, even after 75 years of independence, women occupy a secondary position in our social hierarchy.

1. **Need of women empowerment:**

"You can tell the condition of a nation by looking at the status of its women." Jawaharlal Nehru.

Women empowerment is a part to encourage women to feel strong by telling them that they can do everything that they want to do. Women can work outside their home. Women empowerment is important because have opportunity to make up their mind. Women empowerment is important because women are not getting what they deserve. We can summarize the needs of women empowerment as follows:

- Overall development of society.
- Economic benefit.
- Strengthening of democracy
- National development.
- Gender equality
- Reduction of domestic violence.
- Reduction of corruption.
- Reduction of poverty.
- Solve unemployment
- Improvement of health.
- Improved living standard
- Inspiration for others.

**2. Issues and challenges of women empowerment:**

Earlier women were facing problems like child marriage, sati pratha, pardapratha, restriction to widow remarriage, widows' exploitation, devadasi system, etc. However, almost all the old traditional problems have been disappeared gradually from the society but given rise to other new issues. Various issues and challenges faced on the way of empowering women are discussed below-

- **Avoiding Expenditure on Female Education:** Usually families discriminate between boys and girls. In investment on education, male children of the houses are considered as the future assets and economic base of the houses that will work and earn money whereas female children are considered as a burden as they do not need to work and have to look after the household chores before and after marriage.
- **Gender Inequality:** Due to gender inequality in the society many parents consider their daughters as their burden. In order to avoid the burden of a daughter or to bring an additional member for work by marrying his sons they marry their daughters at an early age.
- **Opposition to inter-caste Marriage:** Opposition to the inter-caste marriage is another cause that encouraged child marriage. To avoid nothing is left to attract inter –caste marriage, parents marry their daughter and son in an early age of ignorance.
- **Religious Factor:** It is a general belief among all uneducated and orthodox religious people that a daughter should be married before her menstruation.
- **Negative Attitude Towards Girls Education:** Many parents have a feeling that educating girls is a waste of money as they will get married and some other family will be benefitted. Therefore, they prefer to educate their boys, who are supposed to take care of the parents in old age.
- **Lack of Facilities:** Inadequate infrastructure in school, lack of transport facilities pose as a threat to a girls safety while travelling to school is another factor which keeps the girls out of school, leading to child marriage.
- **Traditions and Norms:** It is found that there is widespread awareness of the Prohibition of Child Marriage Act, 2006 and the illegality of child marriage, individually people feel that the

traditions, customs and norms are stronger than the the law and the institutions and rarely report cases.

- **Ancestral Property:** Generally in rural areas parents think that all their ancestral property belongs to their sons and if they marry their daughters at an early age then they will be out of the share.
- **Dowry:** The practice of dowry is widely prevalent in India; the bride's family pays the groom in cash and/or gifts upon marriage. The older the daughter becomes, the fewer her suitors, and so her parents have to pay more to get a match. Families, therefore, prefer to have the daughters married at a young age so as to reduce the cost of dowry.
- **Inadequate Implementation of Laws:** Laws prohibiting child marriage have not been implemented effectively. The enforcement of the PCMA 2006 is weak in India. An adequate budget has not been allocated to implementing the act by states, and this has led to overburdened child marriage prohibition officers, some of whom do not even know what their roles and responsibilities are.
- **Low Status of Women:** It was recognized that a women should always remain under control. Before marriage father is her guardian, after marriage husband is her guardian and in old age her son or any other male member of the family is her guardian.

### Consequences of Child Marriage

The major consequences of child marriage, particularly to the girls are as follows:

- Child marriage ends childhood. It negatively influences children's right to education, health and protection.
- As the girl is forced to drop out of school, they have a low paid job and limited decision making power.
- Girls married off early experience sexual violence by her husband. They also face abuse and exposure to HIV/ AIDS and other sexually transmitted diseases.
- Girls who are married off early in life have higher risks of dying during pregnancy. This is one of the greatest cause of mortality



among girls between 15-19 years of age.

- Child marriage usually leads to an early pregnancy which results in many health complications.
- They have less ability to make decisions about their nutrition, health care and household management.
- Child marriage also leads to population growth as well as poverty in society as they are unable make family planning.
- Studies show a direct correlation between the prevalence of child marriage and poor health indicators, frequently as a result of early childbearing, which raises maternal mortality and morbidity rates.
- Domestic violence and abuse can cause post-traumatic stress disorder and depression, which have an impact on mental health.
- Child marriage leads to violation of human rights and dignity.

### Remedial Measures to Curb on Child Marriage

Following remedial measures can be taken to remove Child Marriage-

- Education plays an important role in keeping girls safe from child marriage. Education ensures girls acquire the skills and knowledge to find employment and a means to support their families.
- Educating parents also helps to prevent child marriage from the society by knowing the harmful effect of child marriage.
- Educating and mobilizing the religious leaders and community elders is the key to change the attitude of a community on child marriage.
- Changing the gender biased attitudes of parents and society by imparting part time education, correspondence education, distance learning etc.
- Develop positive attitude towards girls education leads to remove child marriage.
- Provide good infrastructure facilities like bus, hostel, separate toilet with all facilities etc in schools, so that parents send their child without any hesitation.

- Develop strong support systems to keep girls in school. Provide scholarships, hostels etc. and encourage teachers and parents to support girls.
- Strengthen and establish community networks and partnerships involving girls clubs, teachers, elders, local government officials, women and youth groups, community and religious leaders, etc. that jointly work towards ending child marriage.
- Introducing new schemes, policies and incentives for promotion of child and women lives.
- Strengthen the role of the judicial system particularly the police, judges, panchayat's president etc. through training on enforcement of the law against early marriage.

**Some Measures that have been Taken up by the Government to Mitigate the Problem**

- The Prohibition of Child Marriage Act, 2006.
- Right to Education Act, 2009
- Protection of Children from Sexual Offences Act, 2012
- Beti Bachao Beti Padhao Scheme:
- Child line (1098): It is a 24X7 telephone emergency outreach service for children in crisis, which responds to calls for any form of assistance which a child requires, including for prevention of child marriages. etc.

**Conclusion**

Child Marriage is considered as one of the major social problem of India. Despite the country's efforts to curb the practice many harmful consequences of child marriage, including drop out of education, domestic violence, many health issues etc. are still exist. To overcome these challenges India as well as Assam has implemented stringent laws and policies to prevent child marriage, but enforcement remains a significant challenge. It requires collective efforts of the government, society, and communities to effective implementation and awareness of these laws and policies.

**Works Cited**


- Dr. Deka.N, Ali.I.(2021). Gender and Education, Banalata, Dibrugarh
- Dr. Agarwalla. S. (2022). Gender and Education, Mahaveer Publications, Dibrugarh
- Singh.M.(2018) Indian Social Problem, Rajat Publications, New Delhi





- https://vikaspedia.in/social-welfare/social-awareness/child-marriages#:~:text=Gender%20inequality%2C%20social%20norms%2C%20perceived,for%20prevalence%20of%20child%20marriages
- https://www.publichealthnotes.com/child-marriage-key-facts-causes-consequences-and-prevention/
- https://blog.ipleaders.in/child-marriage-impacts-consequences-effects-girl-child/
- https://www.researchgate.net/publication/278022723_child_marriage_in_india_factors_and_problems
- https://en.wikipedia.org/wiki/Child_marriage_in_India
- https://www.studyiq.com/articles/child-marriage-in-india/
- https://www.clearias.com/child-marriages-in-india
- https://www.indrastra.com/2023/02/indias-fight-against-child-marriage-is.html
- https://timesofindia.indiatimes.com/readersblog/myblogpower/child-marriage-in-india-amendment-bill-2021-37786/
- https://www.nezine.com/info/N1RVU0V3TnRKR0VNaXZjaFFKR2d5UT09/child-marriage-and-teenage-pregnancy-in-assam:-dhubri-district-accounts-for-the-highest-percentage-of-child-marriage-while-cachar-tops-the-chart-of-teenage-pregnancy.html
- https://thelogicalindian.com/northeastindia/child-marriages-in-assam-are-on-the-rise-30171
- https://www.google.com/amp/s/blog.ipleaders.in/all-about-the-prohibition-of-child-marriage-act-in-india/%3famp=1


□□□

সত্যমেৱ জয়তে

সাংস্কৃতিক পৰিক্ৰমা মন্ত্ৰালয়
অসম চৰকাৰ

Ministry of Cultural Affairs
Government of Assam

# বসন্ত উৎসৱ ৰঙালী

২০২৩

**NORTH-EAST**
**a cultural melting pot**



সম্পাদক
ড° লক্ষ্যজিৎ বুঢ়াগোহাঁই

**Basanta Utsav Rongali-2023** : A multilingual Book of Research-Based articles on Language, Literature, Culture, Tourism, Bio-Diversity etc. of North-East India, Edited by Dr. Lakhyajit Buragohain and published by Department of Cultural Affairs, Government of Assam on the occasion of North-east cultural meet "Rongali-2023" from 4th, 5th and 6th May, 2023 under the aegis of Tingkhang Sanskritik Mancha and Lengeri Kendriya Rongali Bihu Sanmilan, Lengeri, Dibrugarh, Assam.

First Published : May, 2023

Price : 700/- (Seven Hundred) Only.

**ISBN : 978-93-92610-20-2**

**প্ৰকাশক :** সাংস্কৃতিক পৰিক্ৰমা মন্ত্ৰালয়, অসম চৰকাৰ

**গ্ৰন্থস্বত্ব :** সম্পাদক

**মূল্য :** ৭০০/- টকা

**সম্পাদনা সমিতি**

**মুখ্য উপদেষ্টা :** ড° হিমন্ত বিশ্ব শৰ্মা

**বিশেষ উপদেষ্টা :** বিমল বড়া, ড° বি. কল্যাণ চক্ৰৱৰ্ত্তী

**উপদেষ্টা :** ড° অৰ্পণা কোঁৱৰ, ড° পৰমানন্দ সোনোৱাল, ড° অনিল শইকীয়া, ড° সত্যকাম বৰঠাকুৰ, ড° যতীন্দ্ৰনাথ কোঁৱৰ

**সভাপতি :** ৰাজেন বৰুৱা

**সম্পাদক :** ড° লক্ষ্যজিৎ বুঢ়াগোহাঁই

**সম্পাদনা সহযোগী :**

নব কুমাৰ গগৈ, মুকুট গগৈ, ড° স্মৃতিৰেখা চেতিয়া সন্দিকৈ, ড° কৌস্তুভমণি নাথ, ড° দৰ্পণজিৎ কোঁৱৰ, ড° অংকুৰ দত্ত, অসীম শইকীয়া, ড° পৰেশ খনিকৰ, পূৰ্বজ্যোতি চুতীয়া, শচীন শৰ্মা, পদ্মলোচন বৰুৱা

**সদস্য :**

ড° বিনীতা মৰাং, ড° স্বপন কুমাৰ চুতীয়া, ড° চিত্ৰজিৎ শইকীয়া, নিজুমণি বনিয়া চেলেং, ড° পল্লৱী সন্দিকৈ, ভদ্ৰেশ্বৰ গগৈ, গীতামণি দত্ত, সোণমাই বৰুৱা, জাহ্নু চাংমাই, সোণেশ্বৰ বুঢ়াগোহাঁই, নবীন চাংমাই

**প্ৰচ্ছদ :** ড° সঞ্জীৱ ৰ'ৱা

**অক্ষৰ বিন্যাস আৰু অংগ-সজ্জা :**

ৰিতু বৰগোঁহাই, কামধেনু প্ৰিন্টাৰ্চ, দুবৰাচুক, ডিব্ৰুগড়

ভ্ৰাম্যভাষ : ৯৯৫৭৩১৩৯০৭, ৭০০২৯০৮২৬২

**মুদ্ৰক :**

**Aurora Fine Arts Packaging Unit**

38 Industrial Estate, 5th Bye Lane

Bamunimaidam, Guwahati-21

**A note of sorry and gratitude:**

Despite all our efforts to make this book error free, there are every possibilities of printing mistake/mistakes due to overlap/lack of time. We look forward to overcome all the shortfalls of the book, if any. Therefore, we request and expect from all our readers to inform us/bring the shortfalls to our notice, which will help us to make the next edition of this book better and error free. We also expect valuable suggestions to make the next edition of this book far better.

**Festival Tourism in Tamenglong : prospect, challenges,growth strategies. (Rongmei, Liangmei and Zemei)**
Namdaiga Kamei ▶ ৭২৮-৭৩১
**REH**
Wuya Mihu ▶ ৭৩২-৭৩৪
**Prospect of tourism in Dibang valley Anini**
Tatu Mihu ▶ ৭৩৫-৭৩৬

প্ৰকৃতি ঃ

**ৰাষ্ট্ৰ নিৰ্মাণ - প্ৰকৃতি সুৰক্ষাৰ প্ৰভাৱশালী চিন্তন— জৈৱ-বৈচিত্ৰ্য সংৰক্ষণ আৰু ভাৰতীয় দৰ্শন**
সৌম্যদ্বীপ দত্ত ▶ ৭৩৭-৭৫১
**A Journey to the metal search in Karbi Anglong, Assam**
Dr. Dilip Majumdar ▶ ৭৫২-৭৫৭
**Species diversity of snakehead fishes in Northeast India**
Jyotirmoy Sonowal[1] & Shyama Prasad Biswas[2] ▶ ৭৫৮-৭৬৫
**অসমীয়া সমাজত থকা উদ্ভিদকেন্দ্ৰিক অন্ধবিশ্বাস**
ড° দিলীপ কলিতা ▶ ৭৬৬-৭৬৯
**অসমৰ জলজ অলংকাৰৰ অৰ্থনৈতিক গুৰুত্ব**
ড° জ্যোতিমা ফুকন ▶ ৭৭০-৭৭২
**অসমৰ পুখুৰী আৰু বিদেশৰ পানীৰ বাগিচা**
নবীন বুঢ়াগোহাঁই ▶ ৭৭৩-৭৭৬
**বেং তেৰাঙৰ চুটিগল্পত উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰকৃতি আৰু প্ৰকৃতি চেতনা**
ড° পৰেশ খনিকৰ ▶ ৭৭৭-৭৮১
**Beauty with Brain**
Tinamoni Hazarika ▶ ৭৮২-৭৮৫
**জনগোষ্ঠীয় লোকসংস্কৃতিত প্ৰকৃতি**
মানস প্ৰতিম দত্ত ▶ ৭৮৬-৭৯৩

সংযোজন ঃ

**(ক) উত্তৰ-পূৰ্বাঞ্চলৰ জাতি-জনগোষ্ঠীসমূহৰ সমীক্ষা**
**তথ্য সংগ্ৰহকাৰী ঃ** ড° লক্ষ্যজিৎ বুঢ়াগোহাঁই, ড° ডলী চুতীয়া, ড° পল্লৱী সন্দিকৈ ▶ ৭৯৪-৮০২
**(খ) আলোকচিত্ৰ**

# ৰংবং তেৰাঙৰ চুটিগল্পত উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰকৃতি আৰু প্ৰকৃতি চেতনা

**ড° পৰেশ খনিকৰ**
সহকাৰী অধ্যাপক, নাহৰকটীয়া মহাবিদ্যালয়

**অৱতৰণিকা**

সাহিত্য সমাজৰ প্ৰতিফলন। সমাজৰ বিভিন্ন সময়ত হোৱা পৰিৱৰ্তন তথা সামাজিক ঘটনাৰাজি সাহিত্যত প্ৰকাশ পায়। সমসাময়িক সমাজৰ চিত্ৰ ধৰি ৰখাৰ ক্ষেত্ৰত সাহিত্যৰ অন্যান্য বিধাৰ দৰে চুটিগল্পও এক শক্তিশালী মাধ্যম। সামাজৰ বিভিন্ন প্ৰসংগৰ প্ৰতিফলন ঘটা বিভিন্ন সাহিত্যিকৰ সাহিত্যত প্ৰকৃতিৰ বিভিন্ন প্ৰসংগই স্থান লাভ কৰিছে। সাহিত্যৰ সৈতে এক পুৰাতন সম্পৰ্ক থকা প্ৰকৃতিৰ বিভিন্ন দিশ চুটিগল্পৰ মাজতো প্ৰকাশিত হৈছে। সম্প্ৰতি সাহিত্য আৰু পৰিৱেশ অধ্যয়নৰ বিষয়ে গঢ় লৈ উঠা ধাৰণাটোক 'ইক'ক্ৰিটিছিজম' বা 'এনভাইৰণমেণ্টেল ক্ৰিটিছিজম' বুলি কোৱা হয়। অসমীয়াত এই ধাৰণাটোক 'পৰিৱেশ সমালোচনা' বুলি অভিহিত কৰা হৈছে। সাহিত্যৰ বিভিন্ন বিধা বা অন্যান্য সৃজনীমূলক কৰ্মত প্ৰকৃতি আৰু পৰিৱেশ দিশটোৰ বৈবিধ্যময় ৰূপৰ প্ৰতিফলন কেনেদৰে উপস্থাপিত হয় সেই বিষয়ে আলোচনা কৰা হয়। কল্পনাপ্ৰসূত বা সৃজনীমূলক কলাৰ শব্দ, কাহিনী আৰু চিত্ৰৰ প্ৰভাৱেৰে পৰিৱেশ সচেতনতাক সৱল আৰু উজ্জীৱিত কৰি তুলিব পাৰে। অসমীয়া চুটিগল্পক বিশেষ মাত্ৰা প্ৰদান কৰা ৰংবং তেৰাঙৰ চুটিগল্পতো প্ৰকৃতিৰ প্ৰতি সচেতন দৃষ্টিভংগী স্পষ্ট ৰূপত প্ৰকাশিত হৈছে। প্ৰকৃতিৰ প্ৰতি আধুনিকীকৰণে কঢ়িয়াই অনা ভাবুকিৰ পৰা আৰম্ভ কৰি প্ৰকৃতি ধ্বংসৰ বিভিন্ন কাৰণ আৰু কাৰককে আদি কৰি সংৰক্ষণৰলৈকে তেৰাঙৰ গল্পসমূহৰ মাজেৰে প্ৰকাশিত হৈছে।

প্ৰকৃতিৰ প্ৰতি সচেতন মনোভাৱ জনসাধাৰণৰ মাজলৈ কঢ়িয়াই নিয়াৰ ক্ষেত্ৰত সাহিত্য এক শক্তিশালী মাধ্যম হ'ব পাৰে। সম্প্ৰতি মানুহৰ জীৱন ধাৰণৰ কছুমান দিশৰ কাৰণে পৰিৱেশ তথা প্ৰকৃতিৰ বিভিন্ন পৰিৱৰ্তন ঘটিছে। পৰিৱেশ অৱক্ষৰ কেৱল কলাত্মক উপস্থাপনেই মানুহৰ এনে জীৱন শৈলীৰ পৰা বিৰত ৰাখিব নোৱাৰে; কিন্তু এনে কলা-কৃতিৰ বিচাৰ-বিশ্লেষণমূলক আলোচনাই মানুহৰ এনে জীৱন পদ্ধতিৰ পৰিণাম উপলব্ধি কৰাৰ আৰু সম্ভাব্য বিকল্প পন্থাৰে চিন্তা কৰাৰ বাট মুকলি কৰিব পাৰে। এনে দিশৰ পৰা ৰংবং তেৰাঙৰ চুটিগল্পত প্ৰকৃতি চেতনা কেনেদৰে প্ৰতিফলিত হৈছে বা প্ৰকৃতিৰ প্ৰতি লেখকৰ দৃষ্টিভংগী কেনেধৰণৰ সেয়া আলোচনাৰ মাজলৈ আনাৰ উদ্দেশ্যেৰে *ৰংবং তেৰাঙৰ গল্পত প্ৰকৃতি চেতনা* শীৰ্ষক বিষয়টো অধ্যয়নৰ বাবে নিৰ্বাচন কৰা হৈছে।

সাহিত্যৰ এক শক্তিশালী বিধা চুটিগল্পত প্ৰকৃতিৰ বিভিন্ন প্ৰসংগ বিভিন্ন ধৰণে উপস্থাপিত হৈছে। আমাৰ আলোচনাত ৰংবং তেৰাঙৰ গল্পৰ আধাৰতহে বিষয়বস্তু বিচাৰ কৰা হৈছে। গল্পবোৰৰ কোনো ধৰণৰ আংগিক প্ৰসংগৰ বিষয়ে ইয়াত আলোচনা কৰা নহয়। কেৱল গল্পৰ জৰিয়তে গল্পকাৰৰ প্ৰকৃতি চেতনা বা প্ৰকৃতি সম্পৰ্কীয় দৃষ্টিভংগী কেনেদৰে প্ৰকাশিত হৈছে সেয়াহে বিচাৰ কৰা হৈছে।

**ৰংবং তেৰাঙৰ চুটিগল্পত প্ৰকৃতি চেতনা**

অসমীয়া গল্প সাহিত্যক যিসকল গল্পকাৰে সমৃদ্ধি প্ৰদান কৰিছে সেইসকল গল্পকাৰৰ ভিতৰত ৰংবং তেৰাঙ এক উল্লেখযোগ্য সত্তা। সংখ্যাৰ লেখেৰে বহুত বেছি গল্প ৰচনা কৰা নাই যদিও যিকেইটা গল্প ৰচনা কৰিছে তাৰ ভিতৰতে গল্পৰ আংগিকগত বৈশিষ্ট্য আৰু বিষয়বস্তুৰ অভিনৱত্বই তেৰাঙৰ গল্পক এক বিশেষ আয়তন প্ৰদান কৰিছে। তেৰাঙৰ চুটিগল্পবোৰৰ বিষয়গত বৈশিষ্ট্যলৈ মন কৰিলে দেখা যায় যে অসম তথা কাৰ্বি-আংলঙৰ জন-জীৱনৰ লগতে প্ৰকৃতিৰ বিভিন্ন প্ৰসংগ তেৰাঙৰ চুটিগল্পৰ বিষয়বস্তু হৈ ধৰা দিছে। বিশেষকৈ এগৰাকী চৰকাৰী বন বিষয়া হোৱাৰ বাবে তেৰাঙে অৰণ্য তথা প্ৰকৃতি আৰু জীৱ-জন্তুৰ সৈতে একাত্ম হোৱাৰ সুবিধা লাভ কৰিছিল। প্ৰকৃতিৰ মাজত বিচৰণ কৰা সৃষ্টিশীল মনৰ বিষয়াগৰাকীৰ চুটিগল্পত সেয়েহে প্ৰকৃতিৰ বিভিন্ন প্ৰসংগই স্থান লাভ কৰিছে বুলি নিঃসন্দেহে স্বীকাৰ কৰিব পাৰি। সেই কথা তেৰাঙে গল্পৰ মাজেৰে স্বীকাৰো কৰিছে—

> *অৰণ্য আৰু মানুহ, এই দুটি সত্তাৰ সম্বন্ধ যেন আদিমতম, এই সত্যই মোৰ অন্তৰাত্মাত থিতাপি লভিছিল,— ফৰেষ্ট ডিপাৰ্টমেণ্টত সোমায়েই।*[৮]

পোনপটীয়াকৈ প্ৰকৃতিক উস্থাপন কৰা বা প্ৰকৃতিৰ বিভিন্ন সমস্যা তুলি ধৰাই তেৰাঙৰ গল্পবোৰৰ ঘাই উদ্দেশ্য নহয় যদিও তেখেতৰ বিভিন্ন গল্পৰ বৰ্ণনাৰ মাজত সেই চেতনা স্পষ্ট হৈ উঠিছে। প্ৰকৃতি আৰু মানুহৰ যি এক পুৰাতন তথা অভিন্ন সম্পৰ্ক সেয়া তেৰাঙৰ গল্পত প্ৰকাশিত হৈছে। অৰণ্য ধ্বংসৰ কথা বা প্ৰসংগই তেৰাঙত কোনোদিনেই আনন্দ দিয়া নাই। অৰণ্য ধ্বংস কৰা কাৰ্যক তেৰাঙে নাৰী ধৰ্ষণৰ লগত তুলনা কৰিছে। তেৰঙৰ *বকুলৰ ডায়েৰী* নামৰ গল্পটোলৈ মন কৰিলেই প্ৰকৃতি সম্পৰ্কীয় তেৰাঙৰ দৃষ্টিভংগীৰ উমান পাব পাৰি—

> *বোবা অৰণ্যৰ ওপৰত মানুহৰ অত্যাচাৰ মোৰ বাবে সেয়েহে অসহনীয়। সেয়া নাৰী ধৰ্ষণতকৈয়ে অপৰাধ বুলি মই ভাবোঁ।*
>
> *সুদীৰ্ঘ পথ অতিক্ৰম কৰি আহোতে দুয়োফালৰ অৰণ্যৰ ওপৰত মানুহৰ নিৰ্যাতনৰ প্ৰত্যক্ষ ৰূপ দেখি মই স্তম্ভিত হৈ পৰিছোঁ। দংকেক লাংছু'ৰ বনাঞ্চলতো সেই নিৰ্যাতন নিশ্চয় হৈছে।*[৯]

প্ৰকৃতিৰ সৃষ্টি অৰণ্য ধ্বংসৰ কাৰ্যত তেৰাঙৰ অন্তৰাত্মা কঁপি উঠা বা তেনে ঘটনা দেখি স্তম্ভিত হৈ উঠা তেৰাঙৰ বাবে এই কাৰ্য অসহনীয়। প্ৰকৃতি ধ্বংসৰ ঘটনা বন বিভাগৰ বিষয়াৰ পৃষ্ঠপোষকতাতে হৈ থকাৰ অভিযোগ উঠাৰ সময়তে তেৰাঙৰ এনে দৃষ্টিভংগীয়ে নিঃসন্দেহে তেখেতৰ প্ৰকৃতি সম্পৰ্কীয় সচেতন দৃষ্টিভংগীকেই নিৰ্দেশ কৰে।

অবিভক্ত অসমৰ বিনন্দিয়া প্ৰাকৃতিক পৰিবেশ আজি আৰু একে হৈ থকা নাই। প্ৰতি দিনেই যেন সেই

পৰিৱেশ মানুহৰ ক্ৰূৰতাৰ বলী হৈ আহিছে। ইয়াৰ মূলতেই বিভিন্ন কাৰণ আঙুলিয়াব পাৰি। জনসংখ্যাৰ বিস্ফোৰণৰ সমান্তৰালভাৱে চুৰাং ব্যৱসায় ইয়াৰ এক গুৰুত্বপূৰ্ণ কাৰণ। তদুপৰি বিভিন্ন ধৰণে গঢ়ি উঠা কাঠ মিল বিলাকৰ জৰিয়তে কাঠৰ যি বৈধ-অবৈধ ব্যৱসায় গঢ়ি উঠিছে সেইবোৰেহে অৰণ্য ধ্বংসত বিশেষ অৰিহণা যোগাইছে। ক্ৰমাত গছ-গছনীৰ সংখ্য কমি অহা কাৰ্বি পাহাৰৰ কথা তেৰাঙৰ চুটিগল্পত প্ৰকাশিত হৈছে—

*ঃ তোমালোকৰ এই পাহাৰবোৰত গছ নায়েইচোন। প্ৰায়বোৰতে দেখিছোঁ পাহাৰবোৰ তেনেই টকলা। ঝুম খেতিৰ কাৰণে হৈছে নেকি?*

*ঃ ঝুম খেতিৰ কাৰণে নহয় ছাৰ।*

*ঃ তেনেহলে?*

*ঃ কাঠৰ মিল আৰু টীম্বাৰ কোম্পানীক লীজ দিয়াৰ কাৰণে গছবোৰ কমি গৈছে ছাৰ।*

*ঃ এৰা। গছ-গছনি নোহোৱাৰ কাৰণে ঝুম খেতি কৰাবোৰকহে আমি জগৰীয়া কৰি আহিছোঁ।*

বহু লোকে বা সাধাৰণতে আমি সকলোৱে পাহাৰৰ বনাঞ্চল ধ্বংসৰ বাবে পাহাৰীয়া মানুহখিনিয়ে জীৱিকা উপাৰ্জন তথা পেট প্ৰৱৰ্তাৱৰ বাবে কৰা ঝুম খেতিকেই জগৰীয়া কৰিব খোজে বাবে কৰি আহিছে। আচলতে সেয়া যে সত্য নহয় বা তাৰ বিপৰীতে চৰকাৰী কিছুমান বিষয়া বা চৰকাৰী অদূৰদৰ্শী চিন্তাহে জগৰীয়া। চৰকাৰৰ স্থায়ী দীৰ্ঘম্যাদি আঁচনি গ্ৰহণ তথা ৰূপায়ণৰ জৰিয়তেহে এনে সমস্যাৰ সমাধান কৰিব পৰা যাব। সেই সম্পৰ্কে তেৰাঙৰ গল্পত এনেদৰে প্ৰকাশিত হৈছে—

*ঝুম খেতি কৰি নাখালেনো এই পাহাৰৰ মানুহখিনিয়ে ভাতমুঠি খাবই বা ক'ৰ পৰা। আমাৰ চৰকাৰেও সুদূৰ ভৱিষ্যতৰ আঁচনিৰে ঝুমীয়া মানুহখিনিৰ সংস্থাপনৰ পদক্ষেপ ল'ব লাগিছিল। কেৱল ঝুম পদ্ধতিক দোষ দি জানো বনাঞ্চল ৰক্ষা কৰিব পাৰিব?*

পাহাৰৰ কাষৰ ঝুম খেতি কৰা বিনন্দীয়া দৃশ্যবোৰে যিকোনো অনুভূতিশীল মানুহৰ মনতেই আলোড়ন তোলে। কিন্তু সেই ঝুম খেতিৰ জৰিয়তেনো আচলতে তেওঁলোক অৰ্থনৈতিকভাৱে কিমান টনকীয়াল হ'ব পাৰে! সেই সৰলমনা মানুহখিনিৰ বিপৰীতে অন্য কিছুমান মানুহৰ দ্বাৰাহে বনাঞ্চলৰ ওপৰত অবাধ শোষণ-নিষ্পেষণ হৈ আহিছে আৰু দিনক দিনে সেইশ্ৰেণী মানুহৰ অৰ্থনৈতিক গাঁথনি সুদৃঢ় কৰিছে। এনে প্ৰসংগ তেৰাঙৰ গল্পত প্ৰকাশিত হৈছে এনেদৰে—

*মনজিৰ পাহাৰৰ পৰা লাহে লাহে নামি যাওঁতে আশে-পাশে থকা সৰু সৰু পাহাৰবোৰত ঝুম খেতি কৰা ঠাইবোৰ চকুত পৰিব ধৰিলে। আবেলিৰ পোহৰত ঝুম খেতি কৰা ঠাইবোৰ বাদামী ৰঙৰ দৰে হৈ মোৰ দুচকুত ভাঁহি উঠিব ধৰিলে। ঝুমখেতিৰ গঢ়া অৰ্থনৈতিক বুনিয়াদ এই পাহাৰীয়া মানুহখিনিৰ কিমানেই বা সুদৃঢ়, সেই সম্পৰ্কে মোৰ সমুলি ধাৰণা নাই। তথাপিও এই মানুহখিনিৰ সমাজ, সংস্কৃতি, ভাষা, সাহিত্য, জীৱনৰ ধ্যান-ধাৰণা আদি বহুতো কথাকেই চিন্তা কৰি যাব ধৰিলো আৰু লগতে বনাঞ্চলৰ ওপৰত অন্য মানুহৰ অবাধ শোষণ নিষ্পেষণেৰে নিজৰ অৰ্থনৈতিক গাঁথনি সুদৃঢ় কৰাৰ প্ৰত্যক্ষ দৃশ্যবোৰ চাই চাই যাব ধৰিলো— এজন নিসহায় বন-সংৰক্ষক বিষয়াৰূপে?*

প্ৰকৃতি তথা অৰণ্য ধ্বংসৰ বিভিন্ন কাৰণবোৰৰ ভিতৰত এক উল্লেখযোগ্য দিশ হ'ল মহানগৰ সৃষ্টি। মহানগৰবোৰৰ ক্ৰমাত বাঢ়ি অহা কংক্ৰিটৰ সমাজখনত প্ৰকৃতিয়ে স্বাভাৱিকতা হেৰুৱায়। তদুপৰি মহানগৰ সৃষ্টিৰ নামত অসমৰ বিনন্দীয়া প্ৰকৃতিক সম্পদবোৰ ধ্বংস কৰা হৈছে। অৰণ্যৰ গছ-গছনি কাটি পেলোৱা হৈছে, সুউচ্চ পাহাৰ খান্দি প্ৰতিষ্ঠান তথা গৃহ নিৰ্মাণ কৰা হৈছে। ফলত প্ৰকৃতিৰ পৰা বিভিন্ন বনজ সম্পদ নোহোৱা হোৱাৰ উপক্ৰম হৈছে—

> *আগ্নেয়গিৰিৰ লাভাবোৰৰ দৰেই মহানগৰে ক্ৰমে ক্ৰমে নিঃশেষ কৰিব ধৰিছে— মাটিৰ সেউজ ৰঙক। লোক-বিশ্বাসৰ সেই আপুৰুগীয়া বনসম্পদটোক বিচাৰি পাম জানো কংক্ৰিটৰ বুকুত?*

*প্ৰতিধ্বনি* গল্পটো তেৰাঙৰ প্ৰকৃতি চেতনা প্ৰকাশক এটা উল্লেখযোগ্য চুটিগল্প। অপ্ৰিয় হ'লেও সত্য যে কিছুমান মানুহৰ বাবে প্ৰকৃতিৰ উপাদান গছ-গছনীবোৰ শত্ৰুৰ দৰে হৈ পৰে। ফলত নৃশংসভাৱে এচামে গছ-গছনি কাটি অৰণ্যৰ মহত্ত্ব উপলব্ধি নকৰাকৈ ধ্বংস কৰি আহিছে। আচলতে অৰণ্য কেতিয়াও মানুহৰ শত্ৰু নহয় বা হ'ব নোৱাৰে। বিপৰীতে অৰণ্যৰ পৰাই মানুহে লাভ কৰে জীয়াই থকাৰ মূল উৎস অক্সিজেন। কেৱল সেয়াই নহয় প্ৰকৃতিৰ বিভিন্ন জীৱ-জন্তুকে মানুহে শত্ৰু জ্ঞান কৰি আহিছে। বাঘ দেখিলেই হত্যা কৰাৰ প্ৰৱনতা, সাপ দেখিলেই শত্ৰু বুলি ভাবি হত্যা কৰাৰ প্ৰৱনতা আজিও মানুহৰ মাজত অতি নিৰ্লজ্জভাৱে প্ৰচলিত হৈ আছে। এনে চেতনাৰ বিপৰীতে তেৰাঙৰ চেতনাত প্ৰকৃতি কেতিয়াও তেওঁৰ শত্ৰু হৈ উঠা নাই। সেয়ে তেৰাঙে লিখিছে—

> *বনভূমিৰ চৰিত্ৰক বুজিবলৈ বাকী নাই। অৰণ্য আমাৰ শত্ৰু নহয়, বৰং ই আমাৰ পৰম বন্ধুহে। এই ভাব মনত লৈ বনৰীয়া জীৱ-জন্তুৰ প্ৰতি সেৱা কৰি আহিছোঁ, ইমান বছৰে। বাঘ আৰু হাতীৰ মুখৰ পৰাও নিৰাপদে ওলাই আহিব পাৰিছো মনৰ এই অভয়-মন্ত্ৰৰে।*

প্ৰকৃতি সংৰক্ষণ তথা অৰণ্য ধ্বংস ৰোধ কৰাৰ বাবে প্ৰয়োজন মানুহৰ মাজত প্ৰকৃতি তথা অৰণ্যৰ গুৰুত্ব উপলব্ধি কৰোৱাত। বিপৰীতে কিছুমান চমক সৃষ্টিৰ বাবে কৰি অহা কামে কেতিয়াও প্ৰকৃতি তথা অৰণ্যৰ গছ-গছনি, জীৱ-জন্তুক সুৰক্ষা দিব নোৱাৰে। প্ৰকৃতি সংৰক্ষণৰ শ্ল'গান, প্ৰকৃতি সংৰক্ষণৰ বিশেষ আইন এইবোৰৰ বিপৰীতে মানুহৰ মনত সচেতনতা গঢ়ি তুলিলেহে প্ৰকৃতি সুৰক্ষিত হ'ব—

> *দিনৰ ভাগত কাঠৰ চোৰাং কাৰবাৰ, নিশাৰ ভাগত বন্যপ্ৰাণী চিকাৰ। প্ৰহিবিটেড এৰিয়া, হাণ্টিং ইজ্ ষ্ট্ৰিকলি প্ৰহিবিটেড বুলি ডাঙৰ ডাঙৰ আখৰেৰে লিখা থাকিলেই হ'লনে, মানুহে যদি নিজৰ আচৰণ পৰিশুদ্ধ নকৰে? শ্ল'গান গাই, আইন কৰি লাভ কি, যদিহে মানুহে পালন নকৰে?*

মানৱ সমাজত মানুহে কেৱল মানুহৰেই ধ্বংস নকৰে; মানুহে প্ৰকৃতিৰো ধ্বংস কৰে। প্ৰকৃতিৰ ওপৰত মানৱে আধিপত্য চলাই প্ৰকৃতিৰ ইচ্ছাৰ বিপৰীতে কেৱল ব্যক্তিগত লাভৰ কাৰণে মানৱে প্ৰকৃতিৰ অনিষ্ট কৰি আহিছে। দিনৰ ভাগত কাঠৰ ব্যৱসায়, নিশাৰ ভাগত বন্যপ্ৰাণীৰ চিকাৰ অসমৰ এক নৈমিত্তিক ঘটনাত পৰিণত হৈছে। অসমৰ প্ৰকৃতি সচেতন মহলৰ মাজত এনে ঘটনাই নিঃসন্দেহে উদ্বেগৰ সৃষ্টি কৰিছে। এনে ঘটনাবোৰ সাহিত্যৰ বিশেষকৈ সৃজনীমূলক সাহিত্যৰ জৰিয়তে চিনাকি কৰাই দিয়াৰ লগতে জনসাধাৰণৰ মাজত সচেতনতা সৃষ্টি তথা বৃদ্ধি কৰাৰ প্ৰয়াস অতি গুৰুত্বপূৰ্ণ। এনে দিশৰ পৰা ৰংবং তেৰাঙৰ কিছুমান গল্প পাৰিপাৰ্শ্বিক চেতনাপ্ৰকাশক সাহিত্য বা প্ৰকৃতি সাহিত্যৰ অন্তৰ্গত বুলি কোৱাত কাৰো সমস্যা থাকিব নালাগে।

**উপসংহাৰ**

*ৰংবং তেৰাঙৰ চুটিগল্পত প্ৰকৃতি চেতনা* —শীৰ্ষক বিষয়ৰ আলোচনাৰ শেষত নিম্নলিখিত সিদ্ধান্তত উপনীত হ'ব পাৰি—

- অসমীয়া প্ৰকৃতি সাহিত্যৰ বিচাৰত ৰংবং তেৰাঙৰ চুটিগল্পবোৰ এক সমৃদ্ধিশালী উৎস।
- প্ৰকৃতি সংৰক্ষণ তথা প্ৰকৃতি ধ্বংসৰ বিভিন্ন কাৰণ আৰু কাৰক সম্পৰ্কে গল্পৰ জৰিয়তে তেৰাঙে আঙুলিয়াই দিছে।
- ৰংবং তেৰাঙে চুটিগল্পসমূহৰ জৰিয়তে মানুহ আৰু প্ৰকৃতিৰ আন্তঃসম্পৰ্কৰ যোগেদি প্ৰকৃতিৰ প্ৰতি থাকিবলগীয়া মানৱ সমাজৰ সামূহিক দায়বদ্ধতাক চিত্ৰিত কৰিছে।
- সৃজনীমূলক সাহিত্যৰ জৰিয়তে জনসাধাৰণৰ মাজত সচেতনতা সৃষ্টি তথা সচেতনতা বৃদ্ধি কৰাৰ প্ৰয়াস অতি গুৰুত্বপূৰ্ণ। এনে দিশৰ পৰা ৰংবং তেৰাঙৰ কিছুমান গল্প পাৰিপাৰ্শ্বিক চেতনাপ্ৰকাশক সাহিত্য বা প্ৰকৃতি সাহিত্যৰ অন্তৰ্গত বুলি কোৱাত কাৰো সমস্যা থাকিব নালাগে।

**প্ৰসংগসূত্ৰ নিৰ্দেশ**

[১] *বকুলৰ ডায়েৰী,* গল্প সমগ্ৰ, ৰংবং তেৰাং, পৃ. ১৫১

[২] উল্লিখিত, পৃ. ১৫১

[৩] উল্লিখিত, পৃ. ১৫১

[৪] উল্লিখিত, পৃ. ১৫২

[৫] উল্লিখিত, পৃ. ১৫২

[৬] *বৃক্ষ-বন্ধন,* গল্প সমগ্ৰ, ৰংবং তেৰাং, পৃ. ১৮৮

[৭] *প্ৰতিধ্বনি,* গল্প সমগ্ৰ, ৰংবং তেৰাং, পৃ. ৬৯

[৮] উল্লিখিত, পৃ. ৬৮

**গ্ৰন্থপঞ্জী**


গোস্বামী, দুলালচন্দ্ৰ, মতিউৰ ৰহমান, সত্য ৰঞ্জন বৰা (সম্পা.) ঃ *প্ৰকৃতি মানুহ আৰু মান্যতা,* জাগৰণ সাহিত্য প্ৰকাশন, পাণবজাৰ, গুৱাহাটী-১, দ্বিতীয় প্ৰকাশ, জুলাই, ২০১৬

চমুৱা, নব কুমাৰ ঃ *অসমত সেউজ সংৰক্ষণ চেতনা আৰু সাহিত্য,* নক্সা প্ৰিণ্ট এণ্ড পাব্লিকেশ্যন, ধেমাজি আৰু ডিব্ৰুগড়, প্ৰথম প্ৰকাশ ঃ এপ্ৰিল, ২০১৭

বৰা, অপূৰ্ব(সম্পা.) ঃ *অসমীয়া চুটিগল্প ঃ ঐতিহ্য আৰু বিৱৰ্তন,* যোৰহাট কেন্দ্ৰীয় মহাবিদ্যালয় প্ৰকাশন কোষ, যোৰহাট, ৭৮৫০১০, প্ৰথম প্ৰকাশ, জুলাই, ২০১২

বৰুৱা, প্ৰাদকুমাৰ ঃ *অসমীয়া চুটিগল্পৰ অধ্যয়ন, বনলতা,* ডিব্ৰুগড়-১, পুনৰ মুদ্ৰণ ঃ ২০১৫

তেৰাং, ৰংবং ঃ *গল্প সমগ্ৰ,* বনলতা, পাণবজাৰ, গুৱাহাটী-১, প্ৰথম সংস্কৰণ, ডিচেম্বৰ, ২০১২

দত্ত, সৌম্যদ্বীপ ঃ *বিপন্ন ধৰিত্ৰী সংকটত বন্যপ্ৰাণী,* জ্যোতি প্ৰকাশন, পাণবজাৰ, গুৱাহাটী-১, প্ৰথম সংস্কৰণ, ২০১২

ৰাজখোৱা, অৰবিন্দ (সম্পা.) ঃ *অসমীয়া চুটিগল্পৰ গতি-প্ৰকৃতি,* দত্ত প্ৰকাশন, লখিমপুৰ-৭৮৭০০১, দ্বিতীয় সংস্কৰণ, ২০১৩